# গোৱালপাৰীয়ান

## গোৱালপাৰা মহাবিদ্যালয় আলোচনী



সম্পাদক
মিন মোস্তাক ৰহমান

# অসমৰ জাতীয় সংগীত



- লক্ষ্মীনাথ বেজবৰুৱা

অ' মোৰ আপোনাৰ দেশ।
অ' মোৰ চিকুণী দেশ।
এনেখন শুৱলা,
এনেখন সুফলা,
এনেখন মৰমৰ দেশ।

অ' মোৰ সুৰীয়া মাত!
অসমৰ সুৱদি মাত!
পৃথিৱীৰ ক'তো
বিচাৰি জনমটো
নোপোৱা কৰিলেও পাত।

অ' মোৰ ওপজা ঠাই!
অ' মোৰ অসমী আই!
চাই লওঁ তোমাৰ
মুখনি এবাৰ
হেঁপাহ মোৰ পলোৱা নাই।

# গোৱালপাৰীয়ান

## স্নাতক মহলাৰ আলোচনী

গোৱালপাৰা মহাবিদ্যালয়

২০২১-২০২২ বৰ্ষ

সম্পাদক । মিন মোস্তাক ৰহমান

# গোৱালপাৰীয়ান

## স্নাতক মহলাৰ আলোচনী, গোৱালপাৰা মহাবিদ্যালয়

| | | |
|---|---|---|
| মুখ্য উপদেষ্টা | ঃ | ড° সুভাষ বৰ্মন<br>অধ্যক্ষ, গোৱালপাৰা মহাবিদ্যালয় |
| উপদেষ্টা মণ্ডলী | ঃ | ড° ভানু বেজবৰা কলিতা<br>হাছনা বেগম বৰভূঞা<br>শিখা বাসাক<br>জ্যোৎস্না দাস<br>ৰশ্মি হাজৰিকা<br>মানসী দেৱী |
| সম্পাদক | ঃ | মিন মোস্তাক ৰহমান |
| তত্ত্বাৱধায়ক | ঃ | তৃষ্ণা বৰ্মন |
| ছাত্ৰ সদস্য | ঃ | ইমৰান খান, ফাৰুক আব্দুল্লা, প্ৰান্তিক শিৱম,<br>ইক্ৰামূল হক, অলকা ৰাভা |
| পৰিকল্পনা | ঃ | তৃষ্ণা বৰ্মন |
| বেটুপাত | ঃ | মহাবিদ্যালয়ৰ নৱনিৰ্মিত তোৰণৰ আৰ্হিত |
| অন্তৰ্ভাগৰ চিত্ৰণ | ঃ | তৃষ্ণা বৰ্মন |
| আৰ্হি নিৰীক্ষণ | ঃ | সম্পাদক, তত্ত্বাৱধায়ক |
| মুদ্ৰক | ঃ | ভৱানী অফছেট এণ্ড ইমেইজিং ছিষ্টেমছ প্ৰাঃ লিঃ<br>৭ লাচিত লেন, ৰাজগড় ৰোড, গুৱাহাটী-৭৮১০০৭ |

গোৱালপাৰা মহাবিদ্যালয়ৰ আত্মাৰ ৰূপকাৰ মহীৰূহ সকল .....
আপোনাসৱলৈ অনিঃশেষ কৃতজ্ঞতা।



খগেন্দ্রনাথ নাথ



ওৱাজুদ্দিন আহমেদ



ড° বীৰেন্দ্র নাথ দত্ত



ড° মহেন্দ্র বৰা

ড° হিমন্ত বিশ্ব শৰ্মা
**Dr. Himanta Biswa Sarma**

মুখ্যমন্ত্ৰী, অসম
**Chief Minister, Assam**



দিছপুৰ
১১ জেঠ, ১৪২৯ ভাস্কৰাব্দ
২৬ মে', ২০২২ ইং

## শুভেচ্ছাবাণী

গোৱালপাৰা মহাবিদ্যালয়ৰ আলোচনী 'গোৱালপাৰীয়ান' প্ৰকাশৰ বাবে উদ্যোগ লোৱা হৈছে বুলি জানিবলৈ পাই মই সুখী হৈছোঁ।

বিশিষ্ট সাহিত্যিক হেমচন্দ্ৰ গোস্বামীয়ে কৈছিল— "*... অন্যান্য সভ্য দেশত ছাত্ৰৰ শিক্ষাৰ নিমিত্তে যি বন্দোবস্ত কৰিছিল, এই দেশতো তাতকৈ কোনোমতে কম বন্দোবস্ত কৰা নাছিল। আগৰ কালৰ ছাত্ৰবিলাকে শিক্ষা লাভ কৰি নানা বিষয়ত যেনেকৈ সিদ্ধি লাভ কৰি নতুন নতুন তত্ত্ব আৰু সত্য আৱিষ্কাৰ কৰিছিল, এতিয়ানো ভাৰতবৰ্ষৰ ছাত্ৰই কিয় তেনে সত্য আৱিষ্কাৰ কৰিবলৈ সমৰ্থ নহয়? যদিওবা দুই-এজনে ক'ৰবাত দুই-এক তত্ত্ব আৱিষ্কাৰ কৰিছে, সি ধৰ্তব্য নহয়। তেনেহ'লে কি ছাত্ৰ, কি অভিভাৱক সকলোৱে এবাৰ ভাবি চোৱা উচিত নহয় নে এনে হ'বৰ কাৰণ কি?*"

প্ৰাচীন ভাৰতত বৰ্তমানৰ দৰে শিক্ষাৰ বহুল প্ৰচাৰ আৰু প্ৰসাৰ নোহোৱা স্বত্বেও জ্ঞানৰ পোহৰেৰে বিশ্ববাসীক উদ্ভাষিত কৰিছিল। সেই কথা আলোকপাত কৰি হেমচন্দ্ৰ গোস্বামীদেৱে কৈছিল যে প্ৰাচীন কালত ছাত্ৰৰ জ্ঞান আহৰণৰ হেঁপাহ আছিল আৰু শিক্ষাই ভাৰতবৰ্ষৰ সন্মান উচ্চ পৰ্যায়লৈ লৈ গৈছিল। আগৰ কালৰ শিক্ষাই বিদ্যাৰ্থীৰ সজ গুণবোৰ বিকশাই তুলি তেওঁলোকক জীৱন যুদ্ধৰ নিমিত্তে ভালকৈ প্ৰস্তুত কৰি তুলিছিল। আজিৰ আধুনিক যুগত বিজ্ঞান আৰু প্ৰযুক্তিয়ে সমাজ জীৱনক আলোকিত কৰাৰ সময়ত ভাৰতীয় প্ৰাচীন শিক্ষাৰ গুণগত দিশটো সমানেই আলোচ্য বিষয় হৈ আছে। সেইবাবে আমাৰ দেশৰ নতুন শিক্ষা নীতিত প্ৰাচীন ভাৰতীয় শিক্ষাৰ মূল্যবোধক গুৰুত্ব আৰোপ কৰি একবিংশ শতিকাৰ উপযোগী শিক্ষা ব্যৱস্থা এটা গঢ়ি তোলাৰ বাবে ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে পদক্ষেপ লৈছে। ভাৰতৰ নতুন প্ৰজন্মই যাতে বিশ্ব নেতৃত্ব ল'ব পাৰে সেই দৃষ্টিৰে লোৱা নতুন শিক্ষা নীতিক বাস্তৱায়িত কৰাৰ দায়িত্ব শিক্ষানুষ্ঠানসমূহে ল'ব লাগিব। গোৱালপাৰা মহাবিদ্যালয়ৰ আলোচনীখনত এনেবোৰ বিষয় প্ৰকাশ কৰিলে ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ'ব পাৰিব বুলি আশা কৰিলোঁ।

মই গোৱালপাৰা মহাবিদ্যালয়ৰ আলোচনীখন সৰ্বাংগসুন্দৰ ৰূপত প্ৰকাশৰ কামনা কৰিলোঁ।

(ড° হিমন্ত বিশ্ব শৰ্মা)

গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY

Prof. Pratap Jyoti Handique
Vice Chancellor
Phone : 9435012920
E-mail ID : vc@gauhati.ac.in



## MESSAGE

I have the pleasure to offer my appreciation to the *Goalpara College, Goalpara* for its effort to publish the annual issue of the College magazine **"Goalparian" (2021-2022 volume).** The College magazine incorporates articles of the college students and the faculty members. I believe this publication will be a strong medium for both the students and the faculty members of the college for an intellectual exercise. It also provides scope for manifestation of hidden talents in the college.

I hope that the said publication will be richly endowed with contributions from both the students and the teaching community and will make interesting reading. I wish all success in the effort and hope the Magazine will be well accepted by the readers.

P. J. Handique

Date : 23.03.2021

(Pratap Jyoti Handique)

**Address:** Guwahati-781014 Assam:India **Phone:** 7099023760 **Web :** www.gauhati.ac.in



অধ্যাপক অৰুনী কুমাৰ ভাগৱতী
সভাপতি, পৰিচালনা সমিতি
গোৱালপাৰা মহাবিদ্যালয়, গোৱালপাৰা।

## শুভ-কামনা

পশ্চিম অসমৰ আগশাৰীৰ শিক্ষানুষ্ঠান গোৱালপাৰা মহাবিদ্যালয়ৰ আলোচনী 'গোৱালপাৰিয়ান'ৰ ২০২১–২২ বৰ্ষৰ সংখ্যাটি প্ৰকাশ পাব বুলি জানিবলৈ পাই ভাল লাগিল। ঐতিহ্যমণ্ডিত এই মহাবিদ্যালয়ৰ শিক্ষক-ছাত্ৰৰ যুটীয়া প্ৰচেষ্টাত প্ৰকাশ পাই অহা এই আলোচনীখনে বৌদ্ধিক দিশত অৰিহণা যোগোৱাৰ লগতে গোৱালপাৰা অঞ্চলৰ পৰিৱেশ, সমাজ-সংস্কৃতি, শিল্প-সাহিত্য আদি বিষয়তো মনোনিৱেশ কৰি আহিছে। এই সংখ্যাটিও নিশ্চয় মৰমৰ ছাত্ৰ-ছাত্ৰী আৰু মাননীয় শিক্ষকসকলৰ সৃষ্টিশীল আৰু চিন্তাশীল লেখাই সৰ্বাংগ সুন্দৰ কৰি তুলিব।

আশা কৰোঁ এই বিদ্যায়তনিক সমূহীয়া যাত্ৰাই বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ সৃজনশীল চেতনাক জাগ্ৰত কৰি ৰখাৰ অনুষ্ঠানটিৰ লগতে স্থানীয় ৰাইজৰো অবিৰতভাৱে উপকাৰ সাধন কৰি থাকিব। এই সজ প্ৰয়াসৰ লগত জড়িত সকলোলৈ শ্ৰদ্ধা-চেনেহেৰে —

২৪ আগষ্ট
২০২২

অৰুনী কুমাৰ ভাগৱতী

# সূচীপত্ৰ

**অধ্যক্ষৰ কলমৰ পৰা .....**
**প্ৰাৰম্ভতে দু-আষাৰ**
**সম্পাদকীয়**

## আলাপ

সাহিত্য অকাডেমী বঁটা প্ৰাপ্ত **অনুৰাধা শৰ্মা পূজাৰীৰ** সৈতে আলাপ।। ১৪

## অতিথি বিশেষ

হঠাৎ এয়া পিঠিত চুৰেটাৰ ওলোমাই দৌৰি থকা ছোৱালী এজনীৰ পদ্য এটা।। **ড° প্ৰাণজিৎ বৰা**।। ২৩
হেলাৰঙে।। **ড° বসন্ত কুমাৰ ভট্টাচাৰ্য**।। ২৪
শ্বাস্‌কফ ফাগুন।। **প্ৰণৱ কুমাৰ বৰ্মন**।। ২৫
ৰঘুনাথ, কাপোৰ পিন্ধা।। **অতনু ভট্টাচাৰ্য**।। ২৬

आक्षेप ।। **Maitreyi Pushpa**।। ৩২

## মহাবিদ্যালয়ৰ ঐতিহ্য

গোৱালপাৰা মহাবিদ্যালয় আৰু ড° মহেন্দ্ৰ বৰা স্মাৰক বক্তৃতাঃ বৌদ্ধিক অন্বেষণৰ এক স্বৰ্ণিল যাত্ৰা।। **ড° সুভাষ বৰ্মন**।। ৩৮

## সমাজ

ভোগবাদী দৰ্শনৰ কবলত বিধ্বস্ত সমাজ
**ড° হেমন্ত কুমাৰ কলিতা**।। ৪২
শিক্ষা আৰু নৈতিকতা।। **লতিফা আফ্ৰিন লেইলা**।। ৪৫
ড্ৰাগছ ঃ এক সামাজিক ব্যাধি।। **অৰুনিমা দাস**।। ৪৭
সমাজত মূল্যবোধৰ প্ৰয়োজনীয়তা।।**প্ৰদীপ কুমাৰ শীল**।। ৪৮
A Critique of Gender Stereotypes in South Korean Culture With Special Reference to Han Kang's *The Vegetarian* ।। **Wasima Ibnat Rashid, Morium Yasmin** ।।৫০
Sociological Interpretation of LGBTQ Movement
**Mazeda Yeasmin** ।।৫৩
চৰ চাপৰিৰ জীৱন।। **নাচিৰ উদ্দিন** ।। ৫৫
Straight, Curly, Afro Kinky, Frizzy: Beauty, Politics and Beyond ।। **Manasi Devi** ।। ৫৬
Protestant Ethics and Spirit of Capitalism:- A Sociological Study ।। **Javed Zaman** ।।৫৮

## সাহিত্য

অৰুণোদয় যুগৰ আৰম্ভণি আৰু সেই সময়ৰ সাহিত্যিক সকল
**ইমৰান খান** ।।৫৯
An Essay on Lakshminath Bezbarua's Children's Fiction and his Decolonising Agenda
**Dr Santosh K Mishra** ।।৬১
A Peek into North East Writings in English
**Mozbul Haque Choudhury** ।।৬৩

## শিল্প সংস্কৃতি

জনতাৰ শিল্পী প্ৰতিমা পাণ্ডে বৰুৱা
**ড° ভানু বেজবৰা কলিতা** ।। ৬৮
Anime : Adaparse Art Form ।। **Nayeem Ul Islam** ।। ৭১

## শিক্ষা

স্বাস্থ্য শিক্ষা- প্ৰত্যাশা আৰু প্ৰত্যাহ্বান
**ড° মনীষা ভট্টাচাৰ্য** ।। ৭২
Education for Disabled Students in India
**Shobhita Chutia** ।। ৭৪

## ৰাজনীতি

Freedom of Press in Indian Democracy
**Md. Salim Jahangir Alom** ।। ৭৬
Foreign Policy and Electoral Politics: Implications for North East India
**Dr. Jayanta Kumar Brahma** ।। ৭৮
Terrorism in North East India ।। **Arunima Das** ।। ৮২

## ইতিহাস-ভূগোল

পূৰ্বভাৰতৰ প্ৰাচীন ভূগোল ।। **ড° নৰেন্দ্ৰ নাথ ভট্টাচাৰ্য্য** ।। ৮৪
গোৱালপাৰা জিলাৰ ঐতিহ্যমণ্ডিত স্থানসমূহৰ বিশ্লেষণ
**ৰাৰ্জিয়া বেগম** ।। ৮৭
North Eastern States of India
**Nilima Khatun** ।। ৮৮
Goalpara ।। **Monali Nath, Gitali Das** ।। ৯০

## দৰ্শন

চৰ্যাপদৰ মাজেৰে সমাজ জীৱনৰ চিত্ৰ ।। **মৃত্যুঞ্জয় শৰ্মা** ।। ৯১
চাৰ্বাক দৰ্শনত নৈতিকতা ।। **চিন্ময় মেধি** ।। ৯২

## প্ৰকৃতি

চৰাইৰ পৃথিৱীত ফুলৰ সন্ধান বিচাৰি
**দীপাংকৰ বৰা, বিপ্লৱ ওজা** ।। ৯৪
The Untold stories of the Seen: Less known areas of Goalpara
**Kavita Basumatary, Dipankar Borah, Dulal Ch. Boruah, Dharmeswar Barman, Someswar Rao** ।। ৯৭

## ক'ভিড

COVID - 19 and Education
**Dr Bashanti Ray Dutta** ।। ১০০
Predicting Covid-19 Cases Using Weekly Moving Averages ।। **Shainee Saha** ।। ১০২
Omicron: What, How and Where?
**Dr. Yoshiko Bailung** ।। ১০৪
Covid-19 and The Society
**Sayanika Das** ।। ১০৫
The Immune System and COVID-19 : Friend or Foe? **Arifa Arif Laila** ।। ১০৭

## কৰ্মজীৱন

MBBS Courses Abroad : Some Important Points to be Noted
**Dhrubajyoti Das** ।। ১০৯
Career Planning and Occupational Choice
**Dr Chintamayee Sarangi** ।। ১১০
Best Career Options For Commerce Students
**Begum Sultana** ।। ১১২

## পৰিৱেশ

Deepor Beel: Notified Eco-Sensitive Zone
**Chandan Das** ।। ১১৬
চুনামি ।। **চাহিল হুছেইন** ।। ১১৮
Plastic Pollution: A Global Environmental Issue
**Dr. Dhiraj Kr. Borah** ।। ১১৯

Solid Waste Management

**Dr. Sandhya Rani Gogoi** ।। ১২৩

2015 United Nations Climate Change Conference COP21

**Suraj Kr. Rajak, Yasin Ahmed, Satyajit Rabha, Hira Devi, Sahanur Islam** ।। ১২৬

Wild Fire

**Jusmita Kalita, Bhrigu Moni Shivam** ।। ১২৮

## প্ৰেক্ষাপট

Struggle for a Better World

**Dr. Ranjit Choudhury** ।। ১৩০

India and Crime Against Women

**Amrita Ray** ।। ১৩২

নতুন শিক্ষানীতি ।। **হিয়ামণি জোদ্দাৰ** ।। ১৩৩

Population Explosion: Root Cause of All Problems

**Rashmi Hazarika** ।। ১৩৫

## বিজ্ঞান আৰু তথ্য

শান্তিস্বৰূপ ভাটনগৰ বঁটাপ্ৰাপ্ত ডঃ বিনয় কুমাৰ শইকীয়াৰ অৱদান ।। **ড° বাসন্তী ৰায় দত্ত** ।। ১৩৭

Artificial Intelligence ।। **Karna Das** ।। ১৩৮

Nobel Prize in Physics, 2021: The Glory

**Selim Ahmed** ।। ১৩৯

Self Reproduction of Xenobots - A New Bridge

**Anaruz Zaman** ।। ১৪০

James Webb Space Telescope

**Sheikh Moniruz Zaman** ।। ১৪১

The Scientific Legacy of The Apollo Program : The History ।। **Rupam Koch** ।। ১৪২

Nobel Prize in Chemistry, 2021

**Aloka Rabha** ।। ১৪৩

Role of Chemistry in Modern World

**Anusuya Dey** ।। ১৪৪

## উদ্ভাৱন

লকডাউনৰ পৰিকল্পনা -"আৱৰ্জনাৰ পৰা সম্পদ"

**দিগন্ত দাস** ।। ১৪৫

## ভিন্ন ভাষা

अद्यत्वे संस्कृतम् ।। Robin Sutradhar ।। ১৪৭

## বিবিধা

গছৰ কেঁচাপাতত গোৱালপাৰা কলেজৰ ছপা কৰা সৰস্বতী পূজাৰ চিঠি ।। **শৈলেন দাস** ।। ১৪৯

ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ ।। **হ. ইছুব আলী** ।। ১৫২

Library Automation and Goalpara College Library

**Shikha Basak** ।। ১৫৫

মহাবিদ্যালয়ত শিক্ষাৰ উকমুকনি আৰু পৰিৱৰ্তনৰ ৰং

**বানীকান্ত নাথ** ।। ১৫৭

Agnes Baden Powell ।। **Afsana Rahman** ।। ১৫৮

## কবি নমন ।। ১৬১

## বাৰ্তালাপ

বিশিষ্ট অভিনয় শিল্পী আদিল হুছেইনৰ সৈতে - বাৰ্তালাপ ।। ১৬২

## চিত্ৰপট ।। ১৭৪

## ছবিয়ে কথা কয় ।। ১৭৫

## উভতি চাওঁ

সোঁৱৰণিৰ বাট বুলি .... ।। **ড° দণ্ডধৰ শৰ্মা** ।। ১৭৭

গোৱালপাৰা কলেজ ঃঃ মোৰ জীৱন-চিন্তাৰ নতুন দুৱাৰ

**ড° অখিল ৰঞ্জন দত্ত** ।। ১৭৯

## কবিতা


জনতাৰ জাতি।। **ৰবিদুল ইছলাম** ।। ১৮৩

গোৱালপাৰা মহাবিদ্যালয়।। **মনিৰুল হক** ।। ১৮৩

সোণোৱালী যাত্রা ।। **মুনমুন হুছেইন** ।। ১৮৪

ৰহস্যৰ আকাশ ।। **নাছমিনা খাতুন** ।। ১৮৫

Poverty ।। **Jerin Akhtar** ।। ১৮৫


## অনুবাদ কবিতা


**সু-প্রভাত ।। মতিয়ৰ ৰহমান ।। ১৮৬**

**মোক ৰাখিবা মনত ।। আফছানা ৰহমান ।। ১৮৭**


## লিমাৰিক


**মৌচুমী ওজা** ।। ১৮৮


## গল্প


ভোগ ।। **তৃষ্ণা বৰ্মন** ।। ১৮৯

দুপাহ সৰা ফুল ।। **আয়েশা চিদ্দিকা** ।। ১৯৪


## অনুবাদ গল্প


অন্তিম পাতটো।। **প্রিয়তমা দাস** ।। ১৯৬


## এক মিনিটৰ গল্প


**এক মিনিটৰ গল্প ।। অৰুনিমা দাস** ।। ১৯৮


## অনুগল্প


সুখৰ অশ্রু ।। **মধুস্মিতা দাস** ।। ১৯৮

মনৰ বতৰা ।। ১৯৯

আমি শ্রদ্ধাৰে সোঁৱৰিছো।। ২০০

বিভাগীয় প্রতিবেদন ।। ২০২

গোৱালপাৰাৰ ৰতন ।। ২০৯

বৰ্ষটোৰ ভিন্ন শিতানৰ শ্ৰেষ্ঠসকল ।। ২১০

অভিনন্দন ।। ২১৩

বৰ্ষজোৰা পৰিক্ৰমা ।। ২১৫-২২৪

# অধ্যক্ষৰ কলমৰ পৰা .....




'গোৱালপাৰীয়ান' মাথো এখন আলোচনী নহয়। ই গোৱালপাৰা মহাবিদ্যালয়ৰ এক প্ৰচেষ্টা, একতাৰ সুৰক সাৰ্বজনীন কৰাৰ। ভিন্ন ভাষা-ভাষী, জাতি-জনজাতি, কৃষ্টি-সংস্কৃতিৰে বিধৌত গোৱালপাৰা মহাবিদ্যালয় গোৱালপাৰাৰেই নহয়, সমগ্ৰ পশ্চিম অসমৰে শিক্ষা-সংস্কৃতিৰ ক্ষেত্ৰখনৰ এক অনন্য নাম।

বৰ্তমান সময় আধুনিকতাৰ সময়, প্ৰগতিৰ সময়। বিশ্বমুখী মানসিকতাৰে শতিকাৰ শ্ৰেষ্ঠত্ব অৰ্জন কৰাৰ সময়। আৰু যেতিয়াই আমি উত্তৰণৰ কথা কওঁ, বিশ্বায়নৰ কথা কওঁ, আমাৰ নৱপ্ৰজন্মৰ নতুনবোধক নৱশক্তিৰ আধাৰ হিচাপে পাওঁ। তেওঁলোকেই সেই সক্ষম শিল্পীসকল; যাৰ হাতত সমাজ গঢ়াৰ, সময় গঢ়াৰ ভাৰ। ধৰ্মৰ উৰ্দ্ধত, জাতিৰ উৰ্দ্ধত সন্মিলিত হৈ কৰ্মবিপ্লৱৰ উন্মেষ ঘটোৱাৰ ভাৰ। আৰু যদি কেনেবাকৈ তেওঁলোকৰ বিবেক পৰিচালিত হয় জাতীয় স্বাৰ্থৰ বিপৰীতে, মানৱতাৰ বিৰুদ্ধে, তেন্তে সমাজৰ ৰাজহাঁড় ভাঙিবলৈ কেতপৰ??

এখন সমাজ, এটা সভ্যতাৰ ইতিহাস খোদিত হৈ থাকে সাহিত্য, সংস্কৃতি, কলাৰ অভ্যন্তৰত। 'গোৱালপাৰীয়ান' চিন্তনৰ ৰূপান্তৰেৰে ইতিহাসত সমাদৃত হোৱাৰ এক ইতিবাচক প্ৰচেষ্টা। উচ্চশিক্ষাৰ লক্ষেৰে মহাবিদ্যালয়ত ভৰি থোৱা এজাক ছাত্ৰ-ছাত্ৰী, যি কাইলৈৰ সুবৃহৎ সমাজখনৰ প্ৰতিনিধি, তেওঁলোকক শিপা সোঁৰৱাই দিয়াৰ দায়িত্ব আমাৰ। স্বকীয়তাক ঢাল কৰি মানৱতাৰ প্ৰহৰী সজাৰ দায়িত্ব আমাৰ, স্বাৰ্থান্বেষী উদ্দেশ্যৰ আচোঁৰবিহীন এটা সংবেদনশীল, সঁচা প্ৰজন্ম গঢ়াৰ কৰ্তব্য আমাৰ। গোৱালপাৰা মহাবিদ্যালয়ৰ সেই ৰূপকথাৰ প্ৰতিচ্ছবি 'গোৱালপাৰীয়ান'।

ড° মহেন্দ্ৰ বৰা, ড° বীৰেন্দ্ৰ নাথ দত্তৰ দৰে প্ৰজ্ঞাৰ আলোকেৰে আশীৰ্বাদধন্য এই মহাবিদ্যালয়।

এইখন মহাবিদ্যালয়তে গঢ় লৈছিল ঁ শুক্ৰাচাৰ্য্য ৰাভাৰ দৰে অনন্য স্বকীয় সত্বাই, 'মোৰ শুকুলা ঘোঁৰা'ৰ (ঁ জিতেন ডেকা) দৰে অমৰ কণ্ঠই। অভিনয়ৰ পৃথিৱীত অদ্বিতীয়ৰূপে প্ৰাঞ্জল হোৱা আদিল হুছেইনে হওঁক বা ঁআশ্ৰাফুল হক, গোৱালপাৰা মহাবিদ্যালয়ৰ সাংস্কৃতিক ইতিহাস দীঘলীয়া।

আমি বিচাৰো এইসকল নক্ষত্ৰৰ পথেৰেই খোজ লওঁক উঠি অহা প্ৰজন্মই।

মহাবিদ্যালয়ৰ গৌৰৱধ্বজা চিৰকাল উচ্চশিৰে ৰওক।

'গোৱালপাৰীয়ান' বহু নতুনৰ শুভ আৰম্ভণি হওঁক। সাহিত্য-কৃষ্টিৰ পথ অভিমুখে কিছু কেঁচা খোজৰ স্বাক্ষৰ হওঁক। আলোচনীখনৰ সৈতে জড়িত প্ৰতিগৰাকী ব্যক্তিলৈ শুভকামনা।

জয়তু গোৱালপাৰা মহাবিদ্যালয়।

ড° সুভাষ বৰ্মন
অধ্যক্ষ, গোৱালপাৰা মহাবিদ্যালয়

# প্ৰাৰম্ভতে দু-আষাৰ



মহাবিদ্যালয়ৰ আলোচনী এখনৰ প্ৰকাশৰ প্ৰক্ৰিয়াটো যথেষ্ট সময় খৰচী। আলোচনীৰ বাবে লিখনি বিচাৰি দিয়া জাননীত বাৰে বাৰে তাৰিখ আগুৱাই গৈ থাকে, অৱশেষত যিখিনি হাতত পৰেহি তাৰো অৱস্থা তথৈবচ। যন্ত্ৰমুখী হোৱাৰ পথত ছাত্ৰ-ছাত্ৰীয়ে লিখিবলৈ পাহৰিছে নে শতিকাৰ অভিযোজনত চিন্তাশীলতা হেৰুৱাইছে নাজানো, কিন্তু ভাব হয় সৃষ্টিশীলতাই যেন দৈন্যতাক আকোঁৱালিছে।

যি কি নহওঁক 'গোৱালপাৰীয়ান'ৰ ২০২১-২২ সংখ্যাৰ প্ৰকাশক সম্ভৱ কৰা প্ৰতিটো চিন্তাশীল মনলৈ শেষ নোহোৱা কৃতজ্ঞতা। অতিথি কবি-গল্পকাৰবৃন্দলৈ সশ্ৰদ্ধ নমন। 'বাৰ্তালাপ'ৰ বিশেষ অতিথি 'অনুৰাধা শৰ্মা পূজাৰী' বাইদেউ আৰু 'আদিল হুছেইন' ডাঙৰীয়াৰ সহৃদয়তাই আমাক চিৰকৃতজ্ঞ কৰি ৰাখিব। মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ ড° সুভাষ বৰ্মন দেৱলৈ অলেখ ধন্যবাদ। তেখেতৰ সদয় সহযোগিতা তথা মূল্যৱান দিহা-পৰামৰ্শ 'গোৱালপাৰীয়ান'ৰ ঘাঁইখুটি। ক'ভিড মহামাৰীৰ সময়ছোৱাত অৰ্থাৎ ২০২০-২১ বৰ্ষৰ মহাবিদ্যালয়ৰ আলোচনীৰ প্ৰকাশ সম্ভৱ নোহোৱা হেতু সেইবৰ্ষৰ কিছু লিখনি তথা আলোকচিত্ৰ এই সংখ্যাত সন্নিৱিষ্ট কৰা হৈছে। 'গোৱালপাৰীয়ান' গোৱালপাৰা মহাবিদ্যালয়ৰ বৌদ্ধিক উত্তৰণৰ চিৰসাক্ষী হওঁক, সেই কামনাৰে–

'জয়তু গোৱালপাৰা মহাবিদ্যালয়'

তৃষ্ণা বৰ্মন
তত্ত্বাৱধায়ক, 'গোৱালপাৰীয়ান'

# সম্পাদকীয়.....



জয় জয়তে সকলোলৈকে আন্তৰিক শুভকামনা জ্ঞাপন কৰিলোঁ। প্রতিবছৰৰ দৰে এইবেলিওঁ গোৱালপাৰা মহাবিদ্যালয়ৰ বার্ষিক আলোচনী 'গোৱালপাৰীয়ান'ৰ প্রকাশৰ যো-জা চলোৱা হৈছে।

মানৱ জীৱন ক্ষন্তেক সময়ৰ বাবে জিলিকাই তোলাতকৈ চিৰ যুগমীয়া কৰি তোলাৰ প্রচেষ্টা হাতত লোৱাটো আমাৰ সকলোৰে বাবে নিতান্তই প্রয়োজন। ছাত্র-ছাত্রীসকলৰ মানসিক বিকাশৰ মাধ্যম হিচাপে এই আলোচনীখন এক গুৰুত্বপূর্ণ দলিল হিচাপে বৈ যাব। ছাত্র-ছাত্রীৰ ধ্যান-ধাৰণাৰ মুক্ত প্রকাশৰ এক দস্তাবেজ গোৱালপাৰা মহাবিদ্যালয়ৰ ছাত্র একতা সভাই এই 'গোৱালপাৰীয়ান' আলোচনীৰ জৰিয়তে প্রতিটো বছৰতে প্রকাশ কৰি সাহিত্য সমাজলৈ এক গুৰুত্বপূর্ণ ভূমিকা আগবঢ়াই আহিছে।

'গোৱালপাৰীয়ান' সম্পৰ্কত -

আমাৰ সকলোৰে স্মৃতিসজ্জিত গোৱালপাৰা মহাবিদ্যালয়ৰ 'গোৱালপাৰীয়ান' নামৰ আলোচনীখন হৈছে ছাত্র-ছাত্রীসকলৰ নৱ-নৱ চিন্তা ধাৰাৰে বিকশিত হোৱা এক মাধ্যম। সু-চিন্তাই সৎভাৱনা অনাৰ লেখিয়াকৈ ছাত্র-ছাত্রীৰ নিজৰ ধ্যান-ধাৰণা, সমাজনীতিৰ বোধগম্যতাৰ নিদর্শন এই 'গোৱালপাৰীয়ান' আলোচনী। ইয়াত সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক, অর্থনৈতিক, কাব্যিক আদি বিভিন্ন দিশৰ প্রতিভাৰ প্রকাশ হয়। এই আলোচনীখনৰ মাধ্যমেদি ছাত্র-ছাত্রীসকলে ভৱিষ্যতৰ সাহিত্য জগতলৈ ঢাপলি মেলে। সেয়ে আলোচনীখনৰ এক গুৰুত্বপূর্ণ ভূমিকা আছে।

সৰুৰে পৰা সমাজ, সাহিত্য, সংস্কৃতিৰ প্রতি থকা সামান্য দুর্বলতাৰ বাবেই সাহিত্য চর্চা মোৰ এক হাবিয়াস। এই হাবিয়াসক ঢাল হিচাপে ব্যৱহাৰ কৰি আলোচনীখন প্রকাশৰ উদ্দেশ্যে আগবাঢ়ি আহিছিলোঁ।

সৰুৰে পৰাই জ্ঞান-পিপাসু, সমাজ, সাহিত্য, সংস্কৃতিৰ প্রতি অনুৰাগ থকা মন এটা সাঁচি ৰাখিছিলোঁ। নৱ-নৱ চিন্তা-ধাৰাৰ প্রতি সদায় আকৃষ্ট হৈ আছিলোঁ। নৱ-নৱ চিন্তা শক্তিৰে সকলোৰে সমন্নিতে সাহিত্যৰ জগতলৈ আগবাঢ়ি যোৱাৰ আশাক বাহুবল হিচাপে ব্যৱহাৰ কৰি আলোচনী বিভাগৰ সম্পাদকৰ দায়িত্ব গ্রহণ কৰি তত্ত্বাৱধায়ক আমাৰ পৰম শ্রদ্ধাৰ শিক্ষাগুৰু তৃষ্ণা বর্মন বাইদেউৰ শৰণাপন্ন হৈছিলোঁ। দুয়োজনে সাহিত্যৰ জগতখনলৈ এক নতুন পথ মুকলি কৰাৰ প্রয়াসেৰে আগবাঢ়ি গৈছিলোঁ। সদয় সহযোগিতাৰ বাবে তত্ত্বাৱধায়ক পৰম শ্রদ্ধেয় শিক্ষাগুৰু তৃষ্ণা বর্মন বাইদেউৰ ওচৰত আমি চিৰ কৃতজ্ঞ হৈ থাকিলোঁ। তেখেতে এই ক'ৰোণা সংক্রমণৰ ভয়ানক পৰিস্থিতিৰ মাজতো বুকুত সাহস লৈ সাহিত্যৰ জগতখনলৈ ছাত্র-ছাত্রীৰ নৱ-নৱ চিন্তাধাৰাৰ প্রতিভাখিনি আগবঢ়াই দিয়াৰ বাবে কিঞ্চিৎ মানো ভীত নোহোৱাকৈ আগবাঢ়ি আহিছিল। এনে মনোভাৱ আমি প্রত্যেকে ৰখা উচিত। সেয়ে তেখেতলৈ অভিনন্দন আৰু কৃতজ্ঞতাৰ শলাগৰ শৰাই জ্ঞাপন কৰিলোঁ। প্রতিটো দিশতে মহৎ পৰামর্শৰে আমাৰ পথ প্রদর্শক হিচাপে থাকি সাহস দিয়া তত্ত্বাৱধায়ক মহোদয়াৰ কথা চিৰদিন মনত ৰাখিম। আলোচনীখন সুচাৰুৰূপে প্রকাশ কৰাৰ ক্ষেত্রত বিশেষ গুৰুত্ব প্রদান কৰা সন্মানীয় অধ্যক্ষ মহোদয় ড° সুভাষ বর্মন ছাৰক এই ক্ষণতে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ইয়াৰ লগতে প্রতিটো বিষয়ত সহায়-সহযোগিতা আগবঢ়োৱা শ্রদ্ধেয় শিক্ষাগুৰুসকললৈ শলাগৰ শৰাই জ্ঞাপন কৰিলোঁ। লগতে মহাবিদ্যালয়ৰ ছাত্র একতা সভাৰ সদস্যবৃন্দলৈও ধন্যবাদ জ্ঞাপন কৰিলোঁ। অৱশেষত মহাবিদ্যালয়ৰ সাহিত্যপ্রেমী সমূহ ছাত্র-ছাত্রীলৈ শলাগৰ শৰাই জ্ঞাপন কৰিলোঁ।

জীৱনৰ প্রথম পদক্ষেপৰ ক্ষুদ্র প্রয়াসে যদি পাঠক-পাঠিকা সকলৰ মাজত সমাদৰ লাভ কৰিবলৈ সক্ষম হয় তাতেই আমাৰ চেষ্টা পূর্ণ সার্থক হ'ব বুলি কামনা কৰিলোঁ।

সদৌ শেষত অনিচ্ছাকৃত ভুল-ত্রুটিৰ বাবে ক্ষমা বিচাৰি আৰু সৃষ্টিশীল সমালোচনা আশা কৰি ইয়াতেই আমাৰ কলম সামৰিলোঁ।

মিন মোস্তাক ৰহমান
সম্পাদক, আলোচনী বিভাগ

২০২১ বৰ্ষৰ সাহিত্য অকাডেমী বঁটা প্ৰাপ্ত বিশিষ্ট সাহিত্যিক, সাংবাদিক

# অনুৰাধা শৰ্মা পূজাৰীৰ সৈতে

আ লা প



গোৱালপাৰা মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'গোৱালপাৰীয়ান'ৰ হৈ ২ ফেব্ৰুৱাৰী, ২০২২ ইংত ২০২১ বৰ্ষৰ সাহিত্য অকাডেমী বঁটা প্ৰাপ্ত বিশিষ্ট সাহিত্যিক, তথা সাংবাদিক অনুৰাধা শৰ্মা পূজাৰীৰ সৈতে ফোনযোগে বাৰ্তালাপ হয়। এই বাৰ্তালাপৰ আঁত ধৰে প্ৰাণীবিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা তৃষ্ণা বৰ্মনে।

'সাদিন' আৰু 'সাতসৰী'ৰ সম্পাদকৰ আসন শুৱনি কৰি ৰখা তথা 'হৃদয় এক বিজ্ঞাপন','কাঞ্চন','সোণ হৰিণৰ চেঁকুৰ','নাহৰৰ নিৰিবিলি ছাঁ','মেৰেং','চাহেবপুৰাৰ বৰষুণ','বসন্তৰ গান','এজন ঈশ্বৰৰ সন্ধানত','নীল প্ৰজাপতি' আদিৰ দৰে ব্যতিক্ৰমী সৃষ্টিৰে অসমৰ সাহিত্য জগতক সমৃদ্ধ কৰি ৰখা অনুৰাধা শৰ্মা পূজাৰীয়ে 'ইয়াত এখন অৰণ্য আছিল' নামৰ কিতাপখনৰ বাবে লাভ কৰে ২০২১ বৰ্ষৰ সাহিত্য অকাডেমী বঁটা। তেখেতলৈ মহাবিদ্যালয়ৰ পৰিয়ালৰ তৰফৰ পৰা অনিঃশেষ অভিনন্দন।

**তৃষ্ণা** - নমস্কাৰ বাইদেউ। মই তৃষ্ণা বৰ্মন। গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা । আমি কথোপকথন আৰম্ভ কৰিব পাৰোনে ?

**অনুৰাধা শৰ্মা পূজাৰী** - অ' কৰা। মই তুমি বুলিয়েই কৈছো দেই।

**তৃষ্ণা** - অ' বাইদেউ। তুমি বুলিয়েই কওঁক। বাইদেউ, প্ৰথমতে আপোনাক বহুত অভিনন্দন সাহিত্য অকাডেমী বঁটাৰ বাবে।

আপুনি কেতিয়া অকাডেমী বঁটা লাভ কৰিব তাৰ বাবে গোটেই অসমবাসীৰেই প্ৰতীক্ষা আছিল, আমাৰ বহু প্ৰতীক্ষা আছিল।

**অনুৰাধা শৰ্মা পূজাৰী** - (হাঁহি) হয়। গোটেই অসমৰ মানুহেই ৰৈ আছিল।

**তৃষ্ণা** - হয়। বাইদেউ, প্ৰথমতে আপুনি 'ইয়াত এখন অৰণ্য আছিল' ৰ কিছু কথা ক'ব নেকি ? মানে তাৰ সৃষ্টিৰ আঁৰৰ কিছু কথা ........

**অনুৰাধা শৰ্মা পূজাৰী** - 'ইয়াত এখন অৰণ্য আছিল' এইটো আচলতে মোৰ যোৱা প্ৰায় বাৰ-চৈধ্য বছৰৰ অভিজ্ঞতা। মানে সেইটো কেনেকৈ হৈছে ....... মই যিখিনি ঠাইত থাকো গুৱাহাটীৰ পাঞ্জাবাৰী অঞ্চলত, তাতে মানে সেইখন আমাৰ আমচাং বা আমচিং ..... দুটা নাম আছে, সেই পাহাৰখনে আগুৰা। সেইখন গৈ মেঘালয়ত লাগিছেগৈ। আৰু গোটেই গুৱাহাটীখনতেই আচলতে পাহাৰেই পাহাৰ। আৰু এটা সময়ত মানে ইমান এই বিলাক flora, fauna আছিল, ইমান অজস্ৰ গছ, চৰাই-চিৰিকতি, বন্যপ্ৰাণী, সেইবিলাক আছিল। মই মানে .... মোৰ ওচৰৰ অভিজ্ঞতাৰ পৰাই কলো, আজিৰ পৰা চৈধ্য বছৰ বা বাৰ বছৰ আগত এই ঠাইখিনিৰ পৰা মানে আমাৰ ঘৰটোৰ পৰা অলপ দূৰত পাহাৰখন দেখি থাকো মই। তাত তেনেকুৱা ঘৰ-দুৱাৰ নাছিলেই আৰু কেতিয়াবা মই পাহাৰখনলৈ খোজ কাঢ়ি যাওঁ। আৰু পাহাৰখনত ..... মানে দেখি আচৰিত লাগে, ইমান আমাৰ ঘৰলৈ চৰাই আহে। বেলেগ বেলেগ চৰাই। আৰু বতৰে বতৰে, বেলেগ বেলেগ বতৰত বেলেগ বেলেগ চৰাই। আলহী চৰাই, migratory birds আহে আৰু সেইবিলাকে সেই অৰণ্যত থকা ফল-মূল খায়, গুটি-চুটি। তাৰ পাচতে তাত হলৌবান্দৰৰ মাত শুনিছিলো, পাহাৰখনৰ পৰা আহে। হলৌবান্দৰৰ মাত শুনো, কেঁকো সাপৰ মাত শুনো, আৰু সখীয়তি-ভখীয়তি বিভিন্ন বেলেগ বেলেগ চৰাইৰ মাত শুনো। লাহে লাহে এনেকুৱা হ'ল, তাত গছ-তছ নোহোৱা হ'ল। তাত আগতে দুই-এঘৰ মানুহ আছিল, কিছুমান জনবসতি আছিল। সেইবিলাক জনবসতি আচলতে একদম পুৰণি ভূমিপুত্ৰ খিলঞ্জীয়া আছিল। সেইবিলাক এতিয়া পিছত কি হ'ল নাজানো, কাৰণ তাত এনেকুৱা ধৰণৰ এটা প্ৰব্ৰজন হ'ল, যিটো প্ৰব্ৰজন চিটিলৈ মানে মহানগৰলৈ কাম বিচাৰি অহা মানুহৰ প্ৰব্ৰজন। কাম বিচাৰি অহা মানুহবোৰে লাহে-লাহে, লাহে-লাহে ভাড়াঘৰত থকা এৰি সেই পাহাৰবোৰ দখল কৰিবলৈ ল'লে। কিছুমান ৰাজনীতিবিদে ভোটৰ আশাত, অংকত কিছুমান মানুহ বহুৱাবলৈ ললে। ফলত কি হ'ল গছ-তছ কাটি ...... তাৰ জীৱ-জন্তু বোৰো নোহোৱা হ'ল। মাতবোৰো নুশুনা হলো। একেবাৰে এটা অদ্ভূত পৰিৱৰ্তন। তাৰ পিছত সেই মানুহবোৰক উঠাবলৈ চৰকাৰে উচ্ছেদ প্ৰক্ৰিয়া যি কেইটা ললে, তাৰ ভিতৰতো মই তিনিটা উচ্ছেদ নিজেই দেখিছো। যেতিয়া সেই মানুহবিলাকৰ ..... সাধাৰণ মানুহবিলাকৰ বিলাই বিপত্তি হয়, দুটা প্ৰশ্ন জাগে। যদি তেওঁলোক অবৈধ দখলকাৰী পাহাৰত, তেনেহ'লেতো তেওঁলোকৰ পৰা ভোটো লৈছে, তেওঁলোকলৈ eletricity .... বিজুলী বাতি গৈছে। সেইবিলাক অবৈধভাৱে বহোৱা হৈছে। সেইবিলাক কোনে দিছে? আকৌ আজিৰ ভিতৰতে হঠাতে কৈছে তেওঁলোকৰ দখল বহিছে বুলি মাটিত। আচলতে অৰণ্যখন যদি ৰক্ষা কৰাৰ সদিচ্ছা আছেই, তেনেহ'লে মানুহ বহাৰ আগতেই বাধা দিব লাগে। এইবিলাক হোৱা নাই। গতিকে গোটেই উপন্যাসখন আচলতে বাস্তৱ ভিত্তিক, গোটেইবিলাক এটা অনুসন্ধান বুলিয়েই কব পাৰি।

যিহেতু মই সাংবাদিক তাত যিগৰাকী protagonist আছে, যিগৰাকী মূল চৰিত্ৰ, সাংবাদিকেই ৰখা হৈছে। গতিকে first person তেই কৈছো মই। গোটেই কিতাপখনেই মই মইকৈ লিখা হৈছে। ইয়াত কল্পনা তেনেকুৱা নাই। এয়া ভৱিষ্যতটোৰ কাৰণেহে। আমাৰ যিটো পিছৰ প্ৰজন্ম সেই প্ৰজন্মই আচলতে কোনখন পৃথিৱীলৈ গৈ আছে? আমি মহানগৰক অগ্ৰাধিকাৰ দিছো, চহৰক অগ্ৰাধিকাৰ দিছো। চহৰ বাঢ়ি গৈ আছে, অৰণ্যবোৰ ধ্বংস কৰি চহৰ বাঢ়ি গৈ আছে। অৰণ্যতো বাঢ়িবলৈ কোনো জাগা নাই। অৰণ্য যদি নাথাকে, জীৱ-জন্তু বিলাক যদি নাথাকে তেনেহ'লে মানুহ কেনেকৈ বাচি থাকিব ? প্ৰথম কথা পানী ক'ৰ পৰা খাব? এতিয়াই ভূ-গৰ্ভৰ পানী নোপোৱা হৈছে। পানী ক'ৰ পৰা আহিব ? বিশুদ্ধ বায়ু ক'ৰ পৰা আহিব ? বৰষুণ কমি গৈছে। Biodiversity অৰ্থাৎ জৈৱ বৈচিত্ৰ্যলৈ যি সংকট আহিছে সেই সংকটৰ ভিত্তিতেই আচলতে মই উপন্যাসখন লিখিছো। আৰু তাত ডাঙৰ কথাটো হৈছে, মানুহক উচ্ছেদ কৰিলেও মানুহে তাৰপৰা, যিহেতুকে হাতে-কামে কৰি খোৱা মানুহেই বেচিভাগ, গতিকে সেইবিলাক মানুহে য'তে-ত'তে আকৌ বহিব, খাব। কিন্তু হাতীৰ আশ্ৰয়স্থল, জীৱ-জন্তু বিলাকৰ আশ্ৰয়স্থল, আৰু বাদুলিবিলাক ....... যিবিলাক পাহাৰত gelatin ভৰাই ভৰাই Blast কৰা হৈছে, বিস্ফোৰণ ঘটাই পাহাৰবোৰ, শিলবোৰ ভঙা হৈছে। তাত থকা বাদুলিৰ খোংবোৰ ...... সেই বাদুলিবোৰ নাইকিয়া হৈছে। নিশাচৰ প্ৰাণীবিলাক থাকিবলৈ জাগা নোহোৱা হৈছে। যিবিলাকে মানৱ সমাজৰ বহু ভাইৰাচ ...... প্ৰাণী বিজ্ঞানৰ মানুহ যেতিয়া তুমি জানিবাই বাদুলিয়ে প্ৰায় চল্লিছবিধতকৈ বেছি ভাইৰাছ গাত ৰাখে। সেইবিলাক নোহোৱা হৈ যোৱাৰ লগে লগে ভাইৰাছবোৰ ক'ত থাকিব ? মানৱ সমাজলৈকেতো আহিব। আৰু সেই বস্তুটোৰেই ঘটি আছে এতিয়া। আমি কেতিয়াওঁ জহামাল দেখা নাছিলো। কিন্তু আমাৰ এতিয়া গোটেই পাঞ্জাবাৰীত, চিটিৰ মাজত জহামাল পিট্‌পিটাই ফুৰে। ঘৰৰ ওপৰত জহামালে বাঁহ লৈ পোৱালি দিয়ে। এইবিলাক বনৰীয়া জীৱ-জন্তু আছিল। সিহঁতৰ থাকিবলৈ জাগা নাই কাৰণেই জনবসতিলৈ আহিছে।

তৃষ্ণা - হয় বাইদেউ।

**অনুৰাধা শৰ্মা পূজাৰী** - গতিকে ই এটা ডাঙৰ সংঘাত। আৰু এই যে ভাঙি দিয়া হৈছে সিহঁতৰ ঘৰ, এইবিলাকৰ ফলত মানুহৰ কিমান ভৱিষ্যতলৈ অপকাৰ হ'ব সেই কথাটো মানুহে ভবা নাই আচলতে। এই গোটেই কথাখিনিক লৈয়েই 'ইয়াত এখন অৰণ্য আছিল'। মোৰ চকুৰ আগত থকা অৰণ্যখন যেতিয়া ধ্বংস হৈ গ'ল! ইমান ধুনীয়া অৰণ্য এখন! ইমান চৰাই-চিৰিকতি, ইমান বিলাক জীৱ-জন্তুৰে সৈতে এখন অৰণ্য শেষ হৈ যোৱা মই দেখিলো, সেইটো আচলতে প্ৰত্যেক ঠাইৰে ভৱিষ্যত। চহৰ বা মহানগৰ বোৰে এনেকৈই আচলতে ধ্বংস কৰি গৈ আছে, একোখন অৰণ্য। গতিকে সেইটো বিষয়ক লৈয়েই, ভৱিষ্যতক লৈয়েই আচলতে এইখন উপন্যাস 'ইয়াত এখন অৰণ্য আছিল' লিখিলো।

**তৃষ্ণা** - হয় বাইদেউ। আৰু কাহিনীটো ইমান বাস্তৱ! কাৰণ অৰণ্যবোৰ এনে এটা হাৰত ধ্বংস হৈ গৈ আছে....। বাইদেউ, আপুনি এগৰাকী সাংঘাতিক প্ৰকৃতিপ্ৰেমী .... মানে অনুভৱী প্ৰকৃতিপ্ৰেমী। আপোনাৰ গল্প এটা পঢ়া মোৰ মনত পৰে। এন্টাৰ্কটিকাত এজনী .......

**অনুৰাধা শৰ্মা পূজাৰী** - (হাঁহি) এজনী অকলশৰীয়া পেংগুইন। হয়।

**তৃষ্ণা** - হয়। মোৰ ইমান ভাল লাগিছিল সেই গল্পটো। যেতিয়া গল্পটো পঢ়িছিলো মোক গল্পটোৱে এনেকৈ চুঁই গৈছিল ন ....। বাইদেউ, এই গছ-কটা বা এনে কথাবোৰে আপোনাক চাগে বহু চিন্তিত কৰে, নহয়নে ?

**অনুৰাধা শৰ্মা পূজাৰী** - অ, মই সদায় ভাবো। একদম সৰুৰে পৰা মই প্ৰকৃতিৰ লগতে থকা মানুহ। প্ৰকৃতিৰ এই পৰিৱৰ্তন বিলাক মই চাই থাকোঁ। আচৰিত লাগে সৰু সৰু চৰাইবোৰ নোহোৱা হৈছে। ঘনচিৰিকাবোৰ নোহোৱা হৈছে। এতিয়া আমাৰ ইয়াত অলপ দেখিছো, এনেকুৱা ফেব্ৰুৱাৰী মাহ মানত আহিব। আমি ইয়াত অলপ আলহী চৰাই পাওঁ। আমাৰ ঘৰৰ ওচৰৰ পৰিৱেশটো মই যিমান পাৰো গছ-গছনিৰে সৈতে ৰাখিছো। বা মোৰ ৰাস্তাটো মই যিমান পাৰো গছ ৰুইছোঁ। গুটি লগা গছ। যাতে চৰায়ে খাব পাৰে। তেনেকুৱা। যিমান পাৰো কৰিছো। ওচৰতে পুখুৰী এটা আছে, লোকৰ পুখুৰী। সেই পুখুৰীটো মই তেওঁলোকক অনুৰোধ কৰি বচাই ৰাখিবলৈ কৈছো। তাত বহু প্ৰজাতিৰ বেং আছে। সাপো আছে বেং খাবলৈ। গতিকে সেইবিলাকৰ ঘৰ বন্ধ কৰি পুখুৰীটো যাতে পুতি নেপেলায়। সেই বেং খাবলৈ আকৌ মাছৰোকা, বগলী, কণামুচৰী এইবিলাক আহি আহি পৰি থাকে। ডাউকেও পোৱালি দিছে। সেই ডাউকবিলাক আমাৰ জোপোহাই জোপোহাই থাকে। মহানগৰৰ মাজতে সেই অকণমানি এটা পুখুৰীয়ে কিমানক যে আশ্ৰয় দিছে! সৰু পুখুৰী এটাই। কিন্তু মানুহবিলাকে পুখুৰীবোৰ পুতি পেলাইছে। পুখুৰী পুতি পেলোৱা মানেই সাংঘাতিকভাৱে জৈৱবৈচিত্ৰ্যলৈ সংকট লৈ অহা। জলচৰ প্ৰাণীবিলাকৰ কাৰণেতো দিগদাৰেই। তাৰোপৰি পুখুৰী পুতি পেলোৱাৰ লগে লগে আটাইতকৈ ডাঙৰ কথা কংক্ৰিটৰ এটা ঘৰ সাজি দিছে। ভূগৰ্ভলৈ পানী নোযোৱা হৈছে। বহু সমস্যা মানুহে কঢ়িয়াই আনিছে। পুখুৰী ৰক্ষাটো যে আচলতে কিমান ডাঙৰ কাম সেই কথা মানুহে ভবাই নাই। মই যি পাৰো ওচৰত কৰোঁ সেইখিনি। তেওঁলোকক বুজাওঁ। বুজাই মেলি ৰাখিছো ওচৰতে পুখুৰী এটা। এই সচেতনতা বিলাকৰ কাৰণেই মই ভাবিলো কিতাপখন লিখা উচিত বুলি।

**তৃষ্ণা** - হয়। নহ'লে আমি দেখি থকা গছবোৰ নোহোৱা হৈ গৈ আছে, জলাশয়বোৰ নোহোৱা হৈ গৈ আছে।

**অনুৰাধা শৰ্মা পূজাৰী** - অ'। মানুহে ঘৰত পুখুৰী এটানো কিয় ৰাখিব নোৱাৰে? সেইটোতো পুতি পেলোৱাৰ কোনো কথা নাথাকেন? ইমান বিলাক নালাগে নহয়! ইমান ঘৰ কেলেই মানুহক? মানুহ থাকিব তিনিটা বা চাৰিটা আৰু ঘৰবিলাক প্ৰকাণ্ড প্ৰকাণ্ড। চাৰিটা-পাঁচটা কোঠালী এনেই পৰি থাকে। কোনো কাম নোহোৱাকৈ। ল'ৰা-ছোৱালীও নাথাকে। চব গুচি যায়। অনাহকত কিছুমান ঘৰ, অনাহকত চোতালবোৰ পকা কৰি পেলাইছে। আচলতে এই গোটেই বস্তুটোৰ প্ৰতি যদি মানুহৰ conception ৰ শুধৰণি নহয় নহয়, আমাৰ next generation ৰ জীয়াই থাকিবলৈ টান হৈ যাব।

**তৃষ্ণা** - বাইদেউ, আপোনাৰ প্ৰথম উপন্যাসখন ' হৃদয় এক বিজ্ঞাপন'। যেতিয়া মই সেই কিতাপখন পঢ়িছিলো তাৰ এটা বাক্যই মোক ইমান অভিভূত কৰিছিল - 'বঞ্চনা নকৰা সত্য'। ইমান সুন্দৰ কথাশাৰীৰ সৃষ্টিৰ কথা অলপ কওঁকচোন।

**অনুৰাধা শৰ্মা পূজাৰী**- (হাঁহি) মোক এখন হৃদয় দিয়া, এনেকৈ আছিল। আচলতে সত্য বুলি ভবা কথাবিলাক যে এটা সময়ত বঞ্চনা হৈ যায়। বহু কথা তেনেকুৱা হয়। আমি ভাবো সত্য। সত্যৰ আচলতে বহু ৰূপ থাকে। আচলতে হৃদয়কলৈয়েই গোটেই কথাটো। (হাঁহি) মোৰ বয়সো খব কম আছিল। তেতিয়া কিমান হ'ব, (ভাবি) Thirty five ৰ ভিতৰতে হ'ব আৰু। তেতিয়া মানে মই নিজেই দেখিছিলো, এখন প্ৰকাণ্ড মহানগৰত মই কাম কৰিছিলো। সেই মহানগৰখনত মানে কলিকতাত, পদে পদে মিছা কথা। যিবিলাক সঁচা বুলি ভবোৱা হয়। মানে যিবিলাকক মানুহে সঁচা বুলি ভাবে কিন্তু মিছা। (হাঁহি)

**তৃষ্ণা** - কাহিনীটো ইমানেই সুন্দৰ আছিল। বিশেষকৈ 'মহুৱা' নামৰ চৰিত্ৰটো। বৰ ভাল লগা আছিল সেই চৰিত্ৰটো।

**অনুৰাধা শৰ্মা পূজাৰী** - সেইটো সঁচা চৰিত্ৰ। মই নিজে লগ পাইছো

তাইক। সেইকাৰণেই চাগে ইমান Lively হৈছিল মহুৱা চৰিত্ৰটো। আৰু সেইসময়ত মানে একদম নতুন চৰিত্ৰ।

**তৃষ্ণা** - একেবাৰেই সময়তকৈ আগৰ চৰিত্ৰ।

**অনুৰাধা শৰ্মা পূজাৰী বাইদেউ** - বহুত আগৰ। বিছ বছৰ আগত মহুৱা চৰিত্ৰটো বহুত নতুন আৰু।

**তৃষ্ণা** - আৰু সেইকাৰণেই চাগে চৰিত্ৰটো সকলোৰে ইমান প্ৰিয়।

**অনুৰাধা শৰ্মা পূজাৰী** - (হাঁহি) তাই তেনেকুৱাই আছিল। সেই চৰিত্ৰটো দেখি মোৰ লোভ লাগিল আৰু! বোলো এইকেই চৰিত্ৰটো বনাই মই এইখন কৰো। তাই তেনেকুৱাই আছিল। বেপোৰোৱা (হাঁহি) তাত অলপ মোৰ ৰহণ আছে। সাহিত্যলৈ নিব লাগিবতো। আছে কিছুমান কথা। কিন্তু তাই তেনেকুৱাই। খুব এটা সামাজিক চৰিত্ৰ নহয়, কিন্তু তাই সঁচা। তাইৰ কথাবিলাক সঁচা। সমাজে মানি নলয় কিন্তু তাই ভবাবোৰ সঁচা। মোৰ মানে এনেকুৱা লাগে তাইৰ লগত কথা পাতিলে, এইটো থিকেইতো কৈছে কথাবিলাক। আমাৰ মানুহেহে নামানে। (হাঁহি) মানে যাক বিয়া পাতিছে তাক বিয়া পতা নাই। কৈছে তাই, এনেই আমি দুটা থাকিলো। পাঁচবছৰ মানৰ পাছত আমাৰ এজনী ছোৱালী হ'ল। আমি পাঁচ বছৰ মান একেলগে আছো। এতিয়া ঘৰত কোনেওঁ নামানে বিয়া নপতাকৈ। বিয়ানো কি পাতিবলৈ আছে? আমি দুটা মানুহ একেলগে আছো, চবে দেখিছে। এতিয়া সকলোকে পোলাও-মাংস, লুচি-পুৰি খুৱাই আমি বিয়া পাতিলো চা বুলি ক'লেহে তাৰমানে বিয়া নেকি ? মানে এনেকুৱা ধৰণৰ কথাবিলাক।

**তৃষ্ণা** - সঁচাকৈ ! বৰ সাহসী চৰিত্ৰ।

**অনুৰাধা শৰ্মা পূজাৰী** - অ'। আমি একেটা ঘৰতেই থাকো, একেটা ঘৰৰ পৰা ওলাই যাওঁ। তাৰপিছত আৰু মানুহক কি প্ৰমাণ লাগে ? (হাঁহি) আকৌ এখন ৰভা দি পেলাই মই পোলাওঁ-মাংস খুৱাব লাগিব বা কোনোবা এখন হোটেলত এটা পাৰ্টি দিব লাগিব। যিকেইটা পুৰোহিতে আমাক মন্ত্ৰ মাতিব কব সেই কেইটাৰ লগত আমাৰ কোনো সম্পৰ্কই নাই। তেওঁলোকেই শপত লবলৈ কব যে তহঁতে হাজবেণ্ড এণ্ড ৱাইফ। (হাঁহি) আৰে এতিয়াইতো হাজবেণ্ড এণ্ড ৱাইফ। এনেকুৱা মানে কথাবিলাক। আৰু মোৰ বিৰাট ভাল লাগিল কথাবিলাক শুনি। লগে লগেই মই ভাবিলো যে she will be my character.

**তৃষ্ণা** - সেইকাৰণেই চাগে 'হৃদয় এক বিজ্ঞাপন' ইমান জনপ্ৰিয় হ'ল।

**অনুৰাধা শৰ্মা পূজাৰী** - কবিতাটি মোৰ নিজৰ। কিন্তু তাইক দেখিয়েই মই ভাবিলো গোটেই সত্যবিলাকেই তাই কৈছে কিন্তু মানুহবিলাকে মিছাবিলাককে সত্য বুলি ভাবিছে। ইমান ভালকৈ বিয়া-বাৰু হোৱা মানুহৰোতো ডিভোৰ্চ হৈছে। সেইবোৰৰ কি মূল্য থাকিল ? আমি সেইবোৰক কিয় বিশ্বাস কৰো তেনেহ'লে। সেইবিলাক প্ৰশ্ন তেতিয়া মোৰ মনলৈ আহিছিল খুব। সেই কাৰণেই মই ভাবিলো যে আচলতে আমি বঞ্চনাৰ সত্য কিছুমানক লৈ আছো। (হাঁহি)

**তৃষ্ণা** - বাইদেউ, আপোনাৰ প্ৰতিটো কাহিনীয়েই ইমান সুন্দৰ আৰু সঁচা, এনে ভাব হয় যেন প্ৰতিটোকে এখন চলচ্চিত্ৰৰ ৰূপ দিব পাৰি। যদি এতিয়া মই সোধো যে আপোনাৰ কোনটো কাহিনীৰ চলচ্চিত্ৰ ৰূপান্তৰ হোৱাটো আপুনি বিচাৰে কোনটো কাহিনী আপুনি নিৰ্বাচন কৰিব ?

**অনুৰাধা শৰ্মা পূজাৰী** - চলচ্চিত্ৰ প্ৰতিটো কাহিনীয়েই হ'ব পাৰে। কিন্তু সেইবোৰ চলচ্চিত্ৰ কৰা মানুহেই নাই ইয়াত। আমাৰ মানুহৰ অভাৱ আচলতে। আমাৰ মানুহে খুব তৰলহু কিছুমান subject লৈয়েই চলচ্চিত্ৰ কৰে। একদম মানে so called তথাকথিত কাহিনী। চিৰিয়েলবোৰততো মই কাহিনীয়েই বিচাৰি নাপাওঁ। শাহু-বোৱাৰী কিবা-কিবি এইবোৰ লৈ লৈ ...... একদম কিছুমান তৰল চৰিত্ৰ। এনেকুৱা আচলতে কাম কৰা মানুহ খুব কম। কিন্তু কৰিবলৈ লৈছিল, তেখেত ঢুকাই থাকিল ..... 'কাঞ্চন'খন কৰিবলৈ লৈছিল বিদ্যুৎ চক্ৰৱৰ্তীয়ে। নোৱাৰি পেলাই তেওঁ ছটা show কৰিলে।

**তৃষ্ণা** - 'কাঞ্চন'খন ভ্ৰাম্যমানতো আছিল নেকি ?

**অনুৰাধা শৰ্মা পূজাৰী** - হয়, হয়। ভ্ৰাম্যমানতো 'কাঞ্চন' হৈছে। কিন্তু সেইখন এতিয়া চিনেমা কৰিবলৈকে কাৰো সাহস নাই। 'কাঞ্চন'ক establish কৰিব পৰাকৈ সাহসী বা ভাল producer এ মই দেখা নাই।

**তৃষ্ণা** - হয় বাইদেউ। পৰিচালক, প্ৰযোজক সাহসী হ'ব লাগিব।

**অনুৰাধা শৰ্মা পূজাৰী** - অ' সাহসী হ'ব লাগিব। আৰু বুজি পাব লাগিব character টো। আমাৰ বেছিভাগ পৰিচালকে character টোৱে বুজি নাপায়। পিছত গৈ তেওঁলোকৰ মতে কিবা বেলেগ এটা কৰি থৈ দিয়ে। এনেকুৱা হয়তো।

**তৃষ্ণা** - বাইদেউ, মই নিজৰ ধাৰণা এটা কওঁ। আজিকালি যিদৰে বিভিন্ন ভাষাৰ ৱেব চিৰিজ (web series) সমূহ জনপ্ৰিয় হৈছে, ধৰি লওঁক হোষ্টেল লাইফৰ ওপৰতেই ...... অসমতো যদি তেনে প্ৰচেষ্টা আৰম্ভ হ'লহেতেন আপোনাৰ 'নাহৰৰ নিৰিবিলি ছাঁ' ৰ দৰে উৎকৃষ্ট কাহিনী লৈ.......

**অনুৰাধা শৰ্মা পূজাৰী** - অ'। হ'ব পাৰে। 'নাহৰৰ নিৰিবিলি ছাঁ' বহুত দিনৰ আগতেই বাণী দাসে কৰিছিল। কিন্তু ভালকেই কৰিছিল দেই। তেওঁ প্ৰায় সাতটা মান episode কৰিছিল। কি হ'ল নাজানো এতিয়া সেইখন। কিন্তু ভালকৈ কৰিছিল।

**তৃষ্ণা** - 'নাহৰৰ নিৰিবিলি ছাঁ'ত ইমান কাহিনী একেলগে .......

**অনুৰাধা শৰ্মা পূজাৰী** - হয়, হয়। 'নাহৰৰ নিৰিবিলি ছাঁ' বৰ ধুনীয়াকৈ কৰিব পাৰে। তাত বিশেষ বেলেগ লগাবলৈ কথাই নাই। সেইখন as it is কৰি গ'লেই হৈ গ'ল।

**তৃষ্ণা** - এতিয়ালৈকে কলেজ বা হোষ্টেল লাইফৰ ওপৰত কৰা যিবোৰ web series চাইছো, কেনো এখনৰ কাহিনীয়েও কিন্তু 'নাহৰৰ নিৰিবিলি ছাঁ' ৰ পৰ্যায়ৰ নহয়। গতিকে মই ভাবো অসমৰ পৰিচালক, প্ৰযোজকে সেই কথাটো ভাবিব লাগে।

**অনুৰাধা শৰ্মা পূজাৰী** - লাগে, লাগে। আচলতে সিমানখিনি ..... খৰচৰো কথা আছে । তেনেকুৱা strong পৰিচালকো লাগিব। অকমাণ চৰিত্ৰবোৰ ভালকৈ বুজা, তেনেকুৱা লাগিব আৰু। এতিয়া অৱশ্যে ৱেব চিৰিজ এখন .... বাহিৰৰ, তেওঁলোকে লৈছে। কোনখন লৈছে জানো (ভাবি) 'হৃদয় এক বিজ্ঞাপন' খনকেই লৈছে বোধহয়। হয়, সেইখনেই লৈছে। পংকজজ্যোতি ভূঞাই সেইখন script কৰি আছে। দেখা যাওঁক কেতিয়া কৰে তেওঁলোকে !

**তৃষ্ণা** - বাইদেউ, 'সোণ হৰিণৰ চেঁকুৰ' খনৰ কাহিনীটোৰো কিন্তু সাংঘাতিক বাস্তৱ। সেইখনৰ কথাও ভাবিব পাৰে কেনোবাই।

**অনুৰাধা শৰ্মা পূজাৰী** - অ' সেইখন ধুনীয়া web series হ'ব পাৰে। মোক যে সকলোৱে কৈছিল 'সোণহৰিণৰ চেঁকুৰ'ৰ তিনিবছৰৰ পাছত যেতিয়া 3 idiots ওলাইছিল, সকলোৱে কৈছিল এই theme টো দেখোন গোটেই তেনেকুৱাই, 'সোণহৰিণৰ চেঁকুৰ'ৰ। কৈছিল আপুনিতো তিনি-চাৰিবছৰ আগতেই এইখন লিখিলে। কথাবিলাক দেখোন এনেকুৱাই। ইমান নম্বৰৰ প্ৰতিযোগিতাত ল'ৰা-ছোৱালী বিলাকক মই suicide কৰা দেখো, মানে কেইটামান নম্বৰৰ কাৰণে এটা জীৱন ধ্বংস হৈ যায়, সেইটোতকৈ আৰু কিবা দুখ লগা কথা আছেনে? জীৱনটো কিমান ডাঙৰ আৰু তাকেই ইমান ঠেক কৰি পেলায়। মাক-দেউতাকেও ইমান হেঁচা দিয়ে। মানে ছোৱালী বা ল'ৰা এটাই beyond that একো চিন্তাই কৰিব নোৱাৰে।

**তৃষ্ণা** - আৰু একেবাৰে কুমলীয়া বয়সৰ পৰাই .......

**অনুৰাধা শৰ্মা পূজাৰী** - অ'। বৰ বেয়া লাগে। সিহঁতক জীৱনটো জী থাকিবলৈ যিখিনি inspiration, প্ৰেৰণা লাগে সেই প্ৰেৰণা বিলাক বহুত বেলেগ। এই পৃথিৱীতে আছে সেইবিলাক প্ৰেৰণা। এইটো বৰ ডাঙৰ ঘটনা। আমাৰ মানুহবিলাকে ল'ৰা-ছোৱালীবোৰ জন্ম দি এনেকুৱা কৰি পেলায় যেন মোৰ অধিকাৰত আছে আৰু এতিয়া মই বনাম।

**তৃষ্ণা** - নিজৰ মতে গঢ় দিব বিচাৰে।

**অনুৰাধা শৰ্মা পূজাৰী** - নিজৰ মতে একেবাৰে। এটা সময়লৈ লাগিব guidence। ভাল guidence definitely লাগিব। কিন্তু আমাৰ শিক্ষা ব্যৱস্থাটো এনেকুৱা যে তেওঁলোকক decision maker কৰিব নোৱাৰে। এটা মেট্ৰিক পাছ কৰা ল'ৰা বা ছোৱালীয়ে নিয়মমতে পোন্ধৰ বছৰ বয়সত জীৱনটোত কি বিচাৰিছে কিছু ভাবিব পৰা কৰিব লাগে। বিদেশতটো ভাবিব পৰা কৰে ন? সেই শিক্ষা ব্যৱস্থাটো আমাৰ নাই। এতিয়াওঁ পাৰিলে মাকে ভাত কেইটা পিটিকি খুৱায়েই থাকিব।

**তৃষ্ণা** - হয়, বহুত নিৰ্ভৰশীল কৰি গঢ়ি তোলে।

**অনুৰাধা শৰ্মা পূজাৰী** - অ'। মই বহুত ল'ৰা-ছোৱালীক সুধিছো (হাঁহি) Higher secondary পাচ কৰিছে, ষ্টেণ্ড কৰিছে। মই সুধিছো তুমি এতিয়া কি কৰিবা ? জানো মা-পাপাহঁতে কি কয়? ইঞ্জিনীয়াৰিংৰো (engineering) entrance দিম, মেডিকেলৰো (medical)। মই তেতিয়া কৈছো, চোৱা aptitude বা attitude, এই দুটা কথা। ইঞ্জিনীয়াৰ হ'বলৈ মানসিকতাটো বেলেগ আৰু ডাক্তৰ হ'বলৈ বেলেগ। তুমি দুয়োটাতে মানে য'তে পাম তাতে কিবা হ'ম বুলি কেনেকৈ ভাবিলা? Doctor হোৱাৰ capacity তোমাৰ আছেনে নাই ? এজন ভাল Doctor হ'ব পাৰিবা নে নোৱাৰা? প্ৰথম কথা, তুমি মানুহ touch হুকৰি পাইছানে নাই? (হাঁহি) কাৰোবাৰ কষ্ট দেখিলে .... মা-দেউতাই যদি কৰবাত পৰিছে তুমি দৰৱ-চৰৱ লগাই পাইছানে নাই ? তুমি দৌৰি গৈ বেণ্ডেজ বান্ধি পাইছানে নাই? সেইটো ভিতৰত আছেনে নাই তোমাৰ? doctor হ'ম বুলি কলেই নহ'ব নহয়, যি মানুহেই চুই পোৱা নাই। মানে আমাৰ গোটেই problem টোৱেই তাত। আৰু সেইকাৰণে আমি ভাল Doctor ও পোৱা নাই, ভাল engineer ও পোৱা নাই। এনেকুৱা। আৰু তাৰ মাজত যিসকল succesful হুঁহৈছে তেওঁলোক সঁচাকৈয়ে এই বিষয়টোৰ প্ৰতি সংবেদনশীল। কিবা আচৰিত ধৰণৰ। যেন নম্বৰ পালেই এই দুটাহে হ'ব লাগিব। পৃথিৱীত আৰু অন্য subject নাই।

**তৃষ্ণা** - হয় বাইদেউ। মেট্ৰিক পাছ কৰাৰ পিছত যদি science লোৱা হয় সকলোৱে প্ৰথম প্ৰশ্ন Doctor হ'বা নে Engineer ? যেন বাকী আৰু একো পেচা নাই।

**অনুৰাধা শৰ্মা পূজাৰী** - হয়। যেন বাকী আৰু পৃথিৱীত একো নাই। বাকী মানুহবিলাকৰ কাৰো কামেই নাই। অথচ বাকী বেছিভাগ ক্ষেত্ৰই পৰি আছে, মানুহ নাই আমাৰ। specialised। সেয়াই আৰু গোটেই system টো। (হাঁহি) সেইকাৰণেই 'সোণহৰিণৰ চেঁকুৰ'খন লিখিছিলো। খং উঠিয়েই লিখিছিলো আচলতে।

**তৃষ্ণা** - আপোনাৰ তেনেকৈই খং উঠি থাকক ........

**অনুৰাধা শৰ্মা পূজাৰী** - (হাঁহি) 'সোণহৰিণৰ চেঁকুৰ'খন একদম খং উঠি লিখা দেই। বৰ আচৰিত লাগে। আমাৰ পৰিয়ালবোৰ কেলেই এনেকুৱা হৈছে বাৰু? ল'ৰা-ছোৱালী বিলাকক নিজৰ এটা

product বনাই লৈছে।

**তৃষ্ণা** - আৰু আত্মীয় সকলৰ expectation ও সাংঘাতিক।

**অনুৰাধা শৰ্মা পূজাৰী** - (হাঁহি) হয়, হয়। আমাকো কৈছিল। মই এইটো লাইনৰ মানুহ। জাৰ্নেলিজমৰ । আৰু মোৰ হাজবেণ্ড, তেওঁ হাইড্ৰ'পাৱাৰৰ খুব নাম থকা এজন ইঞ্জীনীয়াৰ । বিদেশতো তেওঁ কাম কৰিছে। তেওঁৰ লগৰ সকলোৱে কয় 'আৰে, ল'ৰাক science নপঢ়ালি ? সি ইঞ্জীনীয়াৰিং নপঢ়ে নেকি মানে! সি ইঞ্জীনীয়াৰিং নপঢ়াটো এটা ডাঙৰ অপৰাধ আৰু। (হাঁহি) তাৰ পাছত আমি ক'লো 'জানো, ই যি কৰে কৰিব আৰু'। তেওঁলোক আমাক দেখি আচৰিত। 'এটাই ল'ৰা । যি পঢ়ে পঢ়িব বুলি এৰি দিছ'। এনেকুৱা। আমি নিজে একোৱেই কোৱা নাই। তাৰ যিটো মন যায়। আমি এবাৰো কোৱা নাই। আমাক দেখি আচৰিত মানিলে মানে! মই বোলো পৃথিৱীত ঘনচিৰিকাটোলৈকো ঈশ্বৰে ধান এটা বনাই থৈছে, আমাৰ ল'ৰাইও কিবা এটা কৰি খাব আৰু। (হাঁহি) পৃথিৱীত ভাতমুঠি যোগাৰ কৰিব পৰা capacity নাইনে তাৰ? যিটো পঢ়িব ভালকৈ পঢ়িব। যিটো তাৰ ভালকৈ পঢ়িবলৈ মন যায় সেইটোৱে পঢ়িব।

**তৃষ্ণা** - আচলতে আমাৰ সমাজখনক এনে চিন্তাৰেই দৰকাৰ আছে। নহ'লে প্ৰতিযোগিতাই বৰ সাংঘাতিক ৰূপ এটা লৈছে।

**অনুৰাধা শৰ্মা পূজাৰী** - আচলতে আমাৰ ultimate কথাটো কি ? মই মোৰ সন্তানৰ ক্ষেত্ৰতো এটা কথাই ভাবো যে সি সুখী হওঁক। সি যিটো জীৱিকা লব সেই জীৱিকাৰে সি সুখী হওঁক। তাৰ জীৱন আৰু জীৱিকা এটা হওঁক। জীৱনটো বেলেগে হৈ জীৱিকাৰ কাৰণে মনৰ against ত কাম কিছুমান কৰিব লগা হৈছে, সেইবোৰ নালাগে। সি যিটো ভাল পায় বিষয়, সেই বিষয়টোৱেই তাৰ জীৱিকা হওঁক। আৰু তুমিযিটোৱে সি সুখী হ'ব পাৰে। আমাৰটো ultimate কথা সেইটোৱেই। সুখী হ'ব লাগে মানুহ।

**তৃষ্ণা** - বাইদেউ । আপুনি এগৰাকী সাহিত্যিক আৰু ইমান ব্যস্ত সাংবাদিক। সাহিত্য চৰ্চা আৰু সাংবাদিকতা- দুয়োটাকে ইমান সুন্দৰভাৱে আৰু সমান্তৰালকৈ আগবঢ়াই নিবলৈ কঠিন নহয়নে ?

**অনুৰাধা শৰ্মা পূজাৰী** - সাহিত্য চৰ্চাত দিগদাৰ হয়। মই সময় নাপাওঁ, প্ৰথম কথা। সময়ৰ মোৰ খব অভাৱ হৈ যায়। সাংবাদিকতা বিষয়টো এনেকুৱা যে চৌবিশ (২৪) ঘন্টাই ডিউটিৰ নিচিনা। বিভিন্ন ধৰণৰ কথা। নিউজৰ কথা থাকে। আৰু update থাকিব লাগে মই। পঢ়া-শুনা কৰিব লাগে। পেপাৰ পত্ৰৰ পৰা আৰম্ভ কৰি সকলো বস্তু ভালকৈ পঢ়িব লাগে। সেইটো কাৰণে মোক সময়ৰ বহুত দৰকাৰ হয়। কিন্তু তাৰ পৰা আৰু এটা লাভ হৈছে যে মই সমাজখন বৰ ওচৰৰ পৰা দেখিছোঁ। যিটো কাৰণে মোৰ উপন্যাসবোৰৰ সামাজিক চৰিত্ৰবোৰ একেবাৰে সঁচা চৰিত্ৰৰ নিচিনাকৈ আহে।

**তৃষ্ণা** - হয়। বেছি বাস্তৱ।

**অনুৰাধা শৰ্মা পূজাৰী** - বাস্তৱ হৈ যায়। কাৰণ মই সাংবাদিক যে। বহুতে সোধে আপোনাৰ অকণমান ব্যতিক্ৰম কিয় পাওঁ? মই তেতিয়া কওঁ যে লেখকসকল অকল লেখকেই, কিন্তু মই যিহেতু সাংবাদিক, মই ইমান ভালকৈ সমাজখন প্ৰতিমুহূৰ্তত দেখিছো বা পৰিৱৰ্তনটো মই ইমান ভালকৈ দেখিছো, চৰিত্ৰবোৰ মই ইমান কাষতে পাইছো যিটো কাৰণে মোৰ উপন্যাসবোৰ কিছু ব্যতিক্ৰম হৈছে। সেইটো সাংবাদিক হোৱা কাৰণে আহিছে আচলতে। মই ভাবো।

**তৃষ্ণা** - সেইটো চাগে আপুনি সুবিধা বুলিয়েই ক'ব।

**অনুৰাধা শৰ্মা পূজাৰী** - অ, মই সুবিধা বুলিয়েই ভাবো কাৰণ প্ৰতি মুহূৰ্তত মই change টো দেখিছো ন! ইমান দ্ৰুত পৰিৱৰ্তন, মানসকিতাৰ পৰিৱৰ্তন, মানুহৰ সামাজিক পৰিৱৰ্তন, মানুহৰ মূল্যবোধৰ পৰিৱৰ্তন। এজন লেখকে যেতিয়া ঘৰৰ ভিতৰত থাকিব, তেওঁ সেই পৰিৱৰ্তনবোৰ মানে day to day পৰিৱৰ্তন নাপায়। কিন্তু মই নিজে দেখি আছো। মোলৈ যিবোৰ খবৰ আহি আছে, মই যিবোৰ মানুহ লগ পাই আছো ... সেই মানুহবিলাকক প্ৰত্যেকদিনে মই দেখি আছো, যে ইচ্‌ৰাম! যোৱা তিনি বছৰলৈকে মানুহে এনেকৈতো নাভাবিছিল। এতিয়া এনেকৈ ভাবে। গতিকে সেই পৰিৱৰ্তনবোৰ মই পাইছো।

**তৃষ্ণা** - বাইদেউ। আপোনাৰ বাবে কিছু প্ৰশ্ন আপোনাৰ কিছুসংখ্যক অনুৰাগীয়ে দিছিল। মই তেনে অলপ প্ৰশ্ন লব পাৰো নেকি ?

**অনুৰাধা শৰ্মা পূজাৰী** - অ' কোৱা।

**তৃষ্ণা** - কিছু প্ৰশ্ন দিছে প্ৰণীতা শৰণীয়াই। তেখেত অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা বি বি কিষাণ কলেজ, জালাহৰ। তেখেতৰ প্ৰথম প্ৰশ্ন বাইদেউ, যে উপন্যাস এখন লিখোতে কাহিনীটো কেনেকৈ শেষ কৰিব বা চৰিত্ৰবোৰ কেনেকৈ আগবঢ়াব সেইটো আপুনি কাহিনীটো পৰিকল্পনা কৰোতেই থিক কৰি লয় নে লিখি থাকোতে তাক থিৰাং কৰে ?

**অনুৰাধা শৰ্মা পূজাৰী**- নাই, মই লিখি থাকোতে চৰিত্ৰ ওলাই গৈ থাকে। আৰু শেষ ক'ত হ'ব মই নাজানো। সেইটো এটা intuition, মানে মোৰ মনটোৱে কৈ দিয়ে যে মই ইয়াৰ পৰা আৰু এটা লাইনো বেছি লিখিব নালাগে। এইখিনিতে শেষ কৰিব লাগে।

**তৃষ্ণা** - তেওঁ আৰু এটা প্ৰশ্ন কৰিছে যে কিছুমান চৰিত্ৰৰ হঠাৎ মৃত্যু ঘটে যেনে চাহেবপুৰাৰ বৰষুণৰ সঞ্জীৱৰ মৃত্যু বা নীল প্ৰজাতিৰ ৰাহুলৰ আত্মহত্যা। পাঠক হিচাপে এনে মৃত্যুত আমি বহুত আঘাত পাওঁ। আপোনাৰ লেখক হিচাপে কেতিয়াবা এই চৰিত্ৰবোৰক জীয়াই ৰাখিব মন নাযায়নে?

**অনুৰাধা শৰ্মা পূজাৰী** - যায়। বিৰাট যায়। কিন্তু সেইটো সত্য। মৃত্যুটো সত্য মানে, (হাঁহি) আৰু সত্য কাৰণেই সত্য হিচাপে দিয়া হৈছে।

**তৃষ্ণা** - তেখেতৰেই আন এটা প্ৰশ্ন আপুনি উপন্যাস এখন লিখোতেই নামটো দি লয় নে লিখাৰ অন্তত ?

**অনুৰাধা শৰ্মা পূজাৰী** - নাই। প্ৰথমতে নাম এটা ভাবো কিন্তু শেষত গৈ সেইটো নাম নাথাকেগৈ। তিনিবাৰ-চাৰিবাৰ সলনি হয়। বহুতবাৰ নাম সলনি হয়। এইটো দিলে ভাল লাগিবনে সেইটো দিলে ভাল লাগিব ! আকৌ মোৰ হাজবেণ্ড, তেওঁৰ লগতো মই বহুত আলোচনা কৰোঁ। মই এবাৰতে কৈ দিওঁ 'অমুক নামটো কেনেকুৰা ?' এনেকৈ সোধো । কেতিয়াবা তেওঁ কয় 'বেয়া লগা নাই'। 'বেয়া লগা নাই' বুলি কোৱাৰ লগে লগে মই নতুন এটা ভাবো। (হাঁহি) এনেকুৰা হয়। তেওঁক as a reader বুলি ভাবি পেলাই মই সোধো কথাটো। এজন ৰীডাৰে মানে কেনেকৈ ল'ব এইটো নাম ? সেইকাৰণে মই তেওঁক সোধো। আমি মানে বহুত আলোচনা কৰো এটা নামৰ লগত।

**তৃষ্ণা** - তেখেতেওঁ চাগে বহুত ভালকৈ পৰ্যবেক্ষণ কৰে কথাবিলাক ?

**অনুৰাধা শৰ্মা পূজাৰী** - অ'। তেওঁ খুবেই ভাল writer আছিল। কিন্তু নিলিখা হ'ল। তেওঁ পঢ়ে খুব আৰু he has a very good taste, তেওঁ মানে পঢ়া-শুনাত খুব ভাল taste থকা মানুহ। তেওঁৰ taste টোক মানে মই খুব সন্মান কৰোঁ। তেওঁ যেতিয়া মোৰ কিতাপখন continuously পঢ়ি যায় বা ইটো সিটো কাম কৰি থাকোতেওঁ পঢ়ি থাকে, মই লগে লগে ভাবো যে সেইখন কিতাপে সাংঘাতিক click কৰিব। (হাঁহি) আৰু একদম তেনেকুৰাই হয়। এইক্ষেত্ৰত কেতিয়াও মিছা কথা নকয় তেওঁ।

**তৃষ্ণা** - মানে আলোচনা আৰু সমালোচনা তেখেতৰ লগতেই হৈ যায়। যদি ভুল হৈছেও তেখেতে কৈ দিব।

**অনুৰাধা শৰ্মা পূজাৰী** - ভুল বুলি নহয় আচলতে। মানে কয় আৰু চাবাচোন এইটো কিবা এটা কৰিব পাৰি নেকি (হাঁহি) সেই তেনেকুৰা।

**তৃষ্ণা** - বাইদেউ, আৰু এটা প্ৰশ্ন আহিছে তৃষামণি কাশ্যপৰ পৰা। IASST গুৱাহাটীৰ research scholar হয় তেখেত। তেখেতে সুধিছে আপোনাৰ কিতাপ সমূহৰ যিবোৰ বলিষ্ঠ নাৰী চৰিত্ৰ সেই নাৰী চৰিত্ৰ সমূহৰ সৃষ্টিৰ উৎস আপোনাৰ কল্পনা, অভিজ্ঞতা নে জীৱনৰ ওপৰত কৰা অধ্যয়ন? ইতিমধ্যেই আপুনি এই প্ৰশ্নটোৰ উত্তৰ কৰিছেই ।

**অনুৰাধা শৰ্মা পূজাৰী**- নাই। এইবিলাক মোৰ বাস্তৱৰ পৰাই অহা। এইবোৰ কেনো কল্পনা নহয়। কল্পনা থাকে। বাস্তৱৰ পৰা কল্পনালৈ যায় অলপমান। কিন্তু চৰিত্ৰটোৰ জুমুঠি বাস্তৱতে থাকে।

**তৃষ্ণা** - আন এটা প্ৰশ্ন আহিছে ইবনুৰ ফৰিদৰ পৰা, research scholar, IASST । তেওঁ সুধিছে আপুনি ৰচনা কৰা গ্ৰন্থসমূহৰ ভিতৰত কোনখন আপোনাৰ আটাইতকৈ প্ৰিয় ?

**অনুৰাধা শৰ্মা পূজাৰী** - প্ৰিয় বুলি গল্প নাই বা কোনোধৰণৰ কিতাপ এতিয়ালৈ হোৱা নাই। প্ৰথমখনৰ প্ৰতি মোৰ অনুৰাগটো বেছি কাৰণ জীৱনত কেতিয়াও মই কিতাপ ওলাব বুলি ভবা নাই। জীৱনত কেতিয়াওঁ লিখিম বুলি মই যেতিয়া ভবা নাছিলো সেই সময়ত যেতিয়া এখন কিতাপ প্ৰকাশ হৈছে মোৰ নামত, মই মানে সেই কিতাপখন বহুদিন পঢ়াতো নায়েই হাতত লৈ লৈ উল্টাই পুল্টাই চাই থাকোতেই গ'ল। (হাঁহি) এই হৃদয় এক বিজ্ঞাপনখন। মই page এটাও মেলা নাই। হাতখনত লওঁ আৰু দুইফালে চাওঁ। মাজৰ page বোৰ চাওঁ আৰু আকৌ থৈ দিওঁ। এনেকুৰা। তাৰমানে মই বিশ্বাসেই কৰিব পৰা নাই যে মোৰ এখন কিতাপ ওলাইছে। গতিকে সেইখনৰ প্ৰতি এটা বেলেগ ধৰণৰ অনুৰাগ থাকি গ'ল আৰু।

**তৃষ্ণা** - বাইদেউ আৰু এটা প্ৰশ্ন আছে। পঢ়ুৱৈ হিচাপে আপুনি কেনেধৰণৰ কিতাপ পঢ়ি ভাল পায় ?

**অনুৰাধা শৰ্মা পূজাৰী**- মই জীৱন আৰু বাস্তৱ, এইবিলাকক লৈ যিবোৰ practical novel.... আৰু যিয়ে এটা সংকেত দিয়ে জীৱনৰ প্ৰতি, মানুহলৈ, সমাজখনলৈ এটা মংগলময় বাৰ্তা দিব পাৰে, যিয়ে আশাবাদ জগাই তুলিব পাৰে। নেতিবাচক কথা নহয়, আশাবাদ য'ত থাকে মই তেনেকুৰা লেখনিবোৰ ভাল পাওঁ। মানুহৰ যেতিয়া আশা আৰু সপোন নাথাকে গোটেই এখন পৃথিৱী জীয়াই থকাটো কঠিন হ'ব।

**তৃষ্ণা** - হয়, আশাৰেইতো পৃথিৱীখন চলি আছে।

**অনুৰাধা শৰ্মা পূজাৰী** - হয়। বহুতে negative ending ৰ কিতাপ লিখে। মই কিন্তু সেইটো নিলিখো সাধাৰণতে। বহুত ...... বহুত যন্ত্ৰণা থাকে। মই জানো যে এইটো নহয়। নহলেওঁ তাৰ মাজত মোৰ এটা আশাবাদ থাকে।

**তৃষ্ণা** - সেই কাৰণেই চাগে আপোনাৰ কিতাপ ইমান প্ৰিয় সকলোৰে।

**অনুৰাধা শৰ্মা পূজাৰী** - (হাঁহি) নাজানো আৰু । কিন্তু মই মোৰ আশাবাদক জীয়াই ৰাখিব খোজো।

**তৃষ্ণা** - বাইদেউ, মই কৰবাত পঢ়িছিলো যে আপুনি এগৰাকী সুগায়িকাওঁ। সেইটো সঁচা কথা, নহয় জানো?

**অনুৰাধা শৰ্মা পূজাৰী** - অ', এসময়ত মই BMUS কৰিছিলো ভাটখাণ্ডেৰ পৰা। Classical ৰ, মই শাস্ত্ৰীয় সংগীতৰ মানুহ আছিলো। আৰু মই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শ্ৰেষ্ঠ গায়িকা

আছিলো।

**তৃষ্ণা** - বাইদেউ, কেতিয়াবা নিজকে গায়িকা হিচাপে প্ৰতিষ্ঠিত কৰাৰ চিন্তা মনলৈ আহিছিলনে ?

**অনুৰাধা শৰ্মা পূজাৰী**- অ, মোক সকলোৱে গায়িকা বুলিয়েই ভাবিছিল। (হাঁহি) সকলোৱে ভাবিছিল মই সাংঘাতিক ভাল গায়িকা হ'ম। লেখক হ'লততো চবেই আচৰিত। 'আমাৰ বেষ্ট চিংগাৰ অনুৰাধাই লিখিছে নেকি' - আচৰিত হৈ গৈছে। তাইতো ইমান ভাল গাইছিলেহে, এনেকে কয়।

**তৃষ্ণা** - আপুনি বাৰু কিয় continue নকৰিলে ?

**অনুৰাধা শৰ্মা পূজাৰী** - গায়িকা মানে .... আচলতে গান শুনিও ভাল পাওঁ, গাইও ভাল পাওঁ, চব ভাল পাওঁ কিন্তু মোৰ ভিতৰত এটা সাংঘাতিক তাড়না আছিল যে মোক বহুত কথা প্ৰকাশ কৰিবলৈ লাগে। আৰু সেই প্ৰকাশ মই গান গাই গাই ষ্টেজত নোৱাৰো কৰিব। মোক গান কেনোবাই লিখি দিলেও নহ'ব মানে। মোৰ বহুত কথা ক'ব লগা আছে। মই ছবিও আঁকিছিলো খুব ভাল। কিন্তু ছবিৰ মাধ্যমেৰেও মই ক'ব লগাখিনি প্ৰকাশ কৰিব পৰা নাই। তাৰপিছত মই দেখিলো যে মোৰ কাৰণে শব্দই শ্ৰেষ্ঠ। শব্দেৰেই মই এই কথাবোৰ ক'ব লাগিব। সেইকাৰণে মই শব্দকেই বাচনি কৰি ললোঁ।

**তৃষ্ণা** - আৰু আপুনি যে শব্দ নিৰ্বাচন কৰিলে সেইটো আমাৰ কাৰণে আশীৰ্বাদ হ'ল।

**অনুৰাধা শৰ্মা পূজাৰী** - (হাঁহি) শব্দকেই বাচনি কৰি ললো আৰু পিছত । তাকো বহুত দেৰিকৈ। মই নব্বৈৰ দশকৰ পৰাহে লিখিছো। এইখিনি মানে টনা-আজোৰাতে গ'ল। মই কি কৰিলে গোটেই ভাবি থকা কথাবোৰ প্ৰকাশ কৰিব পাৰিম মানে !

**তৃষ্ণা** - বাইদেউ, আপুনি কলিকতাত থাকোতেই 'কলিকতাৰ চিঠি' আৰম্ভ কৰিছিল নেকি ?

**অনুৰাধা শৰ্মা পূজাৰী**- হয়, হয়। কলিকতাৰ চিঠিৰেই মোৰ আৰম্ভ হৈছে। তাৰো আগতে মই সাংবাদিক আছিলো। তেতিয়া 'আজিৰ বাতৰি'ত মই ৰিপোৰ্টিংও কৰিছিলো আৰু 'সাধাৰণ মানুহৰ অসাধাৰণ কথা' বুলি স্তম্ভ এটা লিখিছিলো। যিটো খুব popular হৈছিল।

**তৃষ্ণা** - তেনেকৈয়ে চাগে আপোনাৰ লিখাৰ আৰম্ভণি হ'ল ?

**অনুৰাধা শৰ্মা পূজাৰী** - হয়, তেনেকৈয়ে হ'ল। মানুহে ভাল পাবলৈ ল'লে। মানুহে চিঠি দিবলৈ ললে পেপাৰবোৰলৈ, মোৰ লেখাবোৰৰ বিষয়ে। মইতো 'অসমবাণী' নাপাওৱেই কলিকতাত। মই গমেই নাপাওঁ মানুহে পঢ়িছেনে নাই। মই irregular কৈ দিছিলো। হোমেন বৰগোহাঞিদেৱে মোক ক'লে যে তুমি কিয় ইমান অনিয়মীয়াকৈ লিখা। মইতো প্ৰতিমাহত লিখিব কৈছিলো দুটাকৈ। তেতিয়া মই কৈছো মানুহে বা ভাল পাইছেনে নাই মই ধৰিব পৰা নাই। তেতিয়া তেওঁ মানে তেৰখন চিঠিৰে সৈতে 'অসমবাণী'ৰ চিঠিৰ পেজ এটা মোলৈ পোষ্ট কৰিছিল। মানে পঢ়ুৱৈৰ চিঠি সেইবিলাক। সেইটোৱে confidence আনি দিছিল মোক।

**তৃষ্ণা** - বাইদেউ আপোনাৰ আৰু বেছি সময় নলওঁ। এটা কথা জানিবলৈ মন গৈছে, আমাৰ কাৰণে এইটো বহুত ভাললগা খবৰ যে এইবাৰ আপুনি সাহিত্য অকাডেমী বঁটা লাভ কৰিলে। গোটেই অসমবাসী আৰু আপোনাৰ অনুৰাগী সকলৰ এইটো বহুদিনৰ প্ৰতীক্ষা আছিল। আপোনাৰ নিজা অনুভৱ কেনেকুৱা ?

**অনুৰাধা শৰ্মা পূজাৰী** - হয়, হয়। নিজা অনুভৱ মানে ...... এটা স্বীকৃতিৰ বিৰাট দৰকাৰ হয় কাৰণ .... পাঠকে ইতিমধ্যেই দিছে মোক সেইখিনি স্বীকৃতি কিন্তু আনুষ্ঠানিক এই স্বীকৃতিটোৱে আটাইতকৈ সুখী কৰিছে পাঠকক। মোৰ বাবে ভাললগা কথা এইটোৱে। মোতকৈও বেছি পাঠক সুখী হৈছে। অসমত বা বাহিৰত গোটেই কথাটো এনেকুৱা যে তেওঁ সাহিত্য অকাডেমী পুৰস্কাৰ পাইছেনে নাই ? সেইটো এটা count ত লয়। মোৰ কাৰণে সেইটো বিৰাট ডাঙৰ কথা নাছিল কিন্তু। কাৰণ ভাৰতবৰ্ষত ইমান ভাল ভাল writer এ পোৱা নাই... আৰু এইটোৰ কাৰণেই কেতিয়াবা বহুত ৰাজনীতিও হয়। সাহিত্যত লবী আছে, সাহিত্যত ৰাজনীতি আছে। এইবোৰে সাহিত্যক কলুষিত কৰি পেলাইছে। বহুত ভাল লেখক-লেখিকা আছে যিসকলে অকাডেমী পোৱা নাই, কিন্তু বহু এনেকুৱা লেখকেও পাইছে যাৰ কিতাপ বিলাক আচলতে তেওঁলোকতকৈ শ্ৰেষ্ঠ কিতাপ বুলি ধৰিব নোৱাৰি।

**তৃষ্ণা** - মানে পাঠকক ইমান স্পৰ্শ কৰিব নোৱাৰে, তেনে কিতাপেও পাইছে।

**অনুৰাধা শৰ্মা পূজাৰী** - পাঠকেইতো ultimate সদায়।বহুত এনেকুৱা আছে যে সাহিত্য অকাডেমী পালে, এবছৰ হুলস্থুল এটা লাগিল, গ্ৰন্থমেলাবোৰত কিনিলে মানুহে কিন্তু দ্বিতীয়বাৰ সেইজন লিখকৰ এখনো কিতাপ কেনো মানুহেই কিনিবলৈ ইচ্ছা কৰা নাই। মই ভাবো সেইবিলাক সাহিত্য আচলতে পুৰস্কৃত নহয়েই। আচলতে সময়েহে পুৰস্কাৰটো দিয়ে। এখন কিতাপ বা এজন লিখকক, যেতিয়া আমি দেখো পঞ্চাছ বছৰ ধৰি সমাদৰ কৰি আছে পাঠকে সেইজনহে আচলতে শ্ৰেষ্ঠ লেখক। সময়ৰ বিচাৰত যিজন শ্ৰেষ্ঠ। পুৰস্কাৰে সেইটো দিব নোৱাৰে। তথাপিও এটা আনুষ্ঠানিকতা, আনুষ্ঠানিক এটা পুৰস্কাৰৰ প্ৰয়োজন থাকে মানুহৰ। দুখ লগা কথাটো হৈছে যে এই পুৰস্কাৰটো লৈ বহু লবী, ৰাজনীতি হয়। যিটো কাৰণেই পাবলগীয়া বহু মানুহ... তেওঁলোকক ঢুকাই গ'ল কিন্তু তেওঁলোকে নাপালে। সেইটো আমাৰ কাৰণে দুৰ্ভাগ্যৰ কথা।

**তৃষ্ণা** - কিন্তু বাইদেউ, পাঠকৰ যি অনুৰাগ, আমিবোৰে আপোনাক কেতিয়াবাই সেই স্বীকৃতি দিছো।

**অনুৰাধা শৰ্মা পূজাৰী**- অ' অ'। পাঠকে মোক কেতিয়াবাই দি থৈছে। আজি ধৰা 'মেৰেং'খন পাঁচবাৰ সাহিত্য অকাডেমীৰ টেবুললৈ গৈছে। কিন্তু দিয়া নাই। দিয়া নাই সেইটো তেওঁলোকৰ প্ৰব্লেম (problem) কিন্তু পাঠকে বাৰে বাৰে প্ৰশ্ন কৰি আছে 'মেৰেং'খনে কিয় সাহিত্য অকাডেমী নাপালে? আজিও সেইটো প্ৰশ্ন।

**তৃষ্ণা** - হয়, 'মেৰেং'খন সাহিত্য অকাডেমীৰ বাবে একেবাৰেই যোগ্য, সেয়া আজিও আমাৰ বিশ্বাস।

**অনুৰাধা শৰ্মা পূজাৰী**- আৰু 'মেৰেং'ৰ ঠাইত যিখিনিয়ে পালে ..... সেইকাৰণেই প্ৰশ্নটো উঠিছে। 'মেৰেং'ক বাদ দি পাঁচবছৰত যিখিনিয়ে সাহিত্য অকাডেমী পালে সেই কিতাপকেইখনক লৈহে আচলতে প্ৰশ্নটো উঠিছে। যে এই কিতাপতকৈতো 'মেৰেং' বহুত শ্ৰেষ্ঠ আছিল। সেই প্ৰশ্নবোৰ পাঠকৰ, মোৰ প্ৰশ্ন নহয়। বহুত ডাঙৰ ডাঙৰ পণ্ডিত ব্যক্তিয়ে open meeting ত সেই প্ৰশ্নবোৰ কৰিছে। গতিকে সেইবোৰৰ পৰা বুজিব পাৰি ইয়াত বহুত ধৰণৰ কথা থাকে। তথাপিওঁ 'মেৰেং'খনে পোৱা হ'লে মই সুখী হ'লোহেতেন কাৰণ ইন্দিৰা মিৰিয়ে সেই স্বীকৃতি পালেহেঁতেন। ইন্দিৰা মিৰিৰ দৰে বিদূষী নাৰীগৰাকীয়ে পালেহেঁতেন। সেয়া তেওঁক বঞ্চিত কৰা হ'ল, সেয়া অনুৰাধা শৰ্মা পূজাৰীক বঞ্চিত কৰা হোৱা নাই।

**তৃষ্ণা** - তথাপিও আমি বহুত সুখী যে এইবাৰ আপুনি সাহিত্য অকাডেমী লাভ কৰিলে।

**অনুৰাধা শৰ্মা পূজাৰী** - মই ভাবো প্ৰকৃতি সম্পৰ্কত অত্যন্ত সজাগতাৰ দৰকাৰ আছিল আৰু মই যোৱা বাৰবছৰ ধৰি যি অশান্তিত ভূগি আছিলো, বাৰবছৰৰ অশান্তিৰ ফল হৈছে 'ইয়াত এখন অৰণ্য আছিল'। বাৰবছৰৰ যন্ত্ৰণাৰ মূৰত মানে মই এইখন লিখিছো। এইখন কিতাপে সাহিত্য অকাডেমী পোৱা বাবে সেইকাৰণেই মই জুৰীসকলক ধন্যবাদ জনাওঁ যে এইখনক বাচি ল'লে।

**তৃষ্ণা** - হয় বাইদেউ। বৰ্তমান সময়ত অতি দৰকাৰী কথা। গোৱালপাৰাখনৰ কথাই যদি কওঁ .....

**অনুৰাধা শৰ্মা পূজাৰী** - ইচ্ ৰাম ! গোৱালপাৰাখন! চকুপানী ওলাই যায়।

**তৃষ্ণা** - বাইদেউ, এতিয়া আমাৰ মহাবিদ্যালয়ৰ প্ৰায় চাৰিহাজাৰ ছাত্ৰ-ছাত্ৰীলৈ আপুনি যদি কিবা এটা বাৰ্তা দিয়ে পৰিৱেশ সম্বন্ধে ....

**অনুৰাধা শৰ্মা পূজাৰী** - বাৰ্তা মানে মইতো এতিয়া অকল প্ৰকৃতিৰ বাৰ্তাই দিওঁ। সঁচা কথা কৈছো। প্ৰজন্মই আমাৰ মাটি আৰু প্ৰকৃতিক লৈ ভাবক। প্ৰকৃতি সংৰক্ষণ কৰক। তেওঁলোকে লাগিলে গছ ৰোৱক। গছৰ পৰাই জীৱিকা লওঁক, খেতিৰ পৰাই জীৱিকা লওঁক। মুঠতে তেওঁলোকে মাটিৰ সৈতে সম্পৰ্ক থকা কাম কৰক। ক'তো এনেকৈ corporate ক্ষেত্ৰত ঘূৰি ঘূৰি চাকৰি বিচাৰি ফুৰিব নালাগে। যদি কাৰোবাক শিক্ষাই দিব লগা আছে প্ৰকৃতিৰ শিক্ষাৰে আৰম্ভ কৰক। প্ৰকৃতিক চাবলৈ যেতিয়াৰ পৰা আৰম্ভ কৰিব নহয়, তেওঁলোকৰ জীৱিকাও তাৰ পৰাই ওলাব। সেইটোৰেই মই ভাবো, যে কৰ্মসংস্কৃতিটো মানে প্ৰকৃতিৰ মাজেৰে কৰক। লাগিলে সেয়া পুখুৰীয়ে কৰক, মাছেই পোহক বা খেতিয়েই কৰক বা সাঁচি গছেই লগাওক। প্ৰকৃতিৰ মাজেৰেই কৰ্ম বিপ্লৱ এটা আৰম্ভ কৰক।

**তৃষ্ণা** - বাইদেউ, মই আপোনাক বিৰক্ত কৰিছো নেকি ? মোৰ অনুভৱ এটা কব পাৰোনে ?

**অনুৰাধা শৰ্মা পূজাৰী** - নাই হোৱা। মই একেবাৰেই বিৰক্ত হোৱা নাই। তুমি কথাখিনি সুধিছা, মই কিয় বিৰক্ত হ'ম?

**তৃষ্ণা** - বাইদেউ, আপোনালৈ বহুত ধন্যবাদ যে আপুনি ইমানখিনি সময় দিলে। আজিৰ সময়খিনি মোৰ বাবে সপোন সাৰ্থক হোৱাৰ নিচিনা। ক'লে আপুনি হয়তো বিশ্বাস নকৰিব আপুনি কিমান প্ৰিয়! কব পাৰে যে মই আপোনাক পূজা কৰো।

**অনুৰাধা শৰ্মা পূজাৰী** - (হাঁহি) তোমালোকৰ মৰম ভালপোৱা আছে, সেইবাবেই মোৰো চাগে লেখা-মেলা বিলাক কৰিবলৈ মন যায়। এইবিলাক কথাই মোকো খুব inspire কৰে।

**তৃষ্ণা** - আপোনাক পুনৰ বহুত ধন্যবাদ বাইদেউ।

**অনুৰাধা শৰ্মা পূজাৰী** - (হাঁহি) দিয়া, দিয়া। ধুনীয়াকৈ তুমি কৰা। তুমি গোৱালপাৰা কলেজৰ ন।

**তৃষ্ণা** - হয় বাইদেউ। মই ২০১৯ চনত জইন কৰিলো ইয়াত। মোৰ ঘৰ নলবাৰীত।

**অনুৰাধা শৰ্মা পূজাৰী** - নলবাৰীত ন ? থিক আছে, তুমি ভালে থাকা।

**তৃষ্ণা** - বহুত ধন্যবাদ বাইদেউ। আপোনাৰ দিনটো শুভ হওঁক।

**অনুৰাধা শৰ্মা পূজাৰী** - তোমাৰো শুভ হওঁক আৰু তুমিও ভালে ভালে থাকা দেই। ভালকৈ কাম কৰা আৰু ভালে থাকা। থেংক ইউ। ■

অতিথি বিশেষ



# হঠাৎ এয়া পিঠিত চুৰেটাৰ ওলোমাই দৌৰি থকা ছোৱালী এজনীৰ পদ্য এটা

**ড° প্ৰাণজিৎ বৰা**
অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
বিশিষ্ট সাহিত্যিক



দীঘল চুৰেটোৰটোৰ হাতদুখন ডিঙিটোত বান্ধি লৈ নীলা জীনছ আৰু বগা টপ পিন্ধা ছোৱালীজনী হাঁহি হাঁহি দৌৰি গৈছে বালিৰ ওপৰেৰে। শীত ৰ'দত সৰিছে। হাতৰ মুঠিৰ বালিৰ দৰে? ওঁহো। উপমাটো পুৰণি। য'ত তজবজীয়া ছোৱালী এজনী আছে, তাত সময়ৰ দীৰ্ণ উপমা খাপ নাখায়! ব'লা, আমি উপমা বিচাৰি যাওঁ ...

দন্ত্য 'ন' আৰু হ্ৰস্ব 'ই' যিবোৰ শব্দত, সেইবোৰ শব্দেৰে বিচাৰিম প্ৰথমে? মূৰ্ধন্য 'ণ' ৰে তৃণ আৰু ঋণ। কাব্য তাত ক'ত? 'তৃণ' ৰ সংস্কৃতীয়া গোন্ধত ঘাঁহৰ জুৰণি নাই। জুৰণি ৰ মূৰ্ধন্যৰ জড়তা 'ঙ' ত হ্ৰস্ব 'ই' কাৰেৰে ভা'ঙি'বলৈ কেনি গৈছে তাই? সৌৱা বালিৰ ওপৰে ওপৰে?

তাই সেয়া নৈৰ পিনে দৌৰিছে। দন্ত্য 'ন'ৰ নৈ দীৰ্ঘ 'ঈ' কাৰৰ 'নদী'ৰ পৰা সদায় বেলেগ, মই জানো। দীৰ্ঘ 'ঈ' কাৰৰ 'নদী' বাৰিষা ভাগি আমাৰ ঘৰৰ ভিতৰ সোমোৱা মনত আছে। নৈ তেনেকুৱা নহয়। নৈবোৰ বুকুৰ ভিতৰতে থাকে। নদী থাকিব নোৱাৰে।

ছোৱালীজনীৰ বুকুৰ ভিতৰতো নৈ এখন আছে? মই নাজানো। কেনেকৈ জানিম? তাইৰ হাঁহিত আৰু তাইৰ খোজকেইটাত থাকিবও পাৰে হয়তো। কবিয়েহে জানিব।

পিঠিত চুৰেটাৰটো ওলোমাই লৈ তাই দৌৰি থাকোঁতে বাৰে বাৰে উৰা তাইৰ চুলিটাৰিলৈ চাই আছো মই। চুলিটাৰি এজাক বতাহ। বতাহত দুলি থকা ফুলৰ ঠানি যেন তাইৰ মুখ।

কি কওঁ এতিয়া!

দন্ত 'ন'ৰ ফাগুন আৰু ফাগুনৰ কাঞ্চনে মনখুলি হাঁহিছে সেয়া মোৰ অসফল কাব্যপ্ৰয়াস দেখি। ■

অতিথি বিশেষ



# হেলাৰঙে

**ড° বসন্ত কুমাৰ ভট্টাচাৰ্য**
বিশিষ্ট কবি, সাহিত্যিক

ধুলি উৰুৱাই এই বাটেদি তুমি আহা
তোমাৰ বাবে অপেক্ষা মোৰ নিতৌ
পুৱা-গধূলি

চোতালত অকলে পুৱা সূৰ্যস্নান
আৰু নিশা তৰাৰে ধেমালি আকাশৰ

তুমি মোক লৈ কবিতা লিখা
প্ৰতীক-চিত্ৰকল্পেৰে তোমাৰ কবিতাত মই
উজলি উঠোঁ নান্দনিক ৰূপত
তুমি মোক নিৰ্মাণ কৰা
অভিনৱ ৰূপত
অভিনৱ ৰূপলৈ তোমাৰে স'তে মই
সহবাস কৰোঁ
মোৰ গৰ্ভ স্ফীত হৈ উঠে
কবিতাৰ ভৰত

তুমি মোক লগত লৈ
ভ্ৰমি ফুৰা দেশ-বিদেশ
মই আমনি নাপাওঁ

তোমাৰ বাবে
দিব পাৰোঁ সকলো মই
হেলাৰঙে ■







# শ্বাস্কফ ফাগুন

**প্ৰণৱ কুমাৰ বৰ্মন**
বিশিষ্ট কবি

শ্বাস্কফ ফাগুন
কিয় আহিছ বুকুত শুকান অৰণ্যৰ
লঠঙা পাত হ'বলৈ
কিয় আহিছ গৰিষ্ঠ সাধাৰণ গুণিতক
খেকাৰ বোৰৰ মুক্তিৰ বাট বন্ধ কৰিবলৈ
কিয় আহিছ হাঁচি এটা হৈ-যাৰ নাম
দিয়া হৈছে অনৰ্থক পছোৰা
হাপানীক জোকাবলৈ আহিছ দুষ্ট নষ্ট
কলেজীয়া ল'ৰাৰ দৰে?
আছ যদি থাক পলাশী আকাশত
কিয় নামি আহিলি ধূলিৰ মাজলৈ
কিয় ধুনীয়া ছোৱালীজনীৰ নাকত
ওলোমাই দিলি ৰুমাল
কিয় বুকুৰ পৰা উৰুৱাই নিলি তাইৰ উৰ্ণা
কিয় তই শীত নহ'লি, কিয় তই গ্ৰীষ্ম নহ'লি
শিখণ্ডী শিমলু হৈ ওপঙি ৰ'লি দ্বিখণ্ডিত ক্ষণত
শ্বাস্কফ ফাগুন, গোলামৰ দৰে গাড়ীৰ চকাত
উৰিলি, নাচিলি
বালিচৰত হ'লি বিচ্ছেদিত এক সম্পৰ্কৰ
ধূলিময় সুহুৰি
ডিজেল, পেট্ৰলৰ ধোঁৱাত আকাশ চুমিলি
নৰ্দমাত চিক্‌চিকিয়া জোতা এপাট নিচাগ্ৰস্থ হৈ
উটি যোৱাৰ দৰে উটি গ'লি
শ্বাস্কফ ফাগুন
তই মোৰ বুকুৰ এটা শুকান কাহ
শ্বাস্কফ ফাগুন, কুঁৱলী সৰোতে মাত্ৰ কিছুদিন আগতে
সকলোৰে ধাৰলৈ আনিছিল
সৰিয়হৰ আলোৱান
আজি তোৰ বাবে ফেৰীৱালাৰ দৰে



ঘৰলৈ আহিছে এলাৰ্জীৰ ঔষধ, চালৰ মলম,
গালৰ দামী প্ৰসাধন, চুলিৰ চেম্পু
ফটা গোৰোহাৰ বাবে বিশেষ তেলেতীয়া,
শ্বাস্কফ ফাগুন
মোৰ আত্মাৰ ভিতৰত সোমাই
তই কাহিছ আৰু কাহিছ ৰাতিক কন্দুৱাই
তোৰ বাবে কোনো চুবুৰীয়া শুব পৰা নাই
পলাশ শিমলুৰ আকাশ জ্বলোৱা সৌন্দৰ্যৰ
তই কি বিভৎস হাপানী দুস্বপ্ন!
ফাগুন, বুকুখন বৰকৈ পুৰিছে অ'
বৰকৈ জ্বলিছে
স্মৃতিৰে উতলোৱা ভালপোৱাৰ মৃৎপত্ৰত
অতীত প্ৰেয়সী ডেই গৈ আছে
ডেই গৈছে আত্মাৰ অনুদিত সময়
শ্বাস্কফ ফাগুন- যাঃ
বসন্তক মাতি দে
মোৰ কফৰুদ্ধ হৃদয়ৰ দুৱাৰ খোলা। ■

অতিথি বিশেষ



# ৰঘুনাথ, কাপোৰ পিন্ধা

**অতনু ভট্টাচাৰ্য**
বিশিষ্ট গল্পকাৰ, কাৰ্যবাহী সম্পাদক, 'সাতসৰী'

ৰঘুনাথে গীটাৰ বজাইছিল।

মানুহে কয়— ল'ৰাটোৰ আঙুলিত আছিল যাদু।

অৱশ্যে কাকতে-পত্ৰই ক'তো সেই কথাৰ উল্লেখ নাই। নিদানপুৰৰ শিল্পী সমাজৰ পৰিচয়মূলক গ্ৰন্থত নাই সেই সম্পৰ্কে কোনো উল্লেখ। আনকি কৌশিক বৰুৱাই প্ৰণয়ন কৰা সংক্ষিপ্ত বিশ্বকোষখনো সেই সম্পৰ্কে নিমাত।

কোনো কোনোৱে ক'ব খোজে যে সেই দিনবোৰত ৰঘুনাথৰ উচ্চতা আছিল প্ৰায় পাঁচ ফুট চাৰি ইঞ্চি। কেঁকোৰা চুলিৰে সৈতে তেওঁৰ মূৰটো আছিল সৰু আৰু মুখখন কোমলমতীয়া, দাড়ি নগজা কিশোৰ এটাৰ মুখৰ দৰে মৰমলগা।

ৰঘুনাথৰ বন্ধুমহলে প্ৰাচীন ফটো উলিয়াই দেখুৱায়— এই চোৱা, বাঁওফালৰ পৰা দ্বিতীয়জন। কাষৰ চেক চেক চোলা পিন্ধাটো মই।

অবিশ্বাসৰ দৃষ্টিৰে মানুহে সেই ফটোবোৰ চায়। সেইজন ৰঘুনাথ? সেইজনেই আমাৰ ৰঘু?

হয় হয়— বন্ধুমহলে কয়— সেইজনেই, সেইজনেই। চকু দুটালৈ চোৱা। চকু চালেই ধৰিব পাৰিবা হয় নে নহয় সেইটো ৰঘুনাথ।

মানুহে বিশ্বাস কৰিব খোজে।

মানুহে বিশ্বাস কৰিব নোখোজে।

কিন্তু জনাই জানে যে গীটাৰৰ তাঁৰবোৰত ৰঘুৰ আঙুলিয়ে বৰ সুন্দৰকৈ খেলা কৰিছিল। সেই খেল মঞ্চত অকলে দেখুৱাবলৈ তেতিয়া সুযোগটোনো ক'ত আছিল! কিন্তু তেওঁ যে আছিল এজন নিপুণ গীটাৰবাদক, সেই কথাত তেওঁলোকে আপত্তি নকৰিছিল।

সেই ৰঘুৱে এনিশা মঞ্চৰ পৰা নামি অহাৰ পাছত অতিথিশালাৰ বাৰাণ্ডাত বহি, হাতত বাদ্যবিধ লৈ এটা গীতৰ কলি গুণ্‌গুণাই দিলে। শেষ নিশাৰ জয়াল পৰিৱেশত ৰঘুনাথৰ সুৰে ওচৰে-পাঁজৰে থকা ভালেমান লোকৰ দৃষ্টি (প্ৰকৃততে কৰ্ণ) আকৰ্ষণ কৰি পেলালে। দুই-চাৰিজন লোক তেওঁৰ ওচৰে-



পাঁজৰে গোট খালে আৰু আটায়ে তেওঁক মুগ্ধ নয়নে চাবলৈ ধৰিলে। অতিথিশালাৰ আহাৰ যোগনিয়াৰজনেতো একপ্ৰকাৰ কান্দিয়েই পেলালে। কোনোবাই যেন ৰঘুনাথক আৰু এটা গান গাবলৈ খাটনি ধৰিলে। সেই খাটনিত ভৰ দি আৰু এটা সুৰ লক্ষ্যহীনভাৱে ৰাতিৰ আকাশত বিয়পি পৰিল।

কোনোবাই ক'লে— 'আৰু এটা।'

আন এজনে ক'লে— 'ইমান সুন্দৰ কণ্ঠ মই জীৱনত শুনা নাই।'

বাতৰিটো বিয়পি পৰিল তেতিয়া— যেতিয়া নিদানপুৰৰ কোনো এখন চহৰমুখী গাঁৱৰ ন-খোৱা উৎসৱত ৰঘুনাথক এগৰাকী কণ্ঠশিল্পী হিচাপে এককভাৱে আমন্ত্ৰণ জনোৱা হ'ল। এটাৰ পাছত এটাকৈ সিদিনা তেওঁ সাতটা গীত পৰিৱেশন কৰি মঞ্চৰ পৰা নামি আহিল। মন্ত্ৰমুগ্ধ হৈ গীত শুনি থকা এচামে হাতচাপৰি বজাবলৈকে পাহৰি গ'ল। জৰ্দাপাণ খাই পিক পেলাবলৈ উঠি যোৱা এজন শ্ৰোতাই উভতি আহি ক'লেহি যে নিদানপুৰত এনে ধৰণৰ গীত কোনেও কস্মিনকালেও শুনা নাই।

নিদানপুৰৰ ডেকাচামে ক'বলৈ ধৰিলে যে ৰঘুনাথৰ গান প্ৰকৃততে সিহঁতৰ জীৱনৰ কথা, সিহঁতৰ হৃদয়ৰ গান।

এগৰাকী সংগীত বিশাৰদে মন্তব্য কৰি ক'লে— জিনিয়াছ। ছিম্প্লী জিনিয়াছ।

আৰু তাৰ পাছতেই অৱলীলাক্ৰমে ৰঘুনাথৰ জীৱন সলনি হৈ গ'ল। ৰঘুনাথ গায়ক হ'ল। ৰঘুনাথ যেন আৰু অলপ বেছি শিল্পী হ'ল।

তেনেকুৱাতে এদিন এটা অদ্ভুত ঘটনা ঘটিল।

ৰঘুনাথৰ সহচৰ এজনে এদিন সবিস্ময়ে লক্ষ্য কৰিলে যে ৰঘুনাথৰ মূৰটোৱে ছয় ফুট উচ্চতাৰ দুৱাৰ এখনৰ চৌকাঠত বাৰুকৈয়ে খুন্দা এটা খালে। কি হ'ল? কেনেকৈ হ'ল? কেনেকৈ ৰঘুনাথ হঠাতে ইমান ওখ হৈ গ'ল?

সহচৰজনে এই অস্বাভাৱিক কথাটো তেওঁৰ ঘনিষ্ঠ বন্ধু দুজনমানক ক'লে। দুজনে বিশ্বাস কৰিলে, তিনিজনে নকৰিলে। বিশ্বাস নকৰা তিনিজনে মনে মনে প্ৰমাণ চাবলৈ গ'ল। কি কথা? মানুহ ইমান চাঁত্কৈ ওখ হৈ যাব পাৰেনে?

পৰৱৰ্তী কেইটামান মাহত শিল্পীয়ে অভাৱনীয় যশস্যা আৰু আৰ্থিক সচ্ছলতাৰ মুখ দেখিলে। ৰঘুনাথৰ মুখ আলোচনীৰ ক'ভাৰ-পে'জলৈ আহিল। এদিন কোনো এটা ক্লাবৰ নিমন্ত্ৰণী পত্ৰত ছপা হ'ল— 'মীট্ দ্য বাডিং ছিংগাৰ ৰঘুনাথ'।

ব্যস্ততাৰ বাবে— বোধকৰোঁ ব্যস্ততাৰ বাবে ৰঘুনাথে নিজেও গম নাপালে যে তেওঁৰ উচ্চতা ইতিমধ্যে ছয় ফুট তিনি ইঞ্চি হৈ পৰিল। নতুবা তেওঁ ভাবি থাকিল যে তেওঁৰ উচ্চতা সিমানেই। তেওঁৰ পটলুংবোৰ যিহেতু বিভিন্ন আকাৰ আৰু আকৃতিৰ আছিল, গতিকে সেই দিশৰ পৰা শৰীৰৰ বঢ়া-টুটা হোৱা কথাটো হয়তো তেওঁৰ চকুত নপৰিল। কাজেই এনেবোৰ কথা মূৰত সুমুৱাবলৈ তেওঁ কোনো সুৰুঙা নাপালে।

তাৰ পাছত?

তাৰ পাছত ৰঘুনাথলৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তত উদ্‌যাপিত সুৱাগমণি উৎসৱসমূহৰ আৰম্ভণী আৰু সামৰণী অনুষ্ঠানত গীত পৰিৱেশনৰ আমন্ত্ৰণ আহি থাকিল। ৰাজ্যৰ মূল ব্যৱসায়িক কেন্দ্ৰ হিচাপে পৰিচিত অঞ্চলটোৰ পৰা অডিঅ' কেছেট আৰু ভিডিঅ' এলবামৰ নিমিত্তে অনুৰোধ আৰু প্ৰস্তাৱ আহি থাকিল। আৰু ৰঘুনাথে এক ধৰণৰ নতুন সুৰেৰে সমগ্ৰ নিদানপুৰ বুৰাই পেলালে।

এই নতুন সুৰটো আনিবলৈ ৰঘুনাথে বিখ্যাত পপ গায়ক, বীট্‌ল্‌ছ্ গ্ৰুপৰ সদস্য জন লেননৰ এলবামসমূহ খুঁচৰিবলৈ ধৰিলে। পশ্চিমৰ সুৰবোৰত খাপ খোৱাকৈ তেওঁ নিদানপুৰীয়া ভাষাটো নিজৰ সুবিধা অনুসৰি পোনাই-পাজৰাই ল'লে। আনকি বব ডিলানৰ আৰ্হিৰে তেওঁ গীতো লিখিলে আৰু সেইবোৰ ৰেকৰ্ডিং কৰিবলৈ বন্ধুৰ ষ্টুডিঅ'ত বহু বিনিদ্ৰ নিশা পাৰ কৰিলে। অতি কম সময়তে এই কথা বিয়পি পৰিল যে নিদানপুৰত এগৰাকী যথাৰ্থ শিল্পীৰ অভাৱ পূৰণ হ'ল আৰু সেই দিশত ৰাজ্যবাসীৰ অপেক্ষাৰ অন্ত পৰিল।

অৱশ্যে নিন্দুক দুজনমানে ক'লে— এইবোৰতো গান নহয়, গানৰ নামত এইবোৰ আৰ্তনাদ, ক্যাকফনী, যন্ত্ৰণাক্লিষ্ট ঘোঁৰাৰ চিঞৰহে মাথোন।

এনে কটু মন্তব্যৰ প্ৰতিবাদ কৰা মানুহো ওলাল। কাজিয়াৰ সূত্ৰপাত হ'ল। কোনোবাই কাৰোবাক ভয় দেখুৱালে, কোনোবাই কাৰোবাক গুৰুলা-গুৰুলকৈ পিটিলে। মুঠতে ৰঘুনাথক লৈ নিদানপুৰত এক ধৰণৰ চৰ্চা আৰম্ভ হ'ল।

এইখিনিতে আৰু কিছুমান ঘটনা ঘটিল। প্ৰথম পৰ্যায়ৰ সফলতাৰ পাছত ৰঘুনাথে নিদানপুৰৰ হেজাৰ বছৰ পুৰণি লোকগীতবোৰ নিজস্ব ধৰণে সংৰচনা কৰিলে আৰু অতি কম দিনৰ ভিতৰতে সেইবোৰ ষ্টুডিঅ'ত ৰেকৰ্ডিং কৰি বজাৰত মেলি দিলে। তাৰ পাছত তেওঁ ধৰিলেগৈ দেহবিচাৰৰ গীতত। এই লোকগীত আৰু দেহবিচাৰৰ গীতসমূহো একধৰণে জনপ্ৰিয় হ'ল। বাতৰিকাকতে সেই খবৰবোৰ ফেনেকি ফেনেকি ছপালে। টিভি চেনেলৰ ঘোষিকাই লেবাই লেবাই ক'বলৈ ধৰিলে যে ৰঘুনাথে নিদানপুৰৰ আকাশ-বতাহৰ পৰা হেৰাই যাব ধৰা লোকগীতসমূহ পুনৰ নতুন প্ৰজন্মৰ ওঁঠলৈ ঘূৰাই আনিছে।

ডেকাবোৰে উৰাই-ঘূৰাই ৰঘুৰ গান শুনিবলৈ আৰু গাবলৈ ধৰিলে। ডিচেম্বৰৰ বনভোজবোৰত ৰঘুৰ গান বজা আৰম্ভ হ'ল। চেলুন, ৰেস্তোৰাঁ, ডিটিপি চেণ্টাৰবোৰত ৰঘুৰ গান বজা আৰম্ভ হ'ল। ৰঘুৰ গান নুশুনাকৈ ক'ৰবাত নিৰলে বহা নতুবা ক'ৰবালৈ যোৱাটো প্ৰায় অসম্ভৱ হৈ উঠিল। এনে লগা হ'ল যেন নাইট-ছুপাৰ আৰু চিটীবাছবোৰত ৰঘুৰ গান নবজালে বাছৰ চালকে ভৰিব লগা হ'ব এক বুজন পৰিমাণৰ জৰিমনা।

আঁকা হ'ল প'ষ্টাৰ, ওলমিল হৰ্ডিং, সজ্জিত হ'ল মঞ্চ।

মঞ্চসমূহৰ নিচেই কাষত থিয় হোৱা যুৱতীসকলে ৰঘুৰ সৈতে ছেল্‌ফী উঠিবলৈ আপ্ৰাণ চেষ্টা কৰিবলৈ ধৰিলে। মঞ্চৰ পৰা কিছু দূৰৈত বেঙা মেলি থকা ডেকাবোৰে ডেডাউৰি পাৰি চিঞৰিবলৈ ধৰিলে— উই ৱাণ্ট ৰঘু, উই ৱাণ্ট ৰঘু। ৰ-ঘু...ৰ-ঘু...ৰ-ঘু।

আৰু কি আচৰিত! অচিৰেই ৰঘুনাথৰ উচ্চতা ছয় ফুট ন ইঞ্চি হৈ পৰিল। এই উচ্চতা দেখি নিদানপুৰৰ এচাম মানুহ উৎকণ্ঠিত হৈ উঠিল, এচাম মানুহ সন্ত্ৰস্ত হৈ পৰিল। ৰঘুৰ অনুৰাগী এচামে গৰ্বৰে ক'লে যে এই উচ্চতাৰ ওচৰে-পাঁজৰে আৰু কোনো নাই। ৰঘু একক। ৰঘু অনন্য।

ৰঘু সাত ফুট তিনি ইঞ্চি হ'ল।

ৰঘু ন ফুট হ'ল।

এদিন ৰঘুনাথ চৈধ্য ফুট ওখ এটা বিশাল অৱয়ব হ'ল।

বিশেষজ্ঞ চিকিৎসক এজনে ক'লে যে এইটো আচলতে শিল্পীজনৰ পিটুইটাৰী গ্লেণ্ডৰ সমস্যা। মানুহৰ গ্ৰ'থ্ হৰমনবোৰৰ মূলতেই আছে এই পিটুইটাৰী গ্লেণ্ড, যিয়ে মানুহৰ হাড় আৰু শৰীৰৰ অন্যান্য টিছুসমূহৰ বৃদ্ধি ষ্টিমুলেট্ কৰে। চিকিৎসাবিজ্ঞানৰ প্ৰচুৰ জ্ঞান থকা আন এজনে কথাষাৰ আংশিকভাৱে সমৰ্থন কৰিলে। তেওঁ ক'লে যে জগতত জাইগাণ্টিজ্‌ম বোলা এটা শাৰীৰিক সমস্যা নিশ্চয় আছে, কিন্তু সেইটো কেৱল শিশুৰ ক্ষেত্ৰতহে সম্ভৱপৰ।

একাংশ মানুহে ক'বলৈ ধৰিলে যে এইটো এটা দানৱ। কিন্তু আন একাংশই দুৰ্ঘোৰ আপত্তি কৰিলে। তেওঁলোকে ক'লে যে ৰঘুৱে যিহেতু মানুহ বধ নকৰে বা মানুহৰ মাংস নাখায়, গতিকে তেওঁ দানৱ হ'ব নোৱাৰে। কিন্তু যিবোৰ মানুহে ৰঘুক দানৱ বুলি ক'ব খুজিছিল তেওঁলোকে যুক্তি প্ৰদৰ্শন কৰি ক'লে যে ৰঘুৱে ইতিমধ্যে কিছুমান কিশোৰ-কিশোৰীৰ মগজ খোৱাৰ তথ্য-প্ৰমাণ পুলিচৰ হাতত মজুত আছে। অৱশ্যে তেওঁলোকৰ এই যুক্তি নৰজিল, কিয়নো একাংশই ক'লে যে মগজ খালেও ৰঘুৱে বলপূৰ্বকভাৱে কাৰো হানি কৰা নাই। যি হৈছে, সেই সকলোখিনি সন্মতিসাপেক্ষে হৈছে; সকলোখিনি ৰঘুনাথ আৰু মগজৰ গৰাকীৰ বুজাবুজিৰ মাজেৰে হৈছে।

ঘৰুৱা মেল আৰু ফে'চবুকৰ চৰ্চা যিয়েই নহওক, ৰঘুনাথৰ সংগীতানুষ্ঠানৰ আয়োজনক কেন্দ্ৰ কৰি আন কিছুমান অথন্তৰ ঘটিবলৈ ল'লে। প্ৰথমতে বিশাল আৰু প্ৰচণ্ড ওখ মঞ্চৰ প্ৰয়োজন হৈ পৰিল। সুউচ্চ পেণ্ডেল বনোৱাটো বাধ্যতামূলক হৈ পৰিল। ফলত অবিশ্বাস্য ধৰণে খৰচ বাঢ়িল। ইয়াৰ লগত যোগ হ'ল শিল্পীৰ ক্ৰমবৰ্ধমান মাননিৰ অংকটো। অৱশ্যে ধন সংগ্ৰহ কোনো সমস্যা হৈ নাথাকিল। শিল্পৰসিক এচামে ক'লে যে প্ৰতিভাৰ সন্মুখত ধন একোৱেই নহয়। ধন হাতৰ মলি। তদুপৰি, নিদানপুৰৰ বাহিৰৰ পৰা আহি বসতি কৰা বণিয়াসকলৰ পৰা অতি সহজেই এই বিশাল ধনৰাশি সংগ্ৰহ কৰিব পৰা গ'ল। টিভি চেনেলসমূহে তেওঁলোকৰ নিজস্ব দৰ্শক বৃদ্ধিৰ প্ৰতিযোগিতাত নামি পৰিল। চৈধ্য ফুট ওখ শিল্পী এজনৰ গান, কথা, বেশভূষা, অভিব্যক্তি সৰু পৰ্দা একোখনত দেখুৱাব পৰাটো তেওঁলোকৰ বাবে কৃতিত্বৰ কথাও হৈ পৰিল। প্ৰত্যেকটো চেনেলে ৰঘুনাথৰ অনুষ্ঠানৰ 'এক্সক্লুছিভ টেলিকাষ্ট' কৰাৰ দাবী কৰি বিজ্ঞাপন দি থাকিল।

নিজৰ মাটিৰ মাত-কথা শুনিবলৈ প্ৰবাসীৰ কাতৰ মন। গতিকে ডুবাইৰ আমন্ত্ৰণ আহিল। আমেৰিকাৰ আমন্ত্ৰণ আহিল।

স্থানীয় টিভিৰ ঘোষক-ঘোষিকাসকলৰ পৰা জনা গ'ল যে এতিয়া ৰঘুনাথ এগৰাকী আন্তৰ্জাতিক খ্যাতিসম্পন্ন শিল্পী। বুজা গ'ল যে এই আন্তৰ্জাতিকতাত পণ্ডিত ৰবিশংকৰ আৰু ওস্তাদ বিছমিল্লা খাঁৰ সৈতে ৰঘুৰ কোনো পাৰ্থক্য নাই।

অৱশ্যে এনেবোৰ কথাত কাৰো যেন একো ক্ষতি নহ'ল।

ইফালে, শিল্পীৰ কদৰ বুজা একাংশই ক'লে যে চৈধ্য ফুট ওখ এজন শিল্পীৰ বাবে তেওঁলোক যিকোনো ধৰণৰ পৰিশ্ৰম কৰিবলৈ ইচ্ছুক। গঢ় লৈ উঠিল 'ৰঘুনাথ অনুৰাগী সমাজ'। সেই সমাজে ক'লে যে ৰঘুনাথৰ নামত তেওঁলোক যিকোনো কাম কৰিবলৈ সংকল্পবদ্ধ। তাৰ প্ৰথম পদক্ষেপ হিচাপে তেওঁলোকে এখন বাছ আৰু তিনিখন ট্ৰেভেৰা লৈ— অৱশ্যেই ওৰেটো বাট ৰঘুৰ গান গাই গাই— নেপালৰ ভূমিকম্পপীড়িত লোকসকলক সাহায্য আগবঢ়াবলৈ গ'ল। এচামে আন এদিনাখন আন কোনো বিশেষ উদ্দেশ্য সন্মুখত ৰাখি নিদানপুৰৰ পৰা শ্বিলঙলৈ বাইক-ৰেলী কৰিলে।

ৰঘুৱে নিজেও মন কৰিলে যে সমগ্ৰ নিদানপুৰৰ যুৱসমাজ আক্ৰান্ত হৈ পৰিল এক ধৰণৰ অদ্ভুত জ্বৰত। এই জ্বৰ ৰঘুজ্বৰ। এই জ্বৰ ৰঘুনাথ-জ্বৰ।

এনে আনন্দ-উন্মাদনাৰ মাজতে কোনো এক এপ্ৰিল মাহৰ এটা শনিবাৰে ৰঘুনাথে তেওঁৰ মূৰৰ এফাল চুলিত ক্ষৌৰকৰ্ম চলাই এটা নতুন ৰূপ ধাৰণ কৰি আহিল। আৰু কি আচৰিত! সোমবাৰে দেখা গ'ল— বাকলি নিৰাই চিকুণ কৰা নাৰিকলটোৰ দৰে নিদানপুৰৰ সহস্ৰাধিক যুৱকৰ মূৰৰ এফাল পৰিষ্কাৰ হৈ পৰিল। ছেপ্টেম্বৰৰ এদিন ৰঘুৱে তেওঁৰ বাহু আৰু তলপেটত অংকন কৰাই আহিল ড্ৰেগনৰ টাটু। পিছদিনাৰ পৰা নিদানপুৰৰ লক্ষাধিক বাহু আৰু পেটত সৰু-বৰ ড্ৰেগনৰ ছাপ দৃষ্টিগোচৰ হ'ল। নিদানপুৰৰ যুৱতী সমাজ— যিসকলে মূৰৰ কেশ হানি কৰাত আগ্ৰহী নাছিল— তেওঁলোকে তেওঁলোকৰ নাভিৰ তলত প্ৰায় মচ নোখোৱা আখৰেৰে লিখাই ল'লে— আই লাভ ৰঘুনাথ। আই ডাই ফৰ্ ৰঘু।

এনেবোৰ কথাই ৰঘুনাথৰ মূৰটো খেলিমেলি কৰি পেলালে। চহৰ-নগৰৰ সাংস্কৃতিক সন্ধিয়াবোৰৰ মঞ্চত ৰঘুৱে উদ্ভট আচৰণ কৰা হ'ল। এদিন গীত পৰিৱেশনৰ মাজৰ কোনো এটা পৰ্যায়ত ৰঘুৱে তেওঁৰ চোলা আৰু বনিয়ন খুলি দৰ্শকৰ মাজলৈ দলিয়াই দিলে। এচাম কিশোৰ আৰু যুৱক সমস্বৰে কিৰীলি পাৰি উঠিল। ৰঘুনাথ অনুৰাগী সমাজে চিঞৰিলে— ব্ৰে-ভো, ব্ৰে-ভো, ব্ৰে-ভো।

ৰঘুনাথ উত্ৰাৱল হৈ উঠিল। তেওঁ তেওঁৰ পেণ্টৰ বুটাম খুলিবলৈ উদ্যত হ'ল।

অনুৰাগীয়ে পুনৰ চিঞৰিলে— ব্ৰে-ভো, ব্ৰে-ভো, ব্ৰে-ভো।

ৰঘুনাথে পেণ্টটো শেষপৰ্যন্ত খুলি পেলালে।

মঞ্চৰ সন্মুখৰ পঞ্চাশোৰ্দ্ধ মানুহখিনি, বিশেষকৈ প্ৰৌঢ়া নাৰীসমাজ তলমূৰকৈ বহি থাকিল। তেওঁলোকৰ অনেকেই বিভিন্ন

কামৰ অজুহাতত— কোনো কোনোৱে গা বেয়া লগা বুলি কৈ— ঘৰমুৱা হ'ল। দুই-চাৰিজনে শিল্পীৰ এনে আচৰণৰ কঠোৰ ভাষাৰে নিন্দা আৰু প্ৰতিবাদ কৰিলে। আন একাংশই কাতৰভাৱে, কিন্তু মুখৰ ভিতৰতে কাকূতি কৰি ক'লে— কাপোৰ পিন্ধা ৰঘুনাথ, কাপোৰ পিন্ধা।

অথচ ৰঘুনাথৰ সমৰ্থনত উৎফুল্লিত চিঞৰ ভাহি আহিয়েই থাকিল— ব্ৰে-ভো, ব্ৰে-ভো, ব্ৰে-ভো।

ৰঘুনাথ উন্মত্ত হ'ল। সমৰ্থকৰ চিঞৰ আৰু বাদ্যযন্ত্ৰৰ মিশ্ৰিত কোলাহলৰ মাজত ৰঘুনাথ সম্পূৰ্ণ বিবস্ত্ৰ হ'ল। লগে লগে তুমুল হৰ্ষধ্বনি হ'ল। ভিডিঅ' কেমেৰাৰ দায়িত্বত থকা ল'ৰা এটাই তাৰ কেমেৰাৰ লেন্স জুম্ কৰিলে। ফে'চবুক আৰু হোৱাট্‌ছএপত আপলোড কৰাৰ হেঁপাহেৰে বহু ম'বাইল ফোনৰ কেমেৰা সক্ৰিয় হৈ উঠিল।

চেনেলৰ সাংবাদিকে প্ৰশ্ৰয়ভৰা মৃদু কণ্ঠৰে সুধিলে, 'ৰঘুদা, আমাৰ দৰ্শকে জানিবলৈ বিচাৰিব আপুনি এইদৰে সম্পূৰ্ণ বিবস্ত্ৰ হোৱাৰ কাৰণ কি। আপুনি ৰাজ্যবাসীক কি বাৰ্তা দিবলৈ বিচাৰে?'

ৰঘুনাথে দীপ্ত কণ্ঠৰে উত্তৰ দিলে যে তেওঁৰ এই নগ্নতাৰ প্ৰদৰ্শন প্ৰকৃততে ৰাজ্যখনৰ নগ্নতাৰ প্ৰতীকী প্ৰতিবাদ।

উত্তৰটো এচাম মানুহে হজম কৰিব নোৱাৰিলে। কিন্তু আন এচামে ক'লে যে ৰঘুনাথৰ এই উত্তৰ যথাৰ্থ উত্তৰ। ৰঘুনাথ মাথোন এজন শিল্পীয়েই নহয়, তেওঁ এক বিপ্লৱী সত্তা। তেওঁ নিদানপুৰৰ এক প্ৰতিবাদী কণ্ঠ।

পৰৱৰ্তী সময়তো এনে ধৰণৰ প্ৰতিবাদী কণ্ঠ জাগ্ৰত হৈ থাকিল। সুযোগ পালেই ৰঘুনাথে উলংগ হ'বলৈ ল'লে। সমান্তৰালভাৱে তেওঁৰ জনপ্ৰিয়তাও বাঢ়ি গৈ থাকিল। এই জনপ্ৰিয়তাৰ বিৰুদ্ধে থিয় হৈ মাত মতাটো নিদানপুৰৰ কোনো ব্যক্তিৰ বাবেই সহজ হৈ নাথাকিল। বৰং সেই জনপ্ৰিয়তাক কামত লগাবলৈ নিদানপুৰৰ টিভি চেনেলসমূহ তৎপৰ হৈ উঠিল। ইফালে নতুনকৈ ভোটাধিকাৰ লাভ কৰা যুৱচামৰ ভোটৰ আশাত দুই-এটা ৰাজনৈতিক দলে নিৰ্বাচনী ভাষণৰ মঞ্চত ৰঘুনাথক বিচৰা হ'ল।

ৰঘুনাথ আৰু ডেৰফুট ওখ হ'ল।

তেওঁৰ ওচৰে-পাঁজৰে কোনো প্ৰতিদ্বন্দ্বী নাথাকিল। নিদানপুৰৰ সংগীতজগতৰ ব্যৱসায়ৰ ক্ষেত্ৰখনত তেওঁ হৈ পৰিল প্ৰায় একছত্ৰী সম্ৰাট। কাজেই, গীত পৰিৱেশনৰ মাজে মাজে তেওঁ বিভিন্ন টিপ্পনী দিবলৈ ধৰিলে। তেওঁৰ টিপ্পনীৰ ভাষা, তেওঁৰ অভিব্যক্তি, তেওঁৰ ইংগিত, তেওঁৰ সিদ্ধান্ত মানুহৰ চৰ্চাৰ বিষয় হৈ পৰিল।

ৰঘুনাথে পৰিস্থিতিটো আকণ্ঠ উপভোগ কৰিবলৈ ধৰিলে। বিভিন্ন মঞ্চত তেওঁ চোলা, বনিয়ন, পেণ্টৰ বুটাম খুলিবলৈ ধৰিলে। সম্পূৰ্ণ বিবস্ত্ৰ হৈ, হাতত মাইক্ৰ'ফোন লৈ, দোৰোল খোৰা জিভাৰে তেওঁ যিকোনো বিষয়ত মন্তব্য দিবলৈ ধৰিলে। হুঁহাই হাঁহিলে, জেক্ দিয়াই জেক্ দিলে, ঈৰ্ষা কৰাই ঈৰ্ষা কৰিলে, গাত কথা লেটিয়াই লোৱাবোৰে খং কৰিবলৈ ধৰিলে।

আৰু মাৰৰ ভয়ত কিছুমান মানুহ নীৰৱ হৈ থাকিল।

ইফালে, শিল্পীক অন্তৰেৰে ভাল পোৱাসকলে শুন-নুশুনকৈ কাতৰভাৱে কৈ থাকিল— ৰঘুনাথ, কাপোৰ পিন্ধা। কাপোৰ পিন্ধা, ৰঘুনাথ।

ফে'চবুকত তুমুল বিতৰ্ক হ'ল।

এচামে লিখিলে— ৰাজনীতি ৰঘুনাথৰ ক্ষেত্ৰ নহয়। তেওঁ সংগীততেই মনোনিৱেশ কৰি থকা উচিত।

এজনে প্ৰত্যুত্তৰ দিলে— ৰাজনীতি কাৰো পৈতৃক সম্পত্তি নহয়।

আন এজনে লিখিলে— কিন্তু সি লেং- ... (ছপাৰ অযোগ্য)।

এজনে ফেপেৰি পাতি ধৰিলে— তাতে তোৰ কি?

এইটো মন্তব্যক সমৰ্থন কৰি এজনে লিখিলে— কাপোৰ পিন্ধা শিল্পী-বুদ্ধিজীৱী বহুত দেখিছোঁ। আমাৰ সব জনা আছে।

এজনে আকৌ লিখিলে— হয়, হয়। নিদানপুৰৰ মানুহ চালা এনেকুৱাই। নিজৰ জেগাৰ মানুহৰ উন্নতিত ঈৰ্ষা কৰে। ৰাজ্যৰ বাহিৰত ক'তো এনেকুৱা দেখা নাযায়।

মন্তব্যটো এজনে কাটিলে। তেওঁ লিখিলে— ৰাজ্যৰ বাহিৰত শিল্পী এনেকৈ ৰাজহুৱাভাৱে উলংগ হোৱাও দেখা নাযায়।

সিজনে লিখিলে— তই চুপ থাক।

ইজনে লিখিলে— তই (অশ্লীল)... মনে মনে থাক।

ক-ই লিখিলে— ... (ছপাৰ অযোগ্য)।

খ-ই লিখিলে— ... (ছপাৰ অযোগ্য)।

ইয়াৰ মাজতেই ৰাজ্যৰ সংগীতজগতত নানান আহুকাল ঘটি গ'ল। এহাতে কেছেট আৰু চিডিৰ পাইৰেচীয়ে শিল্পী সমাজৰ যথেষ্ট ক্ষতি কৰিলে। আনহাতে নিদানপুৰত এচাম সংগীত-মাফিয়াৰ সৃষ্টি হ'ল। এই নতুন অভিভাৱকসকলে বজাৰখন নিয়ন্ত্ৰণ কৰি পেলালে। কাকতৰ বিনোদনৰ পৃষ্ঠাত ৰঘুৰ বাতৰি লিখিবলৈ ৰাতিটোৰ ভিতৰতে নতুন লেখক ওলাল। ৰাতিটোৰ ভিতৰতে নতুন গীতিকাৰ-সুৰকাৰ ওলাল।

গাঁৱত দোতাৰা লৈ বহি থাকে এখন শুকান মুখ— হাৰাধন ৰায়। সাৰিন্দা লৈ বহি থাকে এটা ৰুক্ষ শৰীৰ— গোপাল বৰ্মন। এলাগী হৈ পৰি থাকে সিহঁত। আৰ্থিক অনাটনত জুৰুলা হৈ কোনো এজন সাৰিন্দাবাদকে আত্মহত্যা কৰে। কাকতৰ ভিতৰ পৃষ্ঠাত সেই খবৰ সৰুকৈ ছপা হয়। সংবাদদাতা ব্যস্ত হৈ পৰে ৰঘুৰ হামি-হিকটি-কাহ আৰু পানীলগা জ্বৰৰ খবৰত।

হেঁচা মাৰি ধৰে, হেঁচা মাৰি ধৰে— খবৰে খবৰক হেঁচা মাৰি ধৰে।

পশ্চিমৰ লঘু আৰু জনপ্ৰিয় সুৰবোৰে নিদানপুৰৰ নিজা সুৰটোক হেঁচা মাৰি ধৰিলে। মাইকেল জেকছন, এল্টন জন, পল মেক্‌কার্টনী আদিৰ সুৰ আৰু গায়কীৰ আমদানি হ'ল। কোনেও টং কৰিব নোৰৰাকৈ ঘৰবোৰৰ খিৰিকীৰে সোমাই আহিল ৰিকি মাৰ্টিন, এন্‌ৰিকে, চেলিন ডিয়ন। আৰু নিদানপুৰৰ প্ৰাচীন, সুৰীয়া, অভিমানী বনগীতবোৰ দূৰৈৰ ক'ৰবালৈ গুচি গ'ল। আইৰন মেটেল আৰু মেটেলিকা বগুৱা বাই আহিল। ফ্ৰেডী মাৰ্কাৰীৰ ৰক্ আহিল, জাষ্টিন টিম্বাৰলে'কৰ পপ্ আহিল। ৰঘুৰ হাতত ধৰি বয় জৰ্জৰ গীতৰ কথা আৰু সুৰ ইমান চোৰাংকৈ আহিল যে সাধাৰণ নিদানপুৰবাসীয়ে ধৰিব নোৱাৰিলে চোৰ কোন, গৃহস্থই বা কোন।

লাহে লাহে নিদানপুৰৰ মানুহবোৰে সংগীত বোলা কাৰবাৰটোক শ্ৰৱণৰ সলনি দৃশ্যৰ সামগ্ৰী বুলি ভাবিবলৈ আৰম্ভ কৰিলে। ৰঘুৰ বাটেৰে আগবাঢ়ি যাব খোজা শিল্পীসকলে কণ্ঠৰ সলনি প্ৰসাধন আৰু শৰীৰচৰ্চাত মনোনিৱেশ কৰিবলৈ ধৰিলে। মঞ্চবোৰত তেওঁলোকে সুৰ-তাল-লয়ৰ সলনি উঠক-বৈঠক, দৌৰ-জাঁপ আৰু চিঞৰ-বাখৰত গুৰুত্ব আৰোপ কৰিলে। আটায়ে যেতিয়া একেধৰণে চিঞৰিবলৈ ধৰিলে তেতিয়া মানুহৰ মনোযোগ আকৰ্ষণত ভীষণ অসুবিধাই দেখা দিলে। কাজেই একাংশ শিল্পী কিছুমান অশিষ্ট, অশালীন শব্দৰ শৰণাপন্ন হ'ল। এওঁলোকৰ গীতৰ বিষয় হৈ পৰিল স্থূল যৌনতা আৰু নাৰীৰ শৰীৰ। এই নতুন শিল্পীচামৰো কোনোবাজন হঠাতে ওখ হৈ গ'ল, কোনোবাজন হৈ পৰিল আশ্চৰ্যজনকভাৱে থূলন্তৰ।

ইফালে দেহবিচাৰৰ গীত গোৱা টেটেৰা-মেমেৰা শিল্পীজন ক্ৰমান্বয়ে চাপৰ হৈ গৈ থাকিল। নিদানপুৰৰ কেইবাশতিকাজোৰা প্ৰাচীন ভক্তিমূলক গীত পৰিৱেশন কৰা শিল্পীসকল চাপৰ হৈ গৈ থাকিল। অথচ ৰঘুনাথ পোন্ধৰ ফুট ছয় ইঞ্চি ওখ হৈ গ'ল।

ৰঘুনাথ যিমানে ওখ হ'ল, তেওঁক পৰিৱেষ্টিত কৰি ৰখা সাংগোপাংগৰ দলটো সিমানে শক্তিশালী হ'ল। তেওঁলোকে নিদানপুৰৰ জ্যেষ্ঠ শিল্পীসকলক তাচ্ছিল্য কৰিবলৈ ধৰিলে। ৰঘুনাথৰ সমালোচনা কৰা লেখক আৰু সাংবাদিকসকলক বিভিন্ন ধৰণে আক্ৰমণ কৰিবলৈ ধৰিলে। তেওঁলোকে আন কাৰো গীত ভাল পাব নোৱৰা হ'ল। তেওঁলোকে আন কাৰো কথা শুনিবলৈ নিবিচৰা হ'ল।

বৰ হেঁপাহ কৰি সিদিনা মঞ্চত উঠিছিল ৰঘুৰ পিতৃ। সিদিনা যে তেওঁৰ চেলিব্ৰিটী পুত্ৰই লিখা এমুঠি গীতৰ সংকলনৰ উন্মোচন! মঞ্চত থিয় হৈ পিতৃ অভিভূত হৈ পৰিল। সন্মুখৰ বিশাল অনুৰাগী সমাজলৈ চাই থাকোঁতেই কোনোবাই তেওঁৰ ডিঙিত আঁৰি দিলে এখনি গলবস্ত্ৰ। এজনে মাইক্ৰ'ফোনটো তেওঁলৈ আগবঢ়াই দিলে। তেওঁ জানে— মাথোন তেওঁ জানে কিমান যত্নৰে এই পুত্ৰই এদিন গীটাৰ শিকিছিল। প্ৰত্যেকবিধ বাদ্যত সুৰ-তাল বজাব জানিছিল। বহু অৱহেলা, বহু অভাৱৰ মাজতেই এদিন সেই শিশু সুৰেৰে চহকী হৈ উঠিছিল। মাকৰ কোঁচত কুঁচিমুচি শুই থকা শিশুটি এদিন হৈছিলগৈ পাঁচ ফুট চাৰি ইঞ্চি উচ্চতাৰ গীটাৰবাদক। সেই দিনবোৰৰ কথা মাথোন তেওঁ জানে। মাথোন তেওঁ ক'ব পাৰে এতিয়া এই পোন্ধৰ ফুট ছয় ইঞ্চি হৈ পৰা পুত্ৰৰ হৰ্ষ-বিষাদ, উত্থান-পতনৰ বহু কথা।

অথচ মঞ্চৰ সন্মুখৰ দৰ্শকসকল অধৈৰ্য হৈ উঠিল।

এজনে আটাহ পাৰিলে— এই বুঢ়া, আমি তোৰ কথা শুনিবলৈ ইয়াত খাৰা হৈ থকা নাই।

লগে লগে এটা স্পষ্ট হৰ্ষধ্বনি শুনা গ'ল।

এজন অত্যুৎসাহী যুৱকে কাগজৰ লাৰু এটা মানুহটোৰ গাত পৰাকৈ দলিয়াই দিলে। যুৱকজনে চিঞৰিলে— 'ই কোন বে? কি লেকচাৰ ফাটাব আহিছে?'

ৰঘুনাথৰ পিতৃৰ মুখৰটো আচন্দ্ৰাই কৰিলে। তেওঁ নিথৰ হৈ বহি পৰিল ছোফাখনত।

প্ৰায় একৈছ ফুট উচ্চতাৰ পৰা ৰঘুনাথৰ চকু দুটাই এই সমগ্ৰ দৃশ্য প্ৰত্যক্ষ কৰি থাকিল। তেওঁ শুনি থাকিল মঞ্চৰ সন্মুখৰ পৰা ভাহি অহা সেই ছন্দোবদ্ধ ধ্বনি— উই ৱাণ্ট ৰঘনাথু। উই ৱাণ্ট ৰ-ঘু।

এক ধৰণৰ গ্লানিয়ে ৰঘুনাথক পীড়া দিবলৈ আৰম্ভ কৰিলে। মঞ্চৰ ওপৰতে তেওঁ লাহে লাহে, ইঞ্চি ইঞ্চিকৈ চাপৰ হ'বলৈ ধৰিলে। আনন্দৰ আতিশয্যত থকা দৰ্শকগণে কথাটো অৱশ্যে ধৰিব নোৱাৰিলে। তেওঁলোকে পূৰ্বৰ দৰে একে সুৰতে চিঞৰি থাকিল— উই ৱাণ্ট ৰঘু। উই ৱাণ্ট ৰ-ঘু।

আৰু তেনেতে ৰঘুনাথে হঠাৎ এটা সিদ্ধান্ত লৈ পেলালে।

পুহ মাহৰ হিমচেঁচা বতাহ আওকাণ কৰি, খোলা মঞ্চত বিয়পি পৰা কুঁৱলীৰ আচ্ছাদন উপেক্ষা কৰি ৰঘুনাথে এপদ এপদকৈ তেওঁৰ কাপোৰসাজ খুলিবলৈ ধৰিলে।

প্ৰথমতে তেওঁ ডিঙিৰ মাফলাৰ আৰু চামৰাৰ জেকেটটো খুলি পেলালে।

এচাম কিশোৰ-কিশোৰীয়ে সমস্বৰে কিৰীলি পাৰি উঠিল।

তাৰ পাছত তেওঁ খুলিলে চোলাটো। চোলাৰ পাছত গেঞ্জীটো।

ৰঘুনাথ অনুৰাগী সমাজে চিঞৰিলে— ব্ৰে-ভো, ব্ৰে-ভো, ব্ৰে-ভো।

ৰঘুনাথ অস্থিৰ হৈ উঠিল। তেওঁ পেণ্টৰ বুটাম খুলিবলৈ

উদ্যত হ'ল।

অনুৰাগী সমাজে পুনৰ চিঞৰিলে— ব্ৰে-ভো, ব্ৰে-ভো, ব্ৰে-ভো।

ৰঘুনাথে পেণ্টটো শেষপৰ্যন্ত খুলি পেলালে।

আনন্দত মতলীয়া হৈ থকা মানুহজাকে ধৰিব নোৱাৰিলে যে ৰঘুনাথৰ চকুৰে ওলাই আহিল এসোঁতা কান্দোন। এখন বিশাল মঞ্চত এচাম উদ্‌ভ্ৰান্ত, চেতনাহীন, মাতাল যুৱকৰ সন্মুখত থিয় হৈ থাকিল ৰঘুনাথ— উলংগ ৰঘুনাথ।

আয়োজক সমিতিৰ দুজনমানে ক'ৰবাৰ পৰা এখন চাদৰ আনি ৰঘুনাথৰ শৰীৰটো মেৰিয়াই দিবলৈ চেষ্টা কৰিলে। ৰঘুনাথে চাদৰখন পেলাই দিলে। কোনোবাই শীতৰ পৰা অকণমান সকাহ দিবলৈ ৰঘুৰ পিঠিখন হাতৰ তলুৱাৰে জোৰকৈ ঘঁহি দিলে। ৰঘুনাথে নিঃশব্দে মানুহটোৰ হাত দুখন আঁতৰাই দিলে।

ৰঘুনাথ থিয় হৈ থাকিল, থিয় হৈ থাকিল, নিঃশব্দে মাথোন থিয় হৈ থাকিল।

কোনেও তেওঁক লৰাব নোৱাৰিলে। কোনেও তেওঁক টলাব নোৱাৰিলে। মাইক্ৰ'ফোনৰ শব্দ, মানুহৰ কোলাহল, চকী-মেজ চোঁচৰোৱাৰ আৱাজ, ম'বাইল ফোনৰ ৰিংটোন, হামি-কাহ-হুমুনিয়াহ— সকলো শব্দ যেন হঠাতে নোহোৱা হৈ গ'ল।

বহু সময়ৰ নীৰৱতাৰ পাছত বৃদ্ধ পিতৃ ছোফাখনৰ পৰা উঠিল। উলংগ পুত্ৰৰ কাষলৈ গৈ তেওঁ এজন পৰাজিত মানুহৰ স্বৰেৰে ক'লে— 'কাপোৰ পিন্ধা, ৰঘুনাথ। অ' ৰঘুনাথ, ৰঘুনাথ অ', কাপোৰ পিন্ধা।'

**গল্পটোৰ এটা ওপৰঞ্চি অংশ**

শ্ৰদ্ধেয় পঢ়ুৱৈবৃন্দ, ৰঘুনাথৰ এই গল্পটো মই মোৰ ঘনিষ্ঠ বন্ধুমহলত, অ'ত-ত'ত, দুই-এক সুবিধাজনক ঠাইত ক'বলৈ আৰম্ভ কৰিলোঁ। স্বাভাৱিকতেই দুই-চাৰিজনে তিৰ্যক দৃষ্টিৰে মোলৈ চালে, দুই-চাৰিজনে মিচিকিয়ালে; এজনে নিদানপুৰৰ প্ৰকৃত ভৌগোলিক অৱস্থান সম্পৰ্কে নিশ্চিত হ'বলৈ লেখকক কুতুৰি থাকিবলৈ ধৰিলে। আফ্ৰিকাৰ ৰোৱাণ্ডা দেশৰ বন্ধু এজনে টেলিফোনতে সুধিলে— 'ইজ ইট এবাউট দ্য টে'ল্‌ছ অৱ্ হুটু, তুৎচি এণ্ড তোৱা অৱ্ আৱাৰ কাণ্ট্ৰি?'

বলিভিয়াৰ পৰা নিদানপুৰলৈ অহা গৱেষিকা ছাত্ৰী এগৰাকীক গল্পটো এদিন ক'ব লগাত পৰিল। তেওঁ চিঞৰি উঠিল— 'হাও ষ্ট্ৰেঞ্জ! হাও ষ্ট্ৰেঞ্জ! ইজ ইট ৰিয়েলী এ ষ্ট'ৰী? এইটো এটা গল্পইনে? নে ইতিহাস?'

মই ক'লোঁ— 'এইটো এটা গল্পহাস।'

শব্দটো স্বাভাৱিকতেই তেওঁ নুবুজিলে। সেমেকা হাঁহি এটা মাৰি তেওঁ পুৱেৰ্তো ৰিকো দ্বীপত উদ্ভুত ৰিগে'টন নামৰ এবিধ জনপ্ৰিয় অথচ ভদ্ৰলোকৰ বাবে অস্বস্তিকৰ সংগীতৰ কথা ক'লে। তেওঁ ইয়াকো ক'লে যে এইবিধ গীতে ছানি পেলাইছে কিউবা, পানামা, কলম্বিয়া, ভেনিজুৱেলাকে আদি কৰি দক্ষিণ আমেৰিকাৰ বহু দেশ, গ্ৰাস কৰি পেলাইছে বহু থলুৱা সংগীত। তাৰ পাছত যথেষ্ট সহমৰ্মিতাৰে তেওঁ ক'লে— 'মে' বি, ছাম্ ৰে'গুন্যাট্‌ছ্ আৰ দেয়াৰ টু। হয়তো সেইবোৰ দেশতো কিছুমান ৰঘুনাথ আছে।'

মই এটা আশংকাৰ অভিব্যক্তি প্ৰকাশ কৰিলোঁ।

কফি দুকাপ লৈ এদিন অনুৰাধা বাইদেউ আৰু মই গ্ৰীন ভিউ ৰেস্তোৰাঁৰ সৰু টেবুল এখনৰ দুফালে দুখন চকীত বহিলোঁ। বাহিৰত ধাৰাসাৰ বৰষুণ। ৰেস্তোৰাঁৰ ডাঙৰ আইনাবোৰৰ মাজেৰে বাইদেৱে বৰষুণজাকলৈ চাই বিৰক্তি প্ৰকাশ কৰিলে, কফিৰ কাপত দীঘল শোহা এটা মাৰিলে আৰু তাৰ পাছত ক'লে, 'তেনেহ'লে গল্প এটাকে শুনা যাওক।'

মই ৰঘুনাথৰ গল্পটো ক'বলৈ আৰম্ভ কৰিলোঁ। মন কৰিলোঁ, দুচকু জপাই গানৰ তালে তালে মূৰ লৰোৱাৰ ভংগী কৰি বাইদেৱে গল্প শুনিছে। কিন্তু গল্পৰ এটা পৰ্যায়ত তেওঁ অস্থিৰ আৰু অধৈৰ্য হৈ উঠিল। শেষত হতাশাৰ স্বৰ এটাৰে যেন তেওঁ ক'লে, 'গল্পটো বৰ আচহুৱা।'

মই তেওঁক মনত পেলাই দিবলৈ ক'লোঁ যে সত্য কেতিয়াবা গল্পতকৈও বেছি আচহুৱা। ফেক্ট্‌ছ আৰ ষ্ট্ৰেঞ্জাৰ দেন ফিক্‌শ্যন।

মঞ্চত সিদিনা ৰঘুনাথক কোনো গ্লানিয়ে পীড়া দিয়া নাছিল। মঞ্চৰ ওপৰত তেওঁ লাহে লাহে, ইঞ্চি ইঞ্চিকৈ চাপৰ হোৱা নাছিল। পিতৃক কৰা চৰম অপমানৰ পাছতো সিদিনা ৰঘুৱে মঞ্চত লোৱা নাছিল কোনো বিশেষ সংকল্প। পুহ মাহৰ হিমচেঁচা বতাহ আওকাণ কৰি, খোলা মঞ্চত বিয়পি পৰা কুঁৱলীৰ আচ্ছাদন উপেক্ষা কৰি ৰঘুনাথে সিদিনা কোনো প্ৰতিবাদ কৰা নাছিল। পিতৃৰ বাবে ৰঘুনাথৰ চকুৰে ওলাই অহা নাছিল এসোঁতা কান্দোন।

এই ব্যাপক প্ৰচাৰ, এই এগ্ৰেছিভ মাৰ্কেটিং, এই উন্মাদনাৰ বিৰুদ্ধে মাত মাতি চাপৰ হ'বলৈ ৰঘুনাথৰ কোনো গৰজ পৰা নাছিল। অনুৰাগীৰ চিঞৰৰ মাজত সিদিনা ৰঘুনাথ— সিদিনাও ৰঘুনাথ বিভোৰ হৈ হৈ, তৃপ্ত হৈ হৈ ক্ৰমান্বৰে ওখ হৈ গৈ থাকিল।

ৰঘুনাথ যোল ফুট চাৰি ইঞ্চি হ'ল।

ৰঘুনাথ একৈছ ফুট দুই ইঞ্চি হ'ল।

ওখ হৈ হৈ ৰঘুনাথৰ মূৰটো কোনেও নেদেখা হৈ গ'ল।

গল্পৰ আঁৰৰ এই সত্যটো সিদিনা অনুৰাধা বাইদেউক কোৱা নহ'ল।

মই মাথোন ক'লোঁ, 'বৰষুণ কমিছে।'

বাইদেৱে ইংগিতেৰে ৰেস্তোৰাঁৰ পৰিচাৰক এজনক মাতিলে, কফিৰ বিল পৰিশোধ কৰিলে আৰু মোলৈ চাই ক'লে, 'ব'লা'। ■

অতিথি বিশেষ



मैत्रेयी पुष्पा
वरिष्ठ हिंदी कथाकार

# आक्षेप

जब रुकमपुर के लिए मुझे तबादले का ऑर्डर मिला तो मैं बौखला-सा गया था। उस गांव का नाम सुनते ही बरसों से समेटा मन का साहस और उत्साह डोलने लगा था। धूल-धूसरित रास्ता और चार मील कच्चे की चलाई। कहां अभी जहां रहता था, ठीक सड़क के किनारे था मेरा बैठक, जीप सीधी आकर दरवाजे पर खड़ी हो जाती थी, बस...सौ गज की दूरी पर ही रुकती थी। इस गांव में मैंने बड़ा मन लगाकर काम किया था, शायद इसी का इनाम दे दिया मुझे।

"मिस्टर विशालनाथ, यू आर ट्रांसफर्ड टू दैट लोनली विलेज। यू सी डेवलपमेंट इज मस्ट फॉर ऑल विलेजेज।" अंग्रेजी के इस वाक्य के समक्ष मैं कुछ भी नहीं बोल पाया था। हाथ में वह ट्रांसफर ऑर्डर पसीजता रहा और यस सर कहकर बाहर निकल आया था। जैसे ही अपने बॉस मिस्टर बर्नाड के कमरे में घुसा, मेरा चेहरा देखते ही ऊपर कहा वाक्य उन्होंने मेरी ओर यूं उछाल दिया कि मेरी जुबान कुछ कहने को उठ ही नहीं पाई।

पिता जी की बात बार-बार याद आ रही थी–"विशाल, अरे यार, यहीं कहीं नौकरी खोज लो, कहां-कहां भटकते फिरोगे!"

लेकिन गांवों की सेवा करने और वहां जीवन बिताने का जुनून मेरे सिर पर इस कदर सवार था कि उनकी बातें मुझे बिलकुल थोथी लगी थीं। मैंने उन्हें यूं ही हवा में उड़ा दिया। ग्रामीण मिट्टी के आकर्षण की अपेक्षा मुझे शहरी सुख-सुविधाएं नगण्य लगी थीं, सो चल दिया गांव की ओर।

मेरा युवा मन एक पल को निराश होकर फिर उत्साहित हो उठा था। एक चुनौती समझकर रुकमपुर जाने का इरादा कर लिया था–कुछ नहीं तो साइकिल तो कहीं गई ही नहीं, वह तो कच्ची पगडंडी पर भी चली जाएगी।

वही हुआ। ऑफिस में ही खड़े ग्राम-प्रधान मिल गए थे। मेरे साथी ने मेरा परिचय उनसे करा दिया था। और उन्हीं के साथ साइकिल लेकर मैं उस ओर निकल पड़ा।

जलपान के पश्चात् वे ही मुझे अपने साथ गांव की परिक्रमा-सी करा रहे थे और उसी बीच कई कमरे दिखाते जा रहे थे। वे बैठकनुमा कमरे थे अर्थात् हर घर के मेहमानखाने, जो कुछ ही घरों के बाहर बने थे–

"कौनऊ कमरा चुन लो बाबू जी, जौन अच्छौ लगे उतई रहबे कौ परबंध हो जैहे और खावे-पीवे की कौनऊ चिंता न करियो आप।"

"ये आप लोगों के उठने-बैठने के कमरे हैं, मैं जिस किसी का भी कमरा लूंगा उसे असुविधा तो होगी।"

"कैसी बात करत हौ बाबू जी, आप अपनौ घर-बार छोड़ के हमारे भरोसे तो आए हौ। जे तो हमारो फरज है।"

भोले-भाले ग्रामीणों की ये ही बातें तो मुझे चुंबकीय शक्ति से गांवों की ओर खींचती रही हैं। शहरी सभ्यता के दासत्व में हम क्या अपना ड्राइंगरूम किसी को रहने के लिए दे सकते हैं? यदि दस मिनट भी कोई आगंतुक अधिक बैठ जाए तो हम घड़ी देखकर अपना समय नष्ट होने का आभास उसे कराने में नहीं चूकते। कैसी असुविधा की दुविधा में पड़े हम उसके जाने की प्रतीक्षा करते हैं।

मैंने जिस कमरे को चुना था, वह घर रमिया का था। रमिया के घर की बैठक ही मेरे रहने का स्थान बनी।

"ठीक है बाबू जी, खान-पियन की परेसानी नहीं हुइए। वा रमिया है न, आपको खाना बना देउ करहै।"

"मैं स्वयं खाना बना लूंगा, आप लोगों को परेशान थोड़े ही करने आया हूं!"

"कैसी बात करत हौ बाबू जी, अरे परेसानी काये बात की?" कहकर प्रधान जी मुझे आश्वस्त करने लगे।

मैंने रमिया को अभी तक नहीं देखा था। बहुत थक चुका था। कपड़े के जूतों का रंग धूल के रंग का हो गया था। बीच में साइकिल से उतरकर पैदल भी चलना पड़ा था। खैर, फिर भी पहले सामान खोलकर मैंने करीने से लगा

दिया–बैठक की दो किवाड़दार अलमारियों में। सोचा कि अब नहा लूं। नहाने की इच्छा जाहिर की तो प्रधान जी ने दोनों साधन मेरे सामने रख दिए–

"कुआं ऊ घर के द्वार पे है बाबू जी, जगत पानी खेंच दैहे और घर के भीतर बर्मा हू लगौ है। सहर के मानस तौ भीतर घुस के ही नहात हैं।" कहकर प्रधान जी मुस्कराने लगे।

मैं बाहर नहाने की सोच भी नहीं सकता था। अब तक जहां रहता था, वह सरकारी बिल्डिंग थी। मेरे कमरे से लगा ही गुसलखाना भी था। मैं घर के अंदर ही नल पर चला गया। आंगन में नल था, उसके चारों ओर की जमीन पक्की थी–सीमेंट लगी–बिलकुल चिकनी। जगत ने दो बाल्टी पानी निकाला और बाहर हो लिया। धूल-पसीने से लथपथ मैं शरीर पर पानी डालकर साबुन लगा ही रहा था, आंखें साबुन के फेन के कारण बंद कर रखी थीं–तभी कानों में हंसी की ध्वनि गूंजने लगी, जैसे किसी ने अनगिनत कांच की चूड़ियां पक्की जमीन पर बिखेर दी हों। मैंने साबुन लगे मुंह से ही आंखें खोल दीं–देखा, सामने एक अति रूपवती नारी खड़ी है। झट से आंखें बंद कर लीं मैंने, क्योंकि साबुन चिनमिनाने लगा था।

"जे बाबू जी तो घर में जनी की तरह नहा रये...अऽ...हऽ...हऽ...अऽ..." कहकर वह हंसे जा रही थी। मैं सकुचाकर आधा हो गया। 'कैसे कपड़े बदलूंगा, जाने अभी तक गई कि नहीं?' जल्दी से मैंने मुंह पर पानी डाला, लेकिन यह देखकर सकून मिला कि वह जा चुकी थी। बैठक में घुसा तो वह चाय लिए खड़ी थी, पीतल के पिचके गिलास में ऊपर तक भर के। शायद हाथ जल रहा होगा, इसलिए कपड़े के चीकट काले टुकड़े से पकड़े हुए थी–

"बाबू जी, चाय!" कपड़े समेत ही मुझे जल्दी से गिलास पकड़ा दिया।

इतने में प्रधान जी भी आ गए। शायद वे चबूतरे पर बैठे मेरी प्रतीक्षा कर रहे थे कि मैं कब नहाकर निकलूं।

"जा रमिया है...बाबू जी, कौनऊ परेसानी नहीं हौन दैहें आप कों, ऐन समझदार है।"

मैंने इधर-उधर देखा, वह जा चुकी थी, लेकिन जितना भी मैं उसे देख सका, उसका रूप अवश्य मुझे चकित करके धर गया। इतनी रूपवती नारी–इस गांव में!

"काय बाबू जी, सादी भई कि नईं?" प्रधान जी पूछ रहे थे।

"नहीं, अभी अकेला ही हूं। घर में मां-बाप हैं।" मैंने उनके अगले संभावित प्रश्न का उत्तर भी दे दिया।

"बाबू जी, एक बात बताए देत हैं हम आपकों, जरा रमिया से नेंक सावधान रहियो।"

"ऐसा क्यों?" मैंने सोचा, खतरनाक औरत होगी।

"बाबू जी, घबड़ावे की कौनऊ बात नइयां। वैसें तो सब तरह से भली है, पर निछुद्दर है ससुरी। अब सरम खोल के का कहें आपसे–इतै-उतै मुंह मारत फिरत है।"

मैं उनका इशारा समझकर सकते में आ गया–'कैसा गलत घर चुन लिया मैंने? कैसे रहूंगा?'

शाम घिर आई थी, मैं सोकर उठा तो कुछ ताजगी-सी महसूस कर रहा था। गांव में सबसे परिचय करने चल दिया। इस गांव का ग्राम-सेवक था मैं–खाद, बीज के विषय में बातें की लोगों से। साक्षरता-अभियान कैसे आरंभ किया जाए, सलाह-मशवरा किया नवयुवकों से। बैंक से ऋण मिलने में क्या परेशानियां होती हैं, उन्हें हल करने का आश्वासन देकर अपने कमरे पर लौट आया। पौर में घुसते ही आंगन में बने चूल्हे के पास बैठी वह साफ दिखाई दे रही थी। लालटेन की मद्धिम रोशनी में उसके मुख की रंगत नारंगी हो उठी थी। वह मुंह नीचे झुकाए कटोरदान में रोटियां गिनने में तल्लीन थी। तब करीब सत्ताईस-अट्ठाईस साल की रही होगी वह, मेरे अंदाज से।

मेरी आहट पाते ही खाना परोसकर कमरे में ले आई। मैं जूते खोल रहा था। झुके-झुके ही कह दिया, "मेज पर रख दो।"

वह खाना रखकर तुरंत अंदर चली गई। मैं नल पर हाथ धोने गया तो वह नल चलाने आ गई। उसका निश्छल, निष्कलंक मुख कैसी अपूर्व गरिमा से दीप्त था! फिर क्यों ग्राम-प्रधान ने उसके लिए ऐसा कहा था? क्यों परिचय के

समय, यह सुनकर कि मैं रमिया के घर जा रहा हूं, कुछ लड़के आपस में अभद्र इशारे करके हंस पड़े थे? बड़ी उलझन में पड़ा खाना खाता रहा। सोचा कि जगह बदलने को कहता हूं तो यह निर्दोष क्या सोचेगी, जो इतनी तन्मयता से मेरी सेवा में लगी है? थोड़ी देर में एक आठ-दस बरस की बच्ची दुबारा रोटी की पूछने आ गई–पता चला कि रमिया की बहन थी, साथ ही रहती थी, नाम था–द्रौपदी। रमिया के यहां बच्चा तो कोई दिखा नहीं। उसके यहां कभी बच्चे का जन्म हुआ कि नहीं, यह भी मैंने नहीं पूछा।

एक दिन जब मैं शहर से लौटा तो रमिया घर में नहीं थी। द्रौपदी ने ही मुझे खाना परोसा। अपनी बहन की तरह ही बड़े जतन से एक-एक चीज के लिए पूछती जाती और लाती जाती। मैंने उसी से पूछा, "तुम्हारी दीदी कहां है?"

"आपको नहीं मिली बाबू जी! सहर ही तो गई है यसोधन मास्टर के संगै।"

मेरा संशय अंकुआया-सा हो उठा–कहीं तो आग होगी ही, नहीं तो धुआं कैसे उठेगा? खैर, मैंने सोच लिया–मुझे क्या पड़ी जो उसके बारे में सोचूं? ज्यादा से ज्यादा डेरा बदल लूंगा। जब वह लौटकर आई तो मैंने कुछ नहीं पूछा। वही बताती रही–

"आज हम मास्टर के संगै चले गए थे सहर, का करते बिमार हते सो हमें संगै ले गए। हमाई जानकारी है न डाकदर से।"

मैंने सोच लिया, बहाना गढ़ लिया है तो गढ़े, मैंने कौन सी सफाई मांगी थी इससे। मैं इस गांव के लिए जी-तोड़ मेहनत कर रहा था–सारे-सारे दिन किसानों के साथ खेतों का निरीक्षण करता घूमता–कहीं फसल में कीड़ा तो नहीं लगा? खाद समय पर डाली है कि नहीं? एक-एक किसान से पूछता। ऋण दिलवाने के लिए भाग-दौड़ करता। उसकी परेशानियां सरकार तक पहुंचाने का भरसक प्रयत्न करता तथा नए तरीके से खेती करने के आयाम उनके सामने खोलकर रखता और उस पगडंडी पर अंगुली पकड़कर उन्हें चलाने की कोशिश करता। फिर भी अकसर उन्हीं में से कोई न कोई मुझे अपने ऊपर निंदित, उच्छृंखल दृष्टि फेंकते दिख जाता तो अंदर से मेरा मन कैसा कसैला हो जाता था। फिर सोचता, क्यों रहता हूं मैं इस बदनाम औरत के घर? छोड़ क्यों नहीं देता यह जगह? पर रमिया की आकृति देखते ही वह सब भूल जाता कि पीछे कैसी विकट स्थिति झेली है मैंने। दूध धुला-सा निश्छल भाव समेटे उसकाचेहरा मेरी राह रोककर खड़ा हो जाता, कैसे जाऊं...कहीं और?

कुछ भी सुनकर यहीं रुकने का दृढ़ निश्चय कर चुका था, लेकिन उस रात की घटना ने मुझे फिर झकझोर दिया था। वह रात भर नहीं आई। मैं अपने कमरे का, उसके घर में खुलने वाला द्वार अकसर बंद रखता था, लेकिन फिर भी किसी तरह की आहट होती तो मुझ तक आ ही जाती थी। रात भर मुझे नींद नहीं आ सकी। रमिया सुबह लौटी, तब मुझे झपकी लग चुकी थी लेकिन–'बाबू जी, चाय।' उसके शब्दों से ही मेरी आंख खुल गई–देखा कि खिड़की से धूप मेरे कमरे में प्रवेश कर गई है। मैं उससे बेहद नाराज था, फिर भी अनचाहे दृष्टि उसकी ओर उठ ही गई। गहरी खरोंचों के अनगिनत निशान थे उसके मुख पर, बांहों पर, पांवों पर, जिधर नजर जाती उधर ही–देखकर मैं घबरा उठा।

"यह क्या हुआ? चोट कैसे लगी है? इतनी कि..."

"का बताएं बाबू जी, जा गांव के बदमास लरकन की करतूत है जा।" वह बहुत ही उदास थी।

"क्या कह रही हो? रात भर नहीं लौटीं तुम। तुम्हारी बहन भी द्वार का ताला लगाकर न जाने कहां चली गई। मैं अकेला तुम्हारा घर रखाता रहा।" मैं बहुत क्रोधित था।

"अरे, जा घर में का धरौ बाबू जी, जो रखवारी करने परै।"

"सच-सच बताओ, रात में कहां थीं? अब मैं एक पल भी तुम्हारे यहां नहीं ठहरना चाहता। जाने किस बुरी घड़ी में यहां आ गया था।"

"ना...ऐसौ न करियो बाबू जी! आपसे बड़ौ सहारो है हमें, आपको देखकें हिम्मत बांधें हैं हम।"

"बोलो, कहां थीं?" मैं चाबुक-सा प्रश्न बरसाता रहा, वह कुछ नहीं बोली, चुप ही रही। मेरा गुस्सा और बढ़ गया–

"फिर गांव वाले ठीक ही कहते हैं। रमिया, तुम्हारे लक्षण ही ऐसे हैं फिर बदनामी क्यों नहीं होगी।"

"आप तौ न बोलौ बाबू जी ऐसें, अबै बतायें देत–नंबरदार के घर हते हम।"

मैं समझ गया, यह इस तरह की गड़बड़ रोज करती होगी।

"किसने बुलाया था तुम्हें वहां? क्या कर रही थीं उनके घर?"

"काऊ ने नईं, हम तौ खुद ई गए ते। कित्ते बिमार हैं वे। बेचारे अकेले हैं, कोऊ पानी दैवे बारौ नईंया। भट्टिन बुखार में तप रये ते। का करते बाबू जी हम? रात भर पानी की पट्टी माथे पै धरत रहे, गोड़े दाबत रहे। काढ़ौ बनाकें पिवाउत रहे। पर का करें जा गांव की गुंडागर्दी को...छत्त पै चढ़ के पत्थर बरसाए हैं, सीटी मारी हैं बाबू जी! बा तौ नंबरदार पै बरसत पत्थर हमहि झेलत रये नहिं तौ बड़ी चोट आऊती उन्हें। का-का गलीच नहिं बकौ बाबू जी हमाये लाने...।" कहकर वह हिचकी बांधकर रोने लगी।

मैं पसीज उठा था, फिर भी उसकी मूर्खता पर खीज थी मुझे–"तुम्हें क्या पड़ी थी जो तुम दौड़ी गई उनके यहां?"

"का करते हम? वे अकेले हैं, मर जान देते उनें? अरे, अपने जमाने में बड़े अच्छे-अच्छे काम करे हैं उनन्ने। हमाये ससुर बताउत हते कै नंबरदार गरीबन कों करेजा से लगा कें रक्खत हते। भीड़ लगी रहत हती उनके द्वारें। आज निबल हो गए तो कोऊ पास नहिं फटकत उनके।"

"घर में और कोई नहीं है क्या?"

"हैं काये नहिं, सब कोऊ हैं, चारि-चारि लरका हैं, पर का करें, सबके सब अपनी-अपनी दुलहिन लैके नौकरी पै निकरि गए। इनहूं कों बहौत बुलाउत हैं, पर जे देहरी की मोह-ममता तौ नहिं छोड़ि पाऊत। हमसे जितनी चाकरी बन जात है, कर देत हैं। कोऊ कछु कहै हमें नहिं फरक परत बाबू जी!" वह एक पल में ही जी हलका करके सब कुछ भूल गई थी।

इस घटना के विषय में तो पूरी तरह समझा दिया मुझे। मैं भी उसकी हर बात से सहमत हो गया। नंबरदार के यहां वह चाहे जब रुक जाती। वे वृद्ध तो थे, लेकिन कद-काठी लंबी, सीधी चाल को देखकर ऐसे वृद्ध नहीं दिखते कि कोई गलत दिशा में सोच ही न पाए।

एक दिन फिर गांव में कानाफूसी होने लगी। सुना कि आज शेरखां के साथ चली गई–हाट-बजार करने। गांव का नामी गुंडा, छंटा बदमाश माना जाता था वह। लेकिन रमिया न जाने क्या सोचकर उसके साथ हो ली? मैं गली से जा रहा था कि तीर-सा वाक्य मेरी ओर किसी मसखरे ने उछाल दिया–

"काय बाबू जी, संभार नहिं पाये सो फिर रही है घाट-घाट।" इस दोहरे प्रहार को सुनकर मैं तिलमिला उठा। वहीं से आगे जाने की बजाय घर की ओर उलटा लौट लिया और अपना सामान बांध लिया। इससे अधिक सहने की शक्ति मुझमें नहीं थी। सोचा, आज आ जाए रमिया, फौरन प्रधान जी के कमरे में चला जाऊंगा। सारे झंझट खत्म हो जाएंगे।

वह रात गए लौटी। मैं तो उसकी प्रतीक्षा करके थक रहा था। घर में घुसी ही थी कि मैंने पुकार लिया–"रमिया, पहले इधर आओ। मैं जा रहा हूं।"

"कितै बाबू जी?"

"कहीं भी, जहां चाहूंगा व...ऽ...वहां। तुम तो इस गांव में बदनाम हो ही, मुझे भी अपने साथ घसीट रही हो। रोज कहीं न कहीं गायब हो जाती हो। मैं देख नहीं रहा क्या? तुम अच्छी औरत नहीं हो रमिया! पर मुझे क्या लेना-देना तुमसे।"

"बाबू जी, अपनी ही कहत जैहौ, कछु हमाई न सुनिहौ।"

"हां-हां, क्यों नहीं सुनूंगा, गढ़ दो कोई कहानी।" मैंने वितृष्णा से कहा।

"बाबू जी, कौनऊ कहानी नइयां, सब सच्ची बात है, बिलकुल सच्ची। हम का मानत नइयां कै सरेखां गुंडा-बदमास है, पर देखौ तौ बाबू जी, बाकी जोरू अबै एक महिना पहलें गुजर गई–दो छोटे बच्चा छोड़िकें। एक तौ दूध पियत बच्ची

है। बाबू जी, वा अकेलौ अपने बच्चा नहिं पाल पा रहो, मजूरी करै कै बच्चन लै कें बैठौ रहै, सो बाबू जी, सेरा दुखी हुइकैं मोंडी कों सहर के कंजरन देन जारओ हतो। बहुत रोरओ हतो बाबू जी! हम तौ बई ऐ रोकत-रोकत रस्ता भर समझाउत चले गये–कै हम पाल देहैं तेरे बच्चा सेरा, आज से इनकी मां हम हैं रे...हम हैं, मान तौ सही। बड़ी मुस्किल से लौटा ले आये बाय।"

मैंने देखा, द्रौपदी की गोद में छोटी बच्ची थी और रमिया की उंगली पकड़े करीब तीन साल का बालक टुकुर-टुकुर कभी मुझे देख रहा था, कभी रमिया को। उसके बाद रमिया का आना-जाना शेरा के घर भी हो गया रात-बिरात। मैं नहीं कह सकता कि शेरा अपने बच्चों की धाय बनी इस स्त्री से कैसे पेश आता होगा? लेकिन शेरा के जीवन के वे कठिन क्षण जरूर बांट लिए थे रमिया ने।

एक दिन यों ही पूछ लिया मैंने–"रमिया, तुम अपने पति के साथ चली क्यों नहीं जातीं? यहां सौ बवंडर खड़े करती रहती हो।"

"कैसी बातें करत हौ बाबू जी, ससुर की देहरी छोड़कें चले जाएं? वे हमाये धरमपिता कित्ते प्यार से ब्याह कें ले आए ते हमें। उनईं कौ घर बीरान कर जाएं?"

"फिर तबादला भी तो हो सकता है रामेश्वर का। प्राइमरी स्कूल तो यहां भी है।" मैंने दूसरी युक्ति सुझाई।

"कैसें करा लें तबादलौ, आप ही बताऔ। वौ है सीधौ-साधौ मिट्टी कौ माधौ। न जानें कैसें मास्टरी करत है? हमने ही प्रधान जी से बात करी थी, सो कहत हते–पांच हजार लगि हैं। बाबू जी, इत्तौ ही होतौ तौ चंपाराम और कुंदनियां भूखे न मर रये होते।"

एक और पहेली बिखेरकर बैठ गई रमिया।

"ये चंपाराम-कुंदनियां कौन हैं?" मैं पूछ रहा था।

"चंपाराम पंडित हैं बाबू जी! उनकौ ब्याह ई नहि भओ सो बाल-बच्चे नइयां। कुंदनियां बुआ उनही की बाल-विधवा बहन हैं। विधवा भई तौ भाई की रोटी बनाउन इहां चली आईं, फिर आज तक सासरे ई नहीं गईं। इनके भतीजन ने सब जमीन अपने नांव करा लई बाबू जी! जब तक जमीन नांव नई करी हती सो अपने संग रखत हते। जायदात लैबे पीछें को पूछत बुढ़ापे में? अब कोउ रोटी नहिं दै सकत उन्हें। जो कछु हमसे बन परत है, कर देत हैं बाबू जी! आपसे पहले बेई तो सोऊत हते हमाये बैठका में–हम अकेले हते न बाबू जी...।"

सुनकर मैंने सोचा, यह औरत दुनियादारी से कतई अनभिज्ञ है। सबका ठेका क्या इसी ने ले रखा है? आज के जमाने में हम इसे क्या कहेंगे–'मूर्ख'–औरक्या?

"गांव वाले तुम्हारे विषय में जो कहते हैं, उसका पता तो है न तुम्हें?" मैंने गहरी निगाह उसके चेहरे पर गड़ा दी।

"पतौ काहे नइयां। चरित्तर खराब समझत हैं, जई न?" वह निरीह भाव से बोल गई।

किन्हीं दिनों लछमीनरायन रमिया के सौंदर्य के दास हुए उसकी गली के अनगिनत चक्कर लगाया करते थे, लेकिन यह अनुपम सुंदरी उन्हें फटकार बैठी। खिसियाकर लछमीनरायन सबसे कहते फिरे थे–"मरद तौ घर पै रहत नइयां, सो हमें बुलाउतीं, हमाऔ का कसूर? दुनियां के आगें आंखें दिखाऊत हैं।"

लेकिन जब उनके छप्पर में आग लगी तो यह मूर्ख औरत सबसे पहले बाल्टी भर-भर आग बुझाने में लगी थी। आग की लपटों में अंदर घिरे लछमीनरायन को बाहर निकालने की हिम्मत कोई नहीं कर पा रहा था। जान सबको प्यारी थी। रमिया ही आग में झुलसती उन तक पहुंच गई और बाहर खींच लाई। सभी ने यही कहा था–'पुराना याराना था, बचाती कैसे नहीं!'

यह वाक्य अंदर तक मेरा मन छीलता चला गया था। लगा, मैं यहां क्यों आया? ग्रामीण भोले भाव, जिन्हें मैं कलेजे से लगाए था, आहत हो-होकर गिरते जा रहे थे। सहर और गांव में अब अंतर रह ही कहां गया है! एक-सी मानसिकता व्याप्त है हर जगह। शहर में मोह-ममता खोजे नहीं मिलते और गांव के इस मोह को क्या नाम दें, जो सीधे सोच ही नहीं

सकता। बड़ी वितृष्णा भर गई मेरे मन में। जहर की कड़वाहट कैसी होती है, मैंने अपने हलक के थूक से महसूस कर ली थी। हारकर उसी को फटकारने लगा–"खबरदार, जो अब कहीं गईं। सुनती ही नहीं तुम। अब एक पल भी नहीं ठहरूंगा तुम्हारे घर।"

"नहीं बाबू जी, आप न जइयो। धन भाग हमारे जो आप आए। हमारी रातें सुरच्छित हो गईं बाबू जी–अब द्वार की सांकल रात गए कोऊ नहिं बजाउत, खुसर-पुसर कोऊ अबाज नहिं देत। बाबू जी, आपके पांव पड़त हैं...।" कहकरमेरे पांव पकड़ लिए। अंदर की करुणा आंखों से बहने लगी। मेरी आंखें नम हो आईं।

"अब कितहूं नहिं जैहै बाबू जी, हम बिलकुल कितहूं नहिं।" उसने प्रतिज्ञा ली।

लेकिन देखता कि नंबरदार के घर, शेरा के घर, चंपाराम के पास, लछमीनरायन के जले जख्मों की खबर लेने वह किसी पल चली जाती और तुरंत लौट आती। मैं मन मसोसकर रह जाता–'यह नहीं मानेगी।'

एक दिन नंबरदार के घर देर लग गई। घर में घुसते ही मैंने प्रश्न किया–"कहां गई थीं? मानती नहीं हो तुम और मेरा पीछा भी नहीं छोड़तीं।"

"बाबू, जानें चाहो तो बेसक चले जाओ। हम तौ आपकों बदनामी ही दै सकत। पर बाबू जी, जामें हमाओ दोस नइयां, सब हमारी मां कौ दोस है। बई ने हमाये मन में परमारथ कूट-कूट कें भर दऔ और बइ अपसरा-सी सुगढ़ मां कौ रूप दै दऔ हमें राम जी नें। का करें जे दो खोट जुर गए बाबू जी, नहिं तौ का ऐसौ होतौ? अब नहिं जैहें काऊ के घरै, चायें कोई जरै चायें मरै।"

मैं देखता रहता, अब वह कहीं नहीं जाती थी। अनमनी-सी अपने घर की झाड़ू-बुहारी में लगी रहती, खाना बनाती रहती और शेरा के बच्चों को अपने ही यहां पालती रहती। अफवाहें बंद-सी हो गई थीं। मैं भी शांत मन अपना काम करता था।

घर से मां की बीमारी का पत्र आया। मुझे तुरंत ही जाना पड़ा। पिता जी काम से बाहर गए थे, इसलिए मैं जल्दी लौट भी नहीं सका। मां की हालत दिन पर दिन खराब होती जा रही थी। मैं इलाज के लिए भाग-दौड़ कर रहा था और पिता जी के आने का एक-एक क्षण इंतजार कर रहा था। लेकिन जो नहीं होना चाहिए था, वही हो गया। मां चल बसीं, पिता जी नहीं आ पाए। मैं खूब रोया था। चाहे रहता कहीं था, मां की परछाईं का आभास मुझे सदैव अपने साथ बना रहता। इस सदमे को बर्दाश्त करते हुए मुझे रमिया कई बार बहुत याद आई थी। वह कैसे सारी विषम परिस्थितियों की मार सह लेती है!

पिता जी ने यह नौकरी छोड़ देने को कहा था। बहुत रोका था मुझे, लेकिन मैं फिर उसी गांव के रास्ते पर चल दिया। रमिया के विषय में सोच रहा था कि वही मेरी टूटी हिम्मत बंधाएगी। घर मिलेगी तो कैसे आंसुओं का बांध रोक पाऊंगा। गांव का सीवान पास आता जा रहा था। रेतीले रास्ते पर साइकिल की चेन उतर गई। उसी को चढ़ा रहा था कि मेरी निगाह कहीं दूर जाकर टिक गई...देखा, कोई औरत चली आ रही है। साइकिल की चेन चढ़ा चुका तो आगे बढ़ा। मेरे और उसके बीच का फासला सिमटने लगा। स्त्री के कंधे पर एक बच्चा बैठा था। निगाह पैनी करके देखा तो लगा जैसे रमिया हो...पास आती गई...हां, वही तो थी।

रमिया के कंधे पर उन्हीं ठाकुर साहब का बेटा बैठा था जो उसकी बदनामी की कहानियां गढ़ने में महारत हासिल कर चुके थे। वह तेज चाल से चलते हुए मेरे करीब आ गई।

"अरे बाबू जीईऽऽ...! सब ठीक तौ है...बौहत दिन लगा देय!" उसकी चहकती आवाज शिकायत में बदल गई।

"रमिया...बस...ऐसा ही कुछ हो गया था।" कहकर मेरा गला भर आया।

"अरे, ऐसौ का भऔ...बाबू जीऽऽ...?"

कुछ रुककर बोली–"बाबू जी, जे मुन्ना बिमार है–जाके इंतान के परचा हैं। और जाके पिता बाहर गांव गए हैं। बेचारी मां हती अकेली...बौऊ बुखार में परी घबड़ाय रही। सो बाबू जी, हम जाय कंधा पै लएं चले आए। परचा छूट जातौ तौ साल बरबाद हुई जातौ...हम अबै आए लौटि कें...।" कहकर वह तेज कदमों से चली गई। ■

# গোৱালপাৰা মহাবিদ্যালয় আৰু ড° মহেন্দ্ৰ বৰা স্মাৰক বক্তৃতা ঃ বৌদ্ধিক অন্বেষণৰ এক স্বৰ্ণিল যাত্ৰা

**ড° সুভাষ বৰ্মন**
অধ্যক্ষ, গোৱালপাৰা মহাবিদ্যালয়

অসমৰ উচ্চশিক্ষাৰ মানচিত্ৰত গোৱালপাৰা কলেজে এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। পশ্চিম অসমৰ আওহতীয়া ঠাই সমূহৰ উপৰিও চুবুৰীয়া মেঘালয়ৰ গাৰো পাহাৰ আৰু পশ্চিম বংগৰো ভালেমান ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰা মহাবিদ্যালয়খনৰ সম্প্ৰতিক তিনিটা শাখা কলা, বিজ্ঞান আৰু বাণিজ্যত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা চাৰিহেজাৰতকৈ অধিক। এই মহাবিদ্যালয়খনৰ সৈতে পশ্চিম অসমৰ শৈক্ষিক সামাজিক ৰাজনৈতিক তথা অৰ্থনৈতিক পৰিবৰ্তনৰ ইতিহাস সংপৃক্ত হৈ আছে। ড° মহেন্দ্ৰ বৰা, ওৱাজউদ্দিন আহমেমদ, ড° বীৰেন্দ্ৰ নাথ দত্ত, ড° প্ৰবীণ শৰ্মা আদি মনিষীয়ে অধ্যক্ষৰ আসন অলংকৃত কৰাৰ উপৰিও স্বাধীনতাৰ পিছত গোৱালপাৰাত প্ৰথম বিধায়ক প্ৰয়াত খগেন্দ্ৰনাথ নাথৰ দৰে স্বাধীনতা সংগ্ৰামীৰ ত্যাগৰ ফচল গোৱালপাৰা কলেজ। এই কলেজখনৰ সৈতে স্মৃতি বিজড়িত হৈ আছে নিৰুপমা বৰগোহাঞি, মাখন শালৈ, অধ্যাপক দেৱান জয়নাল আবেদিন, প্ৰখ্যাত অভিনেতা আদিল হুছেইন, শুক্ৰাচাৰ্য ৰাভা আদি ক্ষণজন্মা লোক।

বিভিন্ন গুণী-জ্ঞানী ব্যক্তিৰ স্মৃতি বিজড়িত গোৱালপাৰা মহাবিদ্যায়লয়ে আঠষ্ঠি বছৰীয়া এক দীৰ্ঘ পৰিক্ৰমা অতিক্ৰম কৰাৰ মুহূৰ্তত অনুষ্ঠানটোৰ সৈতে জড়িত কেইজনমান মনিষীৰ কামকাজৰ স্মৰণ কৰাটো প্ৰয়োজন। তেখেত সকলৰ জীৱন দৰ্শন, পাণ্ডিত্য, অধ্যাৱসায় আৰু প্ৰজ্ঞানিষ্ঠাই মহাবিদ্যালয়খনে উত্তৰ পূৰ ভাৰতৰ শৈক্ষিক ক্ষেত্ৰখনত আজিৰ স্থান লাভ কৰাত প্ৰভূত অৰিহণা যোগাইছে। গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, অসম সাহিত্য সভাৰ সভাপতিৰ আসন অলংকৃত কৰা সু-সাহিত্যিক ড° মহেন্দ্ৰ বৰা তেখেতসকলৰ ভিতৰত অন্যতম। সাহিত্য, সংস্কৃতি তথা বিদ্যায়তনিক ক্ষেত্ৰত ড° বৰাই আগবঢ়োৱা বৰঙণি বিশেষভাৱে গোৱালপাৰা মহাবিদ্যালয়ৰ শ্ৰীবৃদ্ধিৰ বাবে কৰা অশেষ ত্যাগৰ স্মৰণত শিক্ষক সংস্থাই 'ড° মহেন্দ্ৰ বৰা স্মাৰক বক্তৃতা'ৰ এক বাৰ্ষিক অনুষ্ঠানৰ আয়োজন কৰি আহিছে। কেইবাজনো বিদগ্ধ পণ্ডিতে প্ৰদান কৰা এই বক্তৃতানুষ্ঠানে ৰাজ্যখনৰ সমাজ বিজ্ঞান চৰ্চাৰ সৈতে জড়িত সকলৰ চিন্তা চেতনাক চুই যাবলৈ সক্ষম হৈছে। আমাৰ এই আলোচনাৰ জৰিয়তে প্ৰয়াত ড° বৰাৰ কৰ্মৰাজি আৰু বিগত বছৰবোৰত হৈ যোৱা স্মাৰক বক্তৃতাৰ এক চমু আভাস দাঙি ধৰিবলৈ চেষ্টা কৰা হ'ব।

বিংশ শতিকাৰ অসমীয়া সাহিত্যলৈ বৰঙণি আগবঢ়োৱা শ্ৰেষ্ঠ অসমীয়াসকলৰ অন্যতম ড° মহেন্দ্ৰ বৰাই অসমৰ জাতীয় জীৱনলৈ বহুখিনি গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই গৈছে। বিশিষ্ট সাহিত্যিক, গৱেষক ড° বৰাৰ কৰ্মৰাজিৰ পৰিসৰ অতি বিশাল। তেওঁ ভাষা আন্দোলনৰ সময়ত একমাত্ৰ নীতিগত কাৰণত কটন কলেজৰ লাভজনক, নিৰাপদ চাকৰিৰ লোভ সামৰি সেই সময়ৰ অসমৰ বৃহত্তৰ জীৱনৰ শিক্ষা-দীক্ষাৰ ফালৰ পৰা পিচপৰা গোৱালপাৰালৈ গুচি গৈছিল। ১৯২৯ চনৰ ২২ আগষ্টত টিংখঙত জন্ম গ্ৰহণ কৰা ড° মহেন্দ্ৰ বৰাই স্নাতক পূৰ্ব পৰ্যায় কটন কলেজৰ পৰা ১৯৪৯ চনত সমাপ্ত কৰি কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ১৯৫১ চনত ইংৰাজী বিভাগত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল। ড° মহেশ্বৰ নেওগৰ তত্বাৱধানত ডক্টৰেট ডিগ্ৰী লাভ কৰা বৰাই ছাত্ৰাৱস্থাতেই সাহিত্য চৰ্চা আৰম্ভ কৰিছিল। 'গালিভাৰ ট্ৰেভেলছ'ৰ প্ৰথম দুটা কাহিনীৰ অসমীয়া অনুবাদেৰে সাহিত্যিক জীৱনৰ পাতনি মেলা ড° মহেন্দ্ৰ বৰাই পৰৱৰ্তী কালত অসমীয়া ভাষা-সাহিত্যৰ জগতখনত উদিত সূৰ্যৰ দীপ্তিৰে বলিষ্ঠৰূপত আত্মপ্ৰকাশ কৰি চাৰিটা দশক ধৰি নিজৰ সাহিত্য সাধনা অটুট ৰাখিছিল। ১৯৫৬ চনত তেওঁৰ 'নতুন কবিতা' নামৰ সমালোচনামূলক গ্ৰন্থখনে অসমীয়া কাব্য সাহিত্যত এক নতুন দিশৰ উন্মোচন কৰে। কবি হিচাপে 'জাতিস্মৰ' আৰু 'ৰূপ টিলিঙাৰ মাত' নামৰ কবিতাপুথি দুখনে তেওঁৰ কাব্য প্ৰতিভাৰ স্বাক্ষৰ বহন কৰে। ড° বৰাৰ সমালোচনামূলক গ্ৰন্থ 'অসমীয়া কবিতাৰ ছন্দ' সংশ্লিষ্ট বিষয়টোৰ ওপৰত প্ৰথম আলোচনা গ্ৰন্থ। 'ৰমন্যাসবাদ' ইংৰাজী কবিতা ইতিহাসৰ ৰমন্যাসিক কবিসকলৰ সমালোচনামূলক পৰিচয় গ্ৰন্থৰ লগতে 'সাহিত্য উপক্ৰমণিকা' নামৰ সাহিত্যৰ বিভিন্ন ৰূপ সম্পৰ্কীয় আনুপুংখিক আলোচনা গ্ৰন্থৰ প্ৰণেতা ড° বৰাই 'আনন্দ চন্দ্ৰ আগৰৱালাৰ ৰচনাৱলী', 'দুৰ্গেশ্বৰ শৰ্মাৰ ৰচনাৱলী' সুদীৰ্ঘ ভূমিকাসহ সম্পাদনা কৰি উলিয়াইছিল। '1857 in Assam' শীৰ্ষক ১৮৫৭ চনৰ বিদ্ৰোহত অসমৰ ভূমিকাৰ বিৱৰণ সম্বলিত গুৰুত্বপূৰ্ণ ঐতিহাসিক গ্ৰন্থ এখনো

তেওঁ প্ৰকাশ কৰিছিল। ড° বৰাই অসমৰ ইতিহাস চৰ্চাৰ দিশত আগবঢ়োৱা বৰঙণিৰ ভিতৰত তেওঁ 'উইশালিসা' (Weiissalisa) নামৰ অসম আক্ৰমণৰ বিৱৰণ সম্বলিত ঐতিহাসিক গ্ৰন্থখন, প্ৰয়াত বিমলা বৰুৱাৰ সহযোগত সম্পাদনা আৰু দুখন তাই বুৰঞ্জীৰ অনুবাদ বিশেষভাৱে উল্লেখযোগ্য। "The Evaluation of Assamese Script" বিষয়ক মৌলিক গৱেষণা গ্ৰন্থখনো ড° বৰাৰ কঠোৰ সাধনাৰ ফচল। কটন কলেজৰ অধ্যাপকৰ পদ ত্যাগ কৰি ড° বৰাই গোৱালপাৰা কলেজৰ অধ্যক্ষৰ দায়িত্বভাৰ গ্ৰহণ কৰি সুদীৰ্ঘকাল গোৱালপাৰাত অতিবাহিত কৰিছিল। ড° বৰাই কটন কলেজৰ চাকৰি ইস্তাফা দিয়াৰ প্ৰেক্ষাপটটো অসমৰ ৰাজনৈতিক ইতিহাসৰ এক গুৰুত্বপূৰ্ণ ঘটনা। ১৯৬০ চনত অসমৰ জাতীয় জীৱনৰ ওপৰত অসমীয়া ভাষাক লৈ যি সংকটৰ সৃষ্টি হৈছিল আৰু কটন কলেজৰ ছাত্ৰ ৰঞ্জিত বৰপূজাৰীৰ স্বহীদ হোৱাৰ পিছত ড° বৰাই আপোচ নকৰি বিৰল আদৰ্শ দাঙি ধৰি কটন কলেজৰ চাকৰি ত্যাগ কৰিছিল। ড° বৰাই লিখিছে-" ইয়াৰ পিচত, বৰদিনৰ বন্ধত বন্ধত নিমন্ত্ৰণ এটা পালোঁ- গোৱালপাৰা কলেজৰ পৰা। মিহিৰ দাস নামৰ সেই কলেজৰ নৈশ শাখাৰ ছাত্ৰ এজন আহি ওলালহি। তেওঁ কলে "আমাৰ কলেজৰ অধ্যক্ষগৰাকী কাহানিবাই চুটি লৈ গ'ল। আহো-আহো বুলিও উভতি অহাৰ নাম নাই। গতিকে কলেজে তেওঁক অহাৰ পৰা অব্যাহতি দিছে। আমাৰ সকলো ছাত্ৰ-ছাত্ৰী আৰু পৰিচালনা সমিতিয়ে আপোনাকেই অধ্যক্ষ হিচাপে বিচাৰিছে। আপুনি মাথোন যাব লাগে। কলেজখনৰ ঘৰ দুৱাৰ একো নাই। আপুনি আপোনাৰ মনৰ ইচ্ছাৰে গঢ়ি ল'ব পাৰিব। চহৰৰ মাজত মাটি আছে ৫৭ বিঘা।" ড° বৰাৰ বৌদ্ধিক যাত্ৰা গোৱালপাৰাতো সম্পূৰ্ণৰূপে অব্যাহত আছিল। পশ্চিম অসমৰ উচ্চ শিক্ষাৰ ধিমিক-ধামাককৈ জ্বলি থকা বন্তি গছিত নতুনকৈ তেল-শলিতা দিবলৈ তেওঁৰ ৰূপত গোৱালপাৰাবাসীয়ে এজন দূৰদৰ্শী, ধীমান, অধ্যয়নপুষ্ট গুৰিয়াল লাভ কৰিছিল। বিদগ্ধ পণ্ডিত ড° বৰাই চালুকীয়া গোৱালপাৰা কলেজক নতুনকৈ গঢ় দিবলৈ গাঁৱে-ভূঞে গৈ দান-বৰঙণি সংগ্ৰহৰ পৰা মহাবিদ্যালয়খনৰ মাটি মঞ্জুৰি লাভ কৰালৈ অশেষ ত্যাগ কৰিবলগীয়া হৈছিল। ড° বৰাই গোৱালপাৰাৰ স্মৃতি সুঁৱৰি লিখিছে "থোৰতে এযাৰ কথা সুৱঁৰিছোঁ, সেয়া হ'ল মোৰ যৌৱনৰ উভৈনদী শক্তিখিনি তাতেই প্ৰায় নিঃশেষ কৰিলো। পথাৰৰ পৰা দাই আনিলোঁ মোৰ জীৱনৰ সৰু সুৱা সফলতাৰ বহুতো ডাঙৰি, তাৰ লগতে দুথৰ-এথৰ-বিটনবনৰ-মুঠি। তাতে জীৱনৰ তেৰটা বছৰ কটালোঁ..... ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে অসমৰ পশ্চিম সীমান্তৰ শেষ চহৰ সেই গোৱালপাৰাতে.... এতিয়া মই কাম কৰা কলেজখনৰ বিষয়ে থাউকতে দুটামান কথা কওঁ। তেতিয়ালৈকে গুৱাহাটীৰ পশ্চিমলৈ ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে সেইখনেই একমাত্ৰ কলেজ আছিল। তালৈ গৈহে গম পাইছিলো কলেজখন কোনোমতে চলি আছে। ..... থকাৰ ভিতৰত আছিল চহৰৰ মাজ মজিয়াৰ সুন্দৰ মাটি ডৰা"। সাম্প্ৰতিক গোৱালপাৰা মহাবিদ্যালয় বিদ্যায়তনিক দিশ তথা আন্তঃ গাঁথনিৰ ফালৰ পৰাই নহয় সকলো দিশতে সমগ্ৰ অসমৰ আগশাৰীৰ মহাবিদ্যালয়কেইখনৰ সৈতে থিয় দিবলৈ সক্ষম হৈছে। তেওঁ অহাৰ সময়ত কলেজখন তেনেই নতুন আছিল আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ সংখ্যা আঙুলিৰ মূৰত লিখিব পৰা অৱস্থাত আছিল। তেনে এখন মহাবিদ্যালয়ত ড° বৰাই বিজ্ঞান শাখা খোলাৰ ব্যৱস্থা কৰাৰ লগতে উচ্চ শিক্ষাৰ অন্যান্য আধুনিক সা-সুবিধাৰ সৈতে অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীক পৰিচিত কৰি দিবলৈ যি ত্যাগ আগবঢ়াইছিল সেয়া অতুলনীয়। ড° বৰাৰ মানস কন্যা স্বৰূপ গোৱালপাৰা মহাবিদ্যালয়ৰ পুথিভঁৰালটোৱে তেওঁৰ বৌদ্ধিক বিচৰণৰ ক্ষেত্ৰ কিমান বিশাল আছিল তাক বুজাত সহায় কৰে। তেওঁৰ উদ্যোগত মহাবিদ্যালয় পুথিভঁৰালটো সাহিত্য, বিজ্ঞান, কলা, সমাজ বিজ্ঞান চৰ্চাৰ বিভিন্ন ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক পৰ্যায়ৰ গ্ৰন্থৰে ভৰি পৰিছিল। গ্ৰন্থাগাৰত থকা বহু বিৰল আৰু মূল্যৱান গ্ৰন্থই ড° বৰাৰ পাণ্ডিত্বক থকা বিৰল আৰু মূল্যৱান গ্ৰন্থই ড° বৰাৰ পাণ্ডিত্বক সোঁৱৰাই দিয়ে। গোৱালপাৰাৰ তেওঁৰ সমসাময়িক আৰু অনুজসকলে ড° বৰাৰ সান্নিধ্যৰ সময়খিনিক আজিও মধুৰ স্মৃতি হিচাপে অন্তৰত সজীৱ কৰি ৰাখিছে। কথাখিনি এই বাবেহে উল্লেখ কৰিলো যাতে তেওঁৰ পিচৰ প্ৰজন্মই এটা কথা মনত ৰাখে যে ড° বৰাৰ বৌদ্ধিক জগতখন আমাৰ চৌপাশৰ বাস্তৱ জগতখনৰ সৈতে বিচ্ছিন্ন হোৱাৰ বিপৰীতে ওতঃপ্ৰোতভাৱে সম্পৰ্কযুক্ত, তেওঁৰ ৰচনাৰাজি, কাম-কাজ বাস্তৱ জীৱনৰ অনুশীলনৰ দ্বাৰা আলোকিত আছিল। 'মণিদ্বীপ' নামৰ আলোচনী এখনো ড° বৰাই আৰম্ভণিৰ পৰা ষষ্ঠ বছৰলৈ সম্পাদনা কৰিছিল। ড° মহেন্দ্ৰ বৰাৰ ভাষাৰে- মণিদ্বীপ হয়তো কোনো যুগৰ বাৰ্তাবাহী নহয়, কিন্তু যুগটোৰ নাটনি পুৰ কৰা এক বৈশিষ্ট্যপূৰ্ণ সঁহাৰি। 'ৰামধেনু' যুগত যি সকল প্ৰবীণ লেখকে কাপ-মৈলামৰ নামৰ লগত সম্পৰ্কটো সামৰি পেলা বটল লৈছিল, সেই সকলক আকৌ লেখাৰ জগতলৈ নিমন্ত্ৰণ কৰি আনিছিলো। কবি ৰত্নকান্ত বৰকাকতী আৰু অম্বিকাগিৰী ৰায় চৌধুৰীয়ে 'মণিদ্বীপ' পাতত নিয়মীয়াকৈ লেখিছিল। মণিদ্বীপৰ পাততে কবি নৱকান্ত বৰুৱাই তেখেতৰ 'ককা দেউতাৰ হাড়' নামৰ উপন্যাসখন ধাৰাবাহিক ৰূপত লেখিছিল।"'Clarion' নামৰ ইংৰাজী দৈনিক কাকত এখনো তেওঁৰ সম্পাদনাত প্ৰকাশ পাইছিল। গোৱালপাৰা 'চলন্তিকা' নামৰ আলোচনা চক্ৰৰ জন্মৰ ক্ষেত্ৰতো তেওঁৰ বৰঙণি মন কৰিবলগীয়া। ১৯৭৩ চনলৈ গোৱালপাৰা কলেজৰ অধ্যক্ষ হৈ থকা বৰাই ১৯৭৩-৮৮ চনলৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত সেৱা আগবঢ়াইছিল। ইয়াৰে ১৯৭৬ চনৰ পৰা তেওঁ অধ্যাপক হিচাপে 'সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা' আসন অলংকৃত কৰিছিল। অসম সাহিত্য সভাৰ ১৯৮৭ চনৰ পাঠশালা অধিৱেশনৰ সভাপতিৰ আসন শুৱনি কৰা ড° বৰাৰ কৰ্মময় জীৱন অতি ব্যস্ততাপূৰ্ণ আছিল যদিও তেওঁ বন্ধুপ্ৰিয় লোক আছিল। সমাজৰ

সকলো শ্ৰেণীৰ মানুহেই তেওঁৰ বন্ধুহৈ পৰিছিল। ১৯৯৬ চনৰ ৯ এপ্ৰিল তাৰিখে এইজনা বিশিষ্ট পণ্ডিত অসমী আইৰ সু-সন্তানে আমাৰ মাজৰ পৰা চিৰবিদায় লয়। তেওঁৰ বৌদ্ধিক পৰিমণ্ডল আছিল অতি বিশাল, চিন্তাৰ সোঁত গভীৰ অধ্যয়নপুষ্ট, আলোচনা অন্তৰ্ভেদী আৰু মানৱ দৰদী।

প্ৰয়াত মহেন্দ্ৰ বৰাৰ স্মৃতিত যোৱা ২০০০ চনৰ পৰা গোৱালপাৰা কলেজ শিক্ষক সংস্থাৰ উদ্যোগত এলানি স্মাৰক বক্তৃতা অনুষ্ঠিত কৰা কথা ইতিমধ্যে উল্লেখ কৰা হৈছে। প্ৰথম বাৰ্ষিক স্মাৰক বক্তৃতা প্ৰদান কৰিছিল আৰ্ন্তজাতিক খ্যাতি সম্পন্ন বুদ্ধিজীৱী, বিদগ্ধ পণ্ডিত ড° হীৰেন গোহাঁই। 'নিম্ন বৰ্গৰ ইতিহাস চৰ্চা' (Subaltern Studies) শীৰ্ষক ড° গোহাঁইয়ে প্ৰদান কৰা উক্ত বক্তৃতাৰ মূল বিষয় বস্তু আছিল ড° ৰনজিৎ গুহ, ডিপেশ চক্ৰৱৰ্তী আদি ঐতিহাসিকে আৰম্ভ কৰা নিম্নবৰ্গৰ ইতিহাস। ইতিহাস চৰ্চ্চাৰ এই শেহতীয়া মাৰ্গৰ আন্তঃভেদী সমালোচনা আগবঢ়োৱা ড° গোহাঁয়ে উপনিবেশিক, জাতীয়তাবাদী আদি মাৰ্গৰ বিভিন্ন সীমাবদ্ধতাৰ কথা দাঙি ধৰে। ইতিহাসৰ পুনঃনিৰ্মাণৰ ক্ষেত্ৰত নিম্নবৰ্গৰ ইতিহাস মাৰ্গে প্ৰচলিত ইতিহাস আৰু ঐতিহাসিকৰ চিন্তা চেতনাক জোকাৰি যাবলৈ সক্ষম হলেও ই সামগ্ৰিক ইতিহাসৰ ধাৰণাক নস্যাৎ কৰিব বিচাৰে আৰু শেষান্তৰত ইয়াৰ প্ৰতিক্ৰিয়াশীল চৰিত্ৰ প্ৰকট হৈ পৰে। কিন্তু এনে ইতিহাস মাৰ্গে উত্তৰ পূব ভাৰতৰ ইতিহাস চৰ্চাক বিশেষ ভাৱে স্বাধীনতা সংমগ্ৰামত সাধাৰণ শ্ৰেণীৰ মত পোষণ কৰা উক্ত আলোচনাত ড° গোহাঁইয়ে ঢেকীয়াজুলিৰ ওচৰৰ চাহবাগানৰ মহিলাৰ স্বাধীনতা সংগ্ৰামত কৰা ত্যাগৰ উপযুক্ত মূল্যায়ণত প্ৰচলিত ইতিহাস মাৰ্গত হোৱা নাই বুলি উল্লেখ কৰিছিল।

দ্বিতীয় বাৰ্ষিক ড° মহেন্দ্ৰ বৰা স্মাৰক বক্তৃতা প্ৰদান কৰিছিল প্ৰখ্যাত লোক সংস্কৃতিৰ গৱেষক ড° বীৰেন্দ্ৰ নাথ দত্তই। "অসমৰ ভাষা সংস্কৃতিৰ পৰিপ্ৰেক্ষিতত গোৱালপাৰা অঞ্চলৰ ভাষা" শীৰ্ষক বক্তৃতাটোত ড° দত্তই গোৱালপাৰা অঞ্চলৰ ভাষাই অসমীয়া ভাষালৈ যোগোৱা অৱদানৰ বিষয়ে উল্লেখ কৰিছিল।

বিভিন্ন জনগোষ্ঠীৰ, ভাষা সংস্কৃতিৰ সংমিশ্ৰণত গঢ়ি উঠা অসমীয়া সংস্কৃতিৰ অতীত আৰু বৰ্তমানৰ প্ৰবাহ ড° দত্তৰ ভাষণৰ মূল বিষয় আছিল। অসমীয়া সংস্কৃতিৰ বহুখিনি সমল মূলত জনজাতীয় সমাজৰ অৱদান বুলি দাঙি ধৰা ড° দত্তই অসমৰ ভাষা সংস্কৃতিৰ ওপৰত মননশীল আলোচনা আগবঢ়াইছিল। অসমীয়া সমাজৰ জাউতি যুগীয়া সম্প্ৰীতি আৰু সমন্বয়ৰ দাঙি ধৰা উক্ত বক্তৃতা অসমৰ ভাষা সংস্কৃতিৰ আলোচনাৰ ক্ষেত্ৰত অতিশয় তাৎপৰ্যপূৰ্ণ আছিল।

তৃতীয় বাৰ্ষিক বক্তৃতা প্ৰদান কৰিছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিভাগৰ মূৰব্বী, গৱেষক পণ্ডিত মহম্মদ তাহেৰে। "উনবিংশ শতিকাৰ অবিভক্ত গোৱালপাৰা জিলা ভূ-প্ৰকৃতি আৰু প্ৰশাসনিক সংগঠন" শীৰ্ষক ভাষণ প্ৰদান কৰি ঔপনিৱেশিক কালৰ পৰাই গোৱালপাৰাৰ (অবিভক্ত) আৰ্থ সামাজিক ইতিহাস অসমৰ বাকী অংশৰ তুলনাত পৃথক বুলি উল্লেখ কৰা অধ্যাপক তাহেৰে জমিদাৰকালীন গোৱালপাৰাৰ আৰ্থৰাজনৈতিক ছবিখন দাঙি ধৰিছিল।

অধ্যাপক তাহেৰে ওঠৰ শতিকাৰ শেষৰ পিনে আহোম ৰাজ্যত দেখা দিয়া বিভিন্ন অপায়-অমঙ্গল, বিদ্ৰোহ আৰু অৰাজকতাৰ পৰা ৰক্ষা পাবৰ বাবে কামৰূপ, নগাওঁ, দৰং, শিৱসাগৰ আদিৰ বহুতো লোক গোৱালপাৰালৈ প্ৰব্ৰজন কৰিছিল আৰু আনহাতে বিংশ শতিকাৰ আগভাগৰ পৰা জিলাখনলৈ ৰংপুৰ, মৈমনসিং, পাৱনা আদি তৎকালীন বঙ্গদেশৰ জিলাবোৰৰ পৰা ভূমিহীন কৃষকৰ সোঁত ববলৈ ধৰাৰ ফলত অবিভক্ত গোৱালপাৰা জিলাৰ জনসংখ্যা যোৱা দুটা দশকত দ্ৰুত গতিত বৃদ্ধি পায় বুলি উল্লেখ কৰিছিল। অধ্যাপক তাহেৰৰ ভাষণত গোৱালপাৰাৰ পৰিচয় কেনেকৈ প্ৰশাসনিকভাৱে বিভিন্ন সময়ত পৰিৱৰ্তিত ঘটিছিল তাক দাঙি ধৰিছিল। উক্ত মননশীল বক্তৃতাত গোৱালপাৰা জিলাৰ মাজেৰে বৈ যোৱা ব্ৰহ্মপুত্ৰ নৈৰ ভৌগোলিক স্থানৰ পৰিৱৰ্তনৰ ধাৰা তেখেতে দাঙি ধৰিছিল। ১৯ শ শতিকাতে গোৱালপাৰা জিলাৰ জলপথবোৰ ঘাইকৈ ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰৰ প্লাৱনভূমিৰ উত্তৰত আৰু দক্ষিণ কাষৰ প্লাৱনভূমিৰ দক্ষিণত আছিল। উত্তৰৰ পুৰণি জলপথৰ অঞ্চলটো মাণিকপুৰ, বিজনী আৰু যোগীঘোপাৰ পৰা পশ্চিমলৈ শালকোচা, বইটামাৰী, চাপৰ, বিলাসীপাৰা, বগৰীবাৰী, ৰঙামাটি, গৌৰীপুৰ আৰু ধুবুৰীলৈকে আছিল। আনহাতে দক্ষিণ অঞ্চলটো আছিল বিকালি অৰ্থাৎ ধূপধৰাৰ পৰা দুধনৈ, দলগোমা, মাটিয়া, মৰনৈ, গোৱালপাৰা, আগিয়া, লক্ষীপুৰ, ফকিৰগঞ্জ, দক্ষিণ শালমাৰা আৰু সুখচৰ হৈ মানকাচাৰ আৰু কৰৈবাৰী পাইছিলগৈ। সেই শতিকাৰ উত্তৰৰ দুৱাৰ অঞ্চলত আৰু ব্ৰহ্মপুত্ৰৰ প্লাৱনভূমিৰ অঞ্চলত জনবসতি একেবাৰে সেৰেঙা আছিল। জিলাখনৰ গোৱালপাৰা জলপথচোৱা আটাইতকৈ ঘন বসতিৰ আছিল। মোগল শাসনৰ শেষৰফালে ই পূবৰ আহোম ৰাজ্যৰ লগত হোৱা বেহা-বেপাৰৰ কেন্দ্ৰস্থল আছিল। ইয়াত কিছুসংখ্যক ইংৰাজ, ফৰাচী আৰু পৰ্তুগীজ বণিক আছিল। অসমৰ বাকী অংশলৈ যোগান ধৰিব লগা বিভিন্ন পণ্যৰ, ঘাইকৈ নিমখৰ ইয়াত বৃহৎ পণ্যাগাৰ আছিল। তদুপৰি ইয়াত এটা ডাঙৰ জাহাজঘাট আছিল। কলকাতা আৰু বঙ্গদেশৰ অন্যান্য বন্দৰৰ পৰা ইয়ালৈ নিয়মিত জাহাজ অহা-যোৱা কৰিছিল। ১৮৭৫ চনৰ ১ মে' তাৰিখে গোৱালপাৰাত প্ৰথম 'টাউন কমিটি' আৰু ১৮৭৮ চনত 'মিউনিচিপালিটি' গঠন কৰা হৈছিল। জিলাখনৰ দ্বিতীয়খন নগৰ আছিল ধুবুৰী। বিভিন্ন ঐতিহাসিক তথ্য সম্বলিত কিংবদন্তি স্বৰূপ ভূগোলৰ পণ্ডিত তাহেৰৰ মননশীল বক্তৃতা আছিল অসমৰ সামাজিক প্ৰশাসনিক ইতিহাসৰ এক প্ৰামান্য।

চতুৰ্থ বাৰ্ষিক স্মাৰক বক্তৃতাৰ বিষয় আছিল মূলত সাম্প্ৰতিক কালত ৰাজ্যখনত বৃদ্ধি পায় অহা নিবনুৱা সমস্যাৰ

সামাধানত ক্ষুদ্ৰ উদ্যোগৰ ভূমিকা। NEDFI ৰ মহাপ্ৰবন্ধক ড° ফণী ডেকাই উক্ত ভাষণ প্ৰদান কৰিছিল।

পঞ্চম মহেন্দ্ৰ বৰা স্মাৰক বক্তৃতা প্ৰদানৰ বাবে নিমন্ত্ৰণ কৰা হৈছিল বিশিষ্ট প্ৰগতিশীল সাহিত্যিক, নিবন্ধকাৰ প্ৰয়াত শশী শৰ্মাক। ২০০৫ চনৰ চেপ্টেম্বৰ মাহৰ প্ৰথম সপ্তাহত '' অসমৰ লোক সংস্কৃতিত হিন্দু-মুছলমানৰ সাম্প্ৰদায়িক সম্প্ৰীতি'' শীৰ্ষক বক্তৃতা প্ৰদান কৰি অধ্যাপক শৰ্মাই অসমৰ সমাজ জীৱনৰ যাউতিযুগীয়া হিন্দু-মুছলমানৰ সম্প্ৰীতি যে অসমীয়া লোক জীৱনৰ এক অবিচ্ছেদ্য অংগ তাকে দাঙি ধৰিছিল। লোক জীৱনৰ গৱেষক অধ্যাপক শৰ্মাই অসমৰ গাঁৱলীয়া জীৱনৰ তথ্য সমূহৰ ওপৰত ভিত্তি কৰি এক মননশীল বক্তৃতা প্ৰদান কৰিছিল। ষষ্ঠ ড° মহেন্দ্ৰ বৰা স্মাৰক বক্তৃতা প্ৰদান কৰিছিল বিশিষ্ট ইতিহাসবিদ ড° ধ্ৰুৱজ্যোতি বৰাই।

ৰাজ্যৰ আগশাৰীৰ প্ৰকৃতিবিদ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাণীবিজ্ঞানৰ অধ্যাপক ড° পৰিমল ভট্টাচাৰ্যই 'অসমৰ জৈৱ-বৈচিত্ৰতা আৰু প্ৰত্যাহ্বান' শীৰ্ষক বক্তৃতা প্ৰদান কৰিছিল। তেখেতৰ বক্তব্যত ৰাজ্যখনৰ প্ৰচুৰ জৈৱ বৈচিত্ৰতা আৰু বিশেষভাৱে কাজিৰঙা, মানাহ আদি অভয়াৰণ্যৰ ঐতিহ্যক্ষেত্ৰ হিচাপে যি গুৰুত্ব তাক দাঙি ধৰাৰ লগতে তাৰ সংৰক্ষণৰ দিশটোৰ ওপৰত আলোকপাত কৰিছিল। নিজৰ দীৰ্ঘকালৰ গৱেষণাৰ ওপৰত ভিত্তি কৰি প্ৰদান কৰা এই বক্তৃতাও সমসাময়িক পাৰিপাৰ্শ্বিকতাৰ ওপৰত অহা প্ৰত্যাহ্বানৰ ক্ষেত্ৰত অতিশয় প্ৰাসঙ্গিক আছিল।

অষ্টম ড° মহেন্দ্ৰ বৰা বক্তৃতা প্ৰদান কৰিছিল অধ্যাপক প্ৰদীপজ্যোতি মহন্তই, 'সত্ৰীয়া সংস্কৃতিত লোক সংস্কৃতিৰ বৰঙণি' শীৰ্ষক বিষয়ত। অধ্যাপক মহন্তই সত্ৰীয়া সংস্কৃতিৰ ইতিহাস ঐতিহ্যৰ লগতে আমাৰ লোকজীৱনে সত্ৰীয়া সংস্কৃতিত কি ধৰণে বৰঙণি আগবঢ়াইছে তাক দাঙি ধৰি অতি পাণ্ডিত্যপূৰ্ণ বক্তৃতা প্ৰদান কৰিছিল।

'ব্যৱহাৰিক জীৱনত গণিতৰ প্ৰয়োগ' শীৰ্ষক এক বক্তৃতা প্ৰদান কৰিছিল বিজয়কৃষ্ণ দেৱশৰ্মাই। সাম্প্ৰতিক গণিত শিক্ষাৰ ক্ষেত্ৰত অহা প্ৰত্যাহ্বান আৰু গণিতৰ প্ৰয়োজনীয়তাৰ বিষয়ত আগবঢ়োৱা এই বক্তৃতাই শিক্ষক সমাজৰ লগতে ছাত্ৰ-ছাত্ৰী সকলোকো গভীৰভাৱে প্ৰভাবিত কৰিছিল।

ড° মহেন্দ্ৰ বৰাৰ কৰ্মৰাজিৰ স্মৰণৰ বাবে গোৱালপাৰা কলেজ শিক্ষক সংস্থাই আৰু অধিক গুৰুত্বপূৰ্ণ বিষয়ক আলোচনাৰ বাবে স্মাৰক বক্তৃতাত অন্তৰ্ভূক্ত কৰিব বুলি আশা কৰিব পাৰি। ড° বৰাৰ কৰ্তব্যবোধ, অধ্যাৱসায় আৰু প্ৰজ্ঞানিষ্ঠাই আমাৰ তৰুণ প্ৰজন্মক অনুপ্ৰাণিত কৰাৰ থল আছে। সেয়ে ড° বৰাৰ চিন্তা আৰু কৰ্মৰাজিক সঠিক মূল্যায়নৰ জৰিয়তে তেওঁক তৰুণ প্ৰজন্মৰ মাজত সজীৱ কৰি ৰখাতো নিত্যান্তই বাঞ্চনীয়। ■

# ভোগবাদী দৰ্শনৰ কৱলত বিধ্বস্ত সমাজ

**ড° হেমন্ত কুমাৰ কলিতা**
মুৰব্বী অধ্যাপক, দৰ্শন বিভাগ

জাগতিক সুখ আৰু ভোগ বিলাসৰ প্ৰতি থকা দুৰ্বলতা আৰু তাৰ প্ৰতি থকা মানসিক প্ৰস্তুতি তথা কাৰ্য্যক্ৰমণিকা তাকেই বহল অৰ্থত ভোগবাদী দৰ্শন বুলি কব পাৰি। এই ভোগবাদী দৰ্শনক বস্তুবাদী দৰ্শন বুলিও বিবেচনা কৰা হয়। সামাজিক প্ৰেক্ষাপটত ভোগবাদী দৰ্শনৰ ভূমিকা সৰ্বত্ৰে চৰ্চিত আৰু অতি নগণ্য সংখ্যক ব্যক্তিয়েহে এই ধাৰণাৰ বাহিৰত অৱস্থান গ্ৰহণ কৰে। সূক্ষ্ম আৰু কঠোৰ দৃষ্টিভঙ্গীৰে প্ৰত্যক্ষ কৰিলে বৰ্তমান সমাজৰ প্ৰায় ৯০-৯৫ শতাংশ লোকে ভোগবাদৰ দ্বাৰা পৰিচালিত। ভাৰতীয় দৰ্শনত এই ধাৰণাৰ উদ্ৰেক ঘটিছিল চাৰ্ব্বাক দৰ্শনৰ পৰা আৰু সাম্প্ৰতিক সময়চোৱাত এই দৰ্শনৰ ভাৱধাৰা ব্যক্তিৰ জীৱনৰ একমাত্ৰ লক্ষ্য হৈ পৰিছে বুলি ক'লেও উত্যুক্তি কৰা নহয়। যাবৎ জীৱেৎ সুখং জীৱেৎ ঋণং কৃতাং ঘৃটং পিৱেৎ (Eat drink and be merry) অৰ্থাৎ ধাৰ কৰি হলেও ঘি খাই আনন্দৰে জীৱন যাপন কৰা। চাৰ্ব্বাক দৰ্শনমতে সুখ লাভেই আছিল জীৱনৰ সাধনা। সুখ যেনেকৈ নাহক কিয় বা যিধৰণে লাভ নকৰক কিয় সেই সুখ গ্ৰহণ কৰা উচিত আৰু তেনে সুখ যিকোনো প্ৰকাৰে আহৰণ কৰা। এই ধৰণৰ চৰম সুখবাদী নৈতিকতাই বৰ্তমান সমাজৰ অধিকাংশ লোককেই আকোঁৱালি লৈছে। পাশ্চাত্য চিন্তা ধাৰণাত এই দৰ্শনৰ ভূমিকাই তুলনামূলকভাৱে এক বিশিষ্ট মানদণ্ড বহন কৰি আহিছে কাৰণ পাশ্চাত্য দৰ্শনত জ্ঞানতত্বৰ তুলনাত আধ্যাত্মিকতা বিষয়ক আলোচনা বা অধ্যয়ন সীমিত যদিও চুড়ান্ত সুখবাদী ধাৰণাকো একপক্ষীয়ভাৱে স্বীকৃত কৰা নাই।

ভাৰতীয় সমাজৰ ব্যৱস্থাৰ লগত যি ধৰণে এই ভোগবাদী মানসিকতাই শিপা মেলিছে তালৈ দৃষ্টি নিক্ষেপ কৰিলে বোধ হয় যে আধ্যাত্মিকতাৰ লগতে নৈতিকতাৰ শিপাডালো লাহে লাহে লুপ্ত প্ৰায় অৱস্থাত উপনীত হৈছে। এইটো অনস্বীকাৰ্য যে অত্যাধুনিক প্ৰযুক্তিবিদ্যা, বংশানুক্ৰমিক ব্যৱধান, নৈতিক শিক্ষাৰ অভাৱ, প্ৰকৃত ধৰ্মীয় চেতনাৰ অবসান আদিয়ে এই ভোগবাদী মানসিকতাক দুইহাত মেলি আদৰণি জনায়। ইয়াৰ ছত্ৰছায়াত লালিত পালিত হোৱা সকলো ব্যক্তিয়ে এক অদ্ভুত যান্ত্ৰিক মাধ্যমেৰেই হওঁক বা শাৰীৰিক বল বিক্ৰমৰ দ্বাৰাই হওঁক বা লোভৰ তাড়নাত পৰিয়েই হওঁক বা প্ৰতিযোগিতাৰ সন্মুখত তিষ্ঠি থাকিবলৈ বা (Status) মৰ্য্যদা অক্ষুন্ন ৰাখিবলৈ অথবা ল'ৰা-ছোৱালীক নামী-দামী স্কুল কলেজত পঢ়াবলৈ বুলিয়ে হওঁক সকলোৱে যে শৰণাপন্ন হৈছে চাৰ্ব্বাক দৰ্শনৰ মূল নীতিৰ ওপৰত। এই ধাৰণাই যেনেকৈ মাক-দেউতাকক কাবু কৰি লৈছে থিক তেনেকৈ উঠি অহা নতুন প্ৰজন্মৰ চিন্তা-ধাৰাক কোঙা কৰি দুষ্কাৰ্য্য কৰিবলৈও উদ্‌গনি যোগাইছে।

যদি সমাজৰ প্ৰতিটো দিশতে নজৰ দিয়া হয় আৰু সেই আটাইবোৰ দুষ্কাৰ্য্যৰ কাৰণ নিৰ্দ্ধাৰণ কৰিবলৈ যত্ন কৰা হয় তেতিয়া আমাৰ চকুত ধৰা পৰিব ভোগবাদৰ দৌৰাত্ম্য আৰু নৈতিকতাৰ আৰু আধ্যাত্মিকতাৰ বিলুপ্তি। ড্ৰাগছ, ধৰ্ষণ, চুৰি, ডকাইতি, মানৱ শৰীৰৰ অংগ বিক্ৰী, দুৰ্নীতি আদি সকলোবোৰ দুষ্কাৰ্য্যৰ চৰম লক্ষ্য সম্পদ আহৰণ কৰা আৰু লাস-বিলাসেৰে জীৱন যাপন কৰা। ধাৰ কৰি হলেও আৰু যদি ধাৰ পৰিশোধ কৰিব নোৱাৰিলেও আপচোচ নকৰি ধাৰ দিওতা জনক দৰকাৰ হ'লে অপদস্ত কৰা যি চৰম অৰ্থনৈতিক চেতনা, সেই চেতনাক সাৰ-পানী যোগাই ছয় ৰিপু দ্বাৰা পৰিচালিত চাৰ্ব্বাক দৰ্শনৰ ৰথখনে পিহি পেলাইছে মানবতাক, নৈতিকতাক আৰু আধ্যাত্মিকতাক।

নৈতিকতা অথবা আধ্যাত্মিকতাৰ অনুভূতি যদিও ধৰ্মীয় বিশ্বাসৰ লগত জড়িত এই অনুভূতিবোৰ কেতিয়াও শূন্যৰ পৰা জন্ম লাভ কৰিব নোৱাৰে। আধ্যাত্মিকতা এটা আমাৰ অনুভূতি নহয় বৰং জীৱন পদ্ধতিক সুস্থভাৱে, সংস্কাৰভাৱে পৰিচালনা কৰি এক সুসংহত কৰি এক জীৱনবোধ উপলব্ধি কৰা। আধ্যাত্মিকতাৰ ধাৰণা এনেকুৱাও নহয় যে ঘৰবাৰী, কাম-কাজ ত্যাগ কৰি পৰিবৰ্তনশীল হৈ অলৌকিক বিকল্প সত্বাৰ ওপৰত চিত্ত নিমগ্ন কৰি ৰখা। আমাৰ চিন্তাত সুস্থ মানসিকভাৱে বৌদ্ধিক দিশলৈ উত্তৰণ কৰা যি আন্তৰিক চেতনা সেয়াই আধ্যাত্মিকতা। কেৱল ঈশ্বৰ উপাসনা বা পূজা-পাতল কাৰ্যক্ৰমণিকাই আধ্যাত্মিকতা নহয়। ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে

কোৱাৰ দৰে মানুহৰ জীৱন পৰিক্ৰমাত তিনিটা স্তৰ আছে। জৈৱিক (life), মানৱিক (Man) আৰু আধ্যাত্মিক বা সত্ত্বামূলক (spirit)। প্ৰথমে জীৱন ধাৰণ তাৰ পিছত অভিজ্ঞতা আৰু বুদ্ধিৰ দ্বাৰা পৰিচালিত হৈ মানৱ জীৱন আৰু শেষত মানবীয় জীৱন যাপন কৰি ব্যক্তি সত্ত্বাৰ পৰা সামাজিক কল্যাণকামী আৰু এক নৈতিক মূল্যায়নেৰে পৰিচালিত জীৱন বোধেই আধ্যাত্মিকতা বা আধ্যাত্মিক স্তৰ। ৰাধাকৃষ্ণণৰ ভাষাত Life to Man, Man to spirit, কিন্তু চাৰ্ব্বাক দৰ্শনে কেৱল Life আৰু Man এই দুটা স্তৰতে সামগ্ৰিকভাৱে জীৱন পৰিক্ৰমাৰ দৃশ্যপট অক্ষুন্ন কৰিছে।

দৰাচলতে সমাজৰ প্ৰত্যেকজন ব্যক্তিয়ে ভোগবাদৰ বিস্তীৰ্ণ পটভূমিত খোজ পেলায় যদিও এই মানসিকতাকেই চৰম লক্ষ্য বুলি নলৈ নৈতিক, সাত্ত্বিক আৰু সামাজিক এই দিশবোৰৰো মূল্যবোধ বিবেচনা কৰি প্ৰাধান্য দিয়া দেখা যায়। সেয়েহে এটা নিৰ্দিষ্ট মানদণ্ডলৈ ভোগবাদৰ হাতোৰাৰ চাপ পৰিব পাৰে কিন্তু সেয়া আদৰ্শ যদি একমাত্ৰ আদৰ্শ হৈ পৰে তেতিয়াহ'লে সমাজখন চৰম অনৈতিক পৰ্য্যায়লৈ পৰ্য্যবসিত হ'ব যাক দৰাচলতে কোনেও কামনা নকৰে। সেইবাবে ভোগবাদী মানসিকতাৰ মাজতো এক নৈতিক চেতনাই ব্যক্তিসকলক মাৰ্গ-দৰ্শন কৰাই থাকে। অস্তিত্ববাদী দাৰ্শনিক নিৎছে কৈছিল যে ব্যক্তিৰ আভ্যন্তৰীণ কামনাই ক্ষমতা লাভ কৰিব বিচাৰে (will to power) যি ক্ষমতাই ব্যক্তিক চৰম ভোগবাদী দৰ্শনৰ দিশত আগবঢ়াই নিব পাৰে। এই ক্ষমতাৰ বাসনাই (will to power) মানুহৰ সকলো প্ৰকাৰ সুখৰ ধাৰণাকে বৰ্তাই ৰাখিব বিচাৰে কাৰণ সেই ক্ষমতাত অধিষ্ঠিত হ'ব নোৱাৰিলে তেওঁ জীৱনটোকে মূল্যহীন বুলি জ্ঞান কৰে আৰু চৰম নৈৰাজ্য তথা হতাশাত ভোগে। সেইকাৰণে নিৎছে কৈছিল, " only where there is life, there is will, not will to life but will to power"

সাম্প্ৰতিক কালত ভোগবিলাস সৰ্বস্ব জীৱনেই যেন এচামৰ কাম্য, যাৰ বাবে সেইসকলে সকলো ধৰণৰ নৈতিকতা, মানবতা, আন্তৰিকতা আৰু দায়িত্ববোধ জলাঞ্জলি দিবলৈ কুণ্ঠাবোধ নকৰে। উগ্ৰপন্থীৰ কুটাঘাটমূলক আৰু আন সকলো দুষ্কাৰ্য্য পৰা আৰম্ভ কৰি নিমাতিৰ জাহঁ দুৰ্ঘটনাৰ অন্তৰালত থকা বিষয়বোৰ যদি বিবেচনাৰ আওঁতালৈ অনা হয়, তাতো দেখা যাব এচাম স্বাৰ্থান্বেষী দায়িত্বহীন বিষয়াৰ লগতে এচাম মদমত্ত লোকৰ কৰ্তব্যৰ প্ৰতি চৰম অৱহেলা আৰু কষ্ট নকৰি হাতত মাৰণাস্ত্ৰ লৈ আসুৰিক চেতনা জগাই ধন আহৰণ কৰা বিষয়বোৰে এই ভোগবাদী দৰ্শনৰ এটা দিশ উপযুক্ত কৰি তোলে। ভাৰতীয় দৰ্শনত থকা চাৰিটা পুৰুষাৰ্থৰ ভিতৰত কেৱল অৰ্থ আৰু কাম এই দুটা পুৰুষাৰ্থ স্বীকাৰ কৰি ভোগ সৰ্বস্ব জীৱনেই যে প্ৰকৃত জীৱন এই ধাৰণাক অগ্ৰাধিকাৰ দিয়াৰ ফলত সমাজৰ চুকে-কোনে বিস্তাৰিত হৈ পৰিছে "সুখময় পুৰুষাৰ্থ"। 'Easy Money' ৰ ধাৰণাটোৰে চাৰ্বাক দৰ্শনৰ 'ঋণং কৃতাঃ ঘৃতং পিবেৎ' ধাৰণাৰেই এটা আধুনিক সংস্কৰণ বুলি কলেও অত্যুৎক্তি কৰা নহয়। আৰু বৰ্তমান গোলকীকৰণৰ ফলত ভূতৰ ওপৰত দানহ পৰা দি মদ, ড্ৰাগছ আৰু নৃত্য (খাৰঘূলীৰ ৰেভপাৰ্টী) আদিৰ দৰে নৱ প্ৰজন্মৰ ভোগবাদী লালসাক সোণালী হাতেৰে আলিঙ্গন কৰা ধাৰণাই সভ্য সমাজক সঁচাকৈয়ে লজ্জান্বত কৰি তুলিছে। বস্তুবাদী বা ভোগবাদী চিন্তাক প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে উদগণি যোগোৱাৰ ক্ষেত্ৰত তলত উল্লেখ কৰা কাৰক কেইটাই প্ৰধান বুলি অভিহিত কৰিব পাৰি; (ক) -- সংস্কাৰমুখী শিক্ষাৰ অভাৱ, (খ)-- নৈতিক শিক্ষাৰ অভাৱ, (গ)-- পাৰস্পৰিক সহযোগিতা তথা ভাতৃবোধৰ অভাৱ, (ঘ)-- বাহ্যিকতাৰ প্ৰাদুৰ্ভাৱ, (ঙ)-- প্ৰযুক্তিবিদ্যাৰ ফলত অত্যাধুনিক মনমোহা যান্ত্ৰিক সামগ্ৰীৰ উভৈনদী, (চ)-- যৌথ পৰিয়ালকেন্দ্ৰিক ব্যৱস্থাৰ পতন, (ছ) -- একক পৰিয়ালকেন্দ্ৰিক ব্যৱস্থাৰ (Nuclear family) উত্থান, (জ) -- সু অভ্যাস আৰু নৈতিক অনুশীলনৰ অভাৱ।

সমাজত এনেকুৱা কেতবোৰ লোক আছে যাৰ সম্পত্তিৰ অভাৱ নাই বা বিলাসিতাৰ কাৰণে কোনো দুৰ্নীতিৰ আশ্ৰয় লব নালাগে কিন্তু অগাধ ধন সম্পত্তিয়ে তেনেবোৰ লোকক বা সন্তানক ভোগবাদৰ লেলিহান শিখাত জাহ দিবলৈ আগবঢ়াই দিয়ে। ভোগবাদৰ মানসিকতাই ধনী-দুখীয়া. উচ্চ-নীচ, অক্ষম-সক্ষম ধাৰ্মিক-অধাৰ্মিক, শিক্ষিত-অশিক্ষিত, পুৰুষ-মহিলা নিৰ্বিচাৰে সকলোকে লালায়িত কৰি তোলে আৰু এক ব্যতিক্ৰম পথভ্ৰষ্ট পৰম্পৰা আৰু ধাৰণাৰ সৃষ্টি কৰে। সমাজ দাৰ্শনিক ইমাইল ডুৰখেইয়ে (Emile Durkheim) কৈছিল যে এই ধৰণৰ অপৰাধ প্ৰৱণতা এটা সামাজিক ব্যৱস্থাপনাৰে অন্তৰ্ভুক্ত আৰু কোনো ক্ষেত্ৰতেই ইয়াৰ অঙ্গীকাৰ কৰিব পৰা নাযায়। তথাপিও এই ধৰণৰ বিধ্বস্ত মানসিকতাক অস্বীকাৰ কৰিব নোৱাৰিলেও কোনো ক্ষেত্ৰতে প্ৰশ্ৰয় দিয়া উচিত নহয়। তেওঁৰ মতে "All social changes begin with some form of deviance, since a certain amount of change is wealthy for society, so it can progress rather than stagnate"। এইটোও থিক যে ভোগবাদী মানসিকতাই যিদৰে এচামক পথভ্ৰষ্ট কৰি তুলিছে থিক তেনেদৰে আনফালে পৰিৱৰ্তনশীলতা আৰু প্ৰগতিৰ ক্ষেত্ৰতো নতুন অৰিহণা যোগাই আহিছে। এই পৰিৱৰ্তনশীলতাক সঠিক দিশত উপস্থাপন কৰাৰ বাবে ১৯৬৪ চনত গঠন কৰা কোঠাৰী আয়োগে এটা যথাৰ্থ সদৰ্থক পৰামৰ্শ আগবঢ়াইছিল যে উপযুক্ত শিক্ষা ব্যৱস্থাৰে সামাজিক, নৈতিক আৰু আধ্যাত্মিক মূল্যবোধৰ বিকাশ সাধন কৰিব পাৰিলেহে আমাৰ মনত উদয় হোৱা ভোগসৰ্বস্ব জীৱনাদৰ্শ অলপ হলেও সলনি কৰিব পৰা যাব। এইধৰণৰ বিপথগামী মানসিকতাক সমাজবৈজ্ঞানিক সকলে কব খোজে character defects আৰু Maladjusted personalities। অৱশ্যে ইয়াত আন এটা উপাদানেও সহায় কৰে, সেইটো

হৈছে Defective socialization য'ত ল'ৰা-ছোৱালীৰ মানসিকতাত নঞাৰ্থক প্ৰভাৱ পৰে- ইয়াৰ কাৰণ কেবা প্ৰকাৰো হ'ব পাৰে যেনে- পিতৃ-মাতৃৰ শুদ্ধ দিশ নিৰ্ণায়ক ভূমিকা, ল'ৰা-ছোৱালীৰ প্ৰতি সহানুভূতি, মৰম, উপযুক্ত ঘৰুৱা পৰিবেশ, উপযুক্ত শিক্ষা, সৎসঙ্গ ইত্যাদি।

আধুনিকীকৰণৰ ফলত সমাজ ব্যৱস্থাত আমুল পৰিৱৰ্তন সাধন হৈছে আৰু বহুক্ষেত্ৰত এই ব্যৱস্থাপনাই জীৱন যাত্ৰা সুচল আৰু মনোগ্ৰাহী কৰি তুলিছে। আধুনিকীকৰণৰ সু-প্ৰভাৱ আমি অস্বীকাৰ কৰিব নোৱাৰো যদিও এই ব্যৱস্থাপনাই মুক্ত সংৰচন আৰু মুক্ত ব্যৱস্থাপনাকো নিৰ্দেশ কৰে যাৰ ফলত বস্তুবাদী বা ভোগবাদী মনোভাৱ গঢ়ি উঠিব পাৰে বুলি সমাজ তত্ত্ববিদ লেভী (Levy), ডেনিয়েল লাৰনাৰ (Denial Lerner) আদি মত প্ৰকাশ কৰে। এই মনোভাৱে সামগ্ৰীকভাৱে হেঁচা প্ৰয়োগ কৰে ব্যক্তিৰ বৌদ্ধিক ক্ষেত্ৰখনত। এই বিষয়গত বৌদ্ধিক চৰ্চাই সমাজত বসবাস কৰা অধিক সংখ্যক লোককেই টানি লৈ গৈছে ভোগ সমুদ্ৰত সাতুৰিবলৈ। ভোগেই যে জীৱনৰ চৰম লক্ষ্য এই ধাৰণা বা চিন্তাক সীমিত ৰূপত গ্ৰহণ কৰি এক আদৰ্শাত্মক লক্ষ্যৰে জীৱন পৰিচালিত কৰিলে সমাজত বৰ্তমানে গা-কৰি উঠা ভোগবাদী মনোভাৱ কিছু পৰিমাণে হ'লেও হ্ৰাস পাব বুলি আমাৰ দৃঢ় বিশ্বাস। সমাজত বৰ্তমানেও এনেকুৱা এচাম সৎ, আদৰ্শৱান ব্যক্তি সত্বা জীয়াই আছে যাৰ বাবে সমাজখন অপৰাধৰ মাজতো স-গৌৰৱে গতিশীল হৈ আছে। ■

# শিক্ষা আৰু নৈতিকতা

**লতিফা আফ্রিন লেইলা**
পঞ্চম ষান্মাসিক, দৰ্শন বিভাগ

**আৰম্ভণি ঃ**

শিক্ষা এক সৰ্বাত্মক ধাৰণা। মানৱ সভ্যতাৰ লগত ই ঘনিষ্ঠভাৱে জড়িত। শিক্ষাৰ পৰিসৰ মানৱ জীৱনৰ দৰে বিশাল। শিক্ষা হ'ল এক জীৱনব্যাপী চলা প্ৰক্ৰিয়া। ব্যক্তি এজনৰ জন্মৰ পৰা এই শিক্ষা আৰম্ভ হৈ মৃত্যুলৈ চলি থাকে। শিক্ষা আৰু জীৱন এটা আনটোৰ পৰা পৃথক নহয়। এক সুস্থ জীৱন অতিবাহিত কৰিবৰ বাবে ব্যক্তিক গোটেই জীৱনতে শিক্ষাৰ প্ৰয়োজন, শিক্ষাই মানৱ জীৱনৰ সকলোবোৰ দিশকে সামৰি লয়। সংস্কৃতি, অৰ্থনীতি, ভৌগোলিক দিশ, ৰাজনীতি, ধৰ্ম আৰু সমাজ - মানৱ জীৱনৰ এই আটাইবোৰ দিশ শিক্ষাৰ অন্তৰ্ভুক্ত। আত্ম উপলব্ধি আৰু মানৱ সেৱাই হ'ল শিক্ষা। শিক্ষাই জীৱন আৰু জীৱনেই শিক্ষা। প্ৰত্যেক ব্যক্তিয়ে জীৱন-যাপনৰ বাবে কৰা প্ৰস্তুতিৰ বাবে জীৱনৰ পৰা আহৰণ কৰা অভিজ্ঞতাই হৈছে শিক্ষা।

শিক্ষা হৈছে জীৱন ব্যাপি চলা এক সচেতন, সুনিয়ন্ত্ৰিত, সু-পৰিকল্পিত, সুপৰিচালিত আৰু উদ্দেশ্যপূৰ্ণ কাৰ্য।

নৈতিকতা; যাৰ অৰ্থ হ'ল নীতি সন্মত, উত্তম আচৰণ। ইয়াৰ মূল উদ্দেশ্য হ'ল কৰ্মৰ মাজেদি ন্যায়-অন্যায়, ভাল-বেয়া, উচিত-অনুচিত বিচাৰ কৰা। নৈতিকতা কোনো মানদণ্ডৰ কোনো এক আদৰ্শ, ধৰ্ম বা সংস্কৃতিৰ পৰা আহিব পাৰে। নৈতিকতাক সঠিকতা বা শুদ্ধতা বুলিও কব পাৰি। নৈতিকতাৰ শাখা নীতিবিদ্যা দৰ্শন যত নৈতিকতা সম্বন্ধীয় প্ৰশ্ন অনুসন্ধান কৰা হয়। অৰ্থাৎ নীতিবিদ্যাৰ দ্বাৰা নৈতিকতা সম্পৰ্কিত জ্ঞান বা বিদ্যাকে বুজায়।

নৈতিকতা হ'ল মানৱিক আদৰ্শাৱলীৰ এটা প্ৰণালী য'ত এটা সুখী জীৱন লাভে আমাৰ আচৰণ নিৰ্ধাৰণ কৰে। নৈতিকতাৰ বাবে আমি এক সৎ জীৱন-যাপন কৰো। আমাৰ চাৰিওফালৰ মানুহৰ লগত বন্ধুত্বৰ সৃষ্টি কৰো। সুখৰ চাবিকাঠি হ'ল নৈতিকতা।

**শিক্ষা ঃ**

মানৱ সভ্যতাৰ আৰম্ভণিৰ সময়ৰ পৰাই শিক্ষাৰ আৰম্ভণি আৰু পৃথিৱীত মানৱ সভ্যতা বৰ্তি থকালৈ শিক্ষাও বৰ্তি থাকিব। শিক্ষাৰ দ্বাৰা মানুহে অজ্ঞান আন্ধাৰ দূৰ কৰি জ্ঞানৰ পোহৰ বিলাব পাৰে। সমাজৰ অন্ধবিশ্বাস, কু-সংস্কাৰ, মানৱ-সংকীৰ্ণতা আদি শিক্ষাৰ যোগেদি আতঁৰাব পাৰি। দৰাচলতে এজন মানুহক সভ্য নাগৰিক কৰি গঢ়ি তোলাৰ আঁৰত প্ৰধান ভূমিকা পালন কৰে শিক্ষাই। শিক্ষা হ'ল এক গতিশীল প্ৰক্ৰিয়া। শিক্ষা এক নিৰ্দিষ্ট বিন্দুত আৰম্ভ হয় আৰু অবিৰত ভাৱে চলি থাকি এক নিৰ্দিষ্ট বিন্দুত শেষ হয়।

শিক্ষাক এক ত্ৰিভূজৰ দৰে ত্ৰিকেন্দ্ৰিক প্ৰক্ৰিয়া বুলি ক'ব পাৰি। এই তিনিটা পক্ষ হৈছে - ১) শিক্ষাৰ্থী - যিয়ে শিক্ষা লয়, ২) শিক্ষক - যিয়ে শিক্ষা দিয়ে, ৩) সামাজিক পৰিৱেশ - য'ত থাকি শিক্ষাদান কৰা হয়।

শিক্ষাই ব্যক্তি আৰু সমাজ দুয়োটাৰে বিকাশ সাধন কৰি তুলিব পাৰে। প্ৰতিজন ব্যক্তিৰ ৰুচি-অভিৰুচি, আগ্ৰহ, ইচ্ছাশক্তি, দক্ষতা, বুদ্ধি আৰু অন্যান্য গুণাৱলীৰ ওপৰত ভিত্তি কৰি শিক্ষা প্ৰদান কৰিলে ব্যক্তিয়ে সমাজৰ প্ৰতি থকা দায়িত্ব আৰু কৰ্তব্য সুচাৰুৰূপে পালন কৰিব পাৰে। সমাজ বিজ্ঞানে শিক্ষাৰ লগত সমাজৰ সম্বন্ধক বিশ্লেষণ কৰে। শিক্ষা হৈছে জীৱন ব্যাপি চলা এক সচেতন, সুনিয়ন্ত্ৰিত, সু-পৰিকল্পিত, সুপৰিচালিত আৰু উদ্দেশ্যপূৰ্ণ কাৰ্য। বিভিন্ন নিয়ম-নীতি আৰু উদ্দেশ্য আগত ৰাখি শিক্ষা কাৰ্য পৰিচালিত। নীতি-নিয়ম আৰু উদ্দেশ্যৰ ভিত্তিত বহুলভাৱে তিনিটা ভাগ কৰিব পাৰি।

১) আনুষ্ঠানিক শিক্ষা
২) অনানুষ্ঠানিক শিক্ষা আৰু
৩) অগতানুগতিক শিক্ষা

**নৈতিকতা ঃ**

নৈতিকতা হ'ল মানৱিক আদৰ্শাৱলীৰ এটা প্ৰণালী। নৈতিকতাৰ কাৰণে আমি এক সৎ জীৱন-যাপন কৰি আছো। নৈতিকতাই মানুহৰ স্বেচ্ছাকৃত কৰ্মৰ ভাল বেয়া, উচিত-অনুচিত বিচাৰ কৰে। কোনো কৰ্মৰ নৈতিক বিচাৰ আগতীয়াকৈ স্বীকাৰ কৰি ল'বলগীয়া হয়, নহ'লে নীতিবিদ্যাৰ সমস্ত আলোচনাই নিৰৰ্থক হয়। মূল সত্যক বা তত্ত্বক বিনা প্ৰমাণে স্বীকাৰ কৰি নললে নৈতিক বিচাৰ সম্ভৱ নহয়। সেইবিলাক মূল সত্যক নৈতিক বিচাৰৰ স্বীকাৰ্য সত্য বোলা হয়। নৈতিক বিচাৰ কৰিবলৈ হ'লে বা কোনো এটা কৰ্মক ভাল-বেয়া, উচিত-অনুচিত বা ন্যায়-অন্যায় বুলি বিচাৰ কৰিবলৈ হ'লে প্ৰথমতে স্বীকাৰ কৰি ল'বলগীয়া হয় যে, যি কামটো সম্পাদিত হৈছে সেইটো কোনো এক আৰু অভিন্ন ব্যক্তিৰ দ্বাৰা

সম্পাদিত হৈছে।

নৈতিকতা শব্দটো লেটিন শব্দৰ পৰা আহিছে। যাৰ অৰ্থ হ'ল, চৰিত্ৰ, ভদ্ৰতা, সঠিক আচৰণ। মানুহৰ কথা-বাৰ্তা, চাল-চলন, নীতি আদি মানি চলাকে নৈতিকতা বোলে।

নৈতিক শিক্ষাৰ উদ্দেশ্য হ'ল শিক্ষাৰ্থীৰ জীৱনক কোনো আদৰ্শৰ লক্ষ্যত পৰিচালিত কৰা তাৰ চৰিত্ৰৰ উৎকৰ্ষ সাধন কৰা আৰু ব্যক্তিৰ সমাজ জীৱনৰ প্ৰতিষ্ঠা কৰা।

নৈতিক বিচাৰৰ স্বীকাৰ্য সত্য মূলতঃ তিনিটা - ১) অপৰিৱৰ্তনীয় সত্ত্বা বা ব্যক্তিত্ব, ২) বিচাৰ বুদ্ধি আৰু ৩) ইচ্ছাৰ স্বাধীনতা। যি ব্যক্তিৰ কৰ্মৰ নৈতিক বিচাৰ কৰা হয় কৰ্ত্তাৰ যে ব্যক্তিত্ব আছে, তেওঁ যে এক অভিন্ন সত্ত্বা - এই কথা স্বীকাৰ কৰি ল'বই লাগিব। কাৰণ ব্যক্তিত্বহীন ব্যক্তিৰ নৈতিক বিচাৰ নহয়। ব্যক্তিত্বৰ দৰে বিচাৰ বুদ্ধিও নৈতিকতাৰ এটা অৱশ্য স্বীকাৰ্য সত্য। বিচাৰ বুদ্ধি মানুহৰ এক স্বতন্ত্ৰ বৈশিষ্ট্য। জীৱ বৃত্তি বা ইন্দ্ৰিয় বৃত্তি আছে বাবে মানুহৰ মাজত আছে জৈৱিক প্ৰবৃত্তি, কামনা, বাসনা, আৱেগ, অনুভূতি ইত্যাদি। আধুনিক নৈতিকতাৰ বিকাশ সামাজিক - সাংস্কৃতিক বিৱৰ্তনৰ লগত জড়িত এটা প্ৰক্ৰিয়া।

**সমাজ সংস্কাৰত শিক্ষা আৰু নৈতিকতাৰ অৱদান ঃ**

স্বামী বিবেকানন্দই শিক্ষাৰ সংজ্ঞাত কৈছিল, "Education is the process of learning for perfection already exists in human being" এই সংজ্ঞাৰপৰা আমি উপলব্ধি কৰিব পাৰো যে, শিক্ষা আনুষ্ঠানিক অনুষ্ঠান মাত্ৰ নহয়। শিক্ষা হৈছে পূৰ্ণ সু-সংবাদ জীৱন প্ৰণালী গঢ় দিয়াৰ এক নিৰন্তৰ প্ৰক্ৰিয়া। আনহাতে মহাত্মা গান্ধী, নেপোলিয়ন বোনাপাৰ্ট আদি মনীষী সকলেও মতপোষন কৰে যে শিক্ষাই সমাজ সংস্কাৰৰ তথা ব্যক্তিত্বৰ বিকাশত প্ৰাথমিক অৱস্থাৰ পৰাই এক দিশ নিৰ্ণয়ক ভূমিকা গ্ৰহণ কৰি আহিছে। শিক্ষা অবিহনে জ্ঞানৰ চকু মুকলি নহয়, যাৰ ফলত সমাজৰ সাম্প্ৰতিক সময়ছোৱাত দেখা দিয়া দুৰ্নীতি আৰু বিশৃংখলতা বৃদ্ধি পাইছে বুলি আমি উপলব্ধি কৰিব পাৰো।

শিক্ষা আৰু নৈতিকতা উভয়ে সমাজ-সংস্কাৰত এক অনন্য বৰঙণি আগবঢ়াই আহিছে। শিক্ষাই যেনেকৈ জ্ঞান চকু মুকলি কৰে, ঠিক তেনেকৈ আধ্যাত্মিক দিশটোও উন্মিলিত কৰি তোলে। নৈতিকতাবিহীন শিক্ষাৰ মানদণ্ড যথেষ্ট নিম্ন, এই কাৰণে নৈতিকতা বাদ দি অকল শিক্ষাই ব্যক্তিৰ চৰিত্ৰ গঠন কৰিব নোৱাৰে। সেয়েহে সমাজৰ সৰ্বাঙ্গীন বিকাশ আৰু কল্যাণ, প্ৰকৃত অৰ্থত শিক্ষা আৰু নৈতিকতাৰ সু-ব্যৱস্থাপনাৰ ওপৰত নিৰ্ভৰ কৰে। নৈতিকতাবিহীন শিক্ষাই ব্যক্তিক শিক্ষিত কৰি তুলিব কিন্তু সু-শিক্ষিত আৰু নৈতিক গুণৰ অধিকাৰী কৰি তুলিব নোৱাৰিব। সেয়েহে আমাৰ বিচাৰ্য যে, সমাজ তথা ব্যক্তিৰ ব্যক্তিত্বৰ বিকাশৰ ক্ষেত্ৰত শিক্ষা আৰু নৈতিকতা একেলগেই হাতত হাত ধৰি আগবাঢ়িব লাগিব। ■

# ড্ৰাগছ ঃ এক সামাজিক ব্যাধি

**অৰুনিমা দাস**
প্ৰাক্তন ছাত্ৰী

এখন দেশৰ সামগ্ৰিক উন্নয়নৰ মূল চালিকাশক্তি হৈছে যুৱ সমাজ। কিন্তু সম্প্ৰতি এই যুৱ সমাজতেই বিভিন্ন কেৰোণে দেখা দিছে। ঘাইকৈ ১৩ বছৰৰ পৰা ৩০ বছৰ বয়সৰ যুৱক-যুৱতী সকলেৰে যুৱ সমাজ গঠিত। পৰিৱেশ-পৰিস্থিতিৰ কৱলত এচামে আত্মনিয়ন্ত্ৰণ হেৰুৱাই পেলাইছে আৰু নিজে বিপথগামী হোৱাৰ লগতে উঠি অহা প্ৰজন্মকো বিপথে পৰিচালিত কৰিছে। বৰ্তমানৰ ভোগসৰ্বস্ব বস্তুবাদী সমাজৰ লগত ফেৰ মাৰিবলৈ গৈ এচাম যুৱক-যুৱতীয়ে আকৌ কৃত্ৰিম সুখানুভূতি লাভৰ বাবে সহজতে মাদকদ্ৰব্য গ্ৰহণ কৰিবলৈ লৈছে। এনে এবিধ বিহস্বৰূপ মাদক দ্ৰব্য হৈছে ড্ৰাগছ।

ড্ৰাগছ আসক্তি বৰ্তমান সময়ত সমগ্ৰ বিশ্বতে ভয়াবহ সমস্যা হিচাপে পৰিগণিত হৈছে, প্ৰথম অৱস্থাত বিশ্বৰ উন্নত দেশ বিলাকত ড্ৰাগছ আসক্তি প্ৰচুৰ আছিল যদিও, পিছলৈ উন্নয়নশীল আৰু অনুন্নত দেশবোৰলৈও ইয়াৰ প্ৰভাৱ বিয়পে। সাধাৰণে ড্ৰাগছ তৈয়াৰ কৰা হয় আফিম (Opium) ৰ পৰা। অৱশ্যে ইয়াৰ লগত অন্য ৰাসায়নিক নিচাযুক্ত পদাৰ্থও যোগ হয়। আমাৰ দেশত বিশেষকৈ ড্ৰাগছৰ আদান-প্ৰদান হয়- পৰিত্যক্ত ঘৰ, নিৰ্জন ঠাই, পাৰ্ক আদিত। ড্ৰাগছ যিহেতু ব্যয়বহুল নিচাযুক্ত দ্ৰব্য এই দ্ৰব্য দুখীয়া শ্ৰেণীৰ বাবে সহজ লভ্য নহয়। সেয়ে দেখা যায় যে ড্ৰাগছ ব্যৱসায়ীৰ প্ৰৰোচনাত পৰি সাধাৰণতে অধিক টকা থকা পিতৃ-মাতৃৰ সন্তানসকলেই প্ৰথমে ড্ৰাগছ সেৱনত অভ্যস্ত হয়।

ড্ৰাগছ সেৱনৰ ফলাফল অতি ভয়ানক। কাৰণ এনে আসক্তিৰ ফলত মানুহ এজন তিল-তিলকৈ মৃত্যু অভিমুখে আগুৱাই যায়। বিশেষকৈ বেজিৰে ড্ৰাগছ লোৱাৰ বাবে এইড্ছৰ লগতে বিভিন্ন ৰোগৰ বীজাণুৰ সংক্ৰমণ ঘটে। সেইদৰে দুৰ্বলতা, দৃষ্টিহীনতা, নিদ্ৰাহীনতা, কঁপনি ইত্যাদি বিভিন্ন ধৰণৰ সমস্যাই দেখা দিয়ে। ড্ৰাগছ সেৱনৰ ফলত মানসিক দিশত সাধাৰণতে আত্মহত্যাৰ প্ৰৱণতা, উত্তেজিত হোৱা, উদাসীনতা, অসংযত আচৰণ প্ৰভৃতি কাৰকে দেখা দিব পাৰে।

সমগ্ৰ বিশ্বৰ লগতে অসমতো বৰবিহ স্বৰূপ ড্ৰাগছ সেৱনৰ আসক্তিয়ে ভয়াৱহ ৰূপ লোৱাৰ উপক্ৰম হৈছে। অসমত মূলতঃ ড্ৰাগছ সৰবৰাহ হয় মণিপুৰ সীমান্তইদি। বৰ্তমান অসমত ড্ৰাগছ আসক্তি প্ৰচুৰ নহ'লেও উঠি অহা যুৱচামৰ মাজত ক্ৰমশঃ ইয়াৰ প্ৰভাৱ বাঢ়ি আহিছে। বিশেষকৈ অসম পুলিচ, ৰে'লৰে পুলিচ আদিয়ে মাজে সময়ে ড্ৰাগছসহ ড্ৰাগছ সৰবৰাহকাৰী ধৰা কথা প্ৰচাৰ মাধ্যমৰ যোগেদি প্ৰচাৰ হৈ আহিছে। ২০০৯ চনৰ চেপ্তেম্বৰ মাহত লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমান বন্দৰত ড্ৰাগছসহ আটক হৈছিল সুদুৰ নাইজেৰিয়াৰ এজন লোক। এনেবোৰ দিশলৈ লক্ষ্য কৰিলে সহজেই অনুমান কৰিব পাৰি যে বৰ্তমান অসমত ড্ৰাগছৰ চাহিদা বৃদ্ধি পাবলৈ ধৰিছে।

ড্ৰাগছ আসক্তিয়ে ব্যক্তিগত ক্ষতিৰ উপৰিও সমাজ, অৰ্থনীতি, ৰাজনীতি আদি সকলোতে ঋণাত্মক প্ৰভাৱ পেলায়। সুস্থ চিন্তা অবিহনে সুস্ত সমাজ এখন কল্পনা কৰিব নোৱাৰি। ড্ৰাগছৰ দৰে অশুভ আসক্তিক ৰোধ কৰাৰ প্ৰথম উপায় হৈছে- যুৱশক্তিক সদায় সৎকৰ্ম, সৎচিন্তাত প্ৰবৃত্ত কৰি ৰখা। দ্বিতীয়তে, পিতৃ-মাতৃ, সমাজৰ অগ্ৰণী লোক, শিক্ষক তথা চৰকাৰখনো সদায় সচেষ্ট হ'ব লাগিব। সেইদৰে আনুষ্ঠানিক শিক্ষাৰ উপৰি সুকুমাৰ কলা আদিৰ সৈতে জড়িত হ'বলৈ যুৱসমাজক উদগণি যোগাব লাগিব আৰু আৱেগক সংযত কৰি ৰাখিবলৈ চেষ্টা কৰিব লাগিব।

কৰ্মহীনতাই মনলৈ আলস্য ভাৱ আনে। তদুপৰি বিবেকে সৃষ্টিশীল কৰ্মৰ চিন্তাচৰ্চা কৰিব নোৱাৰিলে আপোনা-আপুনি বদ্ অভ্যাস বা বদ্‌চিন্তা কৰিবলৈ আৰম্ভ কৰে। ফলস্বৰূপে বদ্ চিন্তাধাৰাই অসৎ পথত খোজ দিবলৈ অনুপ্ৰেৰণা যোগায়। কৰ্মসংস্কৃতিৰে যুৱপ্ৰজন্মক আগবঢ়াই নিয়াৰ দায়িত্ব আমাৰ সকলোৰে। সমাজৰ বুদ্ধিজীৱীসকলেও আগভাগ লৈ দেশ তথা জাতিৰ ভৱিষ্যৎ প্ৰজন্মক দিকদৰ্শন কৰি ড্ৰাগছৰ প্ৰচলন সমুলঞ্চে নাশ কৰিবলৈ তীব্ৰ প্ৰচেষ্টা হাতত লোৱা দৰকাৰ, কাৰণ যুৱ মানসত এবাৰ ড্ৰাগছৰ আসক্তিয়ে ঠাই ল'লে জাতি তথা দেশৰ অধঃপতন অনিবাৰ্য। ■

# সমাজত মূল্যবোধৰ প্ৰয়োজনীয়তা

**প্ৰদীপ কুমাৰ শীল**
অৱসৰ প্ৰাপ্ত অধ্যাপক, গণিত বিভাগ

অধ্যাপিকা তৃষ্ণা বৰ্মনে মোক এদিন ক'লে-'ছাৰ গণিত বিভাগৰ পৰা কোনেও লিখা জমা দিয়া নাই। আপুনি কিবা এটা লিখি দিলে বৰ ভাল হয়।' লিখা-মেলাৰ অভ্যাস মোৰ নাই। কিন্তু পঢ়াৰ অভ্যাস আছে। লিখো বুলি ক'লেই তৎক্ষণাত কিবা এটা লিখি দিব পাৰিলে কথাই নাছিল। তথাপিতো অনুৰোধ ক্ৰমে দু-আষাৰ লিখাৰ চেষ্টা কৰিলোঁ।

প্ৰথমতেই থাকিল মোৰ আন্তৰিক শ্ৰদ্ধা সেইসকল ব্যক্তিৰ প্ৰতি যিসকলে নানা ধৰণৰ অন্যায়-অবিচাৰ, অত্যাচাৰ-নিপীড়ন সহ্য কৰিও মানুহক অজ্ঞানৰ পৰা জ্ঞানৰ পোহৰলৈ লৈ যোৱাৰ চেষ্টা কৰিছিল।

ইতিহাস অধ্যয়ন কৰিলে জনা যায় যে অতি প্ৰাচীন কালত মানুহ জাতিটো আছিল অশিক্ষিত আৰু যাযাবৰ। সেই সময়ত মনুষ্য জাতিটো বস্ত্ৰহীন অৱস্থাত দলবদ্ধ হৈ পৃথিৱীৰ বুকুত খাদ্য সংগ্ৰহৰ বাবে এঠাইৰ পৰা আন ঠাইলৈ গৈছিল। তেওঁলোকে সদায় এনে ধৰণৰ অৱস্থাত থাকিবলৈ বিচৰা নাছিল। জীয়াই থকাৰ তাগিদাত তেওঁলোকে প্ৰকৃতিৰ লগত সংগ্ৰাম কৰিব শিকিছিল। হেজাৰ হেজাৰ বছৰৰ পিছত সেই দলবদ্ধ বস্ত্ৰহীন মানুহসকলে গছৰ বাকলি পিন্ধি লজ্জা নিবাৰণ কৰিবলৈ শিকিছিল। এইটোৱেই হ'ল পৃথিৱীৰ বুকুত সংগ্ৰামৰ ফলস্বৰূপে এটা পৰিবৰ্তন। আকৌ সেইসময়ৰ গছৰ বাকলি পিন্ধা মানুহসকলে ভাবিব পৰা নাছিল যে এদিন তেওঁলোকে কাপোৰৰ তৈয়াৰী বস্ত্ৰ পিন্ধিব। এইটো হ'ল আনটো পৰিৱৰ্তন। ই সম্ভৱ হৈছে তেওঁলোকৰ মাজৰে কিছুসংখ্যকৰ বুদ্ধিৰ বিকাশ আৰু উন্নত উপায়ে প্ৰকৃতিৰ লগত সংগ্ৰামৰ ফলশ্ৰুতিত। দিনে দিনে এনে ধৰণৰ বহুতো পৰিৱৰ্তন হৈ আছে আৰু ভৱিষ্যতেও পৰিবৰ্তন হ'ব। ইয়াৰ পৰা স্পষ্টকৈ ক'ব পৰা যায় যে এই বিশ্ব ব্ৰহ্মাণ্ডত চিৰন্তন সত্য কথাটো হ'ল পৰিৱৰ্তন বা সলনি। সময়ৰ লগে লগে সকলো বস্তুৰ পৰিৱৰ্তন হয়। এখন সমাজৰ পৰা বহুতো সমাজৰ সৃষ্টি হ'ল। এয়া হ'ল সমাজৰ সলনি, সলনি হ'ল মানুহৰ পোছাক, খাদ্য-ৰুচি আৰু বহুতো কিবা-কিবি। এনে ধৰণৰ পৰিৱৰ্তনেই হ'ল জীৱনৰ ধৰ্ম। ইমানবোৰ সলনিৰ পিছতো এতিয়াও সলনিহীন হৈ থাকিল সূৰ্যক মাজত (নাভীত) ৰাখি উপবৃত্তকাৰ পথত সকলোবোৰ গ্ৰহৰ (পৃথিৱীসহ) ঘূৰি থকাৰ প্ৰক্ৰিয়াটো। সমাজৰ মঙ্গলৰ বাবে কেতিয়াও সলনি হ'ব দিব নালাগে মানৱীয়তা, ভাতৃত্ববোধ, পিতৃ-মাতৃৰ প্ৰতি শ্ৰদ্ধা, কৰ্তব্যবোধ, সহমৰ্মীতা, সততা আদি গুণবোৰ। প্ৰকৃত মানুহ হৈ জীয়াই থকাৰ সাৰ্থকতা তেতিয়াই উপলব্ধি কৰিব পৰা যাব যেতিয়া সকলো মানুহৰ চিন্তাত গঢ় লব সহযোগিতাৰ মানসিকতা। কিন্তু বৰ্তমান সময়ত ভোগবাদী চিন্তাই ক্ষতিগ্ৰস্ত কৰিব ধৰিছে মানুহৰ মাজত থকা মূল্যবোধ। মূল্যবোধ হ'ল কোনো কামকাজৰ বা কোনো ঘটনাৰ মূল্য সম্পৰ্কে ধাৰণা বা বোধ। মূল্যবোধ শব্দটোক ইংৰাজীত কোৱা হয় ভ্যালুজ।

শোচনীয় অৰ্থনৈতিক অৱস্থাত নিমজ্জিত হৈ থকা নিম্নবৰ্ণ বা আনধৰ্মৰ মানুহবোৰক মূল্যবোধৰ চিন্তাত আনিব নালাগে বুলি আমাৰ সমাজৰ এক শ্ৰেণীৰ ৰুচি সম্মত মানুহৰ ধাৰণা। আমাৰ সমাজত এনে ধৰণৰ কিছু সংখ্যক মদপী এলেহুৱা মানুহ এতিয়াও দেখা যায় যি সকলৰ মাজত আছে সততাৰ ভাৱ। তেওঁলোকে নাৰীৰ প্ৰতি অন্যায় নকৰে, মৃত মানুহৰ দেহ সৎকাৰৰ বাবে দ্বিধাহীনভাৱে আগুৱাই আহে আৰু বিপদত পৰিলে খবৰ লৈ মানুহক সহায়ৰ বাবে চেষ্টা কৰে। কিন্তু আকৌ কিছু সংখ্যক মানুহ দেখিবলৈ পোৱা যায় যে তেওঁলোকৰ যথেষ্ট সুনাম, কোনো অভাৱ নাই, অৰ্থনৈতিকভাৱে উন্নত, নানা ধৰণৰ উৎসৱ পূজা-পাৰ্বন আদিত যথেষ্ট সামাজিক কিন্তু দুৰ্নীতিৰ আশ্ৰয় লয়, চৰিত্ৰ ঠিক নহয়, উপঢৌকন লোৱাৰ অভ্যাস আছে। তেওঁলোকে কিছু মন্দিৰ, মছজিদ বা গিৰ্জাত দান দি থাকে। তেনেহ'লে এই ধৰণৰ দুয়োবিধ মানুহক মূল্যবোধৰ বিচাৰত অনাৰ প্ৰয়োজন আছে।

বিবেক হ'ল মানুহৰ মূল্যবোধৰ ধাৰক। ভাৱবাদৰ ধ্যান ধাৰণাৰ পৰা লাহে লাহে মানুহ এতিয়া বস্তুবাদৰ দিশত ধাৱিত হ'ব ধৰিছে। এয়া হ'ল মানুহৰ মনত মূল্যবোধৰ চিন্তাৰ সলনি। চিন্তা কৰিলে দেখা যায় যে পৰোক্ষভাৱে ধৰ্মই সমাজক যিপৰিমানে চহকী কৰিছে তাতকৈ বেছি পৰিমাণে এক প্ৰকাৰে হানিও কৰিছে। ধৰ্মই মানুহৰ মনৰ মাজত যেনেকৈ প্ৰেমৰ সৃষ্টি কৰিছে আকৌ মানুহৰ

মাজত এচামে বহুত পৰিমাণে বিদ্বেষৰো সৃষ্টি কৰি সুবিধা লাভৰ বাবে চেষ্টা চলাইছে। বৰ্তমানে ধৰ্ম হৈ পৰিছে সম্প্ৰদায়গত। জ্ঞানৰ সীমাক প্ৰশস্ত আৰু উন্নত কৰি মানৱ সভ্যতাক আগুৱাই লৈ যোৱাৰ কৰ্তব্য সকলো মানুহৰ।

স্কুলত পঢ়ি থকাৰ সময়ৰ এজন ডাক্তৰৰ কথা মনত পৰিল। মোৰ মাৰ লগত ৰোগী হিচাপে তেওঁৰ চেম্বাৰলৈ গৈছিলোঁ। প্ৰথমে তেওঁ ৰোগৰ কথা কোৱাৰ সলনি ঘৰৰ খবৰ লৈছিল-ঠিকমতে পঢ়াশুনা কৰো নেকি? তাৰ পিছতহে ৰোগ চোৱা-চিতা কৰিছিল আৰু কৈছিল 'বিশেষ একো হোৱা নাই'। ঠিকমতে খোৱা-লোৱা আৰু খেল-ধেমালি কৰাৰ কথা কৈছিল। কৈছিল 'অলপ দৰব দি দিলো, ভাল হৈ যাবা'। কিন্তু আজিকালি দুই এজন ডাক্তৰৰ বাদে বাকী সকলোবোৰ ডাক্তৰৰ কথা কোৱাৰ সময় নাই। তেওঁলোকৰ সমাজসেৱা নহয় যেন পেচাদাৰিত্ব। বৰ্তমান নাৰ্চিংহোমবোৰ হ'ল ভ্যাকুৱাম ক্লিনাৰৰ নিচিনা। আকৌ কিছুমান নাৰ্চিংহোমৰ কথা শুনিবলৈ পোৱা যায় য'ত মৃতব্যক্তিজনক ভেণ্টিলেটৰ নামক মেজিক যন্ত্ৰত জীয়াই থকা দেখুৱাই টকা লওঁতে তেওঁলোকৰ হাত নকপেঁ। ইয়াতে দেখা যায় চৰকাৰী চিকিৎসালয় আৰু নাৰ্চিংহোম বিলাকৰ মূল্যবোধৰ অৱস্থা।

শিক্ষাৰ ক্ষেত্ৰত ভাবিলে আচৰিত হোৱাৰ বাহিৰে আন কোনো উপায় নাই। আগতে শিক্ষকসকলক শ্ৰদ্ধা কৰাৰ লগতে গুৰু হিচাপে মান্য কৰা হৈছিল। এতিয়া শিক্ষা ব্যৱস্থা হ'ল এটা পণ্য, যি অৰ্থৰ বিনিময়ত পোৱা যায়। এজন পণ্ডিতে কৈছিল- এজন ডাক্তৰৰ ভুল বশত যদি বছৰে পাঁচজন ৰোগীৰ মৃত্যু হয় তেনে এই ভুলৰ বাবে তেওঁ যিমান দায়ী হ'ব তাতকৈ বেছি দায়ী হ'ব সেইজন শিক্ষক, যদি তেওঁ প্ৰকৃত নিয়মে ছাত্ৰ-ছাত্ৰী সকলক শিক্ষা নিদিয়ে বা ভুল কৰি শিক্ষা দিয়ে। এই শিক্ষকজনে বছৰে বছৰে কিমান সংখ্যক প্ৰজন্মক পঙ্গু কৰিব তাৰ হিচাপ সহজতে পোৱা সম্ভৱ নহয়। এয়া হ'ল একধৰণৰ মূল্যবোধ।

অসহায় দৰিদ্ৰ মানুহক সেৱা আগবঢ়োৱা এটা জনহিতকৰ কাম। ভাৰতবৰ্ষৰ জনসংখ্যাৰ প্ৰায় শতকৰা ৮০ ভাগ মানুহ এতিয়াও অশিক্ষিত আৰু দৰিদ্ৰ সীমাৰেখাৰ তলত। ধৰ্মৰ নামত দৰিদ্ৰ জনসাধাৰণক সেৱা আগবঢ়োৱা কামটো এফালে ভাল। কিন্তু মানুহক প্ৰকৃত অৰ্থত সহায় কৰিবলৈ হ'লে বিজ্ঞান মনস্কতাৰ প্ৰয়োজন। বহু সময়ত ধৰ্ম বিজ্ঞানমনস্কতাৰ বাধাৰ স্বৰূপে হৈ পৰে। আমি জানো বিজ্ঞানৰ উন্নতিয়ে হ'ল দেশ এখনৰ উন্নতিৰ মাপ কাঠী। যদি কোনো ব্যক্তি বা প্ৰতিষ্ঠানে প্ৰচাৰ কৰি থাকে যে জন্ম আৰু মৃত্যু একমাত্ৰ ঈশ্বৰৰ ইচ্ছা আৰু ঈশ্বৰৰ ওপৰত ভৰষা ৰাখি অসুস্থ গৰীব মানুহক সেৱা কৰা তেওঁলোকৰ কৰ্তব্য-এনে ধৰণৰ কোৱাৰ অৰ্থ হ'ল চিকিৎসা বিজ্ঞানৰ বিপুল অগ্ৰগতিক অস্বীকাৰ কৰা। কিন্তু আমি দেখিবলৈ আৰু শুনিবলৈ পাইছোঁ যে বহুতো ডাঙৰ ডাঙৰ ধৰ্মীয় সেৱক-সেৱিকা সকলৰ বিকল হৃদযন্ত্ৰক সুচল কৰি ৰখাৰ বাবে আধুনিকতম আৰু ব্যয়বহুল চিকিৎসা সেৱাৰ আশ্ৰয় লোৱা হৈছিল। এয়াই হ'ল ধৰ্মৰ অসহায়তা। অন্ধবিশ্বাসত বিশ্বাসী মহাপণ্ডিত সকলে যিকোনো ধৰণৰ বিজ্ঞানৰ বিৰুদ্ধে অপপ্ৰচাৰ কৰোঁতে মুঠেই দ্বিধা বোধ নকৰে। ধৰ্ম আৰু বিজ্ঞানৰ সংঘাত নতুন নহয়, ই যুগ-যুগ ধৰি চলি আহিছে। বিজ্ঞানৰ বিৰোধী হোৱাৰ অৰ্থই হ'ল মানৱতাৰ বিৰোধী। এইটোৱেই হ'ল ধৰ্ম আৰু বিজ্ঞান মনস্কতাৰ মূল্যবোধৰ এটা উদাহৰণ। এতিয়া দেখিবলৈ পোৱা যায় যে মানুহৰ মনৰ পৰা নিজ স্বাৰ্থৰ বাবে মানৱিক গুণবোৰ হ্ৰাস হ'ব ধৰিছে। ফলস্বৰূপে মূল্যবোধ কমিব ধৰিছে। কিন্তু মূল্যবোধ শেষ হৈ নাযায়। আমি সামাজিক মানুহসকলে মূল্যবোধক ধৰি ৰাখি অন্তৰত জাগ্ৰত কৰি ৰাখিব লাগিব।

মোৰ এক বন্ধুৱে অতি দুঃখেৰে মোক এটা কৰুণ ঘটনা কৈছিল-ৰাতিপুৱা তেওঁ খবৰ কাকতখনত দেখা পালে এগৰাকী প্ৰসূতি মাতৃয়ে তেওঁৰ সন্তানক জন্ম দিছিল চিকিৎসালয়ৰ বাহিৰত এডাল গছৰ তলত। বেডৰ অভাৱত মহিলা গৰাকী ভৰ্তি হ'ব পৰা নাছিল। স্বামী দিন মজদুৰ। বহুতক হাতে ভৰি ধৰিও একো কৰিব পৰা নাছিল। গতিকে কেঁচুৱাটোৰ জন্ম হ'ল ৰাতি মুক্ত আকাশৰ তলত। ক্ষোভত বন্ধুজনে কাকতখন ভাজ কৰি থৈ দিছিল। আনপিনে তেওঁৰ এক দূৰ সম্পৰ্কীয় আত্মীয় এজন ভুগিছিল উচ্চ ৰক্তচাপ আৰু বাত ৰোগত। সেয়েহে গাড়ী এখন ভাড়া কৰি ৰোগীজনক লৈ চিকিৎসালয়লৈ গৈছিল আৰু অলপ সময় অপেক্ষা কৰি কিবাপ্ৰকাৰে বা বিনিময়ে বেড এখনৰ ব্যৱস্থা কৰিছিল। পিচত তেওঁ মোক ক'লে 'এই কামটোৰ পৰা বাচি গ'লোঁ'। তাৰ পিছতহে হেনো তেওঁ দোকান এখনত বহি চাহ একাপ খাই চিগাৰেটত টান মাৰি শান্তি পাইছিল। তেতিয়া কিন্তু তেওঁ পাহৰি থাকিল সেই ৰাতি বেড নোপোৱা মাতৃ গৰাকীৰ কথা।

কিয় মানুহে পাহৰি যায়? ■

# A critique of gender stereotypes in South Korean culture with special reference to Han Kang's *The Vegetarian*

**Author: Wasima Ibnat Rashid**
**Co-author: Morium Yasmin**
Fifth Semester, English Department
Presented this paper in the inter-college seminar organised by B.Borooah College.

The article attempts to analyse the male dominated patriarchal society in South Korea through the prism of the trope of food with special reference to Han Kang's award winning novel *The Vegetarian* (2007). The plot of the novel centres on the character of Yeong-Hye and her eating disorder. Although the South Korean society predominantly survives on non-vegetarian food, the character of Yeong-hye suddenly decides to stop consuming non-vegetarian food and survive on a strict vegetarian diet. Her decision to quit non-vegetarian food comes with a strange dream. Her husband Mr.Cheong along with her entire family, i.e. her father, mother, brother, husband and her elder sister In-hye are all annoyed with her decision. This is because quitting non-vegetarian food in the South Korean culture amounts to disrespecting their culture unless the person has some health issues. The South Korean society sees meat eating as a natural human behaviour and someone acting otherwise is viewed as abnormal. Yeong-hye's family also tries to force feed her which results in dire consequences as Yeong-Hye while trying to resist cuts her veins and ends up in the hospital. As the novel progresses the readers find Yeong-hye's family distancing from her. Her parents cut off all ties with her and her husband gives her divorce and parts their ways. It is only her elder sister In-hye who is a constant support throughout the narrative and takes care of her. She performs her duties of an elder sister towards her younger one. She does everything in her capacity to keep her sister alive but she withers away.

In the above statements an attempt has been made to give a general overview of the plot of the novel. But things are not as simple as they seem in the first reading. The issue in the novel is not only about eating disorder but there are several underlying ideologies working which needs critical analysis. Yeong-hye's decision to quit non-vegetarian food and her eventual suffering is not only the result of a dream as she claims it to be. It is the effect of past trauma in a male dominated Korean society which results in her acts of resistance. After threading through the narrative the readers find that Yeong-hye's father is a patriarch and he was very violent towards his children and their mother during their childhood. Those past events leave an indelible mark on Yeong-hye's psyche. To illustrate:

> Yeong-hye had been the only victim of their beatings. Such violence wouldn't have bothered their brother Yeong-ho so much, a boy who went around doling out his own rough justice to the village children. As the eldest sister In-hye had been the one who took over from their exhausted mother and made a broth for her father to wash the liquor down, and so he'd always taken a certain care in his dealings with her. Only Yeong-hye, docile and naïve had been unable to deflect their father's temper or put up any form of resistance. (Kang 157)

Yeong-hye is the victim of a sexist Korean culture where she is oppressed by her father and brother during her childhood and by her husband after marriage. Her husband does not love her, there is no affection but he only sees her as a necessity to live his life comfortably after marriage. The character of Yeong-hye challenges and resists the reigning norms of the patriarchal Korean society and that is where her suffering starts. It needs

mention that the situations in her life make her suffering not only physical but also psychological and cultural. The initial lines of the narrative are enough to illuminate Yeong-hye's husband's attitude towards her. Mr Cheong is the narrator of the first part of the novel 'The Vegetarian' where he remarks:

> Before my wife turned vegetarian, I'd always thought of her as completely unremarkable in every way. To be frank, the first time I met her I wasn't even attracted to her. Middling height; bobbed hair neither long nor short; jaundiced, sickly-looking skin; somewhat prominent cheekbones; her timid, sallow aspect told me all I needed to know. As she came up to the table where I was waiting, I couldn't help but notice her shoes-the plainest black shoes imaginable. And that walk of hers-neither fast nor slow, nor striding nor mincing. (Kang 3)

The above lines from the text stand testimony to the fact that Mr. Cheong is a materialistic person who was only interested in the appearances of Yeong-hye. He never tries to understand her personality and when things do not go according to him he abandons her. He marries her due to the demands of the society to get married and sees Yeong-hye as an object of desire. This argument can be proved when he says, "However, if there wasn't any special attraction, nor did any particular drawbacks present themselves, and therefore there was no reason for the two of us not to get married" (Kang 3).Also her decision to not wear bra is one among the many rejections that she undertakes to challenge and resistthe ideological constructs of beauty in the South Korean society. It can be seen as a means of patriarchal control over the female body which turns the woman into an object of desire. Therefore, Mr Cheong says, "I couldn't get my head round it. It wasn't even as though she had shapely breasts which might suit the 'no-bra look'. I would have preferred her to go around wearing one that was thickly padded, so that I could save face in front of my acquaintances" (5). Her decision to not wear bra and exposing her breasts in public lands her in the mental asylum. This is another mechanism of the patriarchal society where a woman is seen as mad, abnormal and deviant as she rejects the norms of the society. She is finally ostracised and isolated as seen in Yeong-hye's case.

Dreams play a crucial role in the novel *The Vegetarian* as it is where all the conflict in Yeong-hye's life started. The dream experienced by Yeong-hye can also be seen as an outlet of her childhood trauma when she sees her pet dog hacked and brutally killed by her father. Then he also lays out a feast where he calls the villagers and cooks the dog which they all eat including Yeong-hye. This incident can be seen as both inhumanity towards a creature and her father's violent behaviour. It comes to haunt her present in the form of a dream when she decides to quit meat eating. The dream sequences in the novel are all italicised and they are all related to the process of meat eating. The dream sequences experienced by Yeong-hye draw a clear picture of the cause of her suffering. The last line of her second dream bears a clue to Yeon-hye's psychological condition and provides some meaning to her dream, "Dawn of the next day. The pool of blood in the barn…I first saw the face reflected there" (Kang 19). The barn denotes an abattoir and here she sees herself through the trope of the meat eating culture of the Korean society.

Yeong-hye is a victim of South Korea's meat eating culture. As stated above her refusal to eat meat is a consequence of the trauma that she went through during her childhood when she witnessed animal abuse at the hands of her father. When their pet dog Whitey bites Yeong-hye, her father takes disciplinary actions against the animal by brutally killing it. This is also done by the father where he falls prey to superstitions of the Korean culture. It is believed that if the meat of the dog that bit a person is consumed, the person can be cured. Therefore, he chains their pet dog to his motorcycle and circles the village seven times until it is exhausted and almost falls dead. This is done to keep the meat tender. Then he finally hacks the dog. This horrible incident leaves an indelible mark on Yeong-hye's psyche which comes to haunt her present in the form of dreams.

Yeong-hye is also the victim of her husband's sexual abuse. She is the victim of marital rape. Her refusal to eat meat is accompanied by her refusal to have sex with her husband as he is a meat eater. These refusals from the novel set a strong analogy between meat eating and sexual urges. Her resistance falls on deaf ears of her husband as he being a product of the male oriented patriarchal society forces himself on her and rapes her.

> So yes, on nights when I returned home late and somewhat inebriated after a meal with colleagues, I would grab my wife and push her to the floor. Pinning down her struggling arms and tugging off her trousers, I became unexpectedly aroused. She put up a surprisingly strong resistance and spitting out vulgar curses all the while, one time in three I would manage to insert myself successfully. (Kang 30)

**Conclusion**: In the above discussion an attempt has been made to throw some light on the patriarchal ideologies of the South Korean society and its relationship to the meat eating culture with special reference to Hang Kang's novel *The Vegetarian*. It can be concluded that although the central character of the novel Yeong-hye suffers throughout the process of resisting the meat eating culture of the male dominated Korean society, her experiences can also be viewed as a weapon of her resistance. Han Kang, through her oeuvre, tries to expose the patriarchal society where women are treated as second citizen. The ideological constructs of beauty are also foregrounded in the narrative whereboth men and women are forced to go under the knife to meet the beauty standards of South Korea.

## References


Kang, Han. *The Vegetraian*. Granta, 2007.

Kim, Won-Chung. "Eating and Suffering in Han Kang's *The Vegetarian." CLCWeb: Comparative* Literature and Culture, vol. 21, no. 9, 2019. ■

# Sociological Interpretation of LGBTQ Movement

**Mazeda Yeasmin**
Fifth Semester
Sociology Department

Identity is one of the key variables in a society that makes differences among people or groups. Some always play a dominant role over another identity which is accepted by all. It is implied that some identities take position at the centre of the society and some other are at the margin. This characteristic exists in human society from the very beginning. The LGBTQ community in India has been facing problem due to their sexual and gender identity which goes beyond normative to homophobic state as well as to the society. Several dimensions are associated with the deprivation of LGBTQ people in India that need to be explored. Thus, the discrimination of LGBTQ community in India is not new, the community has been facing huge problems since years.

In matters of sexuality, the term people use can vary widely from culture to culture. The term "lesbian" "gay", bisexual and "transgender" (LGBT) are used because they are the English terms most community used in the international human rights discourse. However, this is in no way intended to ignore the diversity of other terms and identities, nor to deny the cultural connotation attached to these terms.

**Sexual orientation** :

This term is used to describe patterns of emotional, romantic and sexual orientation and sense of personal and social identity based on these attractions. Social orientation exists with exclusive attraction to the opposite or the same sex.

**Gender identity** :

It refers to a person's experience of self expression in relation to social construction of masculinity or feminity. A person may have a male or female gender identity, with the physiological characteristic of the opposite sex.

" There is nothing wrong with you. There's a lot wrong with the world you live in"— Chris Colfer,an American actor, singer and author

**History of LGBTQ movement :**

History owes an apology to the members of the LGBTQ community and their families"

The British Raj (British Empire in India) justified their existence as a "civilising" force, imposing their Victorian morality on Indians. At that time there were a vast array of cultures and activities through out India, all with differing views on homosexuality.

" Even in socially conservation areas, same sex intimacy was simply a part of life. In India, there was a rich diversity in the ways is which sexuality was understood."

Ancient India is full of stories of LGBT people. Awadh (present day Lucknow) had a ruler who would live as diferent genders and take on different sexual partner. Late19th century Bengali novels detailed lesbian relationships. Sufi Muslim books described romances between two men. Even the Kama Sutra had adviced for consensual homosexual intercourse.

The Koovagam Festival traces its origins back to the third century B.C with the ancient myth of Krishna who look the form of women to marry Aravan before the battle of Mahabharata. Their marriage is still celebrated today, with the Koovagan Festival becoming one of the largest annual gatherings of transpeople in India or Hijra as they are called.

During the 157 years of section 377 the LGBTQ community of India suffered terrible atrocities. There are

countless accounts of blackmails, police brutality and gang rape, the raiding of HIV/AIDS centres on the grounds they were promoting illegal acts, abductions and murders of gay men and lesbian women beaten to death.

The lack of a united narrative about homosexuality across India meant that there was no singular dissenting voice against the forced implementation of section 377 in 1860.

In 2003 the Indian government refused to decriminalise homosexuality, claiming it would "open the floodgates of delinquent behaviour." While in 2013 the Supreme Court turned down a challange to section 377, arguing LGBT people were only "minuscule minority" seeking "so-called rights :

Just a few months before section 377 was overturned, a lesbian couple leaped to deaths, leaving only a note that reportedly read, "We have left this world to live with each other. The world did not allow us to stay together."

"Today's judgement makes it possible that people may no longer see fear in the future, but hope."

**Evolution of LGBT Rights:**

Section 377 of IPC which criminalised all kinds of non-procreative sexual intercourse was enacted in the pre-independence era by the the British colonial Government. The law was not only directed against homosexuals but also covered all other forms of non-traditional sexual intercourse even in the course of heterosexual union. So this law was nothing but a residue of the orthodox dictatorian morality which had no place in a democratic country like India. ■

# চৰ চাপৰিৰ জীৱন

**নাচিৰ উদ্দিন**
তৃতীয় ষান্মাসিক, ইতিহাস বিভাগ



চৰ-চাপৰি চাৰিওফালে নদ-নদীৰে আৱৰি থকা সৰু সৰু নদী দ্বীপ। এই সৰু সৰু দ্বীপসমূহত মানুহে খেৰৰ ঘৰ, টিন, পাতৰ ঘৰ, জুপুৰি সাজি বসবাস কৰে, য'ত এটা সৰু সৰু সমাজ ব্যৱস্থা আৰু সৰু সৰু বসতি থকা দেখা যায়। চৰত বসবাস কৰা মানুহৰ একমাত্ৰ জীৱিকা হ'ল কৃষি। কৃষি কাৰ্যই হ'ল চৰৰ মানুহৰ জীৱন নিৰ্বাহৰ প্ৰণালী। চৰৰ মাটি বেছি পৰিমানে সাৰুৱা আৰু কৃষিৰ বাবে অতি উপযোগী। এই মাটিত নানা ধৰণৰ খেতি কৰা দেখিবলৈ পোৱা যায়। সেউজীয়া বৰণ হৈ থকা খেতি পথাৰবোৰ দেখিবলৈ বৰ মনোৰোম হয়। সেউজীয়া পথাৰত নানা ধৰণৰ শস্যৰ নানা ধৰণৰ ফুল ফুলি থকা দেখা যায়। যেনে- সৰিয়হঁৰ ফুল।

চৰ-চাপৰিত শিক্ষাৰ পোহৰ তেনেই নিস্তেজ। চৰত বাস কৰা মানুহ বেছি পৰিমানে অশিক্ষিত, শিক্ষা সম্বন্ধে অসচেতন। তেওঁলোক অতি সহজ-সৰল, নিৰ্জু স্বভাৱৰ। তেওঁলোক ৰাজনৈতিক ভাৱে সচেতন নহয়। ফলত ৰাজনৈতিক ক্ষেত্ৰত তেওঁলোকৰ বিশেষ অৱদান দেখা নাযায়। কোনো কোনো ক্ষেত্ৰত শুদ্ধ অশুদ্ধৰ বিচাৰ কৰি সুস্থ ৰাজনৈতিক মত গ্ৰহণ কৰিবলৈকো তেওঁলোক অপাৰগ।

চৰ অঞ্চলৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সমস্যাটো হ'ল যাতায়াত। যাতায়তৰ ক্ষেত্ৰত চৰৰ মানুহে বহু অসুবিধা ভোগ কৰিবলগীয়া হয়। চৰ অঞ্চলৰ ৰাস্তা-ঘাটবোৰ ভঙা-চিঙা হোৱা দেখা যায় আৰু দৈনন্দিন জীৱনত ইয়াৰ বসবাসী সকলে চলাচলৰ ক্ষেত্ৰত বহুতো বাধা-বিঘিনিৰ সন্মুখীন হবলগীয়া হয়। চৰকাৰৰ ফালৰ পৰাও ৰাস্তা-ঘাটৰ উন্নয়নৰ বাবে কোনো আঁচনি গ্ৰহন কৰা দেখা নাযায়।

চৰ-চাপৰিৰ মানুহৰ সাজ-পাৰ, আচাৰ-আচৰণ, নীতি-নিয়ম আদি সহজ সৰল হোৱা দেখা যায়। তেওঁলোক তেনেই অকৃত্ৰিম।

চৰ-চাপৰিত বাস কৰা মানুহৰ বিশেষ সমস্যা হ'ল গৰাখহনীয়া আৰু বানপানী। গৰাখহনীয়াই বছৰে বছৰে ইয়াৰ বাসিন্দা সকলৰ ঘৰ মাটি কাঢ়ি তেওঁলোকক দৈন্যতাৰ সন্মুখীন কৰাই আহিছে। প্ৰতিবছৰে বানপানীয়ে চৰ-চাপৰিৰ মানুহৰ খেতি-পথাৰ নষ্ট কৰি থৈ যায়। বানপানীৰ সময়ত ইয়াৰ মানুহে খোৱা পানীৰ বাবে হাহাকাৰ কৰিব লগা হয়। লগতে বানৰ সময়ত নানা ধৰণৰ বেমাৰ আজাৰেও তেওঁলোকক জুৰুলা কৰে।

পৰ্যাপ্ত উন্নয়ন অবিহনে হয়তো এই সকল মানুহৰ জীৱন এই স্তৰতেই ৰৈ যাব। তেওঁলোকক এটা সুন্দৰ জীৱন দিবলৈ চৰকাৰ তথা জনসাধাৰণৰ সহযোগৰ দৰকাৰ। ■

# Straight, Curly, Afro Kinky, Frizzy: Beauty, Politics and Beyond

**Manasi Devi**
Assistant Professor, English Department

Chimamanda Ngozi Adichie, the famous Nigerian writer of acclaimed novels like *Purple Hibiscus* (2003) and *Americanah* (2013), said in one of her interviews that if Michelle Obama hadn't straightened her hair, Barack Obama would not have won the U.S. presidential elections. Even their daughters Malia and Sasha had to straighten their Afro locks so that the family would not look too black and the majority white community could relate to them. In the 21st century, our society is still predominantly patriarchal in nature. Women have always been the victims of social constructs, from being the carriers of cultural baggage in the society to being subjected to male dominance.

This article particularly focuses on how a woman's hair has also been politicized. Women are always expected to walk, talk, dress in a particular way. A woman's movements are always under surveillance and constantly scrutinised by the patriarchal society. Her identity and self expression are viewed through a male gaze. In this context, the famous French feminist Simone de Beauvoir's ideas become relevant. In her seminal text *The Second Sex* (1949) she says, "One is not born, but rather becomes a woman". Likewise, our society has also constructed some beauty standards for a woman's hair. For instance, a stereotypical feminine look is to have long, straight and smooth hair and women have internalized these stereotypes. They have constantly tried to fit themselves to get accepted by the patriarchal society. If a woman has curls, it has to be loose and accessible. And to fit into these stereotypes a woman is ready to burn a part of her body by straightening or smoothening her hair. This only adds to a woman's vulnerability. Also a woman with hair which is not straight and manageable (i.e. curly, frizzy) is met with assumptions of being angry, non-conformist and protesting in nature.

The rise of insurgency in Nagaland has a historical cause. The British administrated the area of Nagaland as a separate region from India and when British left India they began to demand for soverign Nagaland under the leadership of Argani Zapu Phizo. The Naga National Council has made a lot of efforts for the recognition of sovereign Nagaland. Eventually, the NNC formed a parallel Govt. in 1954 and began to prepare for arms struggle. Finally, in 1963 Nagaland became a state of Indian Union. The National Socialist Council of Nagaland has split out into two factions i.e. NSCN(IM) led by Isak Swu and Muivah and NSCN led by Khaplang. NSCN (IM) is working with the total member of 3000 while NSCN-K operating with total member of 2000 caders. The groups collect funds through revolutionary taxation, drugs trafficking and by selling weapons to other insurgent groups of this region. As mentioned in numerous newspapers they provide training support to the other insurgent groups of northeast region. Both the faction tries to maintain umbrella relation for fighting against Indian army.

There is high number of insurgent groups in Manipur. It was reported that in 2005 there were at least 30 insurgent outfit groups with a member of 10,000 caders operating in the state. The primary objective of these insurgent groups is to from a separate Meitei state for the Manipuris. The major Manipuri insurgent group is the United National Liberation front (UNLF) formed in 1965 under the leadership of Samarendra Singh demanding an independent socialist state of Manipur. People Rovolutionary Party of Kongleipak (PREPAK) is another armed insurgent group demanding a sovereign Manipur State. People's Liberation Army is a leftist organisation formed in 1978 with a goal of liberating Manipur from Indian Union. Revolutionary Govt. of Manipur (RGM), Kanglipak Communist Part (KCP) and People's Liberation Army (PLA) are some of the militant outfit who takes trainning from China. There is also inter ethnic groups of Manipur particularly with the Kuki's. While the Kuki National front have been struggling for a separate state. The Muslim of this state also foms insurgent groups like NE Minority Front, Islamic National Front etc. Most of these insurgent groups have opposed

the peace talk. Ofcourse, the UNLF certainly agreed for negotiation.

The NSCN, a section of ULFA leaders, surrenders to the Govt. of India and tries to resolve their issues through constitutional way while the underground section is still counting their fight for sovereign Nagaland. The NDFB (S) in also alerting insurgent group of Assam fighting for separate statehood for the Bodos. At present the NDFB (S) is most powerful and active insurgent group of Assam. With the strength of about 2000 members, cadres involves in kidnapping, murdering, bombing and killing the police, security forces, Govt. officials, civilians etc. The Karbi Longri N.C Hills Liberation Front (KLNLF) is another militant outfit which was formed in 2004. These militant outfit is working in Karbi Anglong and Dima Hasao districts of Assam. There is also the Muslim United Liberation Front of Assam (MULFA) but not an active one who demands for forming a Muslim state. The Dima Hasao Daoga also krown as Dia Halim Daogah argues for Dima Hasao state for the Dimasa Tribes. The Kamatapur Liberation Organisation (KLO) was active in western parts of Assam, Dhubri, Kokrajhar, Bongaigaon and Goalpara districts and North Bengal.

Mizoram is also not free from insurgency. The Mizo National Front was the major insurgent group of Mizoram that was formed in 1961 to home sovereign Mizo state. However, the Govt. of India has successfully managed the Mizo National front rebels. The Mizo rebels agreed to surrenders and recognised the Indian sovereignty in 1986. From that time onwards there is no such major insurgent uprising in the state. Of course, there are some small insurgent uprising is going on. The HPC (D) is another newly emerged armed insurgency group of Mizoram which was formed in 1995, to form separate Hmar State.

A present, the insurgent outfit is demanding for a separate administrative unit according to the Sixth Schedule of Indian constitution.

The insurgent tension in Tripura started in the end of 1970s due to ethnic conflict between the Bengali immigrants and the indigenous tribal people. The Tripura Tribal's Youth is the main insurgent group of Tripura that was formed in 1967. Bijoy Kumar Hrangkhowl, the underground king later formed the Tribal's National Volunteers and has become the main insurgent group of the State. It was a strong insurgent group of Tripura. During 1979-80 it has killed more than 1800 people. After the surrender of Hrangkhawl in 1989, a new group within the organisation in the name of National Liberation Front of Tripura came up as the most powerful insurgent group. Again, another group was formed as All Tripur Tiger Force in 1990 to protect the interest of native people. They were involved in attacking the civilians, kidnapping, extortion of industries etc.

The Naga insurgent groups NSCN-IM and NSCN-K conduct operations in the state of Arunachal Pradesh. Both the groups conduct major attacks against the security forces in the state. The ULFA also tries to act up conducts operating from this state. However, in 2001 the local group formed a insurgent outfit in the name of the Arunachal Dragon Force (ADP) to protect the ethnic identity and to have a sovereign state for Khampti tribes. The newly formed insurgent groups such as Adivast Security Force (ASF) receive training and form of support from the NSCN and the ULFA.

Meghalaya is relatively a peaceful state in comparison to other state of North East India. However, the problem of ethnic assertion arises due to certain reason such as division between tribal and non-tribal, identity crisis and corruption. The major insurgant groups are the Garo National Liberation Army (GNLA). Hynniewtrop National Liberation Council (HNLC) and Anchalic National Volunteer Council (ANVC). The ANVC was formed with the aim of forming an Anchalik State in the Garo Hills. The HNLC was formed with the aim of taking separate state from the alleged Garo and the non-tribal of the region. The GNLA was formed in 2009 under the leadership of former deputy Superintendent of Police of Meghalaya, with an aim to establish a separate Garo land for the Garo people.

Most of the insurgent groups of North East India maintain good relation with the neighbouring countries. With the help of these neighbouring countries all these insurgent groups have become well equipped with sophisticated arms and weapons. Negotiation for peaceful settlement of disputes with the terrorist groups is the most desirable way to reduce the intensity of terrorism. Besides, allocation of more central resources to this region is urgently needed to alleviate unemployment, poverty and deprivation so that people's discontent and insurgency problem could be tackled. ■

# পূৰ্বভাৰতৰ প্ৰাচীন ভূগোল

ড° নৰেন্দ্ৰ নাথ ভট্টাচাৰ্য্য

ৰামায়ন, মহাভাৰত আৰু পুৰাণসমূহত গংগানদীৰ পূৱফালে অৱস্থান কৰা ভাৰতৰ ভূমি ভাগক ‘ পূৰ্বভাৰত’ বুলি উল্লেখ কৰা আছে। এতিয়াৰ সাৰ্বভৌম ৰাষ্ট্ৰ বাংলাদেশ,পশ্চিমবংগ, চিকিম, সমগ্ৰ উত্তৰ-পূৰৰ সাতখন ৰাজ্য পূৰ্বভাৰতৰ অন্তৰ্গত।পৌৰাণিক সাহিত্যত উৰিষ্যা, ঝাড়খণ্ড, বিহাৰ আদি ৰাজ্যসমূহক পূৰ্বভাৰতৰ ভিতৰত ধৰা নাছিল। প্ৰাগৈতিহাসিক যুগত পূৰ্বভাৰতত প্ৰাগজ্যোতিষ নামৰ এখন স্বাধীন ৰাজ্য আছিল। ঐতিহাসিক যুগৰ আৰম্ভণিৰ লগে লগে অৰ্থাৎ চতুৰ্থ শতিকামানত এই স্বাধীন ৰাজ্যখন ভাঙি কামৰূপ নামৰ নতুন ৰাজ্য এখন গঠিত হয়। এই ঐতিহাসিক ৰাজ্যখন ১৩ শতিকালৈকে অৰ্থাৎ আহোমসকল অহাৰ সময়লৈকে আছিল। ইয়াৰ পাছত কামৰূপ ৰাজ্যখন সঙ্কুচিত হৈ অসম হয়। ক্ৰমবিকাশৰ ভিত্তিত বুৰঞ্জীবিদসকলে ভাৰত বুৰঞ্জীক প্ৰাচীন, মধ্য আৰু আধুনিকযুগ এই তিনি অংশত ভাগ কৰিছে। ভাৰত বুৰঞ্জীৰ এই মধ্যযুগটো অষ্টম শতিকাত আৰম্ভ হৈ ওঠৰ শতিকাত শেষ হয়। মধ্যযুগত ভাৰতৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আদি বিভিন্ন ক্ষেত্ৰত পৰিৱৰ্তন দেখা যায়। সেইদৰে আধুনিক যুগতো পৰিৱৰ্তনৰ ধাৰা চলি আছে। অষ্টম শতিকাৰ আগৰছোৱা কালৰ বুৰঞ্জী পোৱা অতি টান। এই যুগটোক ভাৰতৰ প্ৰাচীন যুগ বোলা হয়। ভালেমান পণ্ডিতে ভাৰতৰ প্ৰচীন যুগৰ বিষয়ে ৰামায়ন, মহাভাৰত, বিভিন্ন পুৰাণ আদিৰ পৰা তথ্য সংগ্ৰহ কৰি আৰু ভালেমান শিলালিপি আৰু তামৰ ফলিৰ পাঠ উদ্ধাৰ কৰি সুন্দৰ বিৱৰণ দিব পাৰিছে।

পুৰণি অসমৰ নাম আছিল প্ৰাগজ্যোতিষ আৰু ইয়াৰ নিকটৱৰ্তী বংগৰ বিষয়ে গ্ৰীক আৰু ৰোমানসকলে জানিছিল। গ্ৰীক আৰু ৰোমান পণ্ডিতসকলে পূৱভাৰতৰ বিভিন্ন অঞ্চললৈ আহি কিছুমান স্থান অধ্যয়ন কৰিছিল। খৃষ্টীয় প্ৰথম শতিকাত ভূমধ্যসাগৰীয় উপকূল অঞ্চলৰ পেৰিপ্লাছ অৱ স্কিলাস্ক (Periplus of Sylax), মালবাৰ উপকূলীয় অঞ্চলৰ পেৰিপ্লাছ অৱ ইৰিথ্ৰীয়ান নামৰ গ্ৰন্থ এখন ৭৯ চনত লিখা হৈছে। এই গ্ৰন্থখনৰ মতে গংগানদীৰ পৰদিশৰ ছ্ৰিছি (Chryse) আৰু ডিছ (This) দুখন ৰাজ্য আছিল। এই ছ্ৰিছি দেশখন গংগানদীৰ মোহনা অঞ্চলত আৰু ডিছৰাজ্য ইয়াৰ কিছু উত্তৰত অৱস্থান কৰিছিল। টোলেমীয়ে দ্বিতীয় শতিকাত ট্ৰিটিজ অ'ন জিয়’গ্ৰাফী, এলমাগেষ্ট, গাইডটু জিয়’গ্ৰাফী নামৰ গ্ৰন্থকেইখন ৰচনা কৰিছিল। পেৰিপ্লাছ অৱ দি ইৰিথ্ৰীয়ান ছি (Periplus of the Erythrean Sea) নামৰ গ্ৰন্থখনত ডিছ (This) নামৰ ৰাজ্যখনক প্ৰাগজ্যোতিষ বুলিয়েই চিনাক্ত কৰিছে। সেইদৰে ছ্ৰিছি ৰাজ্যখন প্ৰাকৃতিক হিচাপে ব-দ্বীপীয় আছিল। টোলেমীৰ গ্ৰন্থত পূবভাৰতৰ এটি সংক্ষিপ্ত ভৌগোলিক বিৱৰণ পোৱা যায়। প্ৰাকৃতিক হিচাপে সমগ্ৰ অঞ্চলটোক ব-দ্বীপীয়, নদী-উপত্যকা, মালভূমি আৰু হিমালয় পাৰ্বত্য এলেকাত ভাগ কৰিব পাৰি। গংগাৰ মোহনা অঞ্চলটোক ব-দ্বীপীয়, গংগা আৰু ব্ৰহ্মপুত্ৰৰ সমভূমি অংশ নদী উপত্যকা, বংগৰ পশ্চিম অংশ আৰু মেঘালয় আৰু কাৰ্বি পাহাৰ মালভূমি আৰু পূব হিমালয় অংশক পূব ভাৰতৰ পাৰ্বত্য অঞ্চল বোলা হয়। টোলেমীৰ মতে পূব হিমালয়ৰ উত্তৰ অংশৰ বিপিৰছ (Bepyrrhos), মৈইনদ্ৰছ (Moindros), দোমাচ্ছা (Domassa), আৰু ছিমন থিন’ছ (Siman thinos) নামৰ চাৰিশাৰী পৰ্বতে আগুৰি আছে। টোলেমীৰ বিপিৰছক ভূটান আৰু মৈইনদ্ৰছক কামেং অঞ্চল বুলি চিনাক্তকৰণ কৰা হৈছে। দোমচ্ছা পৰ্বতমালাই সমগ্ৰ ছিয়াং অঞ্চল আগুৰি আছিল। ছিয়াং জিলাৰ উত্তৰাংশত ছিমন থিন’ছ পৰ্বতমালা অৱস্থান কৰিছিল। এই সমগ্ৰ পৰ্বতশ্ৰেণীৰ মাজত কিছুমান নামহীন পৰ্বতমালাই অৱস্থান কৰি অঞ্চলটোক বন্ধ কৰি তুলিছিল। কালিকা পুৰাণত বিপিৰছক বিভ্ৰটগিৰি বোলা হৈছিল। আজিকালি ই ভূটান নামে পৰিচিত। বিপিৰছ বা বিভ্ৰাটগিৰিৰ পৰা ভৈৰবী (ভৰলী) আৰু বাৰ্ণা (বৰলীয়া) নাম লৈ দুখন নৈ ওলাই আহি ব্ৰহ্মপুত্ৰত পৰিছে। দোমাচ্ছা পৰ্বতৰ পৰা ডোৱানেছ (Doanes) আৰু দৰিয়া (Doria) নামেৰে দুখন নৈ দক্ষিণ দিশলৈ প্ৰবাহিত হৈ আছিল। টোলেমীৰ বিৱৰণ মতে এই নৈ দুখন দিবং নৈৰ উপনৈ হ’ব। দৰিয়া নৈখনক পণ্ডিতসকলে বৰ্ত্তমানৰ চাংলাই বুলি চিনাক্ত কৰিছে। টোলেমীয়ে গল্ডেন খেৰছোনছ (Golden Khersonse) নামৰ আন এখন পৰ্বতৰ নাম উল্লেখ কৰিছিল। এই পৰ্বতৰ পৰা খেৰছোনা নামৰ নৈ এখন দক্ষিণ দিশলৈ প্ৰবাহিত আৰু এই নৈখনক সোৱনশিৰি নামেৰে চিনাক্ত কৰা হৈছে। ইয়াৰ পুৰণি সুঁতিটোৰ নাম খেৰসুতি। টোলেমীয়ে উল্লেখ কৰা ছেৰ’ছ নামৰ নৈখন দুটা সুঁতিৰে গঠিত। এটা সুঁতিৰ নাম দিহিং আৰু আনটো লোহিত আৰু এই দুয়োটা সুঁতিৰে মিলিত স্ৰোত হ’ল ছিৰিলুইত। ইউৰোপীয় ভ্ৰমণকাৰীসকল অহাৰ সময়ৰ পৰা অৰ্থাৎ খৃষ্টীয় শতিকাৰ আদি

ভাগৰ পৰা এই অঞ্চলৰ ভূ-অৱয়ববোৰ সলনি হৈ আছে। উদাহৰণ স্বৰূপে শুৱালকুছি আৰু কামাখ্যাৰ মাজত এখন পাহাৰুৱা উচ্চভূমি আছিল। এতিয়া ঠাইদুখনৰ মাজেৰে ব্ৰহ্মপুত্ৰ নদ বৈ গৈছে। এই ভূ-প্ৰকৃতিসমূহৰ সলনি হোৱাৰ প্ৰধান কাৰণবোৰ হ'ল এই অঞ্চলত সঘনে হৈ থকা ভূমিকম্প, গড়াখহনীয়া আৰু বানপানী।

খৃষ্টপূৰ্ব পঞ্চম শতিকামানৰ পৰা প্ৰাগজ্যোতিষ আৰু পূৰ্বভাৰতৰ প্ৰাকৃতিক, সামাজিক আদিৰ বিষয়ে গ্ৰীক আৰু ৰোমান পণ্ডিতসকলে বিভিন্ন গ্ৰন্থৰ সহায়ত বিশ্বৰ দৰবাৰত পৰিচিত কৰি দিছিল। গ্ৰীক আৰু ৰোমানসকলে প্ৰাচীন অসমক প্ৰাছী (Prasi) আৰু গংগাৰিডি বুলি জানিছিল। খৃষ্টপূৰ্ব ৫০০ বছৰ আগতে মিলেটাছৰ হেক্টছে এই অঞ্চলত বসবাস কৰা ইনদৈ (Indoi), কাকটিয়াই (Kakatiai) আৰু অ'পিয়াই (Opiai) আদি বিভিন্ন জনগোষ্ঠীৰ বিৱৰণ দিছে। বুৰঞ্জীবিদসকলে কাকটিয়াইসকল অসমৰ কলিকতাজাতি বুলি চিনাক্ত কৰিছে। গ্ৰীক ৰাজদূত মেগাস্থিনিছে লেখা ইণ্ডিকা নামৰ  গ্ৰন্থখনত গংগাৰিডি, স্কিৰিটে বা কিৰাত জনজাতিৰ কথা উল্লেখ কৰিছে। হেৰোড'টাছে (খৃঃপূঃ ৪৮০) কাকটিয়াই আৰু গংগাৰিডিসকলক পূৰ্বভাৰতৰ অতি প্ৰাচীন জনগোষ্ঠী বুলি মত প্ৰকাশ কৰিছে। খৃষ্টীয় দ্বিতীয় শতিকাত টোলেমীয়ে ট্ৰিটিজ অন জিয়'গ্ৰাফ্ৰি গ্ৰন্থখন ৰচনা কৰিছিল। এইখন গ্ৰন্থত গংগাৰিডিসকল যে অতি পৰাক্ৰমী জাতি আছিল তাক কিছু বহলাই বৰ্ণনা কৰিছিল। এওঁলোকৰ হস্তীবাহিনী আছিল শক্তিৰ প্ৰধান উৎস। ঐতিহাসিক যুগত চন্দ্ৰগুপ্ত মৌৰ্য্যই (খৃঃপূঃ ৩২৮-২৯৮)পূব ভাৰতৰ উত্তৰ বংগৰ কিছু অংশ অধিকাৰ কৰে। সেই সময়ত ইয়াত সমতট নামৰ ৰাজ্য আছিল। চন্দ্ৰগুপ্ত মৌৰ্য্যৰ শাসন কালত পূব ভাৰতৰ আৰ্য সংস্কৃতিৰ প্ৰৱেশ ঘটিছিল বুলি বুৰঞ্জীবিদসকলে কয়। ইয়াৰ আগতে এই অঞ্চলত আদিম মানৱৰ সভ্যতাই গঢ় লৈছিল। কিছুমান ঠাইত পুৰণি প্ৰস্তৰ যুগ আৰু তাম্ৰযুগৰ সমল কিছুমান আৱিস্কাৰ হৈছিল।  অষ্ট্ৰিক নামে পৰিচিত আছিল ইয়াৰ আদিম অধিবাসীসকল। এওঁলোক চাওতাল, লোধা, শবৰ, মুণ্ডা, কিৰাত আদি বিভিন্ন জনগোষ্ঠীত বিভক্ত আছিল। এওঁলোকৰ পাছত আহে দ্ৰাবিড় ভাষাগোষ্ঠীৰ মানুহ আৰু সৰ্বশেষত আহে আৰ্য্যসকল। এই জনগোষ্ঠীৰ লোকসকলে অৰ্থাৎ অষ্ট্ৰিক, কিৰাত, দ্ৰাবিড় আৰু আৰ্যসকলে পূৰ্বভাৰতৰ প্ৰাচীন সভ্যতা সংস্কৃতিৰ ভেটি তৈয়াৰ কৰিছিল। অষ্ট্ৰিকসকলৰ অবদান আছিল কৃষি, দ্ৰাবিড়সকলৰ নগৰ সভ্যতা আৰু আৰ্যসকলে ইয়ালৈ আহিছিল সংস্কৃত ভাষা, সাহিত্য, ধৰ্ম আৰু সামাজিক প্ৰথা। তামৰ ব্যৱহাৰ আছিল এই সভ্যতাৰ এটি প্ৰধান বৈশিষ্ট্য। ভালেমান ঠাইত তামৰ খনি আছিল। সেই সময়ত ধলভূম তামৰ খনিৰ বাবে বিখ্যাত আছিল। বংগোপসাগৰৰ পাৰত তাম্ৰলিপ্ত (তমলুক) নামৰ বন্দৰ এটা গঢ়ি উঠিছিল। এই বন্দৰৰ যোগেদি ধলভূমৰ তাম ক্ৰিট দ্বীপ আৰু ভূমধ্যসাগৰীয় দেশবোৰলৈ ৰপ্তানি কৰা হৈছিল। খৃষ্টপূৰ্ব ৬৪ চনত ষ্টেবো নামৰ গ্ৰীক পণ্ডিত এজনে এমছিয়াত জন্ম গ্ৰহণ কৰিছিল। তেওঁ জিঅ'গ্ৰাফি' নামৰ গ্ৰন্থ এখন প্ৰণয়ন কৰিছিল। তেওঁৰ গ্ৰন্থত ওইডানেছ (Oidanes) নামৰ নৈ এখন গংগানদীৰ সৈতে লগ লাগি সাগৰত পৰাৰ কথা উল্লেখ আছে। ওইডানেছ নৈখন ব্ৰহ্মপুত্ৰই হ'ব। এইব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ দুখনমানত সেইসময়ত কিছুমান লোকে নৈৰ বালিৰ পৰা সোণ উৎপন্ন কৰিছিল বুলি গ্ৰন্থখনত বৰ্ণনা কৰা হৈছে। তদুপৰি ছিৰিছ (অসম) দেশৰ হাবিত হাতী থকাৰ কথাও উল্লেখ আছে। প্ৰথম শতিকাত ৰচনা কৰা প্লিনিৰ (Pliny) প্ৰাকৃতিক বুৰঞ্জীখনত হিমালয় অঞ্চলত বসবাস কৰা তিব্বেতোবাৰ্মান গোষ্ঠীৰ লোকসকলৰ কিছু বিৱৰণ দিয়া আছে। প্লিনিয়ে তেওঁৰ গ্ৰন্থত আন আন লোকগোষ্ঠীৰ কথাও উল্লেখ কৰিছে। এওঁলোকৰ ভিতৰত ছেৰাইছ বা ছাৰাইছ, মনডাই, কোলুতা, ওৰনুলাই আৰু আবলিয়েই প্ৰধান। মনডাইসকলক গাৰো, আবলিসকলক আদি, কোলুতাসকলক কলিতা বুলি চিনাক্ত কৰিছে। ছিৰিছৰ (অসম) লো, পাট, চামৰা আৰু কাপোৰক উৎকৃষ্ট মানৰ বুলি উল্লেখ কৰিছে। ব্ৰহ্মপুত্ৰ নৈত ঘঁৰিয়াল, ডলফিন আদি বিভিন্ন জলজ প্ৰাণী পোৱা যায় বুলি কোৱা  হৈছে। গ্ৰীক আৰু ৰোমান পণ্ডিতসকলৰ  লেখাত পূৰভাৰতৰ প্ৰধান ৰাজ্য আছিল ছিৰিছ বা ডিছ যিখনক প্ৰাগজ্যোতিষ বুলি চিনাক্ত কৰা হৈছে। তেওঁলোকে উল্লেখ কৰা ঠাইবোৰ সাগৰৰ পাৰত, গংগাৰ পাৰত, ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈবোৰৰ কাষত, মালভূমিৰ ওপৰত আৰু হিমালয়ৰ পাদদেশত অৱস্থান কৰা বুলি বৰ্ণনা দিছে। এই ঠাইসমূহৰ কিছুমান বাণিজ্য কেন্দ্ৰ, কোনোটো বন্দৰ, কিছুমান নগৰ, কিছুমান তীৰ্থস্থান, কোনোখন দেশৰ ৰাজধানী আৰু বাকীবোৰ জনপদ আৰু গাঁও।

গ্ৰীক আৰু ৰোমানসকলে উল্লেখ কৰা পূৰ্বভাৰতৰ প্ৰধান ৰাজ্যৰ নাম ডিছ (This) বা ছিৰিছ (Seres) অৰ্থাৎ প্ৰাগজ্যোতিষ। ইয়াৰ ৰাজধানী আছিল থিনা (Thina) বা প্ৰগজ্যোতিষপুৰ। এই থিনাচহৰৰ যোগাযোগ ব্যৱস্থা ভাল নাছিল। তথাপি ইয়াত প্ৰতিবছৰে একোখন বজাৰ বা হাট বহিছিল। এই হাটখনত হাতীৰ দাঁত, মুছলিন কাপোৰ, পাটৰ কাপোৰ আৰু সূতা, সোণৰ মুদ্ৰা, তেজপাত, ছিপটাচোৰা গছৰ ফল, লা, তাৰোৱাল, ধনুকাঁড়, ৰূপ, লো আদি বিভিন্ন বস্তুৰ বেহা-বেপাৰ চলিছিল। থিনাৰ এই বাৰ্ষিক বজাৰখনলৈ গ্ৰীক আৰু ৰোমান সদাগৰ কিছুমানো বেহাবেপাৰ কৰিবলৈ আহিছিল। বিদেশীসকলে ৰূটি আৰু কাপোৰ সলনি কৰি ফলমূল আৰু ৰঙৰ গুটি লৈছিল। ৰাজ্যখনত দুটা স্বদেশীয় লোকগোষ্ঠীয়ে বাস কৰিছিল। এটা পাহাৰীয়া জনগোষ্ঠী বা কিৰাত জনগোষ্ঠী আৰু আনটো ভৈয়ামৰ বা সমতলৰ জনগোষ্ঠী। কলিতাসকল সমতল অংশৰ প্ৰধান জনগোষ্ঠী আছিল। বিদেশীসকলৰ বাহিৰেও স্বদেশীয় লোকগোষ্ঠীৰ মাজতো বেহা-বেপাৰৰ লেনদেন চলিছিল। পশ্চিমবংগ আৰু বাংলাদেশৰ বৃহৎ অংশ প্ৰাগজ্যোতিষ ৰাজ্যৰ অন্তৰ্গত আছিল। মছলিয়া (মছুলিপটম)

আন এখন বাণিজ্য কেন্দ্ৰ আছিল। ত্ৰিপুৰা গ্ৰীক-ৰোমানসকলৰ দিনত ছ্বিছি নামে জনাজাত আছিল। ত্ৰিপুৰাতো গংগাৰ পাৰত এখন বেপৰুৱা ঠাই গঢ়ি উঠিঠিল। এই ঠাইখনৰ নামো ছ্বিছি আছিল আৰু ইয়াত স্থানীয়ভাৱে উৎপন্ন হোৱা জটামাংসী (Spikenard), কাছৰ চলং, শস্যৰ থোৰ, পাণ-তামোল, গংগা অঞ্চলৰ মুছলিন কাপোৰ আদিৰ বেহা চলিছিল। টোলেমীয়ে নিজে থিনাৰৈ (প্ৰাগজ্যোতিষপুৰ) অহাৰ কথা লিখিছে। ৰাজধানী প্ৰাগজ্যোতিষপুৰৰ লোকসকল দেখিবলৈ প্ৰাচীন ইজিপ্তৰ লোকসকলৰ দৰে আৰু টোলেমী নিজে দেখিবলৈ ইয়াৰ লোকসকলৰ দৰে বুলি উল্লেখ কৰিছে। তেওঁৰ লেখাত ডিমাছা, নগা-লোগৈ, বেৰোহৈ আদি জনগোষ্ঠীৰ নামো উল্লেখ আছে। আলেকজেণ্ডাৰৰ পাছত মেগাস্থিনিছ টোলেমী, ষ্ট্ৰেব', প'ম্প'নিৰাছ মেলা, এমমিয়ানছ মাৰ্চেলিয়াছ, পৌছানিয়াছ আদি গ্ৰীক আৰু ৰোমানপণ্ডিত সকলে ভাৰতৰ বিষয়ে বিভিন্ন কথা লিখি থৈ গৈছে। এই পণ্ডিতসকলৰ কিছুমানে ভাৰতৰ উত্তৰপূৰ্বত অৱস্থান কৰা অতি দুৰ্গম পাহাৰী ৰাজ্য প্ৰাগজ্যোতিষ আৰু ইয়াৰ আশে-পাশে থকা আন কিছুমান অঞ্চলো ভ্ৰমণ কৰিছিল। কিছুমানে বেহা-বেপাৰ কৰিছিল। এই চমু লেখাটো গ্ৰীক আৰু ৰোমানসকলে প্ৰণয়ণ কৰা বিভিন্ন গ্ৰন্থৰ সহায়ত যুগুত কৰা হৈছে। প্ৰবন্ধটো লিখাৰ প্ৰধান উদ্দেশ্য হ'ল গ্ৰীক,ৰোমান, ভাৰতীয় আৰু আন আন ইউৰোপীয় পণ্ডিতসকলে অনেক কষ্ট কৰি আমাৰ দেশৰ প্ৰাচীন ভূ-প্ৰকৃতি,নদ-নদী, মানুহ, জীৱিকা, প্ৰধান বাণিজ্য কেন্দ্ৰ, সংস্কৃতি আদি বিভিন্ন বিষয়ৰ কথা লিখি গৈছে। এইবোৰ নতুনকৈ অধ্যয়ন কৰিলে প্ৰাচীন অসম আৰু পূৰ্ব-ভাৰতৰ ভালেমান নতুন কথা জানিব পৰা যাব আৰু ভূগোল আৰু বুৰঞ্জীত নকৈ সন্নিৱিষ্ট কৰিব পাৰি। ■

# গোৱালপাৰা জিলাৰ ঐতিহ্যমণ্ডিত স্থানসমূহৰ বিশ্লেষণ

**ৰাৰ্জিয়া বেগম**
ষষ্ঠ যান্মাসিক, ইতিহাস বিভাগ

**শ্ৰী সূৰ্য্য পাহাৰ ঃ**

সাতোটা পাহাৰৰ সমষ্টি শ্ৰী সূৰ্য্য অকল গোৱালপাৰা জিলাৰেই নহয় সমগ্ৰ অসম তথা ভাৰতৰ বাবে গৌৰৱৰ বিষয়। ইয়াত প্ৰাচীন হিন্দু, বৌদ্ধ আৰু জৈন সংস্কৃতিৰ সংমিশ্ৰণ দেখিবলৈ পোৱা যায়।

আনুমানিক ১০ ৰ পৰা ১১ শতিকাৰ ভিতৰত নিৰ্মাণ কৰা বৌদ্ধ স্তম্ভ, শিলত খোদিত বৌদ্ধ আৰু জৈন মূৰ্ত্তি আৰু ভাস্কৰ্য্য, শিৱলিংগ, যোগীপীঠ সমূহ, বিভিন্ন হিন্দু দেৱ-দেৱী যেনে সূৰ্য্য, শিৱ, ব্ৰহ্ম আদিৰ মূৰ্ত্তি বিভিন্ন আকাৰৰ আ-অলংকাৰ, পোৱা মাটিৰ মূৰ্ত্তি, তথা ইটাৰে নিৰ্মিত মঠৰ ভগ্নাৱশেষ সমূহে সন্মিলিত ভাৱে শ্ৰী সূৰ্য্য পাহাৰৰ ঐতিহাসিক মূল্য বৃদ্ধি কৰিছে। এইবোৰৰ নিৰ্মাণ কাল আনুমানিক ৮ ৰ পৰা ১৩ শ শতিকাৰ ভিতৰত বুলি অনুমান কৰা হৈছে।

শ্ৰী সূৰ্য্য পাহাৰক লৈ যথেষ্ট বিশ্বাস জড়িত আছে। এক বিশ্বাস মতে শ্ৰী সূৰ্য্য পাহাৰ সূৰ্য্য দেৱতাৰ বাসস্থান। অন্য এক বিশ্বাস আছে যে শ্ৰী সূৰ্য্য পাহাৰক দ্বিতীয় কাশী লৈ ৰূপান্তৰ কৰাৰ উদ্দেশ্যেৰে ইয়াত ৯৯,৯৯৯ টা শিৱ লিংগৰ নিৰ্মাণ কৰা হৈছিল।

**পঞ্চৰত্ন ঃ**

পঞ্চৰত্ন ‘‘শিৱ থান’’ প্ৰাচীন স্থাপত্য ভাৰ্স্কয্যৰ বাবে জনাজাত। ইয়াত খ্ৰীষ্টীয় যুগৰ পূৰ্বৰ শিলৰ স্তম্ভ উদ্ধাৰ কৰা হৈছে। তদুপৰি শিল কাটি নিৰ্মাণ কৰা এটি মন্দিৰ আৰু শিৱ লিংগও উদ্ধাৰ কৰা হৈছে। এইবোৰ ১০ ৰ পৰা ১১ শতিকাৰ ভিতৰত নিৰ্মাণ কৰা বুলি অনুমান কৰা হয়। পাঁচটা ৰত্ন থকাৰ বাবে এই পাহাৰখন ‘‘পঞ্চৰত্ন পাহাৰ’’ নামেৰে খ্যাত হৈছে বুলি লোক বিশ্বাস।

**পাগলাটেক ঃ**

পাগলাটেক গোৱালপাৰা জিলাৰ প্ৰাচীন পুৰাতাত্ত্বিক স্থান সমূহৰ ভিতৰত অন্যতম। পাগলাটেকৰ ইতিহাসে আমাক গুপ্ত যুগলৈ নিয়ে। ইয়াত উদ্ধাৰ হোৱা কেইটামান সোণৰ মুদ্ৰাক পুৰাতাত্ত্বিক সকলে আনুমানিক ৭০০ খ্ৰীষ্টাব্দৰ হ’ব বুলি অনুমান কৰিছে। ইয়াত উদ্ধাৰ হোৱা সোণৰ মুদ্ৰাই প্ৰমাণ কৰে পাগলাটেক প্ৰাচীনকালত ব্যৱসায়ৰ এটি কেন্দ্ৰ আছিল। পুৰাতাত্ত্বিক সকলে পাগলাটেকত শিল কাটি নিৰ্মাণ কৰা ব্ৰহ্মপুত্ৰ নদীৰ ফালে মুখ কৰি থকা এটি গুহা উদ্ধাৰ কৰিছে। তদুপৰি শিলৰ মন্দিৰ, মন্দিৰৰ ধ্বংসাৱশেষ আৰু এটা যোগীপীঠ উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে, যাৰ সময় সীমা আনুমানিক ১১০০ খ্ৰীষ্টাব্দ।

পাগলাটেকত ইটাৰে নিৰ্মিত দেৱাল উদ্ধাৰ কৰা হৈছে। সাম্প্ৰতিক সময়ত পাগলাটেকত এটা মন্দিৰ নিৰ্মাণ কৰা হৈছে। শিৱৰাত্ৰি বৰ ধুমধামেৰে এই মন্দিৰত আয়োজন কৰা হয়। প্ৰতিবছৰে এই মন্দিৰত শিৱৰাত্ৰিৰ উদ্‌যাপন যথেষ্ট ধুম্‌ধাম্‌কৈ হয় যাৰ বাবে এই উৎসৱ ঠাইখনৰ প্ৰধান ধৰ্মীয় উৎসৱ হিচাপে জনপ্ৰিয় হৈছে।

**টুক্ৰেশ্বৰী পাহাৰ ঃ**

টুক্ৰেশ্বৰী পাহাৰ গোৱালপাৰা জিলাৰ ঐতিহাসিক ঠাই সমূহৰ ভিতৰত এটি গুৰুত্বপূৰ্ণ ঠাই। টুক্ৰেশ্বৰী পাহাৰে ইতিহাস আৰু পৰিৱেশিক দুয়োটা দিশতেই তাৎপৰ্য্য বহন কৰিছে। ইয়াত এটি প্ৰাচীন শিৱলিংগ উদ্ধাৰ কৰা হৈছে। বিশ্বাস কৰা হয় যে, শিৱৰ পত্নীৰ মূল শৰীৰৰ এটি অংশ টুক্ৰেশ্বৰী পাহাৰত পৰিছিল। টুক্ৰেশ্বৰী মন্দিৰ সেইবাবে ‘সতী’ লৈ উৎসৰ্গিত কৰা হৈছে। ‘টুক্ৰেশ্বৰী’ শব্দটো ‘টুকুৰা’ শব্দৰ পৰা ওলোৱা যাৰ অৰ্থ হৈছে ‘অংশ’। ইয়াত যথেষ্ট ভক্তৰ ভিৰ দেখা পোৱা যায়।

টুক্ৰেশ্বৰী পাহাৰ জৈৱ বৈচিত্ৰ্যতাৰো অন্যতম বাহক।

**ৰংচাইৰ দদান ঃ**

দদান পাহাৰৰ ইতিহাস প্ৰাকৃতিক সুন্দৰতাৰ সমানেই মাধুৰ্য্যপূৰ্ণ। ইয়াৰ শীৰ্ষত থকা শিৱ মন্দিৰৰ সৌন্দৰ্য্য তথা ঐতিহ্য অনন্য। কোৱা হয় যে প্ৰাচীন অসমৰ বান বজাৰ এজন সেনাপতি দদানে উক্ত শিৱ মন্দিৰটো নিৰ্মাণ কৰিছিল। হাতীৰ দৰে অৱয়ব থকা এটি শিলাখণ্ড দদান পাহাৰত উদ্ধাৰ কৰা হৈছে। কোৱা হয় যে, ধ্যানত ব্যাঘাত জন্মোৱা বাবে বান ৰজাই এটা বনৰীয়া হাতীক ইয়াতেই হত্যা কৰিছিল।

এনে ঐতিহ্যমণ্ডিত স্থান সমূহে আমাৰ গোৱালপাৰা জিলাৰ প্ৰাচীন ইতিহাসক সংৰক্ষণ কৰি ৰাখিছে আৰু গোৱালপাৰা জিলাৰ ঐতিহ্যৰ ভৰাঁল চহকী কৰি থৈছে। ■

# North Eastern States of India

**Nilima Khatun**
Fifth Semester

Northeast India (officially North Eastern Region, NER) is the easternmost region of India representing both a geographic and political administrative division of the country. It comprises - Arunachal Pradesh, Assam, Manipur, Meghalaya, Mizoram, Nagaland, Tripura and Sikkim. The region shares an international border of 5,182 kilometers (3.220 mi) with several neighbouring countries- 1,395 kilometres (867 mi) with Tibet Autonomous Region, China in the North, 1640 kilometres (992 mi) with Bangladesh in the South West, 97 kilometres (60 mi) with Nepal in the West and 455 kilometres (283mi) with Bhutan in the North-West. It comprises an area of 262.230 $km^2$ (101.250 sq mi) which is almost 8 percent of India.

North Eastern Council (NEC), constituted in 1971 as the acting agency for the development of the North Eastern states. Long after induction of NEC, Sikkim formed part of the North Eastern Region as the eighth state in 2002.

**Assam:**

Assam is a state in north-eastern India, situated in South of the Eastern Himalayas along the Brahmaputra and Barak River Valley, Assam covers an area of 78,438 $km^2$ (30.285 sq mi). The state shares its borders with Bhutan and Arunachal Pradesh to the North, Nagaland and Manipur to the East, Meghalaya, Tripura, Mizoram and Bangladesh to the South and West Bengal to the West via the Siliguri corridor, a 22 kilometres (14 mi) wide strip of land that connects the state to the rest of India. It is also one of the world's most populous subdivisions.

Assam is known for several antique elements such as the Assam tea and Assam silk. The state was the first site for oil drilling in Asia. It is also home to the one-Horned Indian Rhinoceros, along with the Wild Water Buffalo, Pygmy Hog, Tigers Snail and various species of Asiatic Birds, and Provides one of the last wild habitats for the endangered Asian elephant. The Assamese economy is aided by wildlife tourism in Kaziranga National Park and Manas National Park, which are amongst the world Heritage sites.

**Meghalaya:**

Meghalaya is a state in Northeast India. Meghalaya was formed by carving out two districts from the state of Assam. The united Khasi and Jaintia Hills and the Garo Hills on 21 January 1972. The population of Meghalaya as of 2016 is estimated to be 3,211,474. Meghalaya covers an area of approximately 22.430 square kilometres, with a length-to-breadth ratio of about 3:1.

The state is bounded to the South by the Bangladesh division of Mymensingh and Sylhet, the West by the Bangladeshi division of Rangpur and to the North and East by India's state of Assam. The capital of Meghalaya is Shillong.

The state has the wettest region of India, with the wettest areas located in the Southern Khasi Hill, recording an average of 12,000 mm (470 in) of rainfall. About 70 percent of the state is forested.

**Mizoram:**

Mizoram is a state in North Eastern India, with Aizawl as its seat of government and capital city. Within India's northeast it is the southernmost landlocked state, sharing borders with three of the seven sister states, namely Tripura, Assam and Manipur. The state also shares a 722 kilometres (449 mi) border with the neighbouring countries, Bangladesh and Myanmar.

Mizoram was previously part of Assam until 1972, when it was carved out as a Union Territory. In 1986 the Indian parliament adopted the 53rd amendment of the Indian constitution which allowed for the creation of the state of Mizoram on 20th February 1987, as India's 23rd state.

According to a 2011 census, in that year Mizoram's population was 1,091,014. It is the 2nd least populous state in the country. Mizoram covers an area

of approximately 21,087 square kilometres. About 91% of the state is forested.

(The two tiered Vantawng Falls with its cascading milky waters makes the onlookers stage at it for hours. This waterfall is located 137 kilometres away from Aizwal and is considered as the highest waterfall of Mizoram having a fall of 750 feet).

**Arunachal Pradesh:**

Arunachal Pradesh is a state in Northeast India. It borders the states of Assam and Nagaland to the South. It shares international borders with Bhutan in the West, Myanmar in the East and a disputed border with China in the North at the McMahan Line. Itanagar is the capital of Arunachal Pradesh. Arunachal Pradesh is the largest of the seven sister states of Northeast India by area. As of the 2011 census of India, Arunachal Pradesh has a population of 1,382,611 and an area of 83,743 $km^2$ (32,333 sq mi). It is an ethnically diverse state.

**Nagaland:**

Nagaland is a state in North Eastern India. It is bordered by the state of Arunachal Pradesh to the North, Assam to the West, Manipur to the South and the Sangaing Region of Myanmar to the East. Nagaland's capital city is Kohima and its largest city is Dimapur. It has an area of 16,579 $km^2$ (6,401 sq mi) with a population of 1,980,602 per the 2011 census of India.

Nagaland become the 16th state of India on 1st December,1963. The state has experienced insurgency as well as an interethnic conflicts, since the 1950s.

Nagaland is mainly known for its famous Hornbill Festival which is visited by thousands of tourists every year.

Dzukou Valley is blessed with diverse species of flowers and shrubs it is most unblemished places in North East in India. This green valley include an array of Rhododendron species.

**Tripura:**

Tripura is a state in North Eastern India. The third smallest state in the country, it covers 10,491 $km^2$ (4,051 sq mi) and is bordered by Bangladesh to the North, South and West by Assam and Mizoram to the East. In 2011 the state had 3,671 032 residents constituting 0.3% of the country's population.

According to 2011 census, Tripura is one of the most literate state in India with a literacy rate of 87.75%. Mainstream Indian cultural elements coexits with traditional practices of the ethnic groups, such as various dances to celebrate religious occasions, wedding and festivities, the use of locally crafted musical instruments and clothes.

The sculptures at the archaeological sites Unakoti, Pilak and Devtamura provide historical evidence of artistic.

**Sikkim:**

Sikkim is a state in North Eastern India. It borders the Tibet Autonomous Region of China in the North and Northeast, Bhutan in the East, Nepal in the West and West Bengal in the South. Sikkim is the second smallest among the Indian states.

A part of the Estern Himalaya, Sikkim is notable for its biodiversity, including alpine and subtropical climates. Sikkim's capital and its largest city is Gangtok. Almost 35% of the state is covered by the Kangchendzonga National Park a UNESCO World Heritage site.

In Sikkim the most beautiful Gurudongmar Lake is present and it catches the eyes of tourists. Gurudongmar lake is one of the highest lakes in the world and in India, located at an attitude of 5,430 m ( 17,800 ft). It is also known as one of the highest freshwater lakes on earth.

**Manipur:**

Manipur is a state in Northeastern India, with the city of Imphal as its capital. It is bounded by the Indian states of Nagaland to the North, Mizoram to the South and Assam to the West. It also borders two regions of Myanmar, Sagaing Region to the East and China to the South. The state covers an area of 22,327 $km^2$ (8,621 sq mi). According to 2011 census, Manipur's population was 2,855,974.

Manipur has primarily an Agrarian economy, with significant hydroelectric power generation potential. Manipur is blessed with a variety of flora and fauna. It is also famous for the Keibul Lamjao, the floating national park. The magnificient fresh water lake is located near Moirang. Floating vegetation in the lake makes it unique from any other weffen in the world. The lake has several 'phumdis' which are floating island in the lake. ■

# Goalpara

**Monali Nath**
**Gitali Das**
Third Semester, Geography Department

The name of Goalpara is said to have originated from the word "Gwaltippika" meaning Guwali village or the village of the milk men. In local dialect "para" means village.

It was a princely state ruled by the Koch kings. Today the erstwhile Goalpara is divided into Kokrajhar, Bongaigaon, Dhubri and Goalpara District.

The history of Goalpara goes back to several centuries. The district came under British rule in 1765. Before this, the area was under the control of the Koch dynasty. In 1826 the British accessed Assam and Goalpara was annexed to the North-East fontier in 1874, along with the creation of district head quarters at Dhubri.

On 1st July, 1983 two districts were split from Goalpara: Dhubri and Kokrajhar. On 29th of September, 1989 Bongaigaon district was created from parts of Goalpara and Kokrajhar.

**Geography** :

Goalpara is located on the banks of the river Brahmaputra, it has an average elevation of 35 metres (114 feet).

Goalpara is endowed with scenic beauty. Hulukanda Hill, located at the heart of Goalpara town on the bank of the Brahmaputra river. The district has large number of fresh water wetlands such as Hashila beel, Kumri beel and Urpad beel, they become the centre for migratory birds from October to March. The evergreen forests on low hills create an undulating landscape.

**Popular Tourist place**: Goalpara is dated with numerous religions places of which some are of historical importance. Shri Surya Pahar among them marks to be a significant site, it boasts to be the confluence point of Buddhism, Hinduism and Jainism. Several Shiva Lingas made of granite lies here along with some statue of Lord Buddha. ■

# চৰ্যাপদৰ মাজেৰে সমাজ জীৱনৰ চিত্ৰ

**মৃত্যুঞ্জয় শৰ্মা**
ষষ্ঠ ষান্মাসিক, অসমীয়া বিভাগ

কোনো লেখকেই সমসাময়িক সমাজ জীৱনৰ প্ৰভাৱৰ পৰা মুক্ত হ'ব নোৱাৰে। লেখকৰ জ্ঞাতেই হওঁক বা অজ্ঞাতেই হওঁক লিখনিত সমাজ জীৱনৰ চিত্ৰ প্ৰতিফলিত হয়। চৰ্যাপদ সমূহৰ মাজেদি সেই সময়ৰ সমাজখনৰ এখনি সুন্দৰ ছবি ফুটি উঠিছে। চৰ্যাকাৰ সকলে ধৰ্মতত্বযুক্ত এই পদসমূহ ৰচনা কৰোঁতে সেই সমাজখনৰ পৰাই কোনো এটি মাধ্যমক ৰূপক বা উপমাৰ দ্বাৰা গুৰুত্বৰ ব্যাখ্যা কৰিছিল। সেয়েহে পদ সমূহ পঢ়ি চালে এখনি সমাজৰ ছবি চকুৰ আগত ভাঁহি উঠে।

চৰ্যাকালীন সমাজখন নানা ৰীতি নীতিৰে ভৰা আছিল। চৰ্যাপদত সমসাময়িক অসমীয়া সমাজখনৰ বিভিন্ন চিত্ৰ প্ৰতিফলিত হোৱা দেখা যায়। অসমৰ সামাজিক, সাংস্কৃতিক, জীৱন-অধ্যয়নৰ ক্ষেত্ৰত চৰ্যাপদেও বৰঙনি যোগাব পাৰে। চৰ্যাত ব্যৱহৃত কুলীনজন, ব্ৰাহ্মন, যোম, চণ্ডাল, শবৰ শোণ্ডিক, কেৱট আদি শব্দই এই কথা প্ৰমান কৰে। উচ্চ শ্ৰেণীৰ জাতিয়ে নিম্ন শ্ৰেণীৰ জাতক অস্পৃশ্য জ্ঞান কৰাৰ কথাও চৰ্যাসমূহৰ মাজেদি প্ৰকাশ পাইছে। সেই ফালৰ পৰা চৰ্যাপদত ঐতিহাসিক, সামাজিক মূল্য ৰোপন কৰিব পাৰি।

চৰ্যাপদ ৰচনাৰ সময়তো দেশত জাতি-ভেদ প্ৰথা আছিল। নীচ জাতিৰ লোকে উচ্চ জাতিৰ লোকক স্পৰ্শ কৰাটো গৰ্বিত কাম বুলি ধৰা হৈছিল। অৱশ্যে উচ্চ-নীচৰ মাজত কেতিয়াবা অসৱৰ্ণ বিবাহো হৈছিল। নৃত্যপৰায়ণা আছিল কাৰণে ডুমুনী, শবৰী আদি তিৰোতা সকলেও ব্ৰাহ্মন কুলত ওপজা পুৰুষৰ মন মুগ্ধ কৰিবলৈ সমৰ্থ হৈছিল।

চৰ্যাৰ সময়ৰ সমাজত বেশ্যা বৃত্তিৰো প্ৰচলন থকাৰ কথা চৰ্যাৰ মাজেৰে জানিব পাৰি। যেনে ঃ-

আলো জেধি তোত্ৰ সম কৰিবে ম সাঙ্গ।
নিঘিন কাহ্নু কাপালি জোই লাঙ্গ।

অৰ্থাৎ জেম যুৱতীক নগৰৰ বাহিৰতে থৈছে যদিও তাইৰ ঘৰলৈ উচ্চ বংশজাত ব্ৰাহ্মনসকলো গৈছে আৰু তাইৰ সংগ লাভ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিছে।

বিয়াত দৰা পক্ষই যৌতুক লাভ কৰিছিল আৰু যৌতুকৰ লোভত অনুসূচিত সম্প্ৰদায়ৰ ছোৱালীকো বিয়া কৰোৱা হৈছিল। কাহ্নুপাদৰ গীত এটিত আছে --

ভোধী বিবাহীআ অহাবিউ জান।
ঝউতুকে কি অ-আনতু ধাম।।

ডুমুনীক বিয়া কৰাই জনম খালো (অৰ্থাৎ, নিজৰ জাত-কুল মাৰিলো), কিন্তু ক্ষতিপূৰণৰ জোখাই ভাল যৌতুক পালোঁ। বিবাহ আদি উৎসৱত পটহ, মাদুল, দুন্দুভি আদি বাদ্য বজোৱা হৈছিল। চৰ্যাপদত চোকাৰী, খোল আদি বাদ্যৰো উল্লেখ আছে।

সেই সময়ত নৃত্য-গীত, বাদ্য-যন্ত্ৰ আদিৰো প্ৰচলন থকাৰ প্ৰমাণ পোৱা যায় চৰ্যাপদ বোৰৰ মাজেৰে।

তিৰোতাসকলে নানা ধৰণৰ প্ৰসাধন দ্ৰব্য আৰু অলংকাৰ ব্যৱহাৰ কৰিছিল। যেনে-- মুক্তাৰ হাৰ, কুণ্ডল, কেৰু আদি। তিৰোতাসকলে খোপা বান্ধি ময়ূৰ পাখি পিন্ধা কথাও চৰ্যাত উল্লেখ পোৱা যায়। সেই সময়ত তুলাধুনা তাঁত-বোৱা আদি প্ৰক্ৰিয়াৰ প্ৰচলন আছিল আৰু চোৰে সুবিধা পালে অলংকাৰ-পাতি চুৰি কৰিও নিছিল। যেনে ঃ-

কাণেী চোৰে নিল অধৰাতী।
(মাজ নিশা চোৰে কাণৰ অলংকাৰ লৈ গ'ল)

চুৰি ডকাইতি প্ৰতিকাৰৰ অৰ্থে চোকা প্ৰহৰীৰ ব্যৱস্থা আছিল আৰু দুৱাৰত তলাও লগোৱা হৈছিল।

অসমীয়া সংস্কৃতিৰ লগত তামোলৰ এক নিবিড় সম্পৰ্ক আছে। তামোলৰ বাবে অসম বিখ্যাত। তামোলৰ লগত কৰ্পূৰো খোৱা হৈছিল। কৰ্পূৰ তামোলৰ লগত প্ৰেম-প্ৰীতিৰ ভাৱ জড়িত হৈ আছে। শবৰপাদে এটি গীতত কৈছে ---

হি অ তাঁবোলা মহাসুহে কৰ্পূৰ খাই।
(হৃদয় তামোলৰ লগত কৰ্পূৰ মহাসুখে খাওঁ)।

দেশত চিকাৰৰ প্ৰথা আছিল। চিকাৰ কৰা, কাঠ, বাঁহৰ বস্তুৰ প্ৰচলন, হ্ৰদ বা বিল আদিৰ কথাও চৰ্যাত পোৱা যায়। হৰিণা চিকাৰক লৈয়ে 'আপনা মাংসে হৰিণা বৈৰা' এই পদটিৰ সৃষ্টি হৈছে। জালেৰে মাছ ধৰা পদ্ধতি প্ৰচলিত আছিল।

সেই সময়ৰ সমাজ ব্যৱস্থাত ঘৰৰ গৃহিণীৰ প্ৰাধান্যতা বেছি আছিল। সেই সময়ৰ সমাজ ব্যৱস্থাত বাদ্যযন্ত্ৰ বজাই শোভাযাত্ৰা কৰি বিয়া কৰাবলৈ যোৱা কথা চৰ্যাত আছে। চৰ্যাতব্যৱহৃত কুম্ভীৰ, কাছ, তেঁতেলি, শহুৰ, বোৱাৰী, ভাত, তামোল, খুটি, সোণ আদি শব্দই চৰ্যাসমূহক অসমৰ তেনেই ওচৰ চপাই নিছে। এইদৰে চৰ্যাপদে প্ৰাচীন সমাজৰ বিচিত্ৰ ছবি সংৰক্ষণ কৰি ৰাখিছে।

চৰ্যাপদ সমূহৰ মাজেৰে সামাজিক জীৱনৰ চিত্ৰ কেইটিমান উদাহৰণসহ দাঙি ধৰা হ'ল। চৰ্যাপদত এনে উদাহৰণ আৰু অনেক পোৱা যায়। ■

# চাৰ্বাক দৰ্শনত নৈতিকতা

**চিন্ময় মেধি**
তৃতীয় যান্মাসিক, দৰ্শন বিভাগ

**চাৰ্বাক দৰ্শনৰ অৰ্থ ঃ** ভাৰতীয় দাৰ্শনিক সম্প্ৰদায় সমূহৰ ভিতৰত চাৰ্বাক দৰ্শন এটা অবৈদিক সম্প্ৰদায়। ভাৰতীয় দৰ্শনত বস্তুবাদী দৰ্শন বুলি কলে একমাত্ৰ চাৰ্বাক দৰ্শনকহে বুজোৱা হয়। চাৰ্বাক দৰ্শন আধ্যাত্মবাদৰ বিৰোধী এক বস্তুবাদী দৰ্শন। চাৰ্বাক দৰ্শন বস্তুবাদী দৰ্শন কাৰণ এই দৰ্শনমতে স্বৰ্গ-নৰক আদি ধাৰণাবোৰ ভ্ৰান্ত ধাৰণা। চাৰ্বাক দৰ্শন জড়বাদী দৰ্শন কাৰণ এই দৰ্শনমতে জড়য়ে পৰমতত্ব। চাৰ্বাক দৰ্শনৰ উৎপত্তি সন্দৰ্ভত কেইবাটাও মতবাদ পোৱা যায়। কিছুমানৰ মতে চাৰ্বাক নামৰ এজন ঋষি আছিল আৰু তেওঁৰ নাম অনুসৰি এই দৰ্শনৰ নাম চৰ্বাক। চাৰ্বাক শব্দটো 'চাৰু' আৰু 'বাক' শব্দ দুটাৰ পৰা উৎপত্তি হৈছে। 'চাৰু' মানে মধুৰ আৰু 'বাক' মানে কথা কোৱা অৰ্থাৎ মধুৰ মধুৰ কথা কোৱা। চাৰ্বাক দৰ্শন একমাত্ৰ ভোগবাদী দৰ্শন যিটো দৰ্শনে কেৱল ভালদৰে খাই লৈ আনন্দময় জীৱন-যাপন কৰাত অধিক গুৰুত্ব দিয়ে।

**চাৰ্বাক দৰ্শনৰ নীতিতত্ব ঃ** চাৰ্বাক দৰ্শনৰ নীতিতত্ব তেওঁলোকৰ অধিবিদ্যামূলক মতবাদৰ ওপৰত প্ৰতিষ্ঠিত। চাৰ্বাক নীতিতত্ব আকৌ চাৰ্বাক জ্ঞানতত্বৰ ওপৰত প্ৰতিষ্ঠিত। চাৰ্বাক দৰ্শনে ইন্দ্ৰিয় প্ৰত্যক্ষকহে জ্ঞান আহৰণৰ একমাত্ৰ উৎস বুলি স্বীকাৰ কৰিছিল। চাৰ্বাক দৰ্শনে দেহাতিৰিক্ত আত্মাক অস্বীকাৰ কৰি ইয়াৰ নীতিশাস্ত্ৰক ভোগবাদলৈ পৰিৱৰ্তিত কৰিছে। ইন্দ্ৰিয় সুখ-সম্ভোগেই হৈছে মানৱ জীৱনৰ পৰম পুৰুষাৰ্থ। চাৰ্বাক দৰ্শনমতে দেহাতিৰিক্ত আত্মাৰ কোনো অস্তিত্ব নাই। দেহটোহে প্ৰত্যক্ষ গ্ৰাহ্য আত্মা নহয়। যিহেতু আত্মা নাই গতিকে পুনৰ জন্ম বুলি একো নাই। মানুহৰ এই জীৱনটোৱে প্ৰকৃত জীৱন। ধূৰ্ত পুৰোহিত শ্ৰেণীয়ে নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে ধন উপাৰ্জনৰ সৰ্ব-সাধাৰণ মানুহৰ মাজত স্বৰ্গ-নৰকৰ ধাৰণা প্ৰচাৰ কৰা বুলি চাৰ্বাকসকলে মত প্ৰদান কৰিছিল। চাৰ্বাকসকলৰ মতে সুখেই স্বৰ্গ আৰু দুখেই নৰক, সেয়েহে জীৱনত যিমানদুৰ সম্ভৱ সুখ উপভোগ কৰিবলৈ চেষ্টা কৰিব লাগে। সুখ লাভ কৰাৰ ক্ষেত্ৰত প্ৰয়োজন হলে ঋণ বা ধাৰ কৰি হলেও সুখ লাভ কৰা উচিত। সেয়েহে চৰ্বাকসকলে কৈছে--

"যাবৎ জীবেৎ সুখং জীবেৎ
স্বণং কৃত্বা ঘৃতাং পিবেৎ
ভস্মী ভূতস্য দেহস্য পুনৰা গমনং কুতঃ।"

ইয়াৰ অৰ্থ হ'ল যিমান দিনলৈকে জীয়াই থকা সুখ উপভোগ কৰা ঋণ কৰি হলেও ঘি খোৱা কাৰণ ভস্মীভূত দেহটো পুনৰ উভতি নাহে। মানৱ জীৱন সুখ-দুখৰ সংমিশ্ৰণ। কিন্তু সেই কাৰণে দুখৰ ভয়ত সুখ উপভোগ নকৰাকৈ থকাটো অনুচিত। ভাৰতীয় নীতিশাস্ত্ৰত চাৰ্বাকসকসক আত্ম-সুখবাদী (Self Egoistic) বুলি অভিহিত কৰা হয়।

চাৰ্বাক দাৰ্শনিকসকলে 'কৰ্মবাদ'ক বিশ্বাস নকৰে। তেওঁলোকৰ মতে কাৰণ আৰু কাৰ্য দুটা পৰস্পৰ নিৰ্ভৰশীল ঘটনা নহয়। চাৰ্বাক দাৰ্শনিকসকল তীব্ৰ বেদ বিৰোধী। তেওঁলোকৰ মতে বেদ তথা বৈদিক স্বৰ্গ-নৰক প্ৰাপ্তি আৰু সুখ বা অন্যান্য সম্পদ লাভৰ অৰ্থে যি যাগ-যজ্ঞৰ নিৰ্দেশ দিছে সেইবোৰ অপ্ৰয়োজনীয়। ভাৰতীয় দৰ্শনত যি চাৰি পুৰুষাৰ্থৰ ধাৰণা পোৱা যায় সেই চাৰি পুৰুষাৰ্থৰ দুই পুৰুষাৰ্থহে চাৰ্বাকসকলৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত। ভাৰতীয় দৰ্শনৰ চাৰি পুৰুষাৰ্থ হ'ল- ধৰ্ম, অৰ্থ, কৰ্ম আৰু মোক্ষ। কিন্তু চাৰ্বাকসকলে মাত্ৰ অৰ্থ আৰু কাম এই দুই পুৰুষাৰ্থক স্বীকাৰ কৰে।

**সমালোচনা ঃ** চাৰ্বাক নীতিতত্ব সমালোচনাৰ উৰ্দ্ধত নহয়। বিভিন্ন সমালোচকে বিভিন্ন কাৰণত চাৰ্বাকৰ নীতিতত্বক সমালোচনা কৰিছে সেই সমালোচনা সমূহ হ'ল ---

১) চাৰ্বাক দাৰ্শনিকসকলৰ মতবাদে ধাৰ্মিক ব্যক্তিক সন্তুষ্ট কৰিব পৰা নাই। ধাৰ্মিক ব্যক্তিয়ে ধৰ্মীয় অনুশাসনৰ আধাৰত নিজৰ জীৱন পৰিচালিত কৰে। তেওঁলোকে ধৰ্মীয় ৰীতি-নীতিসমূহক বিনা প্ৰশ্নৰে স্বীকাৰ কৰি লয়। তাৰোপৰি এখন সমাজক একতাৰ এনাজৰীডালেৰে বান্ধি ৰাখিবলৈ 'ধৰ্ম' পুৰুষাৰ্থক স্বীকাৰ কৰিবই লাগিব।

২) চাৰ্বাক দাৰ্শনিকসকলৰ একমাত্ৰ নৈতিক আদৰ্শ ইন্দ্ৰিয় সুখ। তেওঁলোকে মানৱ জীৱনৰ পৰম পুৰুষাৰ্থ 'ধৰ্ম' আৰু 'মোক্ষ' ক খণ্ডিত কৰি সমালোচিত হৈছে। সমালোচকসকলৰ মতে যদি চাৰ্বাক নীতিতত্বক সমাজৰ প্ৰত্যেক জন ব্যক্তিয়ে মানি চলে তেন্তে মানুহ পশুৰ শাৰীত উপনীত হ'ব।

৩) চাৰ্বাক নীতিতত্বৰ মূলমন্ত্ৰ হ'ল - খোৱা, পিয়া আৰু

আনন্দ কৰা। এই জীৱন পুনৰ ঘুৰি নাহে। সেয়েহে ধাৰ কৰি হলেও সুখ উপভোগ কৰা উচিত। কিন্তু চাৰ্বাক সকলৰ এই মতবাদে মানৱ জীৱনক ভোগবাদলৈ পৰ্যবসিত কৰিছে। চাৰ্বাকসসকলৰ এই মূলমন্ত্ৰক যদি সমাজৰ প্ৰতিজন ব্যক্তিয়ে মানি চলে তেন্তে সকলোৰে উদ্দেশ্য হ'ব কেৱল ভোগ কৰা, যিটো জন্তুৰহে উদ্দেশ্য।

**চাৰ্বাক দৰ্শনৰ প্ৰতি যুৱ সমাজৰ আকৰ্ষণ** ঃ চাৰ্বাক দৰ্শনে যুৱ সমাজক যথেষ্ট পৰিমাণে আকৰ্ষিত কৰা দেখিবলৈ পোৱা যায়। সাম্প্ৰতিক সময়ত আমি দেখিবলৈ পাওঁ যে আজিৰ যুৱ প্ৰজন্মই ভোগবাদী সমাজখনৰ প্ৰতি যথেষ্ট পৰিমাণে আকৰ্ষিত হৈছে। সকলোৰে চৰম উদ্দেশ্য হৈছে কেৱল সুখ উপভোগ কৰা। যাৰ ফলত সমাজত নৈতিকতাৰ পতন ঘটিছে। নৈতিকতাৰ পতন ঘটাৰ ফলত সমাজত এক অশান্তিকৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। সমাজত কেতবোৰ ব্যক্তিয়ে সুখ আহৰণ কৰিবলৈ হিংসাৰ পথ বাচি লৈছে। মানুহৰ মাজত সহযোগিতাৰ ভাৱ কমি যাবলৈ ধৰিছে। এজনে আনজনৰ লগত প্ৰতিযোগিতাত লিপ্ত হৈছে। এয়া ভোগবাদী দৰ্শনৰ প্ৰতি আকৰ্ষিত হোৱাৰে ফল। সুখ উপভোগ কৰিবলৈ মানুহে হিংসাৰ পথ বাচি লৈছে। মানুহে চুৰি-ডকাইতি আদিৰ দৰে অনৈতিক কাৰ্য্যত লিপ্ত হৈছে। সমাজত মানৱতা নাইকিয়া হব ধৰিছে। যুৱ প্ৰজন্মই ভোগবাদী সমাজখনৰ প্ৰতি যথেষ্ট পৰিমাণে আকৰ্ষিত হৈছে। যুৱ প্ৰজন্মই নিচাযুক্ত দ্ৰব্য যেনে- মদ, ড্ৰাগছ, চিগাৰেট, কোকেইন, ব্ৰাউন চুগাৰ আদিৰ প্ৰতি যথেষ্ট পৰিমাণে আকৰ্ষিত হৈছে। সমাজত অপৰাধ প্ৰৱণতা বৃদ্ধি পাইছে। সুখ উপভোগ কৰিবলৈ এজনে আনজনক হত্যা কৰিছে। মানুহৰ মাজত সংঘৰ্ষ বৃদ্ধি পাইছে। সমাজত দিনক দিনে অপৰাধ প্ৰৱণতা বৃদ্ধি পাইছে। ড্ৰাগছৰ ব্যৱসায়, ধৰ্ষণ, হত্যা আদিয়ে বাতৰি-কাকতৰ শিৰোনাম দখল কৰিছে। ৰাতিপুৱা বাতৰি-কাকতখন মেলিবলৈও ভয় লাগে। বাতৰি-কাকতখন মেলিলেই হত্যা, ধৰ্ষণ, কলা ব্যৱসায়, ড্ৰাগছৰ ব্যৱসায় আদিৰ খবৰেৰে ভৰি থাকে। এয়া ভোগবাদী দৰ্শনৰ প্ৰতি আকৰ্ষণৰ ফল। এনেদৰেই ভোগবাদী দৰ্শনৰ প্ৰতি আকৰ্ষিত হোৱাৰ ফলত সমাজত নৈতিকতাৰ পতন ঘটিছে। যাৰ ফলত সমাজত এক অশান্তিকৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। যুৱ সমাজ পথভ্ৰস্ত হৈছে। যুৱক সমাজে আগবাঢ়িবলৈ অনৈতিক পথ বাচি লৈছে। নিচাযুক্ত দ্ৰব্যৰ প্ৰতি আকৰ্ষিত হৈছে। এজনে আনজনক হত্যা কৰিছে, লুণ্ঠন কৰিছে, ৰাজপথত কিশোৰীক ধৰ্ষণ কৰিছে, ড্ৰাগছৰ দৰে নিচাযুক্ত দ্ৰব্যৰ ব্যৱসায় কৰিছে। সমাজত কিছুমান মোৰেল পুলিচৰ ধাৰণা গঢ় লৈ উঠিছে। মোৰেল পুলিচে হিংসাত্মক পথেৰে অৰ্থাৎ আইনৰ সহায় নোলোৱাকৈ নিজেই বিচাৰক সাজি নিৰ্দোষী ব্যক্তিকো শাস্তি দিব বিচাৰে। যুৱ সমাজ পথ ভ্ৰষ্ট হোৱাৰ মূল কাৰণ হৈছে ভোগবাদী দৰ্শন বা বস্তুবাদী দৰ্শন যাক চাৰ্বাক দৰ্শন বুলি কোৱা হয়। ■

# চৰাইৰ পৃথিৱীত ফুলৰ সন্ধান বিচাৰি

**দীপাংকৰ বৰা**
সহকাৰী অধ্যাপক, উদ্ভিদ বিজ্ঞান বিভাগ
গোৱালপাৰা মহাবিদ্যালয়
**বিপ্লৱ ওজা**
পৰীক্ষাগাৰৰ সহায়ক, ৰসায়ন বিজ্ঞান বিভাগ
তেজপুৰ বিশ্ববিদ্যালয়

নিজৰ জন্ম মাতৃক জানো কোনোবাই ভাল পোৱাৰ কাৰণ বিচাৰে? ঠিক সেইদৰে প্ৰকৃতিক মানুহে ভাল পাব লাগিবই, ইয়াৰ কোনো ধৰণৰ কাৰণ বা অভিসন্ধি কেতিয়াও থাকিব নোৱাৰে। প্ৰকৃতি আমাৰ জীৱনদায়িনী মাতৃ আৰু ফুল হৈছে এই মনোমোহা প্ৰকৃতিৰ এক অবিচ্ছেদ্য অংগ। বিভিন্ন ধৰণৰ বৰণ বা ৰঙৰ কল্পনা ফুলৰ অবিহনে সম্ভৱপৰ নহয়। ঘৰৰ চোতালৰ পৰা ড্ৰয়িংৰুমৰ সৌন্দৰ্য্য বৰ্ধন-পূজা-পাৰ্বন ইত্যাদি ক'ত যে ফুলৰ স্থান নাই।

বিভিন্ন ধৰ্মত বিভিন্ন ফুলে বিশেষ স্থান লাভ কৰা দেখা যায়। খ্ৰীষ্টধৰ্মত যদি বগা লিলি ফুল (Lilium candidum) ক বিশুদ্ধতাৰ প্ৰতীক হিচাপে জ্ঞান কৰা হয় তেন্তে ৰঙা ৰঙৰ ফুলক বলিদান / শক্তিৰ স্বৰূপ হিচাপে গণ্য কৰা হয়। আনহাতে হিন্দু ধৰ্মত বিভিন্ন ধৰণৰ পূজা-পাতল, বিয়া তথা মৃতকৰ আত্মাৰ সদ্গতিৰ বাবে সন্মান প্ৰদৰ্শনৰ বাবে ফুলক অগ্ৰণী স্থানত ৰখা হয়। হিন্দু ধৰ্মত পদুম ফুল (Nelumbo nucifera) ক সৌন্দৰ্য্য, সমৃদ্ধি তথা উৰ্বৰতাৰ প্ৰতীক হিচাপে গ্ৰহণ কৰা হয়। ইছলাম ধৰ্মত ফুলৰ স্থান চকুত লগা নহয় যদিও মাজে সময়ে বিবাহ তথা মৃতকৰ সদ্গতি ইত্যাদি সময়ত ফুলৰ ব্যৱহাৰ হোৱা দেখা যায়। বৌদ্ধ ধৰ্মতো পদুম ফুলক গৌতম বুদ্ধদেৱৰ প্ৰতীক হিচাপে গণ্য কৰা পৰিলক্ষিত হয়।

ফুল তথা সৌন্দৰ্য্য বৃদ্ধিৰ মাজৰ সম্পৰ্কৰ অনেক উদাহৰণ দেখিবলৈ পোৱা যায়। দক্ষিণ ভাৰতত বিভিন্ন প্ৰজাতিৰ খৰিকাজাই (Jasmine) ৰ দ্বাৰা 'গজ্ৰা' প্ৰস্তুত কৰি খোপাত লগোৱা এক পৰম্পৰাগত সৌন্দৰ্য্য বৃদ্ধিৰ বাহক। ঠিক সেইদৰে আমাৰ অসমতো বহাগ বিহুত কপৌফুল (Rhynehostylis retura) ৰ দ্বাৰা বিহুৱতীয়ে নিজৰ সৌন্দৰ্য্য বৃদ্ধিৰ লগতে বহাগত কপৌফুল ফুলাৰ বতৰা কঢ়িয়াই আনে। এই বতৰাই অসম, ভাৰতবৰ্ষ তথা গোটেই বিশ্বৰ প্ৰকৃতি প্ৰেমীক নিশ্চয়কৈ মনত আনন্দ দিয়ে।

ভাৰতৰ উত্তৰ-পূৰ্বৰ আঠখন ৰাজ্যৰ ভিতৰত দ্বিতীয় সৰ্ববৃহৎ ৰাজ্য অসমৰ মুঠ এলেকা প্ৰায় ৭৮.৪৩০ বৰ্গ কিলোমিটাৰ, যি দেশৰ মুঠ মাটিকালিৰ প্ৰায় ২.৪% । ৰাজ্যখনৰ উত্তৰ আৰু পূবে অৰুণাচল প্ৰদেশ, দক্ষিণে মণিপুৰ, ত্ৰিপুৰা, মিজোৰাম আৰু মেঘালয় ৰাজ্য আৰু পশ্চিমে পশ্চিমবংগ আৰু বাংলাদেশ অৱস্থিত। দুটা মুখ্য নদী, ব্ৰহ্মপুত্ৰ আৰু বৰাকে ৰাজ্যৰ জনসাংখ্যিক ৰূপৰেখা অংকন কৰিছে। বৰ্তমান অসম ৩৩ খন প্ৰশাসনিক জিলা আৰু ৬ খন স্বায়ত্বশাসিত অঞ্চলত বিভক্ত। সমভূমি, পাহাৰ, উপত্যকা,



Chlorophytum assamicum



Aristrolochia assamica

পাদদেশ, মালভূমি আৰু বানভূমিৰ দৰে কেবাটাও ভূগোলীয় উপাদানৰ অনন্য সাজ-সজ্জাই অসমৰ যাদুকৰী ভূমি গঠন কৰিছে। ইয়াক তিনিটা মূখ্য বনপ্ৰকাৰ অৰ্থাৎ পৰ্ণপাতী, চিৰসেউজ আৰু জলাভূমিৰ অৰণ্য হিচাপে পৃথক কৰিব পাৰি। অসমৰ উদ্ভিদবিদে ইয়াত ভূমি পৰিদৰ্শন কৰি হাজাৰ হাজাৰ উদ্ভিদ বৰ্ণনা কৰিছে। সামগ্ৰিক ৰূপত বিভিন্ন অনুপাতত প্ৰভাৰশালী উদ্ভিদ পৰিয়ালবোৰ হৈছে- Magnoliaceae, Lauraceae,fagaceae, Poaceae.

পূব হিমালয় পৰ্বতৰ পাদদেশত থকা অবিভক্ত শোণিতপুৰ জিলা (বৰ্তমান বিশ্বনাথ জিলা) ৰ অসম-অৰুণাচল সীমান্তৱৰ্তী এলেকাত বিহালী সংৰক্ষিত বনাঞ্চল (Behali Reserve Forest) অৱস্থিত। এই স্থানে ২০০৩ চনত 'শোণিতপুৰ হস্তী সংৰক্ষিত এলেকা' (Sonitpur Elephant Reserve) হিচাপে স্বীকৃতি লাভ কৰে। শোণিতপুৰ জিলাত মুঠ আঠখন সংৰক্ষিত বনাঞ্চল আছে। সেইবোৰ ক্ৰমে ছয়দুৱাৰ, বালিপাৰা, বিহালী, ছেঙেলীজান, ছেঙেলীমাৰা, বিশ্বনাথ আৰু গহপুৰ সংৰক্ষিত বনাঞ্চল (State Land Use Board, Assam, 1997) । Assam Forest At a Glance (2011-12) অনুসৰি পূব আৰু পশ্চিম শোণিতপুৰ জিলাত সৰ্বমুঠ ১২ খন সংৰক্ষিত বনাঞ্চল আছে। কিন্তু বৰ্তমান বিহালী, ছেঙেলীজান, বিশ্বনাথ আৰু গহপুৰ সংৰক্ষিত বনাঞ্চল অত্যাধিক অৱনতিৰ দিশে ধাৱমান হৈছে। বিহালী সংৰক্ষিত বনাঞ্চল শেহতীয়াকৈহে অন্বেষণ কৰা হৈছে। Kafley (2016-17) ৰ প্ৰতিবেদনত এই সংৰক্ষিত বনাঞ্চলত ৪৯ বিধ স্তন্যপায়ী, ২২০ বিধ চৰাই, ২৩ বিধ সাপ, ১১ বিধ কাছ আৰু টিকটিকি, ১২ বিধ উভয়চৰ আৰু ২৪১ বিধ পখিলাৰ তথ্য নথিভুক্ত আছে। আনহাতে Borah et.al 2018, 2019 a, b; 2020 a, b,c আৰু ২০২১ ৰ গৱেষণাত উদ্ভিদৰ নথিসমূহ শৃংখলাবদ্ধভাৱে প্ৰতিফলিত হৈছে। Borah et. al. 2020 অনুসৰি বিহালী সংৰক্ষিত বনাঞ্চলত মুঠ ২৪১ টা স্থানীয় উদ্ভিদ প্ৰজাতিৰ উপস্থিতি প্ৰতিপন্ন কৰা হৈছে, যিবোৰ তথ্য Kanjilal et al. (1934-1940) ৰ দ্বাৰা নথিভূক্ত অসমৰ প্ৰায় ১০ শতাংশ উদ্ভিদকেই প্ৰতিনিধিত্ব কৰে।

শেহতীয়াকৈ এই বনাঞ্চলৰ পৰা আৱিস্কৃত প্ৰজাতি Chlorophytum assamicum (Asparagaceae), Aristrolochia assamica (Aristrolochiaceace) আৰু Peliosanthes marcophylla var. assamensis (Asparagaceae) উদ্ভিদ বিজ্ঞান জগতত নতুন প্ৰজাতি বুলি বৰ্ণনা কৰা হৈছে। আকৰ্ষণীয়ভাৱে উল্লেখযোগ্য যে, এবিধ প্ৰজাতি Jupistra stoliczkana (Asparagaceae) এইখন সংৰক্ষিত বনাঞ্চলৰ পৰা সম্পূৰ্ণ একশতিকাৰ পিছত পুনৰ আৱিস্কাৰ কৰা হৈছে। এইবোৰৰ উপৰিও Citrus india এবিদ বন্য প্ৰজাতিৰ নেমু, যাৰ পৃথিৱীৰ অন্য নেমু প্ৰজাতিৰ উদ্ভাৱন হোৱা বুলি বিবেচনা কৰা হয়, এইবিধ নেমু মাত্ৰ গাৰো পাহাৰত লভ্য তথা অসমৰ পৰা বিলুপ্ত হৈ যোৱা বুলি পূৰ্বৱৰ্তী গৱেষণাত প্ৰকাশিত হৈছিল। কিন্তু এইবিধ নেমুৰ উপস্থিতি পুনৰ বিহালী সংৰক্ষিত বনাঞ্চলত পৰিলক্ষিত কৰা হয়। যি উদ্ভিদ বিজ্ঞানীসকলৰ বাবে এক নতুন তথ্যৰ সম্বেদ দিছে।

বিহালী সংৰক্ষিত বনাঞ্চলৰ সকলোধৰণৰ মানদণ্ড পূৰণ কৰি ইয়াক বন্যপ্ৰানী অভয়াৰণ্য হিচাপে নিৰ্ধাৰণ কৰাৰ বাবে কেইবাটাও প্ৰস্তাৱ দিয়া হৈছিল। কিন্তু ইয়াৰ আধুনিকীকৰণৰ বিষয়ে বিবেচনা কৰাৰ বাবে দুয়োখন চুবুৰীয়া ৰাজ্য অৰ্থাৎ অসম আৰু অৰুনাচল প্ৰদেশৰ মাজৰ সীমাৰ বিষয়টো এক গুৰুতৰ বাধা হৈ পৰিছে। 'Nature's Bonyopran' নামৰ আন এটা বেচৰকাৰী সংগঠনে সময়ে সময়ে এইখন বনাঞ্চলৰ সংৰক্ষণৰ বাবে যথোচিত অৰিহণা যোগাই আহিছে। এই অঞ্চলৰে বাসিন্দা শ্ৰী পৰীক্ষিত কাফলেই যোৱা ১৫ বছৰত জৈৱ বৈচিত্ৰৰ প্ৰায় ৫০% তথ্য সংকলিত কৰি এইখন বনাঞ্চলৰ প্ৰতিটো সৃষ্টি অতি সূক্ষ্ম নিৰীক্ষণ তথা তথ্যসমূহৰ নথিভূক্তকৰণৰ দৰে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। তেওঁৰ এই কাৰ্যত স্থানীয় লোকৰ সহায় অপৰিসীম। আনহাতে এই তথ্য সমূহৰ দ্বাৰা বিহালী সংৰক্ষিত বনাঞ্চল কৰ্তৃপক্ষ আৰু বিভিন্ন গৱেষকো যথেষ্ট উপকৃত হৈছে।

বিহালী সংৰক্ষিত বনাঞ্চল 'Bird life Data Zone' ৰূপে খ্যাত। 'মহত্বপূৰ্ণ পক্ষী তথা জৈৱবৈচিত্ৰ্য এলেকা' (Importent Bird and Biodiversity Area, IBA) হৈছে এক আন্তৰ্জাতিক অনুষ্ঠান যিয়ে আজি বিশ্বব্যাপী পক্ষীকুলৰ সংৰক্ষণৰ হেতু কাম কৰি আছে। বৰ্তমানলৈকে বিশ্বত ১২,০০০ IBA চিহ্নিত কৰা হৈছে। IBA ত অন্তৰ্ভূক্তি লাভ কৰিবলৈ নিম্নলিখিত যিকোনো এটা মানদণ্ডৰ ভিতৰত থাকিব লাগিব-

(ক) $A_1$ : Globally threatened species.
(খ) $A_2$ : Restricted range species.
(গ) $A_3$ : Biome- restricted species.
(ঘ) $A_4$ : Congregations (জলজ পক্ষীৰ ক্ষেত্ৰত প্ৰযোজ্য)

IBA ৰ তথ্য দিয়াৰ প্ৰয়োজনীতা এই কাৰণেই আহি পৰিল যে 'বিহালী সংৰক্ষিত বনাঞ্চল' 3 IBA ত অন্তৰ্ভূক্ত। বিহালী সংৰক্ষিত বনাঞ্চলৰ এক চমু বিৱৰণ তলত দাঙি ধৰা হ'ল--

অৱস্থিতি : ২৬°৫৫´০০´´ উত্তৰ ৯৪° ২২´ ৬০´´ পূৰ

ক্ষেত্ৰফল : ১৪,০০০ হেক্টৰ

উচ্চতা : ৮০-১৫০ মিটাৰ

বৰষুণ : >২,৩০০ মিঃমিঃ

উষ্ণতা : ৬° ছেন্টিগ্ৰেডৰ পৰা ৩৪° ছেন্টিগ্ৰেড

ৰাজ্য : অসম

জৈৱ-বৈচিত্ৰ্য স্থল : উত্তৰ-পূৰ্বাঞ্চল

IBA স্থিতি ক্ৰমাংকঃ IN-AS-05

বসতি ঃ উষ্ণ-বৰ্ষা চিৰসেউজ বনাঞ্চল আৰু অৰ্ধ-চিৰসেউজ বনাঞ্চল।

IBA মানদণ্ডঃ $A_1, A_3$

অন্তিম ক্ৰমাংক ঃ IN306

[Sorce: Bombay Natural History Society and Important Bird areas in india, Assam, C248M248, Y248K248]

সঁচাকৈয়ে বিহালী সংৰক্ষিত বনাঞ্চল চৰাইৰ এক অন্য পৃথিৱী যাক বিলুপ্তিৰ পৰা বচোৱাৰ দায়িত্ব কেৱল আমাৰ। প্ৰকৃতি প্ৰেমীৰ কাৰণে গছ-লতা, চৰাই, পোক-পতংগৰ পৰা বনৰীয়া হিংস্ৰ জীৱ-জন্তুৰ প্ৰতি যি প্ৰেম সেয়া সমান। প্ৰকৃতিৰ মাজত থকাৰ সুখ বৰ্ণনাতীত। ফুলৰ পৃথিৱী 'explore' কৰাটো এজন মানুহৰ এই সীমিত জীৱনত একেবাৰেই সাধ্য নহয়।

আনহাতে অৰ্কিডসমূহৰ পৃথিৱীখন বহু বিৱৰ্তিত আৰু সঁচাকৈয়ে জীৱশ্ৰেষ্ঠৰো শ্ৰেষ্ঠ। এটা উদাহৰণ লওঁহক-- স্পাইডাৰ অৰ্কিড (Spider Orchid)। ইয়াক প্ৰধানতঃ একমাত্ৰ অষ্ট্ৰেলিয়াত পোৱা যায়। এইবিধ অৰ্কিডে মাইকী পতংগৰ দেহৰ এক বিশেষ গোন্ধ নকল (Mimicry) কৰি নিজে প্ৰস্তুত কৰে। যেতিয়া অৰ্কিডজোপাৰ আশে-পাশে মতা পতংগবিধ উৰি ফুৰাৰ উমান পায়, সেই সময়ত অৰ্কিডটোৱে সেই নকল কৰি তৈয়াৰ কৰা গোন্ধ অৰ্থাৎ এফ্ৰোডাইচিয়েক্স (Sex hormone) নিজৰ দেহৰ পৰা নিৰ্গত কৰে। বতাহত এনে গোন্ধ বিয়পি পৰাত মতা পতংগটোৱে যৌন মিলনৰ কাৰণে ফুলপাহত আহি বহে। ঠিক সেই সময়তে অৰ্কিডটোৱে পৰিকল্পিতভাৱে পতংগটোৰ গাৰ পৰা ইতিমধ্যে লৈ অহা ফুলৰ ৰেণু অৰ্থাৎ পৰাগৰেণু আহৰণ কৰি লয় আৰু তেনেদৰেই অৰ্কিডজোপাৰ পৰাগযোগ হয়।

বিহালী সংৰক্ষিত বনাঞ্চলত গৈ তাত অধ্যয়ন কৰাতকৈ প্ৰকৃতিৰ মনোমোহা সৌন্দৰ্য উপভোগ কৰোতেই সময় পাৰ হৈ গুচি যায়। ঠেক ৰাস্তা, ডাঙৰ-ডাঙৰ গছৰ পৰা আদি কৰি লতা, হাতীৰ খোজৰ মাটিত পৰা চাপ আৰু বান্দৰৰ মাত....... মাত যি দিশে আগবাঢ়ে সেইদিশে আগবাঢ়ি গৈ গৈ পুনৰ বিভিন্ন চৰাইৰ মাত....... বিভিন্ন ধৰণৰ ফুলৰ সুবাস.....যেন কোনোবা কাৰোবাৰ অপেক্ষাত ৰৈ আছে..... এইদৰে ফুৰি-চাকি অৱশেষত অনুভৱ হয় যে আজি কিজানি ঘড়ীৰ কাটা অলপমান খৰকৈ ঘূৰি আছে !

প্ৰকৃতিৰ লগত এই আপোনত্ব জন্মগত নে আৰ্হিত সেইয়া আজিলৈকে বুজিব পৰা নাই। মাথো এটাই প্ৰচেষ্টা........... প্ৰকৃতিৰ আশীৰ্বাদস্বৰূপ ফুলৰ বৈচিত্ৰ্যক লোকসন্মুখ উজাগৰ কৰা.....

(নালাগে মাটি, নালাগে স্থান, নালাগে কাৰো মৰম
মই ফুল.... মোৰ জীৱন কঠিন আৰু সুবাস সীমাহীন) ■

# The Untold Stories of the Seen:
# Less Known Areas of Goalpara

**Kavita Basumatary,**
**Dr. Dipankar Borah,**
**Dr. Dulal Ch. Boruah,**
**Dr. Dharmeswar Barman,**
**Dr. Someswar Rao,**
Botany Department

Running along the banks of the mighty river Brahmaputra is the much less explored region with highest forest cover; Goalpara. Geographically this region is located between **$25^{0}53'$ - $26^{0}30'$** North latitudes and **$90^{0}7'$ - $91^{0}5'$** East longitudes with Garo Hill districts of Meghalaya in the South, Kamrup and Dhubri districts of Assam in the East and West. The district of Goalpara shows green coverage of Sal forest stretching to a very large area thus creating a misconception of this area being the hub for only Sal trees. Domination of Sal trees hides out the natural vegetation occurring in the area along with its fauna. The mixed terrain of the region ensures diversity in the species of both plants and animals occurring in the area. Many threatened primates along with several type localities of endemic plants are from Goalpara. We here illustrate 8 less known locations of Goalpara.

At the very entrance of the district in the north, two beautiful green high grounds gives us the passage to the heart of the town. **Paglartek Pahar** lying to the Northeast and **Pancharatna Pahar** to the Northwest of the town. Paglartek is actually the extension of the Pancharatna hillocks with extensive plantation of teak and naturally growing trees from family Malvaceae etc. Large climbers such as *Bauhinia vahlii* tangling other plants can be seen in the hill forest of Paglartek.



Pancharatna Pahar

At the first sight of the Pancharatna hill, it charms us with the shades of golden-green cover of the natural forest, which beholds within it a different world in itself. The forests are rich in terms of plant diversity too. Wild Burmese grapes, Jasmines, Dark flowers, Euphorbias, etc. are spread in the

forest throughout. *Trigonostemon semperflorens* (Euphorbiaceae), a rare species, rediscovered after a century from Kokrajhar is also found here. Known for several species of cats, Himalayan black bear and birds. The common inhabitants of the green are the wise Asian elephants, often seen strolling in the wilderness from one end to the other. However, due to the railway line blocking their way, these threatened mammals are in great peril now.

विश्वस्य प्रायः सर्वाः भाषाः संस्कृतेन प्रभाविताः सन्ति। कालक्रमेण संस्कृतस्य शब्दानामेव रूपपरिवर्तनेन अन्यासां भाषाणां शब्दाः सृष्टाः। बालक, छात्र, गृह, पुस्तक, शब्द इत्यादयः बहवः संस्कृतस्य शब्दाः अपरिवर्तित रूपेण बाङ्ला असमीया इत्यादिषु प्रायः सर्वासु भरतीयभाषासु व्यवहृताः भवन्ति। अन्ये बहवः शब्दाः किञ्चित् परिवर्तित रूपेण व्यवहृताः भवन्ति। कपोत इत्यस्य संस्कृतशब्दस्य असमीया भाषायां कपौ च हिन्दी भाषायां च कबुतर रूपेण व्यवहृतः भवति। आङ्ग्ल भाषायां सम = same, क्लेश=clash, ऋण = rent,भ्रातृ = brother, पितृ=father , अन्तर= inter, नाम=name, नासा=nose, सूनु= son, पथ =path, हृद्= heart, तरु=tree, त्रि=three, ऋत=right। तद्वत् अन्यास्वपि भाषासु यथा, शर्करा इति हिन्दी- शक्कर, फ्रेञ्च-sucre, लेटिन्-succarum अरबी-सक्कर् आङ्ग्ल-sugar ।नारङ्ग इति पार्सि-नारङ्, आरबी-नारञ्ज। समितिः इत्यस्य लेटिन्- commitee।चन्दन इति शब्दः ग्रीक-sandalon आङ्ग्ल-sandal। मूष इत्यस्य लेटिन्- mus, आङ्ग्ल- mouse। यथा राभा भाषायां हाङगार, जायांका, सौदुग, रांसि, सौर्गो एतादृशाः बहवः शब्दाः संस्कृतस्य अङ्गार, संख्या, स्वभाव, रसः, स्वर्ग इत्यादि शब्दवत् दृश्यन्ते। बोडो भाषायां अन्नम्, लेखनी, मन्दिरम्, हंसः, ग्रामः, स्वर्गः, समयः इत्येतानि संस्कृतपदानि ओंखाम्, लेखा, मन्दिर, हांस, गामि, सोर्ग, समान। ओडिया भाषायां से, मु, कुआडे, केते, जाउछि इत्येते बहवः शब्दाः संस्कृतस्य सः, अहम्, कुत्र कियत्, यासि इति शब्देभ्यः आयान्ति। तद्वदेव संस्कृतस्य काव्य, कवि इति कन्नर भाषायां कब्ब, कबिग इति। अर्थात् ये शब्दाः विभिन्न भाषासु भेदं जनयन्ति तेषु अपि अधिकाः शब्दाः संस्कृत शब्देभ्यः सृष्टाः। संस्कृतस्य एकैकस्य शब्दानां बहवः पर्यायवाचिनः शब्दाः भवन्ति। कस्मिंश्चित् क्षेत्रे यस्य पर्यायवाचिनः शब्दस्य प्रयोगः आधिक्येनाभवत् तस्य शब्दस्य अवस्थितिः तस्मिन् क्षेत्रे कस्मिंश्चित् रूपे दृश्यते, यत् कदाचित् संस्कृतस्य नास्ति इत्यपि भाति शब्दाभ्यासाभावात्। जल शब्दस्य पर्यायवाची तोय शब्दः तोय तुइ दै दुइ इत्यादि विभिन्न रूपेण भाषासु व्यवहारः भवति। अरबी भाषायाम् अपि बहवः शब्दाः प्राप्यन्ते ये प्रायः संस्कृतशब्दवत् भवन्ति। यथा अहम्-अना, निद्रामि-नूम्, आम्-अइवा, शनैः शनैः-सोया सोया, कति-कम, कीयत्-केम, शर्करा-शक्कर, स्वागतम्-सहलन, कलमः-कलम, नीम्बुकम्-लेबन, माता-मामा, अम्ब-अमी, बहिः-बर्राह, सप्त-सबा,

नरः-लफर, षोडश-सित्तस, पञ्चदश-खम्सतस, चतुर्दश-अरबीतस, त्रयोदश-तलत्तस। रसंस्कृतेतरभाषासु व्यवहृताः ये शब्दाः इदानीं संस्कृते व्यवहृताः न भवन्ति, ते तदानीमेव पुनः व्यवहारे आगमिष्यन्ति यदा इतरसंस्कृतभाषिणः सर्वे संस्कृतं वदिष्यन्ति।

संस्कृतं केवलम् एका भाषा नास्ति, संस्कृतं बहूनां विषयानां भाण्डारः अस्ति। विश्वे प्रचलिताः प्रायः सर्वे पौराणिकविषयाः नूतनविषयाः अपिच आगामिनि समये प्रचलिष्यन्ति तादृशाः बहवः विषयाः संस्कृते प्राचीनकालतः एव विद्यन्ते। तामिलनाडु राज्ये जातः स्वामी भारती कृष्णतीर्थः अथर्ववेदम् अधीतवान्। तत्र स्थितेभ्यः गणितस्य सूत्रेभ्यः 16 सूत्राणि संगृहीतवान् तानीमानि एकाधिकेन पूर्वेण, निखिलं नवतः चरणं दशतः, उर्धतिर्यग्भ्याम्, परावर्त्य योजयेत् इत्यादिनि। अथ 16 उपसूत्राणि च। एतानि सूत्राणि शोधयित्वा एकं ग्रन्थम् अलिखत् यत् वैदिकगणितम् इति। संस्कृतभारत्या प्रकाशितेषु ग्रन्थेषु Science in Sanskrit, Pride of India च एतयोरपि पुस्तकयोः गणितस्य विज्ञानस्य अन्येषामपि विषयानां तथ्यं दृश्यते। एतेन प्रमाणं भवति यत् वेदादिषु संस्कृतग्रन्थेषु गणितमस्ति विज्ञानमप्यस्ति। चिकित्सायाः क्षेत्रे आयुर्वेदः, अर्थविषये चाणक्यस्य अर्थशास्त्रम्, खगोलशास्त्रम् चान्येष्वपि ग्रन्थेषु तथ्यं प्राप्यते। ज्योतिषविद्या, धातुविद्या, राजनीतिः इत्येते बहवः विषयाः संस्कृतग्रन्थेषु सन्ति। छन्दशास्त्रम्, संगीतशास्त्रम्, श्रोत्रसूत्राणि, गृहसूत्राणि, धर्मसूत्राणि, शल्वसूत्राणि, चित्रकला, मूर्तिकला, वास्तुकला, भौतिकविज्ञानम्, रसायनम्, कृषिविज्ञानम्। संस्कृतग्रन्थाः यथा वेदाः चत्वारः ऋक् यजुः साम अथर्वा च एते। उपवेदाः चत्वारः आयुर्वेदः, धनुर्वेदः, गान्धर्ववेदः, स्थापत्यवेदः च। बहवः स्मृतयः अपि सन्ति। तेषु मनुस्मृतिः च याज्ञवल्क्यस्मृतिः च प्रसिद्धे स्तः। कथ्यते यत् मनुस्मृतिः मानवजातेः प्रथमं संविधानम्। प्रायः 220 उपनिषदः, 18 पुराणानि सन्ति।

संस्कृतं विश्वस्य पुरातनी भाषा अस्ति, अतः विश्वस्य पुरातनं ज्ञानमपि संस्कृते एव विद्यते इति जर्मन् देशीयाः मन्यन्ते। अतः भारतात् बहिः सर्वाधिकं संस्कृतस्य शिक्षणं जर्मन् देशे भवति। आयुर्वेदस्य चरकसंहिता तत्र चरकोलोजि इति नाम्ना पाठ्यते। भारतस्य अन्येषां विषयानां शिक्षा इण्डोलोजि इति नाम्ना भवति।

वर्तमानसमये भारते बहुषु विश्वविद्यालयेषु संस्कृतविषयः अस्ति। तदतिरिच्य केवलं संस्कृतस्य कृते प्रायः विंशतिः संस्कृतविश्वविद्यालयाः सन्ति। तेषु एकः असमप्रदेशे अस्ति कुमार भास्कर वर्मा संस्कृत पुरातन अध्ययन विश्वविद्यालयः नलवार्याम्। तथा राष्ट्रियसंस्कृत विद्यापीठम् राष्ट्रियसंस्कृतसंस्थानम् इत्यादयः। सम्पूर्णे भारते राष्ट्रियसंस्कृतसंस्थानस्य 13 परिसराः शतं विद्यालयाः आदर्शमहाविद्यालयाः अनौपचारिकसंस्कृतशिक्षणकेन्द्राणि चलन्ति। तेषु प्रतिवर्षं बहु छात्राः संस्कृतं पठितुम् अवसरं प्राप्नुवन्ति।  तथा गोवालपारा महाविद्यालये अपि एकं संस्कृतस्य केन्द्रम् 2016 तमवर्षतः चलति। तत्र सामाजिक जनाः अपि संस्कृतं पठितुं शक्नुवन्ति।

सर्वकारीयसेवासु यथा स्नातकानां नियुक्तिः भवति तत्र प्रायः सामान्य-स्नातकम् इत्येव उल्लिखितं भवति विषयानुसारं विरलमेव दृश्यते, अतः संस्कृतस्नातकः अन्यविषयस्नातकवत् समानां सर्वकारीयां उद्योगसुविधां प्राप्नुवन्ति। गणितं, राजनीतिविज्ञानं, इतिहासः, आङ्ग्लं, समजशास्त्रम् इत्येतेषां प्रत्येकेषां विषयानाम् अध्ययनेन जीवने लक्ष्यं किम्- इति प्रश्नकरणेन कतिपय विषयानां पक्षे उत्तराणि प्राप्यन्ते अन्यबहूनां नास्ति। किन्तु संस्कृतस्य पक्षे बहूनि आगच्छन्ति। तेषां कतिपयविन्दवः अत्र आलोचिताः। अतः केवलम् इतरविषयानाम् अध्ययनापेक्षया संस्कृतम् अध्येतव्यम् एव।

यदि सुक्ष्मदृष्ट्या निरीक्षणं क्रियते तर्हि अवगम्यते यत्, भिन्नविषयानाम् अध्येतृणां आचरणमपि भिद्यते। तर्कशास्त्रं पठति चेत् तस्य मनः भिन्नं भवति। राजनीतिं पठति, तस्य मनः भिन्नम्। संस्कृतस्य अध्येतृणामपि स्वभावः कश्चन भिन्नः भवति। कर्मण्येवाधिकारस्ते मा फलेषु कदाचन, श्रद्धावान् लभते ज्ञानम्, परोपकाराय सतां विभूतयः, इत्यादि सूक्तिरूपेण नीतिज्ञानं संस्कृतछात्राः बाल्यकालादेव पठन्ति। अतः सश्रद्धया यः संस्कृतं पठति, तस्य संस्कारः भवति। कारणं यत् संस्कृतस्य प्राय सर्वेषु श्लोकेषु विभिन्नं नीतिज्ञानम् अस्त्येव।

पूर्वमपि लिखितम् अभूत् यत् संस्कृतस्य अनुस्वार वर्णस्य विसर्गस्य च इत्यादीनां वर्णानाम् शुद्धतया उच्चारणेन प्राणायामस्य लाभः प्राप्यते। तदतिरिच्य सर्वेषां वर्णानाम् शुद्ध उच्चारणेन सम्यक् व्यायामः अपि भवति। येन बह्व्यः भाषाः सरलतया अध्येतुं शक्यते।

प्रत्येकस्य प्रान्तीयभाषायाः पृथक् लिपिः भवति, पुनः देवनागरी लिपिः सर्वषां भारतीयानां सार्वजनिका भवति। अतः प्रान्तीयासु बहुभाषासु देवनागर्याः प्रयोगः कृतः। यदि सामुहिक स्तरे संस्कृतस्य प्रयोगः भवति, तर्हि जनेषु भेदः, विभाजनं, विवादः सर्वं समाप्तं भविष्यति।कामपि आधुनिकभाषां सर्वे भारतीयाः आत्मनः इति न मन्यन्ते, किन्तु संस्कृतं सर्वेषां भारतीयानामेव वर्तते। आधुनिकासु भारतीयभाषासु महान् भेदः नास्ति सर्वाः अपि भाषा संस्कृतवदेव सन्ति। तथापि विभिन्न नाम्ना ज्ञायन्ते। विभिन्नदेशेष्वपि एमेरिकान इङ्ग्लिश, ब्रिटिश् इङ्गलिश् इत्यादि समान-नाम्ना चलति चेदपि शब्दाः समानाः न सन्ति। अर्थात् तत्र पृथक् शब्दानां व्यवहारं कृत्वा अपि समानाः पुनः अत्र प्राय समान शब्दानां प्रयोगं कृत्वा अपि विभाजिताः। एतेषां सर्वेषामपि समस्यानां समाधानार्थं संस्कृतस्य प्रचलनम् आवश्यकम्।

# গছৰ কেঁচাপাতত
# গোৱালপাৰা কলেজৰ ছপা কৰা সৰস্বতী পূজাৰ চিঠি

**শৈলেন দাস**
প্ৰাক্তন ছাত্ৰ

**হঠাৎ মনত পৰিল।**
**এমাহমান আগৰ ঘটনাটো।**

বাটটোৰে গৈ থকা অৱস্থাত চকুত পৰিছিল গছৰ পাতটোৰ আকৃতিৰ ডাঠ কাকতৰ চিঠিখন বাটটোৰ ওপৰত পৰি থকা। কিয়নো বুটলি ল'লো। চাই ভাল লাগিল। মেলি চালো। বিয়াৰ চিঠি। দৰা-কইনা তথা অভিভাৱকৰ নামবোৰ তেতিয়া পঢ়িছিলো যদিও বৰ্ত্তমান মনত নাই। সেয়ে নামবোৰ উল্লেখ কৰিব নোৱাৰিলো। তাৰবাবে দুঃখিত। গছৰ পাতটোৰ নমুনাৰ ডাঠ কাকতৰ বিয়াৰ চিঠিখন দেখাত আৰু পঢ়াত, মনত পৰিছিল অতীতৰ প্ৰকৃতিৰ সৃষ্টি গছৰ কেঁচা পাতত ছপা কৰি উলিওৱা গোৱালপাৰা কলেজৰ সৰস্বতী পূজাৰ চিঠিখনৰ কথা।

ইং ১৯৬৮ চন। প্ৰয়াত ড° মহেন্দ্ৰ বৰা ছাৰ গোৱালপাৰা কলেজৰ অধ্যক্ষ। প্ৰয়াত মদন ৰায় ইং ১৯৬৭ চনত ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক। তেখেতে পিছৰ বছৰ ইং ১৯৬৮ চনতো পুনৰবাৰৰ বাবেও সাধাৰণ সম্পাদক নিৰ্বাচিত হয়। অৰ্থাৎ দুয়োটা বছৰেই আমি ছাত্ৰ সন্মিলনেই কলেজখনৰ ছাত্ৰ একতা সভাখন দখল কৰি ৰখা বুলি কলে ভুল কোৱা নহয়। আমি ছাত্ৰ হিচাবে পঢ়াশুনাত বিচক্ষণ বা মেধাবী নাছিলো যদিও একান্ত বাধ্য ছাত্ৰ হিচাবে পৰিগণিত আছিলো। কাৰণ সকলো কাম-কাজ তথা খেলা-ধূলা আদিত আগ ভাগ লৈছিলো। যাৰ বাবে কলেজখনৰ অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আমি জনপ্ৰিয় হ'বলৈ সক্ষম হৈছিলো। নহলে বাৰু আমি একেলগে দুটা বছৰ ধৰি ছাত্ৰ একতা সভাখন দখল কৰিবলৈ সক্ষম হলোহেতেন নে?

উল্লেখ কৰিব খুজিছো ইয়াকেই, কলেজখনত নতুনকৈ বিজ্ঞান শাখা খোলা হ'ল। অৰ্থনৈতিক সংকট দেখা দিলে। সেয়ে আলোচনাৰ সিদ্ধান্ত অনুসৰি কলেজৰ গৰ্ভনিংবোডিৰ সম্পাদক প্ৰয়াত ৰজনীকান্ত দাস দেৱৰ নামত কলেজখনৰ আৰ্থিক সাহায্য বিচাৰি গোহাৰি এখন ছপা কৰা হ'ল। গোহাৰিখন লৈ অধ্যক্ষ মহেন্দ্ৰ বৰা ছাৰৰ নেতৃত্বত মই (লেখক), ঁমদন ৰায়, ঁকৰুণা নাথ, ঁতৰুণ নাথ আৰু ঁভৰতৰণ ৰায় আমি প্ৰথম দলটো জিৰা গাওঁলৈ যাত্ৰা কৰো। দিন তাৰিখ মনত নাই। সেয়ে উল্লেখ কৰিব নোৱাৰিলো। তাৰ বাবে দুঃখিত। জিৰা গাওঁখনত প্ৰয়াত প্ৰজেন ৰাভাৰ ঘৰত দুটা ৰাতি থাকি কিছু টকা পইচা সংগ্ৰহ কৰো যদিও পিছত বনগাওঁলৈ আহো আৰু তাত প্ৰয়াত পবিন ৰাভাৰ ঘৰত চাৰিটা ৰাতি থাকি তাৰে পৰাই চাইকেলৰে মেন্দি পথাৰকে আদি কৰি ওচৰে-পাজৰে থকা কেইখনমান গাওঁলৈ গৈ কিছু টকা-পইছা সংগ্ৰহ কৰাই নহয়, কোনো কোনোৱে ধান দিব বুলি প্ৰতিশ্ৰুতিও দিছিল। এইখিনিতে, উল্লেখ কৰিব খুজিছো যে, বৰা ছাৰে খোদাই কৰা কাঠৰ মুখা আৰু ওজাপালি নৃত্য চাবলৈ খোজাত, পবিন ৰাভাই শেষৰ দিনা দিনত খোদাই কৰা বিভিন্ন ধৰণৰ কাঠৰ মুখাবোৰ ঘৰৰ আতাল (চিলিং)ৰ পৰা নমাই আনি দেখুৱালে আৰু ৰাতি ওজাপালিৰ দল এটা আনি প্ৰকাণ্ড চোতালখনত হেঁচাক জ্বলাই ওজাপালি নৃত্য, গীত-মাত আৰম্ভ কৰালে। চোতালখনৰ চাৰিওপিনৰ ঘৰ কেইটাৰ মাটিৰ বাৰান্দাবোৰত মহিলা শিশুসহ শ্ৰোতা দৰ্শক ভৰ্ত্তি। পুৰুষ দৰ্শক বিভিন্ন ঠাইত। ঠাণ্ডাৰ দিন। প্ৰকাণ্ড গছৰ মুঢ়াৰ জুইৰ ধুনী। সন্ধিয়াৰ পৰাই আৰম্ভ ওজাপালি নৃত্য, গীত-মাত। বৰা ছাৰৰ লগত মাটিৰ বাৰান্দাখনত মইও (লেখক) বহি নৃত্য, গীত-মাত উপভোগ কৰি আছো। বাৰীখনৰ পিছপিনত জোঙাৰ কথা উল্লেখ নকৰিলেও হ'ব। গাওঁখনৰ জ্যেষ্ঠ তথা যুৱক কিছু সংখ্যক তাৰেই ওচৰৰ। মিছা কলে কি হ'ব? মোক বাদ দি আমাৰ কেউজনেও তেখেতসকলৰ লগত সহযোগ নকৰা নহয়। এনেতে নৃত্য, গীত-মাত উপভোগ কৰি থকা শ্ৰোতা দৰ্শক এজনে একলিটাৰমান ধৰা কাঁচৰ মস্ত গ্লাচ এটাত জোঙা আনি বৰা ছাৰৰ সমুখত থৈ মাটিত আঠুকাৰী দীঘল সেৱা এটা জনাই কলে- "ছাৰ অকণমান দিছো। খালে ভাল পাম।" ছাৰে আৰু কি কৰিব? মিচিককৈ হাঁহি এটা মাৰি ৰাইজক দেখুৱাই গ্লাচটো হাতেৰে তুলি লৈ ঢোক এটা মাৰি গ্লাচটো পুনৰ মাটিত থলে। ঢোকটো মৰাত ৰাইজৰ মহা আনন্দ। এনেতে আন এজনে কলে - "ছাৰ, শৈলেন দাসক আমাৰ লগত নাচিবৰ বাবে অনুমতি দিব লাগে।" লগে লগে ছাৰৰ অনুমতি প্ৰদান। ৰক্ষা ক'ত? উপায় নাই।

লংপেন্ট, টাই, কোট পিন্ধা আছেই। জোতাজোৰ খুলি থৈ নাচোনত লাগি গ'লো। তাল মানৰ প্ৰশ্ন নুঠে। দৰ্শকৰ হাঁহিৰ ৰোল। কাৰণ নৃত্য কৰা সকলে যদি সোঁফালে ঘূৰে, মই বাওঁফালে ঘূৰো। গতিকে দৰ্শকে বাৰু নাহাঁহিব কিয়? সিমানেই নহয়, দেখো মোক নচা দেখি আমাৰ লগৰ কেউজনেও ৰব নোৱাৰি নাচোনত লাগি গ'ল। ওজাপালিৰ দলটোক বাদ দি আমাৰ পাকৈত শিল্পী সকলৰ নাচোন চাই দৰ্শক সকলে বাৰু নহঁহাকৈ মনে মনে থাকিব পাৰেনে? কলেনো হ'ব কি? আমাৰ আচল লীডাৰ অধ্যক্ষ বৰা ছাৰে বাৰু কিমাননো মাটিৰ বাৰান্দাখনত বহি বহি নৃত্য, গীত-মাত উপভোগ কৰিব? ঘপহ কৰি বহাৰ পৰা উঠি টাই, চ্যুট, কোট পিন্ধা আছে, এজনে লৈ থকা দোতোৰাটো টান মাৰি আনি খালী ভৰিৰে চোতালখনত প্ৰৱেশ কৰি হাতখনৰ আঙুলি কেইটাৰে দোতোৰাৰ সূতা (গুন) কেইডালত কোবাই কোবাই ভৰি দাঙি দাঙি কেইপাকমান ঘূৰি ঘূৰি নাচিলেই। দৰ্শক ৰাইজৰ আনন্দৰ সীমা নোহোৱা হ'ল। বৰা ছাৰে নাচিলে। ইত্যাদি ইত্যাদি।

যিনহওঁক এই বিষয়ে বিতং উল্লেখ কৰিবলৈ খোজা নাই। কাৰণ ইতিমধ্যে মই (লেখক) "পবিন ৰাভাৰ চোতাল" নামৰ প্ৰবন্ধ এটা লিখি মোৰ গ্ৰন্থ "হেৰি" শুনকচোন- "হেৰি" নহয়---------- "ত প্ৰকাশ কৰিছো। উক্ত প্ৰবন্ধটো গোৱালপাৰা মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ স্মৰণিকাখনতো পুনৰায় কমিটিখনে প্ৰকাশ কৰিছে। গতিকে পুনৰ বিতং উল্লেখ কৰি পাঠকৰ সময় নষ্ট কৰিব খোজা নাই।

এতিয়া আহিবলৈ খুজিছো আচল পৰ্য্যায়লৈ। অৰ্থাৎ গছৰ কেঁচাপাতৰ ওপৰত ছপা কৰা কলেজৰ সৰস্বতী পূজাৰ চিঠিখন সম্পৰ্কত। আমি কলেজখনৰ টকা পইছা কিছু সংগ্ৰহ কৰি অহাৰ প্ৰায় অহাৰ প্ৰায় এমাহ মানৰ পিছত সৰস্বতী পূজা অনুষ্ঠিত হ'ব। এদিনাখন মোক (লেখক) আৰু মদন ৰায়ক বৰা ছাৰে বেলেগৰ হতুৱাই খবৰ দি মতাত আমি দুয়ো বৰা ছাৰৰ কক্ষত উপস্থিত হলো। মতাৰ কাৰণ সোধাত ছাৰে ক'লে- "তোমালোক দুয়োকে মাতিছো এটা কাৰণত। সৰস্বতী পূজাৰ আৰু বেচি দিন নাই। মোৰ এটা পৰিকল্পনা আছে। পিছে তহঁতে কিমানদূৰ সফল কৰিব পাৰ নাজানো তথাপিতো তহঁতৰ লগত আলোচনা এটা কৰিবলৈ খুজিছো।" "ছাৰ কওঁকচোন আপোনাৰ পৰিকল্পনাটোৰ কথা।" মিচিককৈ হাঁহি এটা মাৰি মদনে কলে। "এই বেলিৰ কলেজৰ সৰস্বতী পূজাত নতুন পদ্ধতিত আকৰ্ষণীয় তথা আজিলৈ কোনেও কৰি নোপোৱা পূজাৰ চিঠিখন ছপাবলৈ ইচ্ছা কৰিছোঁ। চিঠিখন দেখি যেন আচৰিত হয়। আচৰিতেই নহয় চিঠিখনে দেশৰ ভিতৰতেই যেন ইতিহাস ৰচে।" বৰা ছাৰে ক'লে। "ছাৰ কওঁকচোন। কোনেও কৰিব নোপোৱা চিঠি আমি কেনেকৈ কৰিব লাগিব।" মদনে ক'লে। "অৰ্থাৎ কাঞ্চন ফুল গছৰ কেঁচাপাতৰ ওপৰত চিঠিখন ছপাব লাগিব। কামটো কিন্তু সহজ নহব। যথেষ্ঠ কঠিন। পিছে তোমালোকে পাৰিবা নে নোৱাৰিবা সেইটোহে প্ৰশ্ন?" বৰা ছাৰে কলে। বন্ধুবৰ মদন ৰায় অলপ অভং ধৰণৰ। যিটো বুজে বুজেই। কামটো কৰিবই। কৈ দিলেই নহয় বৰা ছাৰক - "ছাৰ আপুনি কৈছে। গছৰ পাতত কলেজৰ সৰস্বতী পূজাৰ চিঠিখন ছপাব লাগে। আমি ছপাম। আপুনি কোৱাৰ দৰে আমি ইতিহাস ৰচিম। পিছে কথাটো হ'ল ছাৰ, প্ৰেছে গছৰ পাতৰ ওপৰত চিঠিখন ছপাব পাৰিবনে নোৱাৰিব সেইটো হলে প্ৰেছৰ কথা। আমি তাত একো কব নোৱাৰিম। যিনহওঁক প্ৰেছৰ গৰাকী আনোৱাৰদা আৰু আৰ. আৰ. আহম্মেদ (মুকুট দা)ক প্ৰেছত গৈ লগ ধৰি আপোনাৰ পৰিকল্পনাটোৰ কথা ক'ম। যদি তেখেতসকলে গছৰ কেঁচাপাতৰ ওপৰত চিঠিখন ছপাব পাৰিব বুলি কয়, তেতিয়াহ'লে গছডাল য'তেই নাথাকক কিয় আমি বিছাৰি উলিয়াম আৰু সেই গছডালৰ পৰা পাত চিঙি আনি প্ৰেছত দিম। আমি আপোনাক কথা দিছো ছাৰ।" তাৰ পিছত সংগ্ৰহ কৰা টকা-পইচাৰ কথা কিছু আলোচনা কৰি ছাৰৰ পৰা বিদায় লৈ গুছি আহিলো।

বৰা ছাৰক গছৰ পাতত সৰস্বতী পূজাৰ চিঠি ছপাম বুলি কথা দি তেখেতৰ কক্ষটোৰ পৰা ওলাই আহিলো হয়, চিন্তাতো পৰিলো। বাস্তৱত গছৰ পাতত চিঠিখন ছপা কৰা সম্ভৱ হ'বনে, নহব সেয়া প্ৰশ্ন? সময়ো নাই। অন্ততঃ দহ দিনমান আগত পাতবোৰ আনি প্ৰেছত দিব লাগিব। তেতিয়াহে সময়ত প্ৰেছে চিঠিখন ছপা কৰি উলিয়াই দিব পাৰিব। আকৌ চিন্তা। পাতবোৰ বাৰু আনি প্ৰেছত দিলোৱে যেনিবা যদি ছপাব নোৱাৰে। তেতিয়াহ'লে আমাৰ কষ্ট দেখোন এনেয়ে যাব। ইত্যাদি ইত্যাদি আমাৰ চিন্তা। সেয়ে পলম নকৰি পোনে পোনে আমি দুয়ো প্ৰেছলৈ ধাপলি মেলিলো। প্ৰেছৰ গৰাকী আনোৱাৰদা আৰু মুকুটদাক লগ ধৰি আমাৰ উদ্দেশ্য তথা বৰা ছাৰৰ পৰিকল্পনাটোৰ কথাটো বিতং ক'লো। বৰা ছাৰৰ পৰিকল্পনাৰ প্ৰতি শলাগ জনাই তেখেতসকলে ক'লে- "তহঁতে পাতবোৰ আনিবি। চেষ্টা এটা কৰি চাম। বৰা ছাৰৰ পৰিকল্পনাৰ লগতে আমাৰ প্ৰেছৰো যদি নাম এটা হয় হওঁক। অন্ততঃ মানুহেতো ক'ব। এই প্ৰেছটোৱে গছৰ পাততো চিঠি ছপাব পাৰে বুলি।" আনোৱাৰ দা আৰু মুকুট দাই সেইদৰে আমাক উৎসাহ দিয়াত আমি সন্তোষ প্ৰকাশ কৰি প্ৰেছৰ পৰা উভতি আহিলো। তাৰ পিছদিনাই আমি বন্ধুকেইজনমানক লগ ধৰি বৰা ছাৰৰ পৰিকল্পনাটোৰ কথা ক'লো। সকলোৱে বৰা ছাৰৰ পৰিকল্পনাৰ প্ৰতি শলাগ জনালে।

যিনহওঁক গছৰ কেঁচাপাতৰ ওপৰত কলেজৰ সৰস্বতী পূজাৰ চিঠি ছপাম। পূজাৰ দহ দিনমান আগত মই (লেখক) ঁমদন ৰায়, ঁকৰুণা নাথ, ঁভৰতৰণ ৰায়, ভূমিধৰ ৰায় আমি এই কেইজনে ছাৰে কোৱামতে গছডাল বিচাৰি বিচাৰি গোৱালটুলিৰ পুৰণি শ্মশান পালোঁ। সঁচাকৈ ছাৰে কোৱা প্ৰকাণ্ড গছডাল ৰাস্তাৰ দাঁতিৰ জঙ্গলৰ মাজত ঠিয় হৈ আছে। গছডাল দেখি আমি আনন্দিত। চিঠিখনৰ পাতৰ সমস্যা সমাধান। ওচৰৰ দুই এজন বন্ধুক লগ ধৰি সোধ-পোচ কৰি অনুমতি সাপেক্ষে আমাৰ দুজনে ওচৰৰ ঘৰ এটাৰ পৰা

দুখন দা আনি একেবাৰে গছৰ ডাল পালে। গছডালৰ ওপৰৰ পাত ভৰ্ত্তি কেইডালমান ডাল কাটি তললৈ পেলাই দি সিহঁত দুয়ো গছডালৰ পৰা নামি আহিল। ছাৰে কোৱামতে ঠাঁৰি সহ প্ৰায় তিনি হাজাৰৰো অধিক পাত চিঙিলো। পাতবোৰ নষ্ট নহোৱাকৈ সুন্দৰভাবে জাপ্ জাপ্‌কৈ বান্ধি লৈ আবেলি পৰত কলেজলৈ আহি পাতবোৰ বৰা ছাৰক দেখুৱালোঁ। পাতবোৰ দেখি ছাৰৰ ফূৰ্তি তেখেতৰ কোৱামতে আমাৰ কাম। চিন্তা মাথো এটাই। প্ৰেছে বাৰু কয় কি? পাতৰ ওপৰত চিঠিখন ছপাব পাৰিব নে নোৱাৰিব? ছাৰে আমাক শলাগ জনালে কষ্ট কৰি প্ৰায় তিনি হাজাৰমান পাত অনাৰ বাবে। ছাৰৰ লগত আমাৰ আৰু কিছু কিছু বিভিন্ন ধৰণৰ কথা আলোচনা হ'ল। তাৰ পিছত ছাৰৰ পৰা বিদায় লৈ পাতবোৰ সহ আমি আটায়েই পোনে পোনে প্ৰেছ পালো। ইমানবোৰ পাত দেখি আনোৱাৰদা আৰু মুকুটদা দুয়ো হতভম্ব। আমাক ধন্যবাদ জনালে যদিও তেখেত সকলো চিন্তাত পৰিল। চিঠিখন পাতবোৰত ছপাব পাৰিব নে নোৱাৰিব? যিনহওঁক কিয় কেঁচাপাতৰ ওপৰত চিঠিখন ছপাব। আমিও তেখেত সকলৰ উৎসাহত সন্তোষ পালো। তাৰ পিছত আমি আটায়েই প্ৰেছৰ পৰা ওলাই আহি চাহৰ দোকান এখনত সোমালো। চাহ-মিঠাই খালো। আমাৰ কোনোবা এজনে চাহ-মিঠাই খোৱা দামটো দিলে। তাৰ পিছত আমি ঘৰা-ঘৰি হ'লো।

বহু কষ্ট কৰি তিনিদিনমানৰ মূৰত আনোৱাৰদা আৰু মুকুটদাই তেখেতসকলৰ কৰ্ম্মীৰ সহায়-সহযোগত গছৰ কেঁচাপাতবোৰৰ ওপৰত কলেজখনৰ সৰস্বতী পূজাৰ চিঠিখন ছপা কৰি উলিয়ালে। সতৰ্কতাৰে ছপা কৰিছিল যদিও বহুতো পাত নষ্টও হৈছিল।

আমি Successful গছৰ কেঁচাপাতৰ ওপৰত চিঠিখন ছপা কৰাত। আমাৰ কষ্ট সাৰ্থক হ'ল। আনোৱাৰদা, মুকুটদা তথা প্ৰেছ কৰ্ম্মীসকল আনন্দিত। নোহোৱা-নোপোজা কাম এটা কৰিলে। যিটো কল্পনাতীত। মহেন্দ্ৰ বৰা ছাৰৰ পৰিকল্পনাও সাৰ্থক হ'ল। গছৰ পাতটো পখিলাটোৰ দুখন পাখি থকাৰ দৰে দুটা খিলা। এটা খিলাত সভাৰ কাৰ্য্যসূচী আৰু আনটো খিলাত নিমন্ত্ৰণী চিঠিখন। চিঠিখন ছপা কৰাৰ পিছত তাৰ ওপৰত লেপি দিয়া হৈছিল ৰূপালী ৰং। যাতে আখৰবোৰ স্পষ্ট হয়। পঢ়ুৱৈৰ পঢ়াৰ অসুবিধা নহয়।

সময়ত কলেজখনৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিঠিখন বিতৰণ কৰা হ'ল। তেনেকুৱা গছৰ কেঁচাপাতৰ ওপৰত ছপা কৰা চিঠি দেখি ছাত্ৰ-ছাত্ৰীসকল হতভম্ব। অসম্ভৱক সম্ভৱ কৰি বাস্তৱত গছৰ কেঁচাপাতৰ ওপৰত কলেজখনৰ সৰস্বতী পূজাৰ ছপা কৰা চিঠি। সিও পাতবোৰৰ ঠাঁৰি তথা পিছৰ নেজৰ দৰে ওলমি থকা ঠাঁৰিখিনিকো চিঙি পেলাই দিয়া হোৱা নাছিল। যেনে আছিল ঠিক তেনেদৰেই ৰাখি থোৱা হৈছিল। অদ্ভুত চিঠিখন দেখি বহুত অভিভাৱক তথা আমাৰ বহু বন্ধু-বান্ধৱীয়ে কৈছিল- "তহঁতৰ মূৰত এই পৰিকল্পনাটো সোমাল কেনেকৈ?" অসম্ভৱ চিঠিখন দেখা সকলে আমাক ধন্যবাদ তথা শলাগো নজনোৱা নহয়। বহুতৰেই মন্তব্য। "এনেকুৱা চিঠি দেশখনত হয়তো এইখনেই প্ৰথম হ'ব পাৰে!" সিমানেই নহয় জিলাখনৰ বাহিৰলৈ নিমন্ত্ৰিত অতিথিসকললৈ চিঠিখন পঠিয়াইছিলো। চিঠিখন দেখি আৰু পঢ়ি বহু মাননীয় আমন্ত্ৰিত অতিথিয়ে বৰা ছাৰলৈ ফোনযোগে নতুন পদ্ধতিত গছৰ কেঁচাপাতৰ ওপৰত পূজাৰ চিঠিখন ছপোৱাৰ বাবদ শলাগ জনোৱাই নহয় ধন্যবাদো জনাইছিল। সেই কথা বৰা ছাৰে আমাক কোৱাত আমি যথেষ্ট উৎফুল্লিত হৈ পৰিছিলো।

এয়া আছিল আমাৰ একান্ত বাধ্য ছাত্ৰসকলৰ কৰ্ম্ম। ■

বিবিধা



# ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ

**হ. ইছুব আলী**
তৃতীয় ষান্মাসিক,অসমীয়া বিভাগ

ভাৰতৰ এগৰাকী মহান দাৰ্শনিক, চিন্তা নায়ক আৰু মনীষীয়ে অসামান্য দক্ষতা আৰু প্ৰতিভাৰ যোগেদি ভাৰতবৰ্ষৰ শৈক্ষিক আৰু ৰাজনৈতিক ক্ষেত্ৰখনক সবল নেতৃত্ব প্ৰদান কৰি জগতজোৰা খ্যাতি লাভ কৰিবলৈ সক্ষম হৈছিল। তেওঁ হৈছে ভাৰতবৰ্ষৰ প্ৰথমগৰাকী উপ-ৰাষ্ট্ৰপতি আৰু দ্বিতীয় গৰাকী ৰাষ্ট্ৰপতি সৰ্বপল্লী ৰাধাকৃষ্ণণ। এই গৰাকী মহান শিক্ষাবিদৰ জন্মদিনটো সমগ্ৰ ভাৰতবৰ্ষত শিক্ষক দিৱস হিচাপে পালন কৰা হয়। আজীৱন শিক্ষকতাকে ব্ৰত হিচাপে গ্ৰহণ কৰা ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ ডাঙৰীয়াই নিজকে এগৰাকী শিক্ষক হিচাপে পৰিচয় দিয়েই ভাল পাইছিল আৰু সেয়ে তেওঁৰ জন্মদিনটো শিক্ষকসকলৰ সোঁৱৰণত শিক্ষক দিৱস হিচাপে পালনৰ কাৰণে পৰামৰ্শ দিছিল। গতিকে ১৯৬৩ চনৰ পৰা ৫ চেপ্তেম্বৰৰ দিনটো সমগ্ৰ ভাৰতজুৰি শিক্ষক দিৱস হিচাপে উদ্‌যাপিত হৈ আহিছে।

ৰাধাকৃষ্ণণৰ মতে "মই যিহেতু এজন শিক্ষক, গতিকে মই এই গুৰুত্বপূৰ্ণ দিনটো মোৰ জন্মদিন হিচাপে পালন কৰাতকৈ শিক্ষক দিৱস হিচাপে পালন কৰাটোহে প্ৰশংসনীয় হ'ব বুলি ভাবো।"

ৰাধাকৃষ্ণণ দৰ্শন শাস্ত্ৰত অধ্যাপক আছিল আৰু ভাৰতীয় দৰ্শন আৰু আধ্যাত্মিকতাৰ বিষয়ে কেইবাখনো গ্ৰন্থ প্ৰণয়ন কৰিছিল। তেওঁৰ দ্বাৰা প্ৰণিত গ্ৰন্থসমূহৰ বিষয়বস্তুৰ ব্যাপকতা আৰু গভীৰতাই পাঠকক বিস্ময়াভিভূত কৰে। তেওঁৰ মেধা, ব্যক্তিত্ব আৰু পাণ্ডিত্যৰ প্ৰতিফলন ঘটিছে তেওঁৰ দ্বাৰা ৰচিত বিভিন্ন প্ৰবন্ধৰাজিত। ভাৰতীয় দৰ্শন আৰু আধ্যাত্মিক চিন্তাধাৰাই তেওঁৰ ৰচনাৱলীত গভীৰ আন্তঃদৃষ্টিৰ সঞ্চাৰ কৰিছিল আৰু তেওঁৰ দ্বাৰা প্ৰদত্ত ভাষণ সমূহতো তেওঁ শিক্ষকসকলক সততে এই বুলি বুজনি দিছিল যে- "আমি সততে বৌদ্ধিক নিষ্ঠা আৰু দয়া ক্ষমতাৰ অন্বেষণ কৰিব লাগে। এই দুটা গুণেই প্ৰকৃত শিক্ষক এজনক চিহ্নিত কৰে।"

আধুনিক ভাৰতৰ দাৰ্শনিক পণ্ডিত সকলৰ ভিতৰত ৰাধাকৃষ্ণণৰ দৰে জ্ঞানৰ মহাসমুদ্ৰত বিচৰণ কৰা পণ্ডিত বিচাৰি পোৱা টান। তেওঁ মূলতঃ এগৰাকী শিক্ষক আছিল। আৰু এই বৃত্তিটোৰ প্ৰতি থকা গভীৰ আন্তৰিকতাই তেওঁক সমগ্ৰ জীৱন শিক্ষাৰ সম্প্ৰসাৰণৰ কাৰণে কৰ্মত আত্মনিয়োগ কৰিবলৈ প্ৰেৰণা যোগাইছিল, এগৰাকী প্ৰকৃত শিক্ষক হিচাপে তেওঁ প্ৰয়োজনীয় প্ৰায় সকলোবোৰ গুণেৰে বিভূষিত আছিল। তেওঁ আছিল সুবক্তা, বিদগ্ধ পণ্ডিত-দাৰ্শনিক, আদৰ্শ ব্যক্তিত্বৰ অধিকাৰী আৰু অতিশয় কৰ্মনিপুণ ব্যক্তি।

বিশ্বৰ বিখ্যাত শিক্ষাবিদ আৰু চিন্তাবিদ মনীষী সকলৰ দৰেই তেওঁ ভাৱবাদী চিন্তা আৰু আদৰ্শৰে জনসাধাৰণক প্ৰভাৱান্বিত কৰিছিল। এইচ. জি. ওৱেলচ, জে.বি. প্ৰিষ্টলি প্ৰভৃতি মনীষীসকলে তেওঁৰ ব্যক্তিত্বৰ প্ৰতি আকৰ্ষণ অনুভৱ কৰিছিল। বিশ্বৰ বহুতো বিখ্যাত চিন্তাবিদ আৰু মনীষীয়ে ৰাধাকৃষ্ণণৰ জ্ঞানগৰ্ভ বক্তৃতা আৰু চিন্তামূলক ৰচনাৰ প্ৰশংসা কৰিছে। মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু, ৰবীন্দ্ৰনাথ ঠাকুৰ প্ৰভৃতি কুৰি শতিকাৰ বৰণ্য নেতা আৰু চিন্তাবিদসকলে ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ চিন্তাৰ মাজত ভাৰতীয় ঐক্য আৰু উপনিষদীয় ঐতিহ্যক নতুন ৰূপত আৱিস্কাৰ কৰিবলৈ পাই গৌৰৱবোধ কৰিছিল। তেওঁৰ 'জীৱনৰ আদৰ্শবাদ' শীৰ্ষক গ্ৰন্থখনে দৰ্শনৰ আগ্ৰহী ছাত্ৰ-ছাত্ৰী সকলৰ লগতে সকলো শ্ৰেণীৰ পাঠকক জ্ঞানৰ তৃষ্ণা পূৰণ কৰিবলৈ সক্ষম হৈছিল।

মাদ্ৰাজৰ পৰা ৪০ কিঃ মিঃ দূৰৈত অৱস্থিত তিৰুতানি নামৰ সৰু চহৰত ১৮৮৮ চনৰ ৫ চেপ্তেম্বৰত ৰাধাকৃষ্ণণৰ জন্ম হয়। তেওঁৰ পিতৃ বীৰস্বামী উজ্জ আৰু মাতৃ চিতাম্মী আছিল নৈষ্ঠিক ব্ৰাহ্মণ সম্প্ৰদায়ৰ লোক। ৰাধাকৃষ্ণণ আছিল মাক-দেউতাকৰ দ্বিতীয় সন্তান। গোড়া হিন্দু ব্ৰাহ্মণ পৰিয়ালত জন্ম গ্ৰহণ কৰা কাৰণে ১২ বছৰ বয়সলৈকে তেওঁ হিন্দুৰ তীৰ্থস্থান তিৰুতানি আৰু তিৰুপতিৰ ধৰ্মীয় পৰিৱেশৰ মাজত ডাঙৰ-দীঘল হৈছিল আৰু সেয়ে তেওঁৰ জীৱনত ধৰ্মীয় বিশ্বাস আৰু আধ্যাত্মিকতাই গভীৰভাৱে প্ৰভাৱ বিস্তাৰ কৰিছিল। প্ৰাথমিক শিক্ষা সমাপ্ত কৰি তেওঁ ১৮৯৬ চনত তিৰুপতিত থকা 'হৰ্মান বাৰ্গ ইভানজলিকেল লুথেৰান'ত (Hermansburg Evangelical Lutheran) নাম ভৰ্ত্তি কৰে। জাৰ্মান মিছনেৰী সকলৰ দ্বাৰা পৰিচালিত এখন স্কুলত প্ৰথমে বাইবেল

অধ্যয়ন কৰিবলগীয়া হৈছিল। অৱশ্যে বিদ্যালয়ত বাইবেল অধ্যয়ন কৰিলেও ৰাধাকৃষ্ণণে ঘৰতে হিন্দুধৰ্মৰ শাস্ত্ৰ আদি অধ্যয়ন কৰি হিন্দু ধৰ্মৰ আচাৰ-নীতি সম্পৰ্কে গভীৰ জ্ঞান লাভ কৰাৰ সুযোগ পাইছিল।

ৰাধাকৃষ্ণণ এগৰাকী মধ্যমীয়া প্ৰতিভাৰ ছাত্ৰ আছিল। ১৯০০ চনত তেওঁ ভেলৰৰ ভেৰহীজ কলেজত (Voorhees College) নাম ভৰ্ত্তি কৰে আৰু অধ্যয়নত গভীৰভাৱে মনোনিৱেশ কৰে। ১৯০২ চনত মেট্ৰিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ বৃত্তি লাভ কৰে। এনে সময়তে তেওঁ স্বামী বিবেকানন্দৰ লগতে সাৰাবাক্যৰ ৰচনাৰ প্ৰতি আকৰ্ষিত হয় আৰু এই সমূহ গ্ৰন্থৰ অধ্যয়নে ৰাধাকৃষ্ণণৰ মনত অধ্যয়ন স্পৃহা বৃদ্ধি কৰে। ১৯০৪ চনত তেওঁ বিশেষ যোগ্যতাৰে আই.এ.পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯০৩ চনৰ মে' মাহত ১৬ বছৰ বয়সত তেওঁ শিৱকামু নামৰ এগৰাকী ছোৱালীৰ সৈতে বিবাহপাশত আৱদ্ধ হ'লেও ৰাধাকৃষ্ণণৰ পঢ়াশুনাত বাধা পৰা নাছিল। ১৯০৪ চনত তেওঁ মাদ্ৰাজ খৃষ্টীয়ান কলেজত বি. এ. শ্ৰেণীত নামভৰ্ত্তি কৰে আৰু ১৯০৬ চনত উক্ত কলেজৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে।

মাদ্ৰাজ প্ৰেছিডেন্সী কলেজত পঢ়ি থকা সময়ত দুগৰাকী অধ্যাপকৰ দ্বাৰা ৰাধাকৃষ্ণণ, গভীৰভাৱে প্ৰভাৱিত হৈছিল, তেওঁলোক আছিল এলবাৰ্ট মৰিজন আৰু ড° ৰুডাৰফোৰ্ড। অধ্যাপক ৰুডাৰফোৰ্ডে ৰাধাকৃষ্ণণৰ মনত দৰ্শণ শাস্ত্ৰৰ প্ৰতি গভীৰ অনুৰাগৰ সঞ্চাৰ কৰে। ১৯০৯ চনত ৰাধাকৃষ্ণণে বিশ্ববিদ্যালয়ৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰি দৰ্শন শাস্ত্ৰৰ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। এম.এ পাছ কৰাৰ পিছত তেওঁ উচ্চ শিক্ষাৰ বাবে বিদেশলৈ যোৱাৰ মন কৰিছিল যদিও ঘৰুৱা অসুবিধাৰ বাবে মাদ্ৰাজ এডুকেশ্যনেল চাৰ্ভিচত যোগদান কৰি কৰ্মজীৱনৰ পাতনি মেলে। কিছুদিন পিছতে ৰাধাকৃষ্ণণে মাদ্ৰাজ প্ৰেছিডেন্সী কলেজত দৰ্শনৰ সহকাৰী অধ্যাপক হিচাপে নিযুক্তি লাভ কৰে।

প্ৰাচ্য আৰু পাশ্চাত্যৰ দৰ্শনৰ গভীৰ অধ্যয়নে তেওঁৰ বুদ্ধি-বৃত্তি আৰু জ্ঞান-অনুভূতিক উদ্দীপিত কৰে। প্ৰেছিডেন্সীত অধ্যাপনা কৰা সময়ছোৱাতে ৰাধাকৃষ্ণণে ভাৰতীয় ধৰ্মতত্ব আৰু নীতিশাস্ত্ৰৰ বিষয়ে কেইবাটাও প্ৰবন্ধ লিখি বিভিন্ন গৱেষণাধৰ্মী পত্ৰিকাত প্ৰকাশ কৰে। ৰাধাকৃষ্ণণে দৰ্শন আৰু ইউৰোপীয় চিন্তাধাৰাৰ সম্পৰ্কে প্ৰদান কৰা বক্তৃতাই শিক্ষাৰ্থী সকলক বিশেষভাৱে আকৰ্ষিত কৰিছিল। ৰাধাকৃষ্ণণে বিভিন্ন গৱেষণা-পত্ৰিকাত প্ৰকাশ কৰা চিন্তাশীল লেখাবোৰে ৰবীন্দ্ৰনাথকে ধৰি ভালেমান লেখকক আকৰ্ষণ কৰিছিল। ৰবীন্দ্ৰনাথৰ 'গীতাঞ্জলি' আৰু 'সাধনা' ই ৰাধাকৃষ্ণণৰ মনত গভীৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল আৰু ভাৰতীয় আধ্যাত্মিকতাবাদৰ প্ৰতিফলন সম্পৰ্কে কবিৰ মতাদৰ্শৰ আধাৰত 'দি কুৱেষ্ট' ত প্ৰবন্ধও লিখিছিল। এই সময়ত তেওঁ 'The philosophy of Rabindranath Tagore' শীৰ্ষক গ্ৰন্থখনি ৰচনা কৰে আৰু মেকমিলন কোম্পানীয়ে গ্ৰন্থখন প্ৰকাশ কৰে। ১৯১৮ চনত ৰাধাকৃষ্ণণে মহীশূৰ বিশ্ববিদ্যালয়ত দৰ্শন শাস্ত্ৰৰ অধ্যাপক হিচাপে যোগদান কৰে। তেওঁৰ প্ৰতিভা বিকাশত দুগৰাকী ব্যক্তিৰ বিশেষ অনুপ্ৰেৰণা আছিল। এগৰাকী হ'ল বিশ্বেশ্বৰায়া, যি ৰাধাকৃষ্ণণৰ প্ৰতিভাক স্বীকৃতি প্ৰদান কৰি মহীশূৰ বিশ্ববিদ্যালয়ত স্থান দিছিল। আনগৰাকী হ'ল চাৰ আশুতোষ মুখাৰ্জী, যিজনে ৰাধাকৃষ্ণণক কলিকতা বিশ্ববিদ্যালয়ত আসন দিছিল।

আশুতোষ মুখাৰ্জীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই ৰাধাকৃষ্ণণে ১৯২১ চনত কলিকতা বিশ্ববিদ্যালয়ৰ দৰ্শন বিভাগত যোগদান কৰে। উক্ত বিশ্ববিদ্যালয়ত কাম কৰি থকা সময়ছোৱাত মহাত্মা গান্ধীৰ আহ্বানত সমগ্ৰ ভাৰতজুৰি স্বাধীনতা আন্দোলনৰ শুভাৰম্ভ হয়। ৰাধাকৃষ্ণণে গান্ধীজীৰ এই আন্দোলনৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়াইছিল।

১৯২৯ চনত তেওঁ লণ্ডন আৰু অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ দ্বাৰা 'হিবাট' বক্তৃতালানি দিবৰ কাৰণে আমন্ত্ৰিত হয়। এই বক্তৃতা দিবৰ কাৰণে ভাৰতৰ পৰা আমন্ত্ৰিত ব্যক্তিসকলৰ ভিতৰত ৰবীন্দ্ৰনাথৰ পাচতেই তেওঁ আছিল দ্বিতীয় গৰাকী ভাৰতীয়। তেওঁৰ বক্তৃতা উচ্চ পৰ্যায়ৰ হোৱা বুলি বিভিন্ন পণ্ডিতে মন্তব্য আগবঢ়াইছিল। এই বক্তৃতালানি পৰৱৰ্তী কালত 'An Idealist view of life' শীৰ্ষক গ্ৰন্থত সংকলিত হয়। গ্ৰন্থখনিত আদৰ্শবাদী পৰম্পৰাৰ সাৰ কথাখিনি লেখকৰ দৃষ্টিভংগীৰ আধাৰত প্ৰকাশ পাইছিল। বিশ্বৰ বিভিন্ন চিন্তাবিদ আৰু দাৰ্শনিকে ৰাধাকৃষ্ণণৰ এই গ্ৰন্থখনৰ উচ্চ প্ৰশংসা কৰিছে।

১৯৫২ চনত ৰাধাকৃষ্ণণে ভাৰতৰ প্ৰথম গৰাকী উপ-ৰাষ্ট্ৰপতি হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰি এই পদ সফলতাৰে সম্পাদন কৰাৰ উপৰিও ১৯৫৭ চনত পুনৰবাৰ উপ-ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হয়। ১৯৬২ চনত ভাৰতৰ দ্বিতীয় গৰাকী ৰাষ্ট্ৰপতি হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে।

ৰাষ্ট্ৰপতি হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পৰৱৰ্তী বছৰতে, অৰ্থাৎ ১৯৬৩ চনত ৫ চেপ্তেম্বৰ দিনটো 'শিক্ষক দিৱস' পালন কৰিবলৈ ঘোষণা কৰা হয়। ৰাষ্ট্ৰপতি তথা ৰাষ্ট্ৰনায়ক হৈয়ো তেওঁ নিজকে এজন শিক্ষক হিচাপে পৰিচয় দিহে আনন্দ পাইছিল। ৰাষ্ট্ৰপতি পদৰ পৰা অৱসৰ গ্ৰহণ কৰি তেওঁ মাদ্ৰাজৰ মায়ালপুৰত অৱস্থিত নিজ-বাসভৱন 'গিৰিজা'ত থাকি অধ্যয়নৰ মাজেদি জীৱনৰ বাকী দিনবোৰ অতিবাহিত কৰে। ১৯৭৫ চনৰ ১৬ এপ্ৰিল তাৰিখে মাদ্ৰাজৰ নিজা বাসভৱনত এইগৰাকী বিশ্ব বৰেণ্য মহান দাৰ্শনিক, ৰাজনৈতিক আৰু ৰাষ্ট্ৰনায়কৰ দেহাৱসান ঘটে। ৰাধাকৃষ্ণণে সাম্য-মৈত্ৰী আৰু ন্যায়নীতিৰে এখনি সমৃদ্ধিশালী ভাৰত গঢ়াৰ পৰিকল্পনা কৰিছিল। ৰাধাকৃষ্ণণৰ ভাষাতেই -

"আমি যি ধৰণৰ সমাজ নিৰ্মাণ কৰিব বিচাৰোঁ ল'ৰা-ছোৱালীক সেই ধৰণৰ শিক্ষা প্ৰদান কৰিব লাগে। মানুহৰ মৰ্যাদা

আৰু সমতাৰূপ মূল্যবোধৰ আধাৰত আমি আধুনিক গণতন্ত্ৰৰ ভেটি নিৰ্মাণৰ বাবে কাম কৰি আছোহঁক।”

ৰাধাকৃষ্ণণে ব্যক্তিগত জীৱনত তিনিগৰাকী বিশিষ্ট ভাৰতীয় চিন্তা নায়ক যথাক্ৰমে মহামানৱ মহাত্মা গান্ধী, কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু পণ্ডিত জৱাহৰলাল নেহেৰুৰ সান্নিধ্য লাভ কৰিছিল। ১৯৯৮ চনত তেওঁৰ ৰবীন্দ্ৰনাথৰ সৈতে সাক্ষাৎ হয় আৰু পৰৱৰ্তী কালত সুদীৰ্ঘ দিন উভয়েৰে মাজত বন্ধুত্ব অটুট থাকে। ১৯২৫ চনত ৰাধাকৃষ্ণণে কেইগৰাকীমান অনুৰাগীক লগত লৈ ইণ্ডিয়ান ফিলচফিকেল কংগ্ৰেছৰ জন্ম দিছিল। এই কংগ্ৰেছৰ প্ৰথম অধিৱেশনত সভাপতিত্ব কৰিছিল কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে। ১৯৩৯ চনৰ ২৬ ডিচেম্বৰত কলিকতাত অনুষ্ঠিত কবিগুৰুৰ ৭০ বছৰীয়া জন্মদিনৰ ৰাজহুৱা সভাত দেশ-বিদেশৰ ভালেমান গুণী-জ্ঞানী, শিল্পী-সাহিত্যিক আৰু শিক্ষাবিদে অংশ গ্ৰহণ কৰি কবিগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। এই ৰাজহুৱা সভাত সভাপতিত্ব কৰিছিল ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে । ১৯৩৩ চনত ৰাধাকৃষ্ণণে অন্ধ্ৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হৈ থকা কালছোৱাত ৰবীন্দ্ৰনাথ ঠাকুৰক এলানি বক্তৃতা দিয়াৰ কাৰণে ৱালটায়াৰলৈ আমন্ত্ৰণ কৰি নিছিল। ১৯৩৮ চনত ৰাধাকৃষ্ণণে শান্তি নিকেতন দৰ্শন কৰি দিয়া ভাষণত কবিগুৰুৰ সৈতে লাভ কৰা সান্নিধ্যৰ আনন্দ প্ৰকাশ কৰিছিল এনেদৰে -

“মই অতিশয় আনন্দিত যে আমাৰ ছাত্ৰ-ছাত্ৰী সকলে আপোনাৰ ব্যক্তিগত সংস্পৰ্শলৈ অহাৰ উপৰিও আপোনাৰ অদ্ভুত বাক্‌শক্তি আৰু চিন্তাৰ মৌলিকত্ব উপভোগ কৰাৰ সুযোগ লাভ কৰিছিল।”

ছাত্ৰ-ছাত্ৰী সকলৰ মাজত নৈতিক আৰু আধ্যাত্মিক বিশ্বাস বৃদ্ধিৰ বাবে তেওঁ সততে চেষ্টা কৰিছিল। ভাৰতীয় শিক্ষকৰ আদৰ্শই হৈছে নীতি আদৰ্শৰ ভিত্তিত জীৱন গঢ়ি তোলা। শিক্ষকতাৰ আদৰ্শ হৈছে আদৰ্শ পৰায়ণতা। ব্যক্তি হিচাপে পূৰ্ণতাৰ পথত অগ্ৰসৰ হোৱা। ধৰ্ম, দৰ্শন, শিক্ষা, ৰাজনীতি, সাহিত্য, সংস্কৃতি সকলো দিশতেই ৰাধাকৃষ্ণণৰ অগাধ জ্ঞান আৰু পাণ্ডিত্য আছিল। প্ৰাচ্য আৰু পাশ্চাত্য চিন্তাৰ সমন্বয় সাধন কৰি তেওঁ ভাৰতীয় চিন্তাক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল।

দেশৰ বৰ্তমান আৰু ভৱিষ্যতৰ উচ্চ শিক্ষা সম্পৰ্কে সকলো দিশ চালি-জাৰি চাই বিশ্ববিদ্যালয় শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য, শিক্ষাৰ মাধ্যম, ছাত্ৰ-ছাত্ৰীৰ কল্যাণ প্ৰভৃতি দিশত অধ্যয়নৰ কাৰণে ভাৰত চৰকাৰে ৰাধাকৃষ্ণণৰ অধ্যক্ষতাত এখনি শিক্ষা আয়োগ গঠন কৰি দিছিল। আয়োগৰ সদস্যসকলে বিভিন্ন দিশ পৰ্যালোচনা কৰি ১৯৪৯ চনৰ ১৫ আগষ্টত ৭০০ পৃষ্ঠা জোৰা এখনি প্ৰতিবেদন ভাৰত চৰকাৰৰ ওচৰত দাখিল কৰিছিল। দেশৰ সাৰ্বভৌমত্ব ৰক্ষা কৰা আৰু সামাজিক অনুশাসন মানি চলা আদিৰ ক্ষেত্ৰত বিশ্ববিদ্যালয় সমূহে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিবৰ বাবে আয়োগে পৰামৰ্শ আগবঢ়াইছিল।

বিশ্বৰ প্ৰায়বোৰ দেশৰ সভ্যতাই হিন্দু দৰ্শনৰ ওপৰত প্ৰতিষ্ঠিত। সেই কাৰণেই ম্যানমাৰ, তিব্বত, শ্ৰীলংকা প্ৰভৃতি দেশে ভাৰতীয় আধ্যাত্মিকতাৰ প্ৰতি শ্ৰদ্ধাৰ দৃষ্টি প্ৰদৰ্শন কৰা দেখা যায়। ভাৰতীয় হিন্দু সভ্যতা অতি প্ৰাচীন। ই প্ৰায় চাৰি হাজাৰ বছৰ আগত উদ্ভৱ হৈ বৰ্তমানো চলি আছে। ভাৰতবৰ্ষলৈ বিভিন্ন সময়ত বিভিন্ন ধৰ্ম অৱলম্বনকাৰী লোকৰ আগমণ হৈছে যদিও পৰিৱৰ্তন আৰু পৰিবৰ্ধণৰ মাজেদি ই আজিও প্ৰবাহমান হৈ আছে। বিদেশী শাসনৰ সময়তো ভাৰতবৰ্ষত হিন্দু ধৰ্মই স্বকীয় গৌৰৱেৰে শিৰ উচ্চ কৰি ভাৰতৰ গৌৰৱ অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছিল। ৰাধাকৃষ্ণণৰ মতে জীৱনৰ প্ৰকৃত অৰ্থ উপলদ্ধি কৰিবলৈ হ'লে সত্য, সুন্দৰ, পবিত্ৰতা, প্ৰজ্ঞা আদি গুণসমূহৰ অধিকাৰী হ'ব লাগিব। মানুহৰ প্ৰকৃত কৰ্তব্য হৈছে শিক্ষাৰ জৰিয়তে এই গুণসমূহৰ বিকাশ সাধন কৰা আৰু জগতক সত্য আৰু সুন্দৰৰ সন্ধান প্ৰদান কৰা। এখন নতুন সৌন্দৰ্য্যশালী পৃথিৱী গঢ়িবলৈ মানুহৰ শক্তি আছে আৰু আধ্যাত্মিক শক্তি তথা বৌদ্ধিক চিন্তাধাৰাৰ মাজেৰে কলা-সংস্কৃতি, নৈতিকতা আৰু ধৰ্মক গঢ় দিব পাৰি।

ভাৰতীয় সংস্কৃতি অতি পুৰণি সংস্কৃতি আৰু ৰাধাকৃষ্ণণে ভাৰতীয় ঐতিহ্য আৰু সংস্কৃতিৰ বিষয়ে বিশ্বৰ বিভিন্ন ঠাইত বক্তৃতা প্ৰদান কৰি ভাৰতীয় সংস্কৃতিৰ পুনৰুদ্ধাৰৰ প্ৰয়াস কৰিছিল। তেওঁ ভাৰতীয় সংস্কৃতিৰ বৰ্ণাঢ্য ৰূপটিৰ কথা উল্লেখ কৰি মন্তব্য কৰিছে যে পৰিৱৰ্তনৰ মাজেদি ভাৰতীয় সংস্কৃতিয়ে বৰ্ণাঢ্য ৰূপ পৰিগ্ৰহণ কৰিছে।

'মোৰ সত্য অন্বেষণ' নামৰ আত্ম কথামূলক প্ৰবন্ধটোত তেওঁ লিখিছে - “মই ভাগ্যবান আৰু এই ভাগ্যই মোক এতিয়ালৈকে ৰক্ষা কৰি আছে। যি সামান্য কৃতকাৰ্য্যতা মই অৰ্জন কৰিছো সেয়া সম্ভৱ হৈছে এই ভাগ্য অথবা নিয়তিৰ নিমিত্তে কিন্তু মোৰ ব্যৰ্থতাৰ নিমিত্তে দুৰ্ভাগ্য বা পৰিস্থিতিক দোষাৰোপ কৰিব নোৱাৰো। মোৰ কৃতকাৰ্য্যতা সম্পূৰ্ণ মোৰ নিজৰ বাবে নহয়। কিন্তু মোৰ ভুল ভ্ৰান্তি বেছিভাগেই মোৰ মূৰ্খামি অথবা দুৰ্বলতাৰ নিমিত্তেই হৈছে।”

ৰাধাকৃষ্ণণৰ জ্ঞানগম্ভীৰ মুখমণ্ডল আৰু উজ্বল চকুযুৰিৰে সৈতে শান্ত-সমাহিত আকৰ্ষণীয় ব্যক্তিত্বৰ ছবিখনি তেওঁৰ নামটো উচ্চাৰণ কৰাৰ লগে লগেই আমাৰ মনত ভাঁহি উঠে। সৰুৰে পৰাই এক ধৰ্মীয় পৰিৱেশত ডাঙৰ-দীঘল হোৱা ৰাধাকৃষ্ণণে এক পৰম শক্তিৰ ওপৰত গভীৰ বিশ্বাস ৰাখিছিল। অধ্যয়নেই আছিল তেওঁৰ জীৱনৰ নিত্যসঙ্গী। তেওঁৰ বন্ধুবৰ্গৰ সংখ্যাও আছিল অতি সীমিত। অৱশ্যে পৰিৱেশ- পৰিস্থিতি অনুসৰি তেওঁ সকলো লোকৰ লগতে মিলিব পাৰিছিল। অন্তৰ্মুখী প্ৰকৃতি, অধ্যয়নশীলতা আৰু একাগ্ৰ সাধনাই এইগৰাকী কৰ্মযোগী ৰাষ্ট্ৰনায়কৰ জীৱনলৈ অপাৰ খ্যাতি আৰু গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। ■

# Library Automation and Goalpara College Library

**Shikha Basak**
Librarian

**Introduction:**

The library plays a crucial role in our society it is an important component of any educational institution, which is hub of the teaching, and learning activities where students, researchers and teachers explore the vast resources of information. In the age of information & communication technology(ICT), computers are being used for day-to-day activities of the library which saves the time of the end users, and library professional also and at the same time avoid duplication of work and make the library service smooth and effective. In the age of ICT library scenario has been drastically changed in terms of collection, organization and services. Simultaneously, user's demands and attitudes have changed in its kinds. Also the information seeking behavior of user has dynamically changed. They want relevant, authentic information very quickly in a single place. This concept has posed challenges for library professionals for quick delivery of library services and information. This development in library field has brought the idea of Library Automation.

**Concept and Meaning of Library Automation:**

The word "automation" has been derived from Greek word "automose" in which means something, which has power of spontaneous motion or self-movement.

According to New Encyclopedia Britannica "The term automation is used in automatic manufacturing, control system, computing machinery or equipment that reduces the participation of human labour in production or services".

"Any work which has been done with help of automatic machine like computer without any human interface is called automation. The biggest benefit of automation is that it saves labour, however, it is also used to save energy and materials and to improve quality, accuracy and precision.

**Library Automation:**

The Phenomena of mechanization of traditional library activities, such as acquisition, serial control, cataloguing, circulation control etc., was called library automation.

Library automation is the general term for Information communication technologies that are used to replace manual system in the library.

Library Automation refers to the use of computer to keep track of all the books that are issued, returned and added in the library. Library Automation is another name of library management system. It is a user friendly system. It is created to ensure the proper management of books in a library. It makes issue and returning process easy. It provides the search function which helps the students in searching of any book in the library.

**Need and Objectives of Library Automation:**

Information explosion has resulted in the production of a large amount of literatures in every field of knowledge. Accordingly the print documents are coming to the library in huge numbers which is not possible for a library to manage the collection manually. Now a days no user has time to search the required and relevant information from the dense heap of information collection. They have no time to go stay by stay to pick up a book. The various factors that necessitated changing a manually operated library system an automated library system are as follows.

• Recording keeping activities of library can be done effectively in automated environment.

• Issue, return and renewal of books can be performed quickly and searching of documents through Online Public Access Catalogue (OPAC) which is a powerful tool of library automation.

• It will be cost effective.

**Software:**

The success of library automation mostly depends upon the nature of the software used for the purpose. Therefore, selection of good library software is one of the most important functions of library automation programme. Every software has its own advantages and disadvantages. But it should be selected keeping in mind the need of the organization.

**Goalpara College Library**

Goalpara College was established in the year of 1955. The central library of Goalpara College, the Goalpara College Library with its open access system and spacious reading area provides an atmosphere conductive to the excitement of mental discovery. The library strength of 36000 books, 09 numbers of national and local daily newspapers with a number of printed journals, magazines and CDs.

The College library is started its automation in the year of 2004. The library is automated with the Integrated Library Management System (ILMS) SOUL 2.0 of INFLIBNET Centre which is user friendly and designed to take care of all the administrative and management functions of the Library. Now, we are using SOUL 2.0.0.14 version. Two numbers of clients are dedicated for OPAC. We are also using Barcode technology for issue and return of books.

**Conclusion:**

Library Automation has become the buzz word in library profession and has become a bare necessity for any library . An automated library can provide better library services to their users and can maintain the library more properly which a manual library can't do. The record keeping activities and various report generation becomes very easy in an automated library system. But the success of any library automation programme depends upon its proper planning and execution. Hence, library professionals need to take right initiatives and in the right direction. ■

# মহাবিদ্যালয়ত শিক্ষাৰ উকমুকনি আৰু পৰিৱৰ্তনৰ ৰং

**বানীকান্ত নাথ**
বিজ্ঞানাগাৰ সহায়ক, প্ৰাণীবিজ্ঞান বিভাগ

মহাবিদ্যালয়খন জ্ঞান আৰু সৃষ্টিশীলতাৰ পথাৰ। আধুনিক জীৱন যাত্ৰাৰ লগত খোজ মিলাই চলিবলৈ যাওঁতে শিক্ষাৰ প্ৰয়োজন। এই শিক্ষাৰ দ্বাৰাই বুদ্ধি-বৃত্তি, চিন্তা-চৰ্চা, জীৱন ধাৰণ প্ৰণালী প্ৰতিফলিত হয়। এই জীৱনত অধ্যয়নৰ অতি প্ৰয়োজন।

গুৰু ব্ৰহ্মা, গুৰু বিষ্ণুৰে গুৰু দেৱ মহেশ্বৰ।
গুৰু সাক্ষাৎ, পৰম ব্ৰহ্মা তাস্মৈশ্ৰী গুৰুৱে নমঃ।।

এটা সময় আছিল যেতিয়া শিক্ষকক গুৰু বুলি অতি ভক্তি ভাৱেৰে সমাজত উচ্চ আসন দিয়া হৈছিল। এই গুৰু বা শিক্ষক সকলোৰে হ'ব নোৱাৰে। আজন্ম সাধনাৰ ফল শ্ৰুতিতহে শিক্ষাগুৰু হ'ব পাৰি। এই গুৰু সকলে ভাল কাম কৰি আছে। আজিৰ সময় গতিশীল। মানুহৰ চিন্তা-ভাৱনাও আগবাঢ়ি গ'ল। সেৱা আৰু বৃত্তিৰ ধাৰণাই শিক্ষা ব্যৱস্থাত বিশেষ প্ৰভাৱ পেলালে। এই শিক্ষাগুৰু সকলে এক শৃঙ্খলাবদ্ধ জীৱন-যাপন কৰি শিক্ষাৰ স্তম্ভ হৈ অমৃত জ্ঞান বিতৰণ কৰি আছে। শিক্ষাগুৰু মমবাতিৰ দৰে, যি নিজে জ্বলি জ্বলি আনৰ বাবে পোহৰ বিলাই আগবাঢ়ি গৈ থাকে। গুৰু এক, জ্ঞান অনেক।



APJ Abdul Kalamৰ ভাষাৰে -"Teaching is a very noble profession that shapes the character, caliber and future of an individual. If the people remember me as a good teacher, that will be the biggest honour for me."

শিক্ষাৰ ক্ষেত্ৰত ভাল স্থিতি আৰু সচেতনতা থকা দৰকাৰ। ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাৰ মহান অৰ্থ হৃদয়ংগম কৰিব লাগিব। ছাত্ৰ-ছাত্ৰীৰ কৰ্তব্য হ'ল - Read, Remember, Reflect and Practice. ছাত্ৰই নিজৰ মন আৰু শৰীৰৰ ওপৰত আত্ম-বিশ্বাস গঢ়ি তুলিব পাৰিব লাগিব। প্ৰকৃততে পৰিৱৰ্তনশীল আজিৰ এই ব্যৱস্থাত খাপ খাব পৰাকৈ এটা দৃঢ় প্ৰতিযোগিতামূলক ভাৱধাৰা শিক্ষাৰ আৰম্ভণিৰে পৰাই গঢ়ি তুলিব লাগে। শিক্ষাৰ্থী সকলে লাভ কৰা জ্ঞান আৰু আত্মবিশ্বাসৰ দ্বাৰা নিজকে ভৱিষ্যত জীৱনৰ বাবে উপযুক্ত কৰি গঢ়ি তুলিব পাৰে। জীৱনৰ যিকোনো সমস্যাৰ মুখামুখি হ'বলৈ শিক্ষাই সাহস যোগায়। নৈতিক শিক্ষাৰ গুৰুত্ব সকলোকে উপলব্ধি কৰোৱাৰ চেষ্টা কৰিব লাগে। উশৃঙ্খল পৰিবেশ কাৰো কাম্য নহয়। প্ৰকৃত শিক্ষাৰ জ্ঞান লাভ নকৰিলে ছাত্ৰ-ছাত্ৰীয়ে বিপথে পৰিচালিত হোৱা দেখা যায়। প্ৰতি মুহূৰ্তত চৰম উদ্দেশ্য সাধন কৰাৰ বাবে কঠোৰ পৰিশ্ৰমৰ মাজতেই জীৱনৰ প্ৰকৃত অৰ্থ লুকাই থাকে। সময়ৰ অগ্ৰগতি আৰু টেকনোলজিৰ উত্তৰণেৰে ১৯৫৫ চনত প্ৰতিষ্ঠা লাভ কৰা এই মহাবিদ্যালয়খনে অতি কম সময়ৰ ভিতৰত শ্ৰদ্ধাৰ অধ্যক্ষ সকলৰ উন্নয়নমূলক প্ৰচেষ্টা সমূহ আন্তৰিকতাৰে সমাপন কৰি পৰিৱৰ্তনৰ ৰং লৈ আগবাঢ়ি গৈ আছে। পৰিৱৰ্তনৰ বিশেষ সংজ্ঞা নাই। অতীতৰ পৰা আজিলৈ বিভিন্ন ৰূপে উত্থান-পতন হৈ থাকিব। পৰিৱৰ্তনৰ মাজেৰে লাভ কৰিব লাগিব জীয়াই থকাৰ অন্তহীন প্ৰেৰণা। উমৈহতীয়া ভাৱেৰে সমূহ মহাবিদ্যালয়ৰ কৰ্মচাৰী সকলে নিজৰ কৰ্তব্য সমূহ সুচাৰুৰূপে পালন কৰিব লাগিব। এখন সৰ্বশ্ৰেষ্ঠ মহাবিদ্যালয়, নতুনত্বৰে গঢ়ি তোলা সকলোৰে কাম্য। এই চেগতে যিসকল ব্যক্তিয়ে নিজৰ হৃদয়ৰ আলোকেৰে ৬৫ বছৰ আগতেই অশেষ ত্যাগ আৰু যত্ন সহকাৰে এই উচ্চ শিক্ষানুষ্ঠান গঢ়ি তুলিছিল তেওঁলোকক জনাইছো শত সহস্ৰ প্ৰণাম। ■

# Agnes Baden Powell

**Afsana Rahman**
Fifth Semester, Economics Department

If people are asked to name the most inspirational woman of the last 100 years, most people will tell Agnes Baden Powell. Agnes Smyth Baden Powell was the younger sister of Robert Baden Powell who founded Scouting and Guiding, and was most noted for her work in establishing the girl guide movement as a female counterpart to her older brothers scouting movement. Agnes was born in Paddington, London in 16 December 1858. Her father, Reverend Baden Powell was the Savilian professor of Geometry at the University of Oxford. Her mother, Henrietta Grace Smyth was a gifted musician and artist. When Agnes was only two years of age, the Reverend Baden Powell died. To honour him after his death, Agnes's mother Henrietta added Baden to their surname and that branch of the family has since been known as Baden-Powell. In April 1901 Agnes became engaged to Sir William Bisset Berry, the Speaker of the South African Parliament, but they did not marry.

Robert Baden-Powell organised a gathering of Scouts at the Crystal Palace in London in 1909. Amongst the many thousands of Boy Scouts gathered, there were several hundred girls present, registered as Scouts, and also a small group of girls, dressed in Scout uniforms, who had arrived late and gate-crashed the event without tickets – but they got the publicity.

Robert Baden-Powell was persuaded to consider setting up a separate organisation for the Girl Scouts, and having been turned down by first aid societies, he approached his sister, Agnes, who reluctantly agreed to take on the organising of the new sister group, Girl Guides.

By April 1910 there were 6,000 young girls registered as Girl Guides. In 1912, Agnes brought about the formation of the 1st Lone Company and was the de facto president of The Girl Guide Association. Agnes published a handbook for the girl guides named "The Handbook for the Girl Guides or how girls can help to build up the empire" in 1912.

In September 1916 the new County Commissioners voted Olave into the new post of Chief Guide, putting her in charge of Guiding. Agnes was offered the honorary post of President which she reluctantly accepted.



চিত্ৰশিল্পী- ইচিকা বনিক



চিত্রশিল্পী- ইচিকা বনিক



জ্ঞানপীঠ বঁটা বিজয়ী তৃতীয় গৰাকী অসমীয়া, নীলমণি ফুকন অসমীয়া ভাষাৰ এজন কবি, কলা-সমালোচক, অধ্যাপক আৰু সাহিত্যিক। 'সূৰ্য হেনো নামি আহে এই নদীয়েদি','কবিতা','গোলাপী জামুৰ লগ্ন' আদিৰ দৰে গ্ৰন্থৰ স্ৰষ্টা ফুকনদেৱে 'কবিতা' কাব্যগ্ৰন্থৰ কাৰণে ১৯৮১ চনৰ সাহিত্য অকাডেমী বঁটাৰে সন্মানিত হয়। সাহিত্য ক্ষেত্ৰলৈ তেখেতৰ অসামান্য অৱদানক ২০২১ বৰ্ষৰ জ্ঞানপীঠ বঁটাৰে স্বীকৃতি প্ৰদান কৰা হয়। কাব্যঋষি গৰাকীলৈ গোৱালপাৰা মহাবিদ্যালয়ৰ সশ্ৰদ্ধ নমন।

## যিসকলে কবিতা নপঢ়ে কবিতা তেওঁলোকৰ কাৰণেই

এজন কবিয়ে কৈছিল
যিসকলে কবিতা নপঢ়ে
কবিতা তেওঁলোকৰ কাৰণেই
তেওঁলোকৰ বুকুৰ ঘাঁ আৰু কাঁইট সোমাই থকা
আঙুলিবোৰৰ কাৰণে
মৰা আৰু জীয়া মানুহবোৰৰ
আৰ্ত আনন্দৰ কাৰণে
আলিবাটেৰে অহৰ্নিশে অহা-যোৱা কৰি থকা
চিয়ঁৰটোৰ কাৰণে
মৰুভূমিৰ সূৰ্যটোৰ কাৰণে
মৃত্যুৰ অৰ্থ আৰু জীৱনৰ শূন্যতাখিনিৰ কাৰণে
ধ্বংসাৱশেষৰ কালিকা লগা ক'লা শিলবোৰৰ কাৰণে
ছোৱালীবোৰৰ কামাৰ্ত ওঁঠ দুখনৰ মাজৰ
হেঙুলীয়াখিনিৰ কাৰণে
কাঁটা তাঁৰত পাখি মেলি পৰি থকা
হালধীয়া পখিলাবোৰৰ কাৰণে
কীট পতঙ্গ শামুক শেলাই শেলুকবোৰৰ কাৰণে
আবেলিৰ আকাশেদি অকলশৰে উৰি যোৱা
চৰাইটোৰ কাৰণে
পাঁচশ নিযুত ভোকাতুৰ ৰুগ্ন শিশুৰ
মাকবোৰৰ কাৰণে
তেজৰ দৰে জোনটো ৰঙা হৈ পৰাৰ
ভয়টোৰ কাৰণে
প্ৰতিটো স্তব্ধ মুহূৰ্তৰ কাৰণে
তেওঁলোকৰ প্ৰেমৰ কাৰণে
চুমা এটাৰ কাৰণে
মাটিৰ মানুহ আকৌ মাটি হ'ব
সেই পুৰণি কথাটোৰ কাৰণে -

# বিশিষ্ট অভিনয় শিল্পী
# আদিল হুছেইনৰ সৈতে - বাৰ্তালাপ



নাটকৰ পৰা চলচ্চিত্ৰলৈ, গোৱালপাৰাৰ পৰা আৰম্ভ কৰি হলিউডলৈকে এক বৰ্ণাঢ্য অভিনয়ৰ পৰিক্ৰমা অতিক্ৰম কৰা গোৱালপাৰা মহাবিদ্যালয়ৰ সু-সন্তান আদিল হুছেইন। মঞ্চৰ 'অথেলো', 'English Vinglish', 'For Real', 'Life of Pi', 'Lootera', 'The Xpose', 'Zed Plus', 'Parched', 'Mukti Bhawan', 'Love Sonia' 'কথানদী', 'মাজৰাতি কেতেকী'ৰ দৰে বহু চলচ্চিত্ৰত কৰা দুৰ্দান্ত অভিনয়েৰে তেখেতে ইতিমধ্যেই আঞ্চলিক ভাষাৰ ছবি বা বলিউডতে নহয়, বিদেশী ভাষাৰ ছবিতো নিজৰ আধিপত্য স্থাপন কৰিছে। মহাবিদ্যালয়ৰ হৈ তেখেতৰ সৈতে এই বাৰ্তালাপত অংশগ্ৰহণ কৰে তৃষ্ণা বৰ্মন, য়'চিকো বাইলুং, শৈলেনজিৎ শৰ্মা আৰু মানসী দেৱীয়ে। ভিডিঅ' ৰেকৰ্ডিংত থাকে দীপাংকৰ বৰা আৰু ৰশ্মি হাজৰিকা।

মহাবিদ্যালয়ৰ পৰিয়ালৰ তৰফৰ পৰা তেখেতলৈ অযুত অলেখ শুভেচ্ছা।

**তৃষ্ণা** - নমস্কাৰ ছাৰ।

**আদিল হুছেইন** - নমস্কাৰ।

**তৃষ্ণা** - প্ৰথমতে আপোনাক ধন্যবাদ জনালো যে আপুনি ইমান কষ্ট কৰি আমাক সময়খিনি দিলে।

**আদিল হুছেইন** - একদম কষ্ট হোৱা নাই, গাড়ীৰে আহিছো, নহয় জানো? (হাঁহি)

**তৃষ্ণা** - তথাপিও ..... ছাৰ, প্ৰথমতে আমি এটা কথা কৈ লওঁ যিহেতু আমাৰ গোটেইকেইজনৰে আমি অভিনয়, নাটক বা থিয়েটাৰৰ অভিজ্ঞতা নাই, গতিকে আপোনাৰ অভিনয়ৰ অনুৰাগী হিচাপে কিছু কথা সুধিম আৰু আমি বিচাৰিম আপোনাৰ পৰা বহু কথা শিকোঁ আজি, বহু কথা জানো। আৰু তেনেকৈয়ে আপোনাক আমি স্বাগতম জনাইছোঁ আৰু কথোপকথন আৰম্ভ কৰিবলৈ ওলাইছোঁ।

ছাৰ, গোৱালপাৰাৰ পৰা আৰম্ভ কৰি আপুনি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ অভিনয়ৰ যি যাত্ৰা অতিক্ৰম কৰিলে, অসমবাসী হিচাবে আমি বহুত গৌৰৱবোধ কৰোঁ। ছাৰ, মোৰ সুধিবলগীয়া প্ৰশ্নটো এইটো যে গোৱালপাৰাই জন্মস্থান হিচাপে আপোনাৰ অভিনয়ৰ আৰম্ভণিত কেনেকৈ অৰিহণা যোগাইছে।

**আদিল হুছেইন** - মই জনা নাছিলো যে গোৱালপাৰা খন ইমান ধনী জেগা বুলি। ঘৰ ইয়াতে, ঘৰ কী মুৰ্গী দাল বৰাবৰ্ বুলি কথা এযাৰ আছে নহয়, কাৰণ গোৱালপাৰাত জন্ম হোৱা মানুহখিনিয়ে ভাবে যে গোৱালপাৰাতনো কি আছে, একো নাই, অমুক তমুক, তেনেকৈহে ভাবে। কিন্তু গোৱালপাৰা চহৰখন এনেকুৱা এখন চহৰ, ভৌগোলিকভাৱে যদি চোৱা, তেতিয়াহ'লে এনেকুৱা এখন ঠাই, এফালে বেংগল আৰম্ভ হৈছে আৰু আনফালে Upper Assam, নহয় জানো? গতিকে এই দুয়োটা culture আমি পাইছো। মানে সৰুৰে পৰা জ্যোতিপ্ৰসাদ আগৰৱালাকো পাইছো, ভূপেনদা, লক্ষ্মীনাথ বেজবৰুৱা, বীৰেন্দ্ৰনাথ ভট্টাচাৰ্য্যকো পাইছো আৰু এইফালে ৰবীন্দ্ৰনাথ ঠাকুৰকো পাইছো, বঙ্কিমচন্দ্ৰকো পাইছো, শৰৎ চন্দ্ৰ চট্টোপাধ্যায়কো পাইছো। ইমান এটা rich, literature ৰ ফালৰ পৰা। আমি চব পাইছো। দেশ- পত্ৰিকাও পঢ়িছো, অসমত তেতিয়া বেছি পত্ৰিকা আৰম্ভ হোৱা নাছিলে, আমি যেতিয়া ডাঙৰ হৈছিলো।

Assam Tribune আৰু দৈনিক অসম বাতৰি কাকত, পত্রিকাবোৰ তেতিয়া আমাৰ এইফালে আহি নাপায়, মানে গোৱালপাৰাখন এনেও অলপমান neglected district বুলি ধৰি লোৱা হৈছিল, ধৰি লোৱা হৈছিল মানে কি, আছিলেই। আমাৰ বাতৰি কাকতখনো তিনি দিন পাছতহে আহে। মোৰ দেউতাই কয় যে, " ঐ, পৰহিৰ বাতৰি কাকতখন পাব যদি চাবিচোন", মই যেতিয়া বজাৰলৈ যাওঁ, ঠিক তেনেকৈ কৈ দিয়ে। কিন্তু তথাপিও গোৱালপাৰা চহৰখনত ইমান মানুহ আছে যিসকলে মানে, সুৰমঞ্জৰি গানৰ আড্ডা, মানে গধুলি আমি সোমাবলৈ সাহসেই নকৰো, আমাৰ দাদাৰ লগৰ বিলাকে কৰেতো, মানে Drumset ৰ পৰা আৰম্ভ কৰি Guitar , বাঁহী, Mandolin, তাৰ পাছতে তবলা, তেওঁলোকে practice কৰে। খন্তি দা, ইয়াত থাকে সব, ধীৰু মেধি, ধীৰু দা মোৰ দাদাৰ লগৰ, তাৰ পাছত স্বপন দা, তেওঁ মোৰ আটাইতকৈ ডাঙৰ দাদাৰ লগৰ, তেওঁ বজায় Hawaiian গীটাৰ। তাৰ পাছত থিয়েটাৰ গ্রুপ আছিল, ৰুকমল হাজৰিকা আছিল, নিপন বৰুৱা ছাৰ আছিল, তাৰপাছত অন্নদাচৰণ দাস। আমি যেতিয়া সৰু সৰু, ধ্রুবজিত কিশোৰ চৌধুৰী, ভায়া মামা বুলি যাক কয়, আৰু বহুত, নাম মনত কৰিব পৰা নাই এতিয়া। লালা দা, লালা চৌধুৰী, তাৰপাছত অৰুণদাহঁত sports ত আছিল, মোৰ দাদাৰ লগত। এই sports, নাটক, গান, নাচ, ইয়াতে কওঁ ৰাণু বাইদেউ মানে ৰানু বৈশ্য আৰু লগতে মাধুৰীমা ভৰালী, তেওঁলোকে সবেই ইমান ধুনীয়া গান গাইছিল, তাৰপাছতে নাচিছিল। গতিকে মই এনেকুৱা এটা জেগাত জন্ম হৈছো য'ত গান-বাজনা, নাচ, নাটক, সাহিত্য সকলো পাইছো। ৰুকমল দায়ে নাটক লিখিছিল। গতিকে এনেকুৱা এটা rich জেগাত জন্ম হোৱাৰ পাছত যদি মানুহে ভাবে আমি গৰীব জেগাত জন্ম হৈছো.........।

**তৃষ্ণা** - হয় ছাৰ।

**আদিল হুছেইন** - মানে economically আমি গৰীব হ'ব পাৰো। মোৰ মনত আছে যে শুকান ৰুটি খাইছিলো আৰু ৰাতিপুৱা লাল চাহ খাওঁ, স্বাস্থ্যৰ কাৰণে নহয়, গাখীৰৰ পইচা নাই কাৰণে। এতিয়া স্বাস্থ্যৰ কাৰণেহে মানুহে খায়। 'এই লাল চাহ একাপ খাওঁ দেই', হয়নে নহয়? তেতিয়া লাল চাহ খায় গৰীব মানুহে। গতিকে মই লাল চাহ খাই ডাঙৰ হোৱা। পইচা-পাতি নাছিলে, but we were very rich people, culturally. গতিকে ইমান এটা vibrant জেগাত থাকি মোৰ যিটো foundation, মোৰ ভূমি, মানে শুদ্ধ অসমীয়াত কি বুলি কওঁ আমি ... (অলপ ভাবি)

**শৈলেনজিৎ শৰ্মা** - ভেটি

**আদিল হুছেইন** - অ' ভেটি যিটো, সেইটো তাৰ দ্বাৰা সৃষ্টি হৈছে বা গঠিত হৈছে। তাৰ পাছত class one ৰ পৰা নাটক কৰিছো। ৰুকমল দাক গৈ গৈ Bore কৰিছো, নাটক লিখি দিব লাগে। তেওঁ কয় " তহঁতে class one ত পঢ়, ক'ত নাটক কৰিব পাৰিবি?" "নাই লাগে লাগে", কওঁতে কওঁতে তেখেতে নাটক লিখাৰ পাছত যেতিয়া print কৰিছে, তেতিয়া printত লিখি দিছে যে ভাতৃপ্রতিম আদিলৰ খেছখেছনিত নাটকখন লিখিলো বুলি। গতিকে তেনেকৈ কৈ কৈ নাটক লিখাই প্রত্যেক বছৰ Annual sportsত নাটক কৰি, কলেজত সোমোৱাৰ পাছতো আকৌ নাটক কৰি সেই যিটো ভেটি, সেই ভেটিটোৰ ওপৰত নিৰ্ভৰ কৰিয়ে মই থিয় হৈ আছো এতিয়া। আমাৰ L.P. স্কুলৰ Teacher সকলক মানুহে কম বেতন দিয়ে। মই ভাবো যে পৃথিৱীৰ ভিতৰত আটাইতকৈ যদি বেছি বেতন পাব লাগে, তেয়িাহ'লে L.P. স্কুলৰ Teacher সকলে পাব লাগে কাৰণ তেওঁলোকে সেই ভেটিটো গঠন কৰে।

**তৃষ্ণা** - হয় ছাৰ।

**আদিল হুছেইন** - আৰু আমাৰ আটাইতকৈ ভাল Teacher বিলাক তাত যাব লাগে। এজনী ছোৱালী বা এজন ল'ৰাৰ প্ৰথম ছবছৰ বয়সলৈকে আচল গঠনটো হয় Brain ৰ। তাৰ পাছত higher studies, of course, কিন্তু আচল ভেটিটো তাত সৃষ্টি হয়। সৰুতে Teacher বিলাকে কি ক'লে, কেনেকৈ ক'লে, কোনটো সুৰেৰে ক'লে, কোনটো মনেৰে ক'লে, কোনটো আৱেগেৰে ক'লে, সেইবিলাকৰ ওপৰত নিৰ্ভৰ কৰি মানুহৰ চৰিত্ৰ গঠন হয়। তাৰ পাছত পৰিৱৰ্তন কৰা বৰ দিগদাৰ হৈ যায়।

(তেনেতে আজান দিয়ে)

এইটো ৰখি দিছো ৰবা, নহ'লে তোমালোকৰ video ৰ sound ত interfere কৰিব। চাৰি মিনিট মান লাগিব।

(আজান শেষ হ'ব লওঁতেই)

**আদিল হুছেইন** - চলো শুৰু কৰতে হ্যে।

**তৃষ্ণা** - ছাৰ, আপুনি অলপ আগতে যে ক'লে ভায়া মামা, ধ্ৰুবজিৎ কিশোৰ চৌধুৰী ছাৰৰ কথা .... আপোনাক মানে আমি বেছিভাগে serious role ত দেখা পাওঁ ।

(আদিল ছাৰৰ হাঁহি)

**আদিল হুছেইন** - হয় দিয়া হে !

**তৃষ্ণা** - কিন্তু গম পোৱা মতে আপুনি ভায়া মামা and group ৰ লগত প্ৰায় ৬ বছৰ মান standup comedian হিচাবে..

**আদিল হুছেইন** - Absolutely

**তৃষ্ণা** - ছাৰ, তাৰ বিষয়ে অলপ ক'ব নেকি ?

**আদিল হুছেইন** - ভায়া দাৰ লগত মোৰ পৰিচয় ... (অলপ ভাবি) ১৯৭২-৭৩ ত। মই তেতিয়া ক্লাছ থ্ৰী নে ক্লাছ ফ'ৰত পঢ়ো। তেতিয়া মোৰ দাদাৰ লগত ভায়া দাই নাটক কৰিছিল স্কুলত। ভায়া দাই লিখা নাটক। নাটক খনৰ নাম আছিল "শ্ৰীকৃষ্ণৰ গ্ৰেপ্তাৰ"। আৰু dialogue মনত আছে মোৰ এতিয়াও। তেতিয়াই শুনা dialogue এতিয়াও মনত আছে। "গাজা খায় গাজাৰু, গাজা খায় হাজাৰু, গাজা খায় দচ দচ গোপাল, যাই গাজা নাখায় তাৰ কম্‌বখত্ কপাল" (হাঁহি) মোৰ এতিয়াও মনত আছে। " শ্ৰীকৃষ্ণৰ

গ্ৰেপ্তাৰ" বৰ বঢ়িয়া নাটক। ভায়া দাই তাৰ পাছত আহি ১৯৮২ ত এখন পূৰ্ণাংগ নাটক, মই প্ৰথম জীৱনত কৰিছিলো "বাঞ্চাৰামৰ বয়ান" বুলি। তাত ভায়া দাই বাঞ্চাৰামৰ ৰোলটো কৰিছিল আৰু মই মহাজনৰ ৰোলটো কৰিছিলো, এই দুটা main role আছিল। আৰু বহুত সৰু সৰু roleও আছিল সেইখন মোৰ জীৱনৰ প্ৰথম পূৰ্ণাংগ নাটক আৰু সেইখন চাবলৈ মোৰ দেউতা আহিছিলে। নাটকৰ পাছত ঘৰ আহি পালো, মই সুধিলো যে কেনেকুৱা লাগিছে। দেউতাই ক'লে, " তই ভাল কৰিছ, কিন্তু বাঞ্চাৰামৰ roleটো বেছি ভাল হৈছে, তেওঁ বৰ মাৰাত্মক actor"। মই বোলো "অ হয় কথাটো"। যিয়ে নহওক কিয়, তাৰ পাছত যেতিয়া মই কলেজত পঢ়িবলৈ গ'লো বি. বৰুৱা কলেজত,তেতিয়া ভায়া দাৰ লগত আমি একেলগে আছিলো এটা খেৰৰ ঘৰ ভাড়া কৰি গুৱাহাটীত। তেতিয়া ভায়া দাই মইনুল হকৰ লগত sound and comedy বুলি এটা গ্ৰুপত আছিল, এই যে Mime actor মইনুল হক । সেই গ্ৰুপটোৰ পৰা ভায়া দা ওলাই আহিলে আৰু মোক ক'লে যে, "তয়োটো Mimicry - simicry কৰ " ... Already মই তেতিয়া stage ত comedy কৰো। মই আৰু মোৰ লগৰ এজন আছিল কমলেশ্বৰ কলিতা বুলি। এতিয়া সি District sports officer, কোনোবা এটা জেগাত, এই মঙলদৈৰ ফালে। ভায়া দাই ক'লে যে 'তই, মই সুৰজিত গগৈ আছে, এনেকৈ আমি এটা গ্ৰুপ খুলিম।' তেনেকৈ আমি Advertisement দিলো দৈনিক অসমত। বহুত invitation আহিল গোটেই অসমৰ পৰা। সেইটো eighty fiveত (১৯৮৫) । সেই তেতিয়াৰ পৰা আৰম্ভ কৰিলো eighty nine লৈকে। Ninetyত (১৯৯০) মই NSD ত পঢ়িবলৈ গৈছো। গতিকে আমি ইমান show কৰিছো গোটেই অসমত। আৰু দ্বিতীয় বছৰত আমি এখন ছবি কৰিছিলো, Northeast ৰ প্ৰথমখন video ছবি। তাৰ আগতে আৰু এখন ছবি কৰিছিলো ১৯৮২ ত। বিশ্বনাথ চাৰিআলিলৈ তেতিয়া প্ৰথম গৈছো মই। প্ৰতাপদাহঁতে আমাক help কৰি দিছিল। তাতে এখন ছবি কৰিছিলো, ছবিখনৰ নাম আছিলে 'যোগ'। ভায়াদাই লিখা খুব serious cinema। ভায়া মামা গ্ৰুপৰ একেবাৰেই ওলোটা, যিটো comedy youtube ত আছে এতিয়া। সেইখন ছবি ১৯৮৬ ত কৰি ১৯৮৭ ত বিৰাট popular হ'ল। এনেকুৱা popular হ'ল যে সৰু সৰু ল'ৰা-ছোৱালীয়ে আহি মোৰ dialogue মোৰ আগতেই মাতে মানে। তেতিয়া পঞ্চাশ, ষাঠিবাৰকৈ চাইছিল ছবিখন মানুহে। তিনি, চাৰিবাৰ নহয় তাৰ মানে। এই বোলো মন বেয়া লাগিলেই চাই দিওঁ, তেনেকুৱা ধৰণৰ। তেনেকৈই মই NSD ত ভৰি থলোগৈ। এইখিনি কথা যে মই কৈ আছো এইখিনি সবতে পাবা।

**তৃষ্ণা** - হয় ছাৰ ...

**আদিল হুছেইন** - ইমান interview দিছোঁ এইখিনি কথাৰ, বিচাৰিলেই পাবা।

**তৃষ্ণা** - ছাৰ, আপুনি ১৯৯০ চনত গৈছে NSD । আপুনি কোৱা কথাটো সঁচা আচলতে! আপোনাৰ লগত কথা পাতিবলৈ ইমান interview চাইছো (সকলোৰে হাঁহি)

**আদিল হুছেইন** - তুমি জানা এইখিনি।

**তৃষ্ণা** - ছাৰ, জানো। হ'লেও আপোনাৰ মুখেৰে শুনাটো এটা বেলেগ অনুভৱ।

**য়'ষ্মিকো** - ছাৰ ইয়াতে মই এটা কথা সোধো। আপুনি ক'লে যে আপুনি B.A কৰিবলৈ বি. বৰুৱা গৈছিল।

আদিল হুছেইন - গৈছিলো। কৰা নহ'ল কিন্তু মোৰ।

**য়'ষ্মিকো** - অ' সেইটো বিষয়ে জানো ছাৰ, আপোনৰ Major কিহত আছিল ?

**আদিল হুছেইন** - মোৰ প্ৰথমতে Major আছিলে ইংৰাজীত। তাৰ পাছত ক্লাছটো আৰু কৰা নহয়গৈ। (হাঁহি)

class ৰ সময়ত function আহিয়ে থাকে। Attendence নহ'লে ইংৰাজীৰ Honours কৰাটো অসম্ভৱ।

মোৰ আকৌ philosophy ত খুব এটা interest আছিলে। মই philosophy ললোঁ তাৰ পাছত। তথাপিও কৰা নহ'ল। প্ৰত্যেকবাৰ part I ৰ পৰীক্ষা আহে, বিহুৱো আহে। বিহু আহিলে ভাবো যে অহা বছৰ দিম, এইবাৰ পইচা অলপ সাঁচি থওঁ। অহা বছৰলৈকে চলি যাব। সেই ক'ত! অহা বছৰৰ বহুত আগতেই পইচা শেষ হৈ যায়। তেনেকৈ তেনেকৈ মোৰ দিয়া নহ'ল। তাৰ পাছত NSD ত পাই গ'লো।

**য়'ষ্মিকো** - হয় ছাৰ, তাৰ আগত আপুনি গোৱালপাৰাত ক'ত পঢ়া-শুনা কৰিছিল?

**আদিল হুছেইন** - ইয়াত, গোৱালপাৰা কলেজত। তেতিয়া PU, Pre Univesity বুলি আছিলে আমাৰ সময়ত।

(শৈলেনজিৎ শৰ্মাৰ ফালে চাই ) নহয় জানো ?

**শৈলেনজিৎ শৰ্মা** - হয়, PU বুলি আছিলে।

**আদিল হুছেইন** - মোৰ subject আছিল Geography, Economics, Political Science আৰু Logic। Logic generally গৈ philosophy হয়গৈ। বি. বৰুৱাত philosophy নলৈ দেউতাৰ উৎপাতত মই ইংৰাজী Honours ললোঁ। এতিয়া philosophy কৰিলো, কিন্তু বেলেগ ধৰণে। এতিয়া মোক Gauhati Universityয়ে ডক্টৰেটো দিছে, Doctor of philosophy বুলি। গতিকে B.A pass কৰিবলগীয়া নহ'ল। মই মানে Degree ৰ কাৰণে নহয়, মোৰ খুব ভিতৰৰ পৰা ইচ্ছা আছিলে that I should understand Indian philosophy and the Western philosophy, জীৱন দৰ্শনৰ বিষয়ে।

**য়'ষ্মিকো** - ইয়াত আপোনাৰ দেউতাৰ কথা অলপ সোধো। আপোনাৰ অন্য interview বোৰৰ পৰা জানিবলৈ পাইছো যে আপোনাৰ দেউতা বহুত strict আছিলে।

**আদিল হুছেইন** - উম্ বাপৰে .......

**য়'শ্মিকো** - এয়াও জানিবলৈ পাইছো যে আপোনাৰ মা যিকোনো কথাতেই আপোনাৰ লগত আছিলে। So, as individuals how do you think they have contributed to your career?

**আদিল হুছেইন** - Oh ! immensely .. immensety. I mean my father was strict. He was strict only on the aspects of studies and integrity as a human being, মানে মানুহৰ প্ৰতি ব্যৱহাৰ। তেওঁ এজন অত্যন্ত বিনম্ৰ মানুহ আছিলে। আৰু গোৱালপাৰাৰ প্ৰত্যেকজন মানুহে তেওঁক ভাল পাইছিলে। সেই সময়ত আমাৰ গোৱালপাৰা কলেজৰ Principal আছিলে বীৰেন দত্ত, তেখেত আমাৰ ঘৰলৈ আহি থাকে, আমি তেওঁলোকৰ ঘৰলৈ যাওঁ। সেই সময়ত গোৱালপাৰাত যিমানখিনি পঢ়া-শুনা কৰা মানুহ আছিল, তেওঁলোকৰ সকলোৰে লগত দেউতাৰ গভীৰ সম্পৰ্ক আছিল। গতিকে দেউতাৰ পৰা মই যি পাইছো, সেয়া হৈছে সততা, honesty, sincerity, hard work... (অলপ ভাবি) Honesty in every sense like ..... corruption free, any kind of corruption আৰু দুটা কথা, এটা কথা যে কাৰোবাক যদি মই উপদেশ দিছো, তেন্তে নিজে মানি চলিছো নে নাই সেইটোৰ প্ৰতি অত্যন্ত জোৰ দিয়া। আৰু দ্বিতীয়তে নিয়মানুৱৰ্ত্তিতা। Punctuality তেওঁৰ পৰা শিকিছোঁ মই। তাৰ পাছত ইংৰাজী তেওঁৰ পৰা শিকিছোঁ, মাৰি মাৰি শিকাইছিল ..... (অলপ ভাবি) যিখিনি ক'ব পাৰো আৰু মই এতিয়া, মোৰ Basic grammar মোটা মোটি ঠিকেই আছে। Vocabulary মোৰ খুব rich নহয় কাৰণ মই Literature নপঢ়িলো। Literature পঢ়িছো, কিন্তু General Literature মানে Fiction Literature পঢ়া নহ'ল, সময় নাপালো । মই যেতিয়া interested হ'লো পঢ়াকলৈ, তেতিয়া মই mystique Literature আৰু Dramatic Literature পঢ়িলো। Mystique Literature খুব পঢ়িলো, কিন্তু Fiction Literature যিটোত তোমালোকে Master degree লোৱা, সেইটো মোৰ পঢ়া নহ'ল। Shakespeare পঢ়িছো পিছে, সেইকাৰণে Vocabulary টো মোৰ মানে express কৰিব পাৰো, বেলেগ ধৰণৰ শব্দ লগাই মই মোৰ ভাষাৰে ক 'ব পাৰো। কিন্তু Vocabulary ৰ যিটো ভাণ্ডাৰ থাকে, সেইটো যথেষ্ট সৰু মোৰ। অসমীয়া Vocabulary ও মোৰ কম। প্ৰত্যেকটো ভাষাতেই .... মানে ভাষাৰ প্ৰতি জ্ঞান বেছি নাই। ক'ব পাৰো ঠিক মতে। এতিয়া ক'ব পাৰিলেই মানুহে ভাবে যে এখেতে চাগে বহুত জানে। কিন্তু মই বহুত নাজানো। (হাঁহি) মানে মই অভিনেতা হিচাবে যিখিনি জনা দৰকাৰ সেইখিনি জানো।

**য়'শ্মিকো** - হয় ছাৰ, আপোনাৰ কথা শুনিলে আপুনি নাজানে বুলি ক'ব নোৱাৰি।

**আদিল হুছেইন** - নাই, মই জানো। এতিয়া Express কৰাটো হৈছে মোৰ এটা business। মই মোৰ অভিনয়ৰ কাৰণে যিখিনি কৰিব লাগে, উচ্চাৰণৰ পৰা আৰম্ভ কৰি ভাষা আৰু শব্দ যিখিনি দৰকাৰ,সেইখিনি মই অকণমান শিকিব লগীয়া হৈছে। তাৰ বাহিৰে যদি বিশালতাত যোৱা যায়, যেনেকৈ ক'ৰবাত যদি কবিতা বিশ্লেষণ কৰি ক'ব লগা হয়, তেতিয়া মই নোৱাৰিম। পাৰিম ..... কিন্তু সেইটোৰ গভীৰতা অলপ কম হ'ব, শব্দৰ গাঁঠনিৰ ফালৰ পৰা যদি চোৱা যায়।

(অলপ ভাবি) তাৰ পাছত দেউতাৰ পৰা মই ........ উম্ ya sincerity, honesty, basic corruption free life, কম resource ব্যৱহাৰ কৰি কেনেকৈ থাকিব পাৰি সুখী হৈ .... সেইবিলাকেই শিকিলো। মা, মোৰ অত্যন্ত Generous. তেওঁৰ পৰা মানৱীয় গুণৰ আটাইতকৈ important গুণকেইটা পাইছো। Empathy, যিবিলাক গুণ মতা মানুহৰ শৰীৰত খুব কম থাকে। Generally কম থাকে, তেওঁলোক biologically designed এ নহয়। যেনেকৈ মাইকী মানুহৰ শৰীৰত চাৰিটা organ মতা মানুহতকৈ বেছি আছে womb, ovary, uterus and breast। মোৰ এটা breast ও নাই। এটা যদি থাকিলেহেঁতেন। মই প্ৰায় কৈ থাকো মোৰ wife ক, যে তুমি যেনেকৈ কবীৰক কোলাত লৈ গাখীৰ খুৱোৱা, মই কেলেই খুৱাব নোৱাৰো! সেই সম্পৰ্কটো সন্তানৰ লগত মোৰ নহ'ব কেতিয়াও, নহয়নে বাৰু! মানে মা বুলি ধৰিলে, মই যেনেকৈ মাক এনেকৈ (সাৱটি ধৰা দেখুৱাই) ধৰি দিওঁ.... দেউতাই ধৰে.. কিন্তু তাত এটা ..... (হাঁহি) অ! দেউতা, ঠিকেই আছে .... কিন্তু মাৰ প্ৰতি (আৱেগেৰে) মা .......... (খুব হাঁহি)। সেইটো মৰম মই কেতিয়াও কবীৰৰ পৰা নাপাওঁ। কাৰণ biologically মোৰ তাত নাইয়ে। মোৰ গৰ্ভও নাই যে মই তাত নমাহ ৰাখিব পাৰিম। গতিকে মই ভাবো আটাইতকৈ important মানৱীয় যিখিনি গুণ বা মানুহৰ পৰা সঁচা মানুহলৈ ৰূপান্তৰিত হ'ব পৰা যিখিনি গুণ, সেইখিনি মাৰ পৰা পাইছো। আৰু সেই মানৱীয় গুণখিনি কেনেকৈ maintain কৰিব পাৰি, সেইখিনি দেউতাৰ পৰা পাইছো। sincerity, honesty, hardwork, সবতে লাগেতো। গতিকে এইটো এটা অত্যন্ত, খুব গুৰুত্বপূৰ্ণ ... উম্...হেৰি অসমীয়াত balance ক কি বুলি কয়। (শৈলেনজিৎ শৰ্মাৰ ফালে চাই)

**শৈলেনজিৎ শৰ্মা** - ভাৰসাম্য ।

**আদিল হুছেইন** - উম্..... Thank you

বহুতদিন পাছত অসমীয়াত ....... মানে ইমান জটিল কথা কোৱা নহয়তো, ইংৰাজীতে কোৱা হয় বেছি। আৰু মাক সেইটো মই দেখিছো যে মা টোপনিত আছে কিন্তু হাতখন এনেকৈ ঘূৰি আছে। গভীৰ টোপনিত । এই যে সন্তানৰ প্ৰতি ইমান গভীৰ ভালপোৱা যে টোপনিতো হাতখন ঘূৰাই থাকে, এই কথাটো কিন্তু মই কোনো

মতা মানুহৰ তাত দেখা নাই দেই।

**য়'শ্বিকো** - Dedication.

**আদিল হুছেইন** - সেই Dedication, সেই emphathy, the deep unconditional love for your child and people, human being, এতিয়াহে এইবোৰ বুজি পাইছো। এতিয়া তিৰানব্বৈ বছৰ বয়স মাৰ, সেইটো কথা মনত পৰিলে দৌৰি গুচি আহো। মই লণ্ডনত থাকিলেও, আমেৰিকাত থাকিলেও, তিনিটা, পাঁচটা দিন পালে চিধা ইয়ালৈ গুচি আহিব বিচাৰো।

**য়'শ্বিকো** - আপোনাৰ এটা interview ত আপুনি কোৱা শুনিবলৈ পাইছিলো, the strictness of the Indian society and the openness of the Western countries, both should balance. আপোনাৰ দেউতা বহুত strict আছিলে। গতিকে দেউতাৰ সেই strictness ৰ প্ৰতি আপোনাৰ কিবা unforgivingness attitude থাকি গৈছে নেকি? Anywhere?

আদিল হুছেইন - (অলপ smile কৰি) I think উম্..... আছিল এটা সময়ত, যথেষ্ট ক্ষুন্নতা আছিল দেউতাৰ প্ৰতি, যেতিয়া approve কৰা নাছিল মই নাটক কৰাটো। তিনি, চাৰিবছৰ কথা পতা নাছিলে। আৰু মই বুজি পাওঁ কিয়। এটা ভয় তেখেতৰ, যে নাটক কৰি পেলাই কোনে খাব পাৰিব? কিন্তু সেই ভয়টো তেওঁৰ নিজৰ কাৰণে ভয়, মোৰ কাৰণে নহয়। তেওঁৰ নিজৰ কাৰণে, এইকাৰণে যে নাটক কৰি মই যদি খাব নোৱাৰো, মোক দুখত দেখা পাই তেওঁ দুখ পাব যে, সেই দুখটোৰ প্ৰতি তেওঁৰ ভয়। মানে মানুহে দুখ পাবলৈ ভয় কৰে নহয়! সেইকাৰণে যিমান কষ্ট কৰি হ'লেও নিজৰ ল'ৰা বা ছোৱালী এজনীক মানুহে এটা secured জীৱন দিবলৈ বিচাৰে। সেইটো ভাল পোৱা বুলি কয় মানুহে, মই কিন্তু ভালপোৱা বুলি নামানো সেইটো।

**তৃষ্ণা** - হয়।

**য়'শ্বিকো** - বুজিছো।

**আদিল হুছেইন** - বুজি পালা ? মোৰ কাৰণে কেতিয়াও সেইটো ভালপোৱা নহয় । তুমি যদি সঁচাকৈ মোক ভালপোৱা, তেতিয়াহ'লে মই য'ত সুখী তুমি সেইটোতে সুখী হ'ব লাগিব, তেতিয়াহ'লে unconditional love হ'ব। Otherwise, it is conditional love. " মই যেনেকৈ কওঁ তেনেকৈ তই থাক যদি তোক ভাল পাম নহ'লে নাপাওঁ" তেতিয়াহ'লে সেইটো প্ৰেমক মই কেতিয়াও নিঃস্বাৰ্থ প্ৰেম বুলি ক'ব নোৱাৰো। সেইটো গোটেই ভাৰতবৰ্ষতে আছে, বিদেশতো আছে। ইয়াত অলপ বেছি।

**য়'শ্বিকো** - হয়, হয়, ঠিকেই।

**আদিল হুছেইন** - মই যিটো বা যিজনী ল'ৰা বা ছোৱালী চাই থৈছো তোৰ কাৰণে, তাক বিয়া নকৰালে কিন্তু মোৰ লগত সম্পৰ্ক নাই। তেতিয়াহ'লে ইমান দিনে থকা ভালপোৱা এনেই গ'ল তাৰ মানে। এটা কথা মই তোৰ নামানিম, তাৰ কাৰণে তই মোক ভাল নাপাবি। কি ভালপোৱা হ'ল সেইটো ? বাকীখিনিটো acting হৈ গ'ল তেতিয়াহ'লে? Acting ক মই সেইকাৰণে কেতিয়াবা জীৱনতকৈও সত্য বুলি ভাবো। But pretending that you love me, that's not fair. আৰু মা-দেউতা হোৱাটো বৰ কঠিন কাম, হয়নে নহয়?

নিজৰ সন্তানক দুখত চাব নোৱাৰে, সুখত চাব বিচাৰে। কিন্তু মই যদি কিবা কাৰণত নাটক কৰি পইচা-পাতি income নকৰিলেও সুখত থাকিলোহেঁতেন, তেতিয়াহ'লে তেখেতসকলৰ আপত্তি কৰা উচিত নাছিলে। মই যিটোত সুখী হওঁ, সেইটোত সুখ লোৱাটো, মই ভাবো, মুৰব্বী হিচাবে তেওঁলোকে আৰু অকণমান, ..... মাৰ কথা কোৱা নাই, দেউতাৰ কথা কৈছো । কিন্তু শেষত তেওঁ বুজি পালে এইটো কথা। He said, " You know, you are good". I asked, " why do you say so ?", "No, I saw you in an interview on BBC." ............, BBC ক বিশ্বাস কৰিলা, মোক নকৰিলা তুমি। সেই বিদেশী এটা company, তাক বিশ্বাস কৰিলে, নিজৰ ল'ৰাটোক কেলেই বিশ্বাস নকৰিলে। (হাঁহি)

**তৃষ্ণা** - ছাৰ, এইটো হয় নেকি আমাৰ society ত মৰমৰ লগত অকণমাণ অধিকাৰবোধ আহি যায়।

**আদিল হুছেইন** - বেছি আহে বুলি ভাবো। অধিকাৰবোধ থাকিবই কিন্তু সেই অধিকাৰবোধটো এটা equality ত থাকিব লাগে। মোৰ বন্ধু ধনঞ্জয় দেৱনাথ আৰু মোৰ নলে গলে লগা বন্ধু উদয় শংকৰ দে আৰু জয়ন্ত মেধি, তেওঁলোকে যদি কয় 'আদিল তই কিন্তু আহিব লাগিব দেই' আৰু মই যদি কওঁ যে 'নাই, মোৰ অকণমান দিগদাৰি আছে, মই নোৱাৰিম আহিব", তেতিয়া তেওঁলোকে মোক হয়তো আৰু দুবাৰ ক'ব। কাৰণ সেইখিনি অধিকাৰ তেওঁলোকৰ আছে। কিন্তু তাৰ পাছত আকৌ ভালপোৱাও আছে, understanding ও আছে। professionalism ৰ understanding আছে যে মই নোৱাৰিম আহিব কাৰণ মই কথা দি থৈছো বেলেগ কামত, শেষ মুহূৰ্ত্তত যদি কোনোবাই মোক কিবা কৈছে। এতিয়া ধনঞ্জয়ে বিয়া কৰাওঁতে মই দিল্লীৰ পৰা এদিনৰ কাৰণে আহিছো। flight ত আহি এদিন থাকি উভতি গৈছো। যিহেতু মই আগৰ পৰাই জানো। গতিকে অধিকাৰবোধটো অত্যন্ত সন্মান পূৰ্বক হ'ব লাগিব।

**তৃষ্ণা** - হয়।

**আদিল হুছেইন** - মোৰ প্ৰতি তেওঁলোকৰ অধিকাৰ আৰু মোৰ অধিকাৰ তেওঁলোকৰ প্ৰতি, দুইটাৰ সমতা থাকিব লাগিব। Imbalance হ'ব নোৱাৰে। মই ভাবো। মই এতিয়া বাপেক নিজেই, মই যিখিনি কথা preach কৰিছো, সেইখিনি কথা নিজেই মানি চলিব লাগিবটো, গতিকে মই সাৱধানে আছো। (হাঁহি) নহ'লে তোমালোকেই ধৰিবা মোক যে " আ ..... নিজৰ যেতিয়া কথা আহে তেতিয়া কি" মই ভাবো যে এজন ল'ৰা ছোৱালী যেতিয়া

জন্ম হয়, parents should consider themselves just as a passage, এটা কেৱল ৰাস্তা। তেওঁ এটা পূৰ্ণাংগ মানুহ, সেই পূৰ্ণাংগ মানুহৰ সন্মানৰ প্ৰতি যত্ন ৰাখি আৰু যিমানখিনি জ্ঞান আছে, মই যবৰদস্তি নিদি পেলাই অকণমান suggestive nature ত ৰাখি দি তেওঁৰ ভিতৰত যিটো (যিজন আহিছে নতুনকৈ পৃথিৱীলৈ) স্বতঃস্ফূৰ্তৰ্তা আছে, সেইখিনিক কেনেকৈ মই জীয়াই ৰাখিব পাৰো, মই যাতে influence নকৰো। এতিয়া মোৰ ঘৰত জন্ম হৈছে কাৰণে বা মই গোৱালপাৰাৰ কাজী চাহাবৰ ঘৰত জন্ম হোৱাৰ কাৰণেই যে মুছলিম ধৰ্ম গ্ৰহণ কৰিম, সেইটো নহয়। সেয়া মোৰ decision হ'ব লাগিব, That's should be my choice. কিন্তু বাপেকৰ বাপেকৰ বাপেক কেনোবা এজন convert হ'ল, মোকটো সোধা নাছিলে, মই কিয় সেইটো মানি লম, হয় নে নহয় বাৰু? আৰু হিন্দু ধৰ্মৰ পৰিয়ালত কেনোবা এজনৰ জন্ম হ'ল, তেওঁ হিন্দু ধৰ্মৰ ritual সৰুৰে পৰা পাই আছে। তাৰ influence হৈ তেওঁ হিন্দু ধৰ্ম ল'ব পাৰে, সেইটো বেলেগ কথা। কিন্তু হ'লেও যে হিন্দু হ'ব সেইটো নহয়। আৰু নিজকে হিন্দুধৰ্মী বা সনাতন ধৰ্মৰ বুলি ক'বলৈ যথেষ্ট কষ্ট কৰিব লাগিব। সনাতন ধৰ্মৰ যিবিলাক philosophy সেইবিলাক মানি চলিব লাগিবতো। যে প্ৰত্যেকজন মানুহক তুমি equally চাব লাগিব। কৃষ্ণই যেনেকৈ অৰ্জুনক কৈছে গীতাত যে " নিঃস্বাৰ্থভাৱে প্ৰেম কৰাৰ পাছতহে তুমি তেওঁক মাৰিব পাৰিবা, তাৰ আগত নোৱাৰা। তাৰ আগত মাৰিলে তোমাৰ কৰ্মৰ ফল ভোগ কৰিব লাগিব অহা জনমত। এই জনমত যদি তুমি যুদ্ধ কৰিব বিচাৰিছা আৰু কৰ্মফল ভোগ কৰিব যদি নালাগে অহা জনমত, তেতিয়াহ'লে এই জনমত নিঃস্বাৰ্থ প্ৰেম, ভালপোৱাৰ পৰাহে তুমি কাঁড়ডাল মাৰিব পাৰিবা"। পাৰিবা নেকি তুমি? বৰ টান কাম। গতিকে এজন মানুহে নিজকে হিন্দু বা মুছলিম বুলি ক'বৰ কাৰণে সেইটো অৰ্জন কৰিব লাগিব। যথেষ্ট কষ্ট।

**তৃষ্ণা** - ছাৰ, এতিয়া অলপ নাটকৰ কথা পাতো।

**আদিল হুছেইন** - of course.

**তৃষ্ণা** - ছাৰ, যিহেতু মই ক'লো যে আপোনাৰ বহুত সাক্ষাৎকাৰ চালো আজিৰ কথোপকথনৰ আগে আগে, আপুনি এটা সাক্ষাৎকাৰত উল্লেখ কৰিছিল যে NSD লৈ যোৱাৰ পাছত আপোনাৰ প্ৰথমখন মূল চৰিত্ৰত অভিনয় কৰা নাটক "বাগৰবিল্লা", যিখন ৰবিন দাস ছাৰৰ পৰিচালনা আছিল। ছাৰ, তেতিয়া আপুনি এটা কথা কৈছিল যে বাগৰবিল্লা নাটকখন, য'ত আপুনি এটা দানৱৰ চৰিত্ৰ ৰূপায়ন কৰিছিল, যেতিয়া আপুনি চৰিত্ৰটোৰ কাৰণে prepare হৈ আছিল, তেতিয়া আপোনাৰ ভয় হৈছিলে এই কাৰণে যে এজন ভাল অভিনেতা হোৱাৰ পথত আপুনি এজন বেয়া মানুহ হৈ নাযায়টো। তেনেকুৱা আপোনাৰ feel হৈছিল।

**আদিল হুছেইন** - correct.

**তৃষ্ণা** - ছাৰ, এতিয়া এটা চৰিত্ৰ আৰু আদিল হুছেইন ছাৰ। এই যি যাত্ৰাটো, ইয়াৰ বাবে আপুনি কেনেকৈ নিজকে প্ৰস্তুত কৰে ?

**আদিল হুছেইন** - সেইটো খুব দীঘলীয়া journey। মই short কে কৈছো। বহুত ক'ব লাগিব, মই কিতাপ এখনেই লিখিব পাৰিম এইটোৰ ওপৰত actually ।

উম্ ...... (অলপ ভাবি) এটা হৈছে মোৰ Lesser being. Lesser মানে (অলপ ৰৈ) কি বুলি কওঁ এতিয়া .....। আচ্ছা, উদাহৰণ দিলে গম পাবা। সমুদ্ৰ, সবেই দেখিছে সমুদ্ৰ। তোমালোকে গৈছা কেতিয়াবা সমুদ্ৰ চাবলৈ?

**তৃষ্ণা** - হয়।

**আদিল হুছেইন** - মই বহুত গৈছো, পিছত গৈছোতো মই, সেইকাৰণে .... আজিকালিহে সবেই Travel কৰে, আগতে তেনেকুৱা নাছিলে। মই ইয়াতে থিয় হৈ আছোঁ। এইটো সমুদ্ৰৰ পাৰ আৰু বিৰাট ঢৌ। আৰু সমুদ্ৰৰ বিৰাট ঢৌবোৰে আহি .... (পানীৰ শব্দ কৰে) পাৰত মাৰি আছে ... সেই পাৰটো .. য'ত ঢৌ আহি খুন্দা খাই ঘূৰি যায়, যিমান তাৰ বহলতা তাৰ তুলনাত সেইখিনি কিন্তু খুব কম। শান্ত সমুদ্ৰ এখন যদি চোৱা যায় shore ৰ পৰা, আধা কিঃ মিঃলৈকেহে ঢৌ খিনিৰ prominence থাকে। তাৰ পাছত কিন্তু শান্ত থাকে। আমি সমুদ্ৰ যেতিয়া চাবলৈ যাওঁ, সমুদ্ৰ অকণমান ওখ থাকে নহয় জানো, সেইখিনি দেখা পায় আমি একদম .... "oh my God! সমুদ্ৰ"। পতঞ্জলি যোগসূত্ৰত কোৱা মতে, পতঞ্জলি মানে এই ৰামদেৱৰ পতঞ্জলি নহয় দেই ..... (সকলোৱে হাঁহি)

পতঞ্জলি যোগসূত্ৰয়ে কোৱা মাত আমাৰ যিটো emotion, তুমি যিটো প্ৰশ্ন সুধিলা (তৃষ্ণাৰ ফালে চাই) আমাৰ শৰীৰ, মনৰ বা mind যিয়ে নোকোৱা কিয়, সেইখিনি সমুদ্ৰৰ কেৱল এইখিনি ভাগহে, এই যে আধা কিঃ মিঃ ভাগখিনি। আমি গোটেই সমুদ্ৰখনৰ সমান। অকল বিশালতাই নহয়, গভীৰতাতো। গতিকে আমাৰ যিটো অস্তিত্ব, এজন এজন individual ৰ অস্তিত্ব হৈছে গোটেই সমুদ্ৰখন। কিন্তু আমি অকল identify কৰো এই আধা কিঃ মিঃ লৈকে। ইমান কম বুলি নিজকে ভাবো আমি। সেইটোকে lesser being বুলি কওঁ মই, আমি নিজকে ইমান কম বা ইমান less বুলি ভাবো। less মানে কম, being মানে অস্তিত্ব, নহয় জানো? আমাৰ যিটো অস্তিত্ব তাৰ বহলতা আৰু গভীৰতাক আমি কেতিয়াও অনুভৱ কৰিবলৈ নাযাওঁ। যিসকলে গৈছে তেওঁলোকে মহান ব্যক্তি হৈছে। শংকৰদেৱৰ পৰা আৰম্ভ কৰি। হয়নে নহয়? Emotion, আৱেগৰ পৰাহে আমি প্ৰত্যেকটো decision লওঁ। "এই তই ভাল নহয় যা!" "এই, ইয়াক বাদ দে!" " ই একো নাজানে মাথামুণ্ড" ( হাঁহি) "অ! ই বৰ ভাল দেই ..... বাপৰে !" একদম আৱেগিক হৈ যাওঁ। আৰু অসমীয়া মানুহ বেছিয়ে আৱেগিক হৈ যায়, হয় নে নহয় বাৰু ? আমি এই আধা কিঃ মিঃৰ যিটো অস্তিত্ব, তাৰ পৰা এইবোৰ সিদ্ধান্তবোৰ লওঁ। গভীৰতাৰ পৰা কেতিয়াও

নলওঁ। খুব কম মানুহে লয় পৃথিৱীত। গতিকে মই যেতিয়া অভিনয় কৰিবলৈ আৰম্ভ কৰিলো, মই ভয় খাই গ'লো। মই ভাবিলো যে মোৰ এইখিনিয়ে। মই যদি evil চৰিত্ৰ এটাত অভিনয় কৰো, তেতিয়াহ'লে মোক যদি সেই চৰিত্ৰটোৱে এৰি থৈ নাযায়, তেতিয়া কি হ'ব? কিন্তু তাৰ পাছত মই মোৰ teacher ক লগ পালো, তেওঁ মোক এইখিনিৰ লগত পৰিচয় কৰালে। এই গভীৰতাৰ লগত। তাৰ পাছত দেখিলো যে এইবিলাক একোৱেই নহয়। ইমান ধৰা গভীৰতালৈ যাব পৰা নাই এতিয়ালৈকে, ৰামকৃষ্ণ পৰমহংসদেৱৰ নিচিনা, but অকণমান এইখিনিত ধৰা আধা কিঃ মিঃ পাৰ হৈ আৰু পঞ্চাশ মিটাৰলৈকে গৈছো, অলপ গভীৰতালৈ। সেইখিনিত যেতিয়া আমি থিয় হওঁ, তেতিয়া এই আৱেগখিনি আহে আৰু যায় ......। হঠাৎ মনটো ভাল লাগে, হঠাৎ বেয়া লাগে। কথা নাই বতৰা নাই হাঁহি আছো, কবই নোৱাৰো। সূৰ্য, নক্ষত্ৰত হয়তো কিবা এটা হৈছে, বা তোমাৰ মায়ে মনত পেলাইছে, বা তোমাৰ close relationship ৰ কোনোবাই মনত পেলাইছে। কিয় মন বেয়া হয় গমেই পোৱা নাযায়। হয় নে নহয়?

গতিকে মোক যেতিয়া পৰিচয় কৰাই দিলে অকণমান সেই গভীৰতাৰ লগত, তেতিয়া মই নিজকে সেই গভীৰতাক anchor কৰি পেলাই যিকোনো চৰিত্ৰ কৰিব পাৰো। যিটো মানে অত্যন্ত বেয়া চৰিত্ৰ আছিলে, that's a devil, মই বাগৰবিল্লাত যিটো চৰিত্ৰ কৰিছিলো। So I was initially very worried, then I came to know, oh! this is very easy, I have to just establish myself. এইটো কঠিন কাম। সৰল, কিন্তু কঠিন। সহজ নহয় তাৰ মানে। সেইটো কাম যেতিয়া কৰিলো তেতিয়া মোৰ একেবাৰেই ভয় নালাগে আৰু। কাৰণ মই জানো মোৰ actual সেই গভীৰতাখিনি। বাকী mind টো সেই আধা কিঃ মিঃ। ইচ্ছা কৰিলেই হাঁহিব পাৰো, ইচ্ছা কৰিলেই কান্দিব পাৰো, গতিকে নিজকে action বুলি কৈ মই হাঁহি দিলো এতিয়া।

(হাঁহি)

okay??

**তৃষ্ণা** - ছাৰ এইখিনি কথা শুনি মোৰ এটা অনুভৱ হৈছে। মই নিজেই শিল্পী নহয়, কিন্তু আপোনাৰ পৰা জানিব খুজিছো যে শিল্পী এগৰাকীক দৰ্শকে গ্ৰহণ কৰা আগতে শিল্পীগৰাকীয়ে চাগে নিজেই নিজকে গ্ৰহণ কৰাটো, অৰ্থাৎ মই পাৰিম, তেনেকৈ এটা বিশ্বাস গঢ়ি তোলাতো, তাৰ দৰকাৰ হয়।

**আদিল হুছেইন**- absolutely yes. নিজকে গ্ৰহণ কৰিলে হে, নিজৰ যিটো সত্য, মই চাগে এইটো কথা কৈছিলো সেইদিনাখন, সেইদিনাখন যে তোমালোকৰ কলেজত মাতিছিলে, যে সত্য মানে হৈছে যিখিনি অনুভূতি বা আৱেগ মই এই মুহূৰ্ত্তত অনুভৱ কৰি আছো। গতিকে এইখিনি মোৰ গুণ- বেয়া, ভাল সকলো। বেয়া মানে সমাজৰ চকুত বেয়া আৰু। বেয়া-ভাল সমাজৰ ফালৰ পৰা। নিজৰ ফালৰ পৰা হোৱা উচিত নহয় কেতিয়াও। যেতিয়া মোৰ খঙ উঠে মোৰ ভাল নালাগে, নিজৰ ভাল নালাগে যে তেওঁক মই বেয়াকৈ ক'লো। যদি তোমাৰ নিজৰ ভাল নালাগে, তেতিয়াহ'লে তাৰ ওপৰত কাম কৰা। কিন্তু যিখিনি আছে, অৰ্থাৎ মোৰ খঙো উঠে, মোৰ হাঁহিও উঠে, মই মৰমো কৰো, মোৰ কোমলতাও আছে, মোৰ বিশালতাও আছে। সেই গোটেইখিনিৰে যেতিয়া মই নিজকে গ্ৰহণ কৰি লম, অকল ভালখিনিয়ে নহয়, বেয়াখিনিও। গ্ৰহণ মানে মই মোৰ সত্যটো গ্ৰহণ কৰিলো। যেতিয়ালৈকে recognise নকৰিম তেতিয়ালৈকে .... এতিয়া তোমাৰ যদি কিবা এটা অসুখ হৈ আছে, জ্বৰ উঠি আছে, মূৰ বিষাই আছে, মূৰৰ বিষ আৰু জ্বৰ হৈছে symptom, সেইটো বেমাৰ নহয়। বেমাৰটো বেলেগ। তাৰ ফলত মূৰৰ বিষ হয় বা জ্বৰ হয়। জ্বৰ হোৱা মানে body এ fight কৰি আছে। কিহৰ লগত fight কৰি আছে? সেইটো জানিবলৈ আমি ডাক্তৰৰ ওচৰলৈ যাওঁ। ডাক্তৰে কি কৰে ? Diagnosis কৰে। Diagnosis কৰাৰ পাছত গম পালে যে 'আচ্ছা এইটো কাৰণ'। আকৌ Allopathic ডাক্তৰৰ তাত গ'লে diagnosis বেলেগ হ'ব, হোমিওপেথিত বেলেগ, আকৌ আয়ুৰ্বেদিকৰ তাত গ'লে বেলেগ। মূৰৰ বিষ কিয় হৈছে, বোলে গেছ। গেছ কিয় হৈছে, আপুনি মছলা বেছি খাইছে, মছলাটো বহুতেই খায়, মোৰ কিয় হৈছে, তেওঁৰটো হোৱা নাই, একেই খোৱা খাই পেলাই। নহয়, আপোনাৰ মনটোৱে দুঃচিন্তা কৰি থাকে। সেই দুঃচিন্তা কৰে যে, তাৰ ফলত গেছ হ'ল। সেইটো কোনে ক'লে, আয়ুৰ্বেদিক ডাক্তৰে ক'লে। আকৌ যদি তুমি spiritual master ৰ ওচৰত যোৱা তেওঁ তোমাক এনেকে মুখত চুই দিব আৰু 'গ'ল', energetic problem। গতিকে diagnosis হোৱাৰ পাছতহে treat কৰিব পাৰি। মই যদি গমেই নাপাওঁ মোৰ বেয়া গুণ বিলাক কি আছে, অ'! so called বেয়া গুণ বিলাক কি আছে, ভাল গুণবিলাক কি আছে, এইবিলাক যেতিয়া মই recognize কৰিম, তেতিয়াহে মই তাৰ ওপৰত কাম কৰিব পাৰিম। I would like to be more empathetic, I would like to be more caring. I would like to be more kind, I would be like to be more helping. So এইবিলাক যিবিলাক আছে, মই কিবা এটা কৰিব বিচাৰিছো কিন্তু..... "এহ্ ..... হ'ব দে!" এলাহ আহি গ'ল। So I need to work on that, if you really like. So first recognize your weakness and accept it that you have it. There is nothing wrong or right about it. Wrong and right is at social construct. Spiritual ভাষাত কোনো wrong and right নাই। ভাল বা বেয়া, wrong বা right, it is not acceptable in spiritual world. There is only qualities. All of them are qualities. তাৰ গভীৰত, তাৰ ওপৰতহে আমি। এই গোটেইবিলাক গ্ৰহণ কৰি,

তাৰ পাছত যিবিলাক কাম কৰিলে তোমাৰ মন বেয়া লাগি যায়, সেইবিলাক কাম কেনেকৈ কৰিব নালাগে, সেইটো আঁতৰাবৰ কাৰণে তেওঁলোকে আহিলা দিব যে breathing practice কৰিবা, meditation কৰিবা। যদি বেয়া কৰিববলৈ তোমাৰ কোনো problem নাই, কৰিবা। যদি তাৰ consequence খিনি তুমি মুখে লব পাৰা, লৈ লোৱা। জেইলত যাব যদি তোমাৰ problem নাই, crime কৰা। No problem, Go. But you have to go to jail. You will suffer. If that is okay with you, then what is the problem ? There is no problem. But you do not. Some people don't care, some people care. আমাৰ যিবিলাক quality আছে যেনেকৈ ৰাগ, ঘৃণা, ঈৰ্ষা, সেইবিলাক কোনেও ভাল নাপায়। মই নিজেও ভাল নাপাওঁ। কিন্তু সেইবিলাক বেয়া বস্তু নহয়। সেই বস্তুবিলাক আছে কাৰণেহে মই গম পাইছো ভালটো কি? ৰাতি নাথাকিলে মই গম নাপাম দিন কি বস্তু। আন্ধাৰ আছে কাৰণেহে মই পোহৰ appreciate কৰিব পাৰিছো। নহয় জানো? এই opposition বিলাকক সন্মান কৰিব পাৰিব লাগিব। শ্ৰীঅৰবিন্দয়ে কৈছিল যে তেওঁ এদিন ৰিক্সাৰে গৈ আছে, আৰু ৰিক্সাৰ তলত ভৰি যোৱা জেগাত তেওঁৰ শিষ্য গৈ আছে। তেওঁ শিষ্যৰ মূৰৰ ওপৰত, হাত থ'লে। শিষ্য একদম অভিভূত হৈ গ'ল। নমাৰ পাছত শিষ্যয়ে কৈছে যে "আমাৰ মানে খুব ভাল লাগচ্চে...." তেওঁ ক'লে - "আমি হাত দি তোমাক মাৰ্ডাৰো কৰতে পাৰি" সেই ইমান মৰমেৰে! So love both the person who kills and who is killed, you have to have the ability to love both. সেইকাৰণে অৰ্জুনক কৈছিল কৃষ্ণয়ে যে মানুহক মাৰাৰ সময়তো তুমি .... তোমাৰ duty হয় সেইটো কৰিবা। তোমাৰ স্বধৰ্ম হৈছে সেইটো। এতিয়া পুলিচত থকা মানুহ, মই উপায় নাপাই পুলিচত যোৱা মানুহখিনিৰ কথা কোৱা নাই, বা উপায় নাপাই teaching ত যোৱা মানুহখিনিৰ কথা কোৱা নাই। সঁচাকৈয়ে যিয়ে পঢ়াব ভাল পায় বা সঁচাকৈয়ে যি প্ৰহৰা দিব ভাল পাই পুলিচত গৈছে, সমাজখনৰ কাৰণে সেৱা কৰিব গৈছে, তেওঁলোকে কেতিয়াবা গুলিয়াব লাগিব। কিন্তু ঘৃণাৰে নহয়। তেওঁৰ কামেই সেইটো। Military ত গ'লে তুমি যুদ্ধত যাবই লাগিব। যদি যুদ্ধ হয়। তেওঁ এজন warrior, সেইটো কাম কৰিবই লাগিব। কিন্তু ঘৃণা নকৰিবা, "এই চাল্লা পাকিস্তানী মাৰি দিওঁ" নহয়। তেওঁ আহিছে, মোক মাৰাৰ আগতে self defence ত মই তেওঁক মাৰিম। There is no hatred. "লজ্জা, ভয়, ঘৃণা, এই তিন্‌টা জিনিচ্ থাক্‌তে নেই বোলে" ৰামকৃষ্ণ পৰমহংসদেৱে কৈ গৈছে। লজ্জা থাকিব নালাগিব, ঘৃণা আৰু ভয়, এই তিনিটা একেলগে, এটা এৰি ইটো নহয়, all of them together, Right? মই কৈ থাকিব পাৰো।

**তৃষ্ণা** - ছাৰ, মানসীৰো কিছু প্ৰশ্ন আছে।

**আদিল হুছেইন** - অ', তোমাৰ ফালে আহোঁ এতিয়া।

**মানসী** - Sir, মোৰ এটা Question হ'ল যে because এতিয়ালৈকে যিখিনি discussion হ'ল ছাৰ theory ফালে গৈ আছে। মোৰ question ও theoretical এ হ'ব। ছাৰ মই Students খিনিক Mricchakatika পঢ়াই আছো by Shudrak.

**আদিল হুছেইন** - Yes, I know.

**মানসী** - So Sir, when I teach the students 'Mricchakatika' and when I again need to teach them "Rasa theory'. Sir how should I teach them Rasa Theory? Should I first show them the play, then I should teach them or rather I should just go on teaching them, because মই যেতিয়া পঢ়াও, I cannot make them feel the play, so what should I do ?

**আদিল হুছেইন** - Make them do the play, if possible. সৰু scene এটা লোৱা, তুমি যিমানখিনি বুজি পাইছা, তোমাৰ যিমানখিনি wisdom সেইখিনি লৈ you explain to them. Ask them to learn the lines, you give them exercises, very simple ones, take the help of Shri Udoy Shankar, just to help you out. Then, it will be easier for them to understand and also for you to explain. ৰস নিৰ্মান হয়। যিয়ে চাই আছে, witness যিজনে কৰি আছে। আৰু ভবাটো হৈছে actor ৰ কাম। 'ভাৱ' বা 'আৱেগ'। যেনেকৈ Nava Rasa, Nava Bhava। হয়নে নহয়? যেনেকৈ ..... উম্ .... (অলপ ভাবি) শৃঙ্গাৰা ..... শৃঙ্গাৰ ৰসৰ নামকেইটা মই পাহৰিছো। এটা 'ভাৱা'ৰ নামটো বেলেগ আৰু 'ৰস'ৰ নামটো বেলেগ। গতিকে ৰসটোৰ সৃষ্টি কৰিববলৈ প্ৰথমতে ভাৱৰ সৃষ্টি কৰিব লাগিব। মই কেনেকৈ শৃঙ্গাৰত যাব পাৰো, তাৰ পাছত শৃঙ্গাৰৰ পৰা ভয়ানকেই বা বীভৎস হওঁক, তাৰ পিছতে বীৰ, কৰুণা।

**মানসী** - Yes Sir.

**আদিল হুছেইন** - And that is the first modern play, 7th century, নহয় জানো?

**মানসী** - Sir, date is actually uncertain but around fifth century.

**আদিল হুছেইন** - 5th century, 6th century, whatever. First play which is written with the characters... not kings and queens, you know. সাধাৰণ মানুহৰ character লৈ সেইখন প্ৰথম modern play. গতিকে মই ভাবো যে এটা হৈছে content of the play, সামাজিক গুৰুত্বপূৰ্ণতা আৰু এটা হৈছে যে play খন পঢ়াৰ পাছত আমি কোনটো ৰসত play খন সৃষ্টি কৰিব পাৰো, audience ৰ কাৰণে, যিসকলে চাব। কিন্তু ৰসৰ আগতে ভাৱৰ সৃষ্টি হ'ব লাগিব। মই যেতিয়া ভাৱ

এটা সৃষ্টি কৰিম, তেতিয়াহে ৰসটো পাব মানুহে। ৰস হৈছে তাৰ consequence। গতিকে মই ভাবো, সৰু এটা scene লোৱা, divide the students. কিমান students আছে ?

**মানসী** - 60 students Sir.

**আদিল হুছেইন** - (আচৰিত হৈ) 60 !! My God !

**আদিল হুছেইন** - How do you handle sixty students, I cannot handle ten. মইটো দহটাৰ ওপৰত নলও মোৰ workshop ত ।

**মানসী** - H.S ত 150 Sir.

**আদিল হুছেইন** - My God ! Sixty, hundred students ? oh dear ! You know ! we should have atleast ten times the professors number. Increase them. They should not have more than twenty students under them. Then they can focus. মইটো কেতিয়াও নোৱাৰো। মই NSDত পঢ়াবলৈ যাওঁ কাৰণ তাত মাত্ৰ বিছজন students. আৰু সেই বিছজনৰ ভিতৰত ছজন যায় direction ত। বাৰজন বা চৈধ্যজন actingত। অহ্, বাৰজন মই কৰিব পাৰো। (হাঁহি) So if you divide the class into four groups into fifteen each students. ৪x১৫ = ৬০ নহয় জানো ? অংকত বিৰাট বেয়া মই। (সকলোৰে হাঁহি )

সেই পোন্ধৰটাৰ মাজত আকৌ তিনিটা গ্ৰুপ কৰিলা পাঁচটাকৈ। পাঁচটাক এটা scene দিলা, ইটো পাঁচটাক আৰু এটা scene দিলা, ঠিক তেনেকৈ। প্ৰথমতে তুমি পঢ়িলা, পঢ়ি শুনালা যে এইটো এইটো, then সিহঁতক practice কৰালা। তাৰপিছত তেওঁলোকে হয়তো যেতিয়া লিখিব, অত্যন্ত ভাল হ'ব। যেতিয়া হাড়ে-হিমজুৰে বুজি পায়, তেতিয়া লিখাত খুব ভাল হয়।

**মানসী** - That means you are suggesting that আমি side by side performance studies ও আনিব লাগে।

**আদিল হুছেইন** - Not side by side. I am saying while teaching literature, see for me, literature ... one way the writers have used metaphors and .... the social construct and the interpersonal relationship, similes, use of words and all that. But these are the tools to talk about human being. Am I not right? Othello, for example, for me Othello is a real human being. I have experienced him. For me, its literature later. It is great literature but Shakespeare did not create literature. Shakespeare wrote a play as a human being. Then the pandits came and they thought it is great which is true. It is great literature but his intention was not to create literature, I think. So is Shudrak. We do not know him, we have not met him as person, who might have died in 5th century itself. So, we do not know no ? Why are we assuming that he has written literature. It has got immense literary value, that is true, which we recognize. But we can also think, there is an option that he did not write literature, he wrote a play to make you understand the social conditions and the interperson relationships between these amazing two characters which had been never written about. Before that, only kings and queens were in the plays. So we want to understand how these two people came together and what happened between them. So, it is a human interaction written in Sanskrit language, right ? Then it is translated into English. So it cannot be English literature in the first place. It is Sanskrit literature. Whoever has translated that I am sure he is a great scholarly person who has translated well, in English. No doubt about it. But it is not Shudrak then. It is his or hers, who has translated it. Now it is a third hand thing. First hand টো নহয়েই। Third কেনেকৈ, কাৰণ এতিয়া তুমি কৈ আছা student বিলাকক। Third hand হ'ল। তুমি student বিলাকক তেওঁলোকৰ নিজৰ perspective টো আনিবৰ কাৰণে কৈ আছা। এতিয়া সকলোৱে নিজৰ নিজৰ perspectiveৰে সেইটো explain কৰিছে। অকল শুদ্ৰকেহে শুদ্ৰকৰ লিখা পঢ়াব পাৰে। Shakespeareএ নিজেহে Shakespeare ৰ লিখনি পঢ়াব পাৰিব। মই পঢ়ালে আদিলৰ হ'ব সেইটো। কাৰণ মই যিটো বুজি পাইছো, সেইটো মোৰ subjective view, I am expressing. So third hand, fourth hand, fifth hand কৰি পেলাই লাহে লাহে, যদি এদিন কোনোবা scholarly মানুহ আহি যায়, তেওঁ আকৌ human being ৰ connection বিলাক বুজি পায়, then it may become again original. সেই কাৰণে Shakespeareৰ এখন যদি ভাল play হয় তেখেতে তেতিয়াই লিখি থৈ গ'ল, কিন্তু আমি এতিয়া এইটো সময়ত থিয় হৈ তেওঁক এনেকে বুজি পাইছো। গতিকে, যিহেতু তুমি প্ৰশ্নটো সুধিছা, মোৰ suggestion হ'ব যে গ্ৰুপ বনাই, প্ৰত্যেকটো গ্ৰুপক নিজেই বুজিবলৈ দি .... see you don't have to teach them, they will understand. That's the best way of teaching. You will teach your perspective যে এইটো গল্প এনেকুৱা এইটো মই ভাবিছো। এইটো মোৰ way হে, তোমালোকৰ নহ'ল নহয়। তোমালোকৰ কি ? সেইটো বুজি পোৱাৰ কাৰণে ... Just

do this. Then give them two days that "learn the lines, come here, direct yourself, don't ask anybody", তোমালোকে কি বুলি ভাবা এইখিনি dialogue মাতোতে, stage direction টো কি কি আছে, so everybody will perform today. How many minutes class তোমালোকৰ ?

**মানসী** - 1 hour.

**আদিল হুছেইন** - 1 hour class, so প্ৰথম দিনাখন দুটা গ্ৰুপে কৰিলে। এটা unit ত যদি দহ মিনিট লাগি যায়, দহমিনিটকৈ তিনিটা কৰিলা, আধা ঘন্টা discussion কৰিলা, এক ঘন্টা গ'ল। কেনেকুৱা লাগিল, কি কৰিলে। তেতিয়া second গ্ৰুপটোৱে বুজি পালে যে, 'আচ্ছা, মইটো এনেকৈহে ভাবিছিলো, ইহঁতে এনেকৈ কৰিলে। তাৰ মানে এইটো interpretation ও সত্য। সেইটোও সত্য।" Studentsৰ নিজৰ perspective টো জগাব পাৰে teacher এজনে, মোৰ মতে দেই। Teacher এজনে নিজৰ students ক independence কেনেকৈ দিব পাৰে?

মই যিখিনি বুজিছো সেইখিনি মোৰ। সেইখিনি মোৰ বোধেৰেহে বুজিছো। আনজনে কেনেকৈ নিজৰ critical faculty জন জগাব পাৰে। মই বুজাখিনিটো ক'লো, সেইখিনি second hand knowledge হ'ল। First hand knowledge তেতিয়াহে হ'ব যেতিয়া সি নিজেই কৰিব। পঢ়ি পেলাই বুজা আৰু কৰি পেলাই বুজাৰ মাজত যথেষ্ট পাৰ্থক্য আছে। মই মানে Italy ৰ কথা কৈ কৈ পাগল হৈ গ'লো। তাৰ পাছত কোনোবা এটা গৈ Italy দেখি "Oh my God, ইমান ধুনীয়া জেগা, তই যে কৈছিলি !"

মই বোলো, "অ !"

"এতিয়াহে বুজি পালো।"

(হাঁহি ) হয়নে নহয় বাৰু কথাটো ? ব্ৰহ্মপুত্ৰৰ পাৰত গৈ সূৰ্যাস্ত নোচোৱালৈকে মই যিমানেই আঁকি নিদিওঁ কিয়, মানে Van Gogh ৰ নিচিনা artist হ'লে বেলেগ কথা, সেই সৌন্দৰ্যখিনি পাব জানো? So কৰি পেলাই যদি বুজোৱা, then মই ভাবো, it will be so much more beneficial for the students, and you will also see, "আচ্ছা মই এনেকৈ বুজিছিলো, এই গ্ৰুপটোৱেচোন এনেকৈহে বুজিছে"। In a way, তোমাৰ perspectiveটো বহল হ'ব। এতিয়া যদি মই actingপঢ়াব যাওঁ, মই পঢ়াবলৈ কেতিয়াও নাযাও। মই গৈ কওঁ যে " চা, মই একো নাজানো, আমি দুইটায়ে শিকিম একেলগে। I do not know আৰু সেইটো সাহস থাকিব লাগিব যে মই যদি নাজানো, মই নাজানো একেবাৰেই। তথাপিও যদি মোৰ class ত আহিছা, then you are really interested to learn from me. But I am also going to learn with you. I am not here to teach you কাৰণ you are a different individual. You will do something which will give me another perspective. মানে পৃথিৱী যে গোলাকাৰ, গোলাকাৰ বুলিয়ে কয় নে ? Globe বুলি যিটো কয়। এইটো এটা সত্য। গতিকে, আমাৰ পৃথিৱীত আছে 7.5 billion population. প্ৰত্যেকজন মানুহে পৃথিৱীখনক বেলেগ বেলেগ চকুৰে চায়, দৃষ্টিভংগীৰে চায়, that means there are 7.5 billion perspectives, অভিনেতা এজনৰ ভাল অভিনয় তেতিয়া হয় যেতিয়া বেলেগৰ দৃষ্টিভংগীৰে মই সত্যটো দেখা পাওঁ। হিট্লাৰৰ দৃষ্টিভংগীৰে যেতিয়া মই সত্যটো দেখা পাওঁ, বা ৰবীন্দ্ৰনাথৰ দৃষ্টি ভংগীৰে যেতিয়া মই সত্যটো দেখা পাওঁ. তেতিয়াহে সেই চৰিত্ৰটো মই ভালকৈ কৰিব পাৰো। সেইকাৰণে কৈছো যে আমি এইটো চাব লাগে যে students ৰ দৃষ্টিভংগী কেনেকৈ জগাব পাৰো। ভাৰতবৰ্ষৰ পঢ়োৱা system টোৱে এনেকুৱা যে আমি তেওঁলোকক দৃষ্টিভংগী দিবই নোখোজো। আৰু এতিয়া এনেকুৱা হৈছে যে plate ত দি চামুচেৰে খুৱাই দিব লাগিব, তেতিয়াহে খায়। মোৰ ভাগ্য ভাল যে এনেকুৱা দুজন teacher পালোঁ যিয়ে মোক কেতিয়াওঁ নক'লে যে এইটো কৰ বা সেইটো কৰ। কেতিয়াও নক'লে, বহি থাকে।

**মানসী** - Sir, our syllabus and classes are structured in a way that students even do not get the opportunity.

**আদিল হুছেইন** - Correct. But now you have an opportunity because now you have only sixty. And most of them won't come, so you are happy ! (হাঁহি)

**য়'শ্বিকো** - So, ultimately allowing the students to exercise their brains by themselves, right ?

**আদিল হুছেইন** - Absolutely. See এজন ভাল গুৰু, মোৰ যিজন spiritual গুৰু, তেওঁ কেতিয়াও নকয় যে "তোৰ এইটো হ'ব, সেইটো হ'ব, এইটো কৰ, সেইটো কৰ।" কেতিয়াও নকয়। মই যেতিয়া সোধো .... "problem হৈছে" ( হাঁহি) "problem হৈছে নেকি ? কি problem হৈছে?" তেওঁ জানেই কি হৈছে।

"উহ! ...... আচ্ছা আচ্ছা .... ঠিক আছে, বহা। বহি meditation কৰা, কৰি সোধা কেনেকৈ solve কৰিম?" "নহয়, You tell me." "Aha ! you find out, I am not going to tell. I am giving you the tool. মই তোমাক আহিলা দিছো নহয়, আহিলাটো ব্যৱহাৰ কৰা, নিজকে সোধা এইটো মুহূৰ্তত মই কি কৰা উচিত, তুমি বিচাৰি পাবা।"

এজন ভাল গুৰুৱে নিজৰ শিষ্যৰ ভিতৰত থকা গুৰুজনক জগাই তোলে। সেইজনেই গুৰু। যদি সবেই কৈ দিয়ে এইটো কৰা, সেইটো কৰা, যিটো আমাৰ society ৰ স্বভাৱ। Spoon feeding, then you cannot have a good person in the society. Then

we will have copies, xerox copies. We do not want xerox copies, we want independent people, no ?

**মানসী** - Sir, I have another questions.

**আদিল হুছেইন** - Hann, but quickly. I have to rush, its already one hour past.

**মানসী** - So, since you just mentioned Othello, when you performed Othello, did you face any language barrier ?

**আদিল হুছেইন** - Of course ! I had to work hard, really hard. I had faced huge language barrier. I had never done Shakespear in English in the first place and my English was okay but pronounciations were not good. So I thankfully had a voice and accent teacher who taught me six hours a day, everyday for one whole month. Fundamental block of a language is consonant and vowels. There are how many vowels in English language ?

**মানসী** - a, e, i, o, u. Five.

**আদিল হুছেইন** - No, there are twenty two. You see that's the thing. We haven't been taught. You haven't been taught also, I know that. There are 22 to 23 vowels and there are 23 consonents. Which are 22 ? Okay, I will give you an example. There are 8 to 9 long vowels, (উচ্চাৰণ কৰি দেখুৱাই দিয়ে) so there are eight long vowels, short vowels another eight, semi long vowels, then there are deep vowels, then there are shwaa. সৰু থাকোঁতে কিয় শিকোৱা নাই বাৰু আমাক ? এই বুঢ়া বয়সত গৈ শিকিব লগীয়া হৈছে। I was like 36 years of age, when I had to learn all that. But I was mad. I was like, I had to do it. And practicing like "twaa" "dwaa", you know ! voiced consonants, unvoiced consonants, "th" spelled as "thwaa" not "thaa" then "dwa" "fwaa", "waaa", you know. So, সেইবিলাক কৰি কৰি লাগি আছো মানে! সেইবিলাকেই শিকাইছে। গান গাই গাই শিকিবলৈ কয়। তেতিয়াহে জিভাই নাচিব। নহ'লে অসমীয়া নাচহে নাচি থাকে জিভায়ে। (হাঁহি)

মই ইংৰাজী নাচ নাচিব লাগিবতো। বিহু নাচি নাচি হঠাৎ Bella নাচিব দিছে মোক। So practice নকৰিলে কেনেকৈ পাৰিম? So, I think there was a huge problem, but I had to work hard. And thank god ! that comes from my dad, I will say, working hard and with sincerity. তাৰ পাছত এইবিলাক যে কামত আহিব, সেয়া পাছতহে গম পাইছো। ১৯৯৯ তএইবোৰ শিকিছো। এতিয়া মোক Star Talkত মাতে, British accentত ছবি এখন কৰি আছো। May 25 তাৰিখে মই ইংলেণ্ডলৈ গৈ আছো।

**শৈলেনজিৎ শৰ্মা** - ইংলেণ্ডত Othello কৰা হৈছিলনে ?

**আদিল হুছেইন** - অ'।

**তৃষ্ণা** - Othello আপুনি চাগে বহুত বছৰ কৰিছে ন ?

**আদিল হুছেইন** - দহবছৰ কৰিছো।

**ৱ'শ্বিকো** - এটা last ছাৰ, অসমীয়া Cinema আপুনি বহুত কম কৰিছে। The Adil Hussain has done very less number of Assamese films.

**আদিল হুছেইন** - Accha ! 'the' in front of my name !

**ৱ'শ্বিকো** - Yes obviously ! Sir, why is it so !

**আদিল হুছেইন** - I don't get good scripts. Stories are brilliant, stories have no problem, problem is with the scripting. Story is a form. There are amazing short stories, brilliantly written, উপন্যাস but the medium of cinema is dependent on the art of script writing, screenplay. Screenplay is very very very poor. Now some people for example Rima Das বা Bhaskar Hazarika they are good. Rima specially. তাই বহুত কমেই লিখে, just shoot কৰে। And কেইজন মানুহে তেনেকৈ কৰিব পাৰিব? এটা ৰিমা দাসেই আছে। ভাস্কৰ হাজৰিকাই ভাল script লিখে, but he focuses on dark aspects of human being, so I am not very happy about it. But I am probably doing his next film.

**ৱ'শ্বিকো** - আপুনি যদি কোনোবা উপন্যাস পাছলৈ বনাব খোজে, কোনখন হ'ব ?

**আদিল হুছেইন** - I don't know how to do screenplay, I just know a little bit of acting.

**ৱ'শ্বিকো** - Or if you want to act in any of the assamese novels ?

**আদিল হুছেইন** - I have to find a good script writer and that script writer has to be an Assamese, to understand Assamese, the nuances, the humour, the life, the society, তাৰ পিছতহে screenplay ত আনিব পাৰিব।

**ৱ'শ্বিকো** - But any particular Novel you have in thought ?

**আদিল হুছেইন** - I have one story which I want to do. I have taken the rights also. অতুলানন্দ দেৱ গোস্বামীৰ

'বলীয়া হাতী'।

**মানসী** - Sir, we have films like 'Amis and Kothanodi'. 'And then when I go and watch movies like Parasite, from Korean film industry and they are getting Oscars. Sir, it is high time to change the decision makers what movie to send to Oscars.

**আদিল হুছেইন** - Ya, absolutely. I agree with you. (হাঁহি)

Decision makers are chosen by the prevalent Government, mostly. And sometimes they are good, sometimes they are terrible. Really bad, you know. Even National awards. Who is the board of Chairman of the jury that influences who is going to get National awards. So, these are political decissions mostly, even Oscars. Oscars is a big game. You need lot of money to promote. For example, "Village Rockstars" গ'ল, মই publicly ক'লো যে Rima Das should be given at least five to ten crores, to promote the film. The film is made for near about one crore, but you need ten crores in order to make sure that 3000 voters those who vote in Oscars can watch the film. You have to hire auditorium. কেতিয়াবা পাঁচজন আহিব, কেতিয়াবা দুজন আহিব, কেতিয়াবা তেইছজন, কেতিয়াবা এজন। প্ৰত্যেকবাৰেই দেখুৱাব লাগিব, ভাত খুৱাব লাগিব, wine দিব লাগিব, then they will watch the movie. তাৰপাছত গৈ পেলাই secretly vote দিয়ে। তাৰ কাৰণে America ৰ California ত বহুত খৰছ ভাই। Government এ তেতিয়া ক'লে যে এক কোটি টকা দিম। TDS কাটি পেলাই হয়গে ৬০ লাখ টকা। ৬০ লাখ কি কৰিব? অহা যোৱা খৰছে তোমাৰ প্ৰায় আঢ়ৈ লাখ টকা। গতিকে Government এ যদি সহায় নকৰে আৰু ডাঙৰ producer কৰণ জোহৰৰ নিচিনা নহয়, তেতিয়াহ'লে কোনো chance নাই অসমীয়া ছবি Oscars লৈ যোৱাটো। পঠিয়াইছে, কিন্তু তাৰ পাছত nomination পোৱাটো অসম্ভৱ। এতিয়া Bhutan ৰ ছবি এখনে পাইছে। They must have put lot of hard work, promotion ৰ কাৰণে। But ভাল কথা যে ভাৰতবৰ্ষৰ এখন documentary nominate হৈছে, 'Writing with Fire'. That's a good thing.

**তৃষ্ণা** - ছাৰ, মোৰ বিশেষ প্ৰশ্ন নাই, just এটা comment. দুদিনমান আগত অনুৰাধা শৰ্মা পূজাৰী বাইদেউৰ লগত কথা পাতিছিলো। তেওঁ এযাৰ কথা কৈছিল যেতিয়া জীৱন আৰু জীৱিকা দুয়োটা একে হয়,তেতিয়া মানুহজন সম্পূৰ্ণ আৰু প্ৰকৃত অৰ্থত সফল হ'ব পাৰে। আজি আপোনাক লগ পাই এনে লাগিল যে এজন সম্পূৰ্ণ মানুহক লগ পালোঁ।

**আদিল হুছেইন** - No way ............ But I wish it is true. But মোৰ teacher এ আকৌ বেলেগকৈ কয় that you should never bring it together. If you start earning money by doing what you love, then there is a possibility that you might get corrupted. You should do something you love without taking money. You should not receive any money from doing what you love to do. Earn some money doing something stupid. (হাঁহি)

**তৃষ্ণা** - Thank you so much Sir.

**আদিল হুছেইন** - Thank you all. ■











চিত্ৰশিল্পী- অলকা ৰাভা





চিত্ৰশিল্পী- প্ৰান্তিক শিৰম

# ছবিয়ে কথা কয়





আলোকচিত্ৰ - চেলিম জাহাঙ্গীৰ আলম







আলোকচিত্ৰ - প্ৰান্তিক শিৰম



আলোকচিত্ৰ - জিতুমনি শৰ্মা



আলোকচিত্ৰ - দেৱজিৎ কলিতা



আলোকচিত্ৰ - কঙ্কনজ্যোতি ৰায়

## NSS observes Martyrs' Day

30: The Gauhati ... Service Scheme ... Goalpara College jointly organized ... pay tribute to Mahatma ... through a webinar ... ease. ... the webinar, Dr ... principal of Goalpara ... mentioned that everyone ... follow the path of Mahatma ... and NSS volunteers ... forward the Gandhian ... to the society. ... as chief guest Dr Ranjan Kumar Kakati, Director of Students' Welfare & Programme Coordinator, NSS Cell, Gauhati University, highlighted the Gandhian principles and the great contributions of Mahatma Gandhi to the people of India through non-violence. Dr Kakati further mentioned that Gandhi put forward four main goals before youth for humanity, so as to move towards its destiny. These are swaraj, non-violence, swadeshi and sarvodaya and NSS fraternity should carry forward his contributions to all corners of the society. Resource person Dr Hemanta Kumar Kalita, head of the department of the Department of Philosophy, Goalpara College, spoke on the topic 'Gandhian Philosophy of Sarvodaya' and said that Sarvodaya is a term meaning 'Universal Uplift' or 'Progress of All', which was first coined by Mahatma Gandhi and Gandhi ... the ideal of his own political philosophy for overall growth of India ... ple through social, political and economic programmes. The webinar was moderated by Jugabrat Das, NSS Programme ... Goalpara College. Around ... ipants attended the webinar.

...hati English Edition ... 2022 Page No. 3

## গোৱালপাৰা মহাবিদ্যালয়ত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ মিলন স...



প্ৰতিদিন বিশেষ সেৱা, গোৱালপাৰা, ২৬ মাৰ্চ ঃ গোৱালপাৰা মহাবিদ্যালয়ৰ ইংৰাজী ... উদ্যোগত আজি অনুষ্ঠিত হয় প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ মিলন সমাবোহ। কাৰ্যসূচী ... মহাবিদ্যালয়ৰ অধ্যক্ষ ড ...

## গোৱালপাৰাত প্ৰতিযোগিতামূলক পৰীক্ষাৰ কৰ্মশালা

## 'কঠোৰ সাধনা, শ্ৰম, লক্ষ্য আৰু একাগ্ৰতাই জীৱনলৈ সফলতা আনে'

গোৱালপাৰা ঃ নিজা বাতৰি দিওঁতা, ১৩ এপ্ৰিল ঃ ...





## ...পাৰা মহাবিদ্যালয়ত বক্তৃতানুষ্ঠান

### ... কলিতাৰ গ্ৰন্থ 'ভাষা দৰ্শন' উন্মোচন

...ৱালপাৰা, ১২ এপ্ৰিল ঃ গোৱালপাৰা মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ মুৰব্বী অধ্যা... ড° হেমন্ত কুমাৰ কলিতা, ইতিহাস বিভাগৰ মুৰ... অধ্যাপক যশোৱন্ত ৰায়কে ধৰি মহাবিদ্যালয়খনৰ বি...

## গোৱালপাৰাত পশু অধিকাৰৰ সজাগতা সভা

গোৱালপাৰা ঃ নিজা বাতৰি দিওঁতা, ২৫ জুন ঃ গোৱালপাৰা মহাবিদ্যালয়ৰ পশু কল্যাণ গোট আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ উদ্যোগত যোৱা ২৩ জুনৰ পৰা আৰম্ভ হোৱা সপ্তাহজোৰা কাৰ্যসূচীৰ আজি তৃতীয় দিনাও বাইলৰ মাজত বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হয়। ২৩ জুনত পতাকা উত্তোলনেৰে সপ্তাহজোৰা কাৰ্যসূচী আৰম্ভ কৰা হয়। দ্বিতীয় কাৰ্যসূচী হিচাপে গোৱালপাৰা মহাবিদ্যালয়ৰ ৩০ বেটেলিয়ন এন চি চি চি টি অ' মিজিং বসুমতাৰী আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাৰ্যক্ৰম বিষয়া ড° যুগব্ৰত দাসৰ নেতৃত্বত উলিওৱা পশু অধিকাৰ সজাগতা চাইকেল শোভাযাত্ৰা উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে। ইয়াৰ পিছত আয়োজিত সজাগতা সভাত পশু কল্যাণ গোটৰ আহ্বায়ক ড° বড়ি ভি ফাৰহিয়েনে আঁত ধৰা কাৰ্যসূচীত ড° সুভাষ বৰ্মনে সভাপতিত্ব কৰি এনে আঁচনিয়ে সমাজৰ সকলো স্তৰৰ লোককে অনুপ্ৰাণিত কৰিব বুলি মন্তব্য কৰে। দ্বিতীয় দিনা গোৱালপাৰা জিলাৰ দুধনৈ, আগিয়া, লক্ষীপুৰ আদি বিভিন্ন স্থানত মাইকযোগে পথসভা অনুষ্ঠিত কৰি সজাগতামূলক বাৰ্তা প্ৰচাৰ কৰে। লগতে সজাগতা-পত্ৰ বিতৰণ কৰা হয়। কাৰ্যসূচীত অধ্যাপক ড° ধীৰাজ কুমাৰ বৰা আৰু এন এছ এছৰ স্বেচ্ছাসেৱকসকল উপস্থিত থাকে।





## গোৱালপাৰা মহাবিদ্যালয়ত সাহিত্য উৎসৱ



নিজা বাতৰি দিওঁতা

গোৱালপাৰা, ১৬ জুন ঃ গোৱালপাৰা মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ আৰু আলোচনী বিভাগে যোৱা ১৩ জুনৰপৰা মহাবিদ্যালয় চৌহদত আয়োজন কৰা গ্ৰন্থমেলা আৰু সাহিত্য উৎসৱৰ আজি চতুৰ্থ দিনা স্থানীয় আৰু অতিথি সাহিত্য কৰ্মীৰ কবিতা পাঠ আৰু সাহিত্যালাপে জীপাল কৰি তোলে সাহিত্য উৎসৱৰ বাকৰি। সহযোগী অধ্যাপিকা তৃষ্ণা বৰ্মনে আঁত ধৰা অনুষ্ঠানত অধ্যক্ষ ড° সুভাষ বৰ্মনে এনে অনুষ্ঠানে ছাত্ৰ-ছাত্ৰীৰ মানসিক আৰু বৌদ্ধিক চিন্তা প্ৰখৰ কৰি তোলে বুলি কৈ সাহিত্য উৎসৱে মহাবিদ্যালয়ৰ ঐতিহ্যক এখোজ আগুৱাই নিয়া বুলি আদৰণী ভাষণত উল্লেখ কৰে। মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° সিদ্ধিনাথ শৰ্মাই অনুষ্ঠানৰ উদ্বোধন কৰে। জ্যেষ্ঠ সাংবাদিক তথা সাহিত্যিক পেন্দনাৰ দিলীপ কুমাৰ শৰ্মাই তেওঁৰ সৃষ্টিৰ উৎস নাট, গল্প ৰচনাৰ শৈলী আৰু মৌলিক সাহিত্যৰ এক মননশীল আলোচনা আগবঢ়ায়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ প্ৰাক্তন সভাপতি, কবি মানবজ্যোতি কলিতাই তিনিটা কবিতা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ প্ৰাক্তন সাহিত্য সম্পাদক, জনপ্ৰিয় গল্পকাৰ ৰ'দালি চেতিয়াই সাহিত্য চিন্তা আৰু কপাকেন, অতিথি কবি চিমি কোঁৱৰ আৰু উৎপল ডেকাই একোটিকৈ কবিতা পাঠ কৰে। লেখক কেৰামত আলী শেখে চৰ-চাপৰিৰ সাহিত্য আৰু সৃষ্টিশীল লেখাৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক ... বিষয়ে আলোকপাত কৰে। ...

## ...প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতি কৰ্মশালা আৰম্ভ

## কঠোৰ শ্ৰম, অনুশীলনেৰে জীৱন গঢ়িবলৈ উপায়ুক্তৰ আহ্বান

গোৱালপাৰা ঃ নিজা বাতৰি দিওঁতা, ৪ ডিচেম্বৰ ঃ কঠোৰ শ্ৰম-সাধনা আৰু অনুশীলনেৰে নিজৰ জীৱন গঢ়িবলৈ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনাইছে গোৱালপাৰা জিলা উপায়ুক্ত বৰ্ণালী ডেকাই। আজিৰ পৰা আৰম্ভ হোৱা গোৱালপাৰা মহাবিদ্যালয়ৰ 'প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতকৰণ কৰ্মশালা' উদ্বোধন কৰি ভাৰতীয় প্ৰশাসনিক সেৱাৰ মেধাবী 'ছাত্ৰী'গৰাকীয়ে নিজৰ অভিজ্ঞতাৰে ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰেৰণা যোগাই ছাত্ৰ-ছাত্ৰীসকলক আৰম্ভণিতে নিজৰ লক্ষ্য স্থিৰ কৰি ভবিষ্যৎ জীৱন গঢ়াৰ সংকল্প ল'বলৈ আহ্বান জনায়। 'কম্পিটিটিভ একজাম প্ৰিপাৰেটৰী বৰ্কশ্বপ'ৰ উদ্দেশ্য ব্যাখ্যা কৰি গোৱালপাৰা মহাবিদ্যালয়ৰ 'কেৰিয়াৰ কাউন্সেলিং এণ্ড গাইডেন্স চেল'ৰ সমন্বয়ক ড° জয়ন্ত কুমাৰ ব্ৰহ্মই কয় যে কলেজীয়া জীৱনতে যাতে ছাত্ৰ-ছাত্ৰীসকলে 'চিভিল ছাৰ্ভিচ'ৰ বাবে মনত সংকল্প লৈ কলেজীয়া শিক্ষাৰ সমাপ্তিৰ লগে লগে প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰে, আগ্ৰহ বাঢ়ে আৰু নিজকে মানসিকভাৱে যোগ্য কৰি তুলিব পাৰে তাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনৰ নেতৃত্ব আৰু পৰামৰ্শ মতে এইখন কৰ্মশালাৰ আয়োজন কৰা হৈছে। ... ড° সুভাষ বৰ্মনে ছাত্ৰ-ছাত্ৰীসকলৰ ভবিষ্যৎ দিশ ... মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে ছাত্ৰ-ছাত্ৰীসকলৰ ... পৰীক্ষাৰ প্ৰতিযোগিতাত ... বুলি অভিহিত কৰে। ছাত্ৰ-... দৰ্শনৰ প্ৰথম পদক্ষেপ হিচাপেও এই কৰ্মশালাৰ জৰিয়তে মানসিকভাৱে ... সৰ্বভাৰতীয় পৰীক্ষাৰ প্ৰতিযোগিতাত ... কলেজীয়া দিনতে সৰ্বভাৰতীয় পৰীক্ষাৰ প্ৰতিযোগিতাত ... আগ্ৰহ থকা আৰু ... কৰ্মশালাত অংশ লৈছে। প্ৰতি... মহাবিদ্যালয়ৰ ১৬টা বিভিন্ন বিভাগৰ ... আৰু গোৱালপাৰা মহাবিদ্যালয়ৰ ... গোৱালপাৰা মহাবিদ্যালয়ৰ ... প্ৰশাসনিক সেৱাৰ ... সৰ্বভাৰতীয় ... জনোৱা হৈছে বুলি সমন্বয়ক ...





## ৰসায়ন বিজ্ঞান বিভাগৰ সতীৰ্থ সন্মিলন সম্পন্ন

নিজা বাতৰি দিওঁতা

গোৱালপাৰা, ৭ জুন ঃ যোৱা ২৯ মে'ত গোৱালপাৰা মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ সতীৰ্থ সন্মিলন অনুষ্ঠিত ...। প্ৰাক্তন ছাত্ৰী তথা বিভাগৰ ...পিকা তথা সন্মিলনৰ ...পতি ড° বাসন্তী দত্তই ...লি ৰোপণেৰে অনুষ্ঠানৰ ...ৰম্ভ কৰে। সন্মিলনত ড° বাসন্তী দত্তই সভাপতিৰ আসন আৰু বিশিষ্ট অতিথিৰ আসনত অধ্যক্ষ ড০ সুভাষ বৰ্মন, অৱসৰপ্ৰাপ্ত অধ্যাপক অমূল্য শৰ্মা, থানেশ্বৰ শৰ্মা, ৰমেশ বৰ্মন, এ বাৰিক এন এফ ৰেলৱেৰ ...





# সোঁৱৰণিৰ বাট বুলি ....

**ড° দণ্ডধৰ শৰ্মা**
অধ্যাপক, প্ৰাণীবিজ্ঞান বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়

গোৱালপাৰা মহাবিদ্যালয়ৰ মোৰ সোঁৱৰণি স্মৰণ কৰিবলৈ হ'লে কিছুবছৰ পিছলৈ উভতিব লাগিব। ১৯৯৭ চনৰ অক্টোবৰ মাহৰ এটা দিনত গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপকৰ পদত মোৰ নিৰ্বাচন হোৱা বুলি মোলৈ খবৰ আহিছিল। তেতিয়া মই পি এইচ্ ডি্ ডিগ্ৰী লাভ কৰি এক অনিশ্চয়তাৰ সময় পাৰ কৰি আছিলো। স্বাভাৱিকতেই ১৯৯৭ ৰ সেই সময়চোৱাত প্ৰযুক্তিবিদ্যাৰ প্ৰসাৰ আজিৰ দৰে নাছিল। খবৰবোৰ হাততে ঢুকি পোৱা দূৰত্বত নাছিল। আৰু মহাবিদ্যালয়ৰ পৰা মোলৈ সেই বাৰ্তাৰ বাহক হৈ গৈছিল অজিত মল্লিক। কি এক কষ্ট আৰু দিন-ৰাতি একাকাৰ হোৱা প্ৰচেষ্টাৰ আশীৰ্বাদ হৈ আহিছিল সেই খবৰটো সেয়া এক বেলেগ অধ্যায়। মোৰ বাবে খবৰটো বহু সংঘাতময় সময়ৰ অন্তৰ এক আশ্বাস যেন আছিল। যি কি নহওঁক নেদেখাজনৰ অলেখ কৃপা আৰু সুহৃদ বহু ব্যক্তিৰ সদয় সহযোগিতাৰ ফলত একেটা বছৰৰে নৱেম্বৰ মাহৰ পোন্ধৰ তাৰিখে মই গোৱালপাৰা মহাবিদ্যালয়ত নিযুক্ত হলো। সেই সময়ত মহাবিদ্যালয়খনৰ অধ্যক্ষ আছিল শ্ৰদ্ধাৰ সুৰেণ শৰ্মা ছাৰ। মহাবিদ্যালয়ত ভৰি দিয়াৰ সেই দিনটোতে মই নিজকে নিজে কথা দিছিলো যে গৱেষণাক মোৰ উত্তৰণৰ আধাৰ কৰি গঢ়িম। সেই সময়ত মোৰ ঘৰৰ আৰ্থিক অৱস্থাও খুবেই দুখ লগা আছিল। মোৰ আজিও স্পষ্টকৈ মনত আছে মোৰ প্ৰথম দৰমহাৰ সম্পূৰ্ণ অংশ যি আছিল ৬০২২ টকা, মই যেতিয়া মাৰ হাতত দিছিলো তেওঁ চকুলো ৰখাব পৰা নাছিল। দায়িত্বশীল পুত্ৰ হোৱাৰ অনুভূতি কি সেয়া মই সেই দিনাখন অনুভৱ কৰিছিলোঁ। সময় যোৱাৰ লগে লগে মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰী সকলৰ সৈতেও মোৰ খুব ভাল সম্পৰ্ক এটা গঢ় লৈ উঠিছিল। তেনেদৰে তিনিমাহ মান অতিক্ৰম হোৱাৰ পিছত মই DBT ত "Beel Fisheries" ৰ ওপৰত এটা লঘু প্ৰকল্পৰ (minor project) বাবে আৱেদন কৰিলো। সেই সময়ত মহাবিদ্যালয়খনত গৱেষণাৰ পৰিবেশ উল্লেখনীয় ভাৱে গঢ় লৈ উঠা নাছিল। একেখিনি সময়তে মই বিজ্ঞান সমিতিৰ সহঃ সম্পাদক হিচাপেও কাম কৰি আছিলো। বিজ্ঞান আৰু প্ৰযুক্তিক ছাত্ৰ-ছাত্ৰীৰ নিকট কৰাৰ প্ৰচেষ্টা মোৰ আৰম্ভণিৰে পৰাই আছিল। আৰু সেই উদ্দেশ্যেৰে মহাবিদ্যালয়ৰে কেন্টিনত কেইজন মান সুহৃদ সহকৰ্মীৰ সৈতে লগ হৈ কম্পিউটাৰ শিক্ষাৰ কেন্দ্ৰ এটাও আৰম্ভ কৰিছিলোঁ। বহুবোৰ কাৰণত সেই প্ৰচেষ্টা ভবা ধৰণে সফল নহ'ল। আনহাতে DBT ত আৱেদন কৰি থোৱা প্ৰকল্পটোৰো কোনো খবৰ পোৱা নাছিলো। এনে কিছু নিৰাশাৰ মাজতে এদিন হঠাৎ বিশ্ববিদ্যালয়লৈ যাওঁতে শ্ৰদ্ধাৰ অমলেশ দত্ত ছাৰৰ পৰা NEHU ৰ অধ্যাপক শ্ৰদ্ধাৰ দি পি শৰ্মা ছাৰে মোৰ বিচাৰ খোচাৰ কৰি আছে বুলি গম পালো। ছাৰে মোক জনালে যে মই আৱেদন কৰা প্ৰকল্পটোৰ বাজেট ৪০০০০ পৰা ৫০০০০ লৈ বৃদ্ধি কৰাটো তেওঁলোকে বিচাৰিছে। অলপ খৰধৰ কৰিলো যদিও ইতিমধ্যে প্ৰকল্পটো মঞ্জুৰ হৈ আহিলেই। যোগাযোগৰ মাধ্যম আজিৰ দৰে উন্নত হ'লে হয়তো খবৰটো আগতেই পালোহেতেন। যিয়েই নহওঁক সেয়া যেন এক আৰম্ভণিহে আছিল। গোৱালপাৰা মহাবিদ্যালয়ে ১৯৯৮ চনৰ পৰা ২০০৪ চনলৈ প্ৰায় ৬০ টা লঘু প্ৰকল্পৰ মঞ্জুৰি পাইছিল। গৱেষণাৰ প্ৰতি থকা আগ্ৰহটোৰ বাবেই ২০০৩ চনত "Fishing Science" নামৰ জাৰ্নেলখনলৈ "Garua" মাছৰ বিষয়ক এখন পেপাৰ পঠাইছিলো। সেই মাছটো ধৰা আকৰ্ষণীয় পদ্ধতিটো অধ্যয়ন কৰিবলৈ ধুবুৰীলৈ গৈ বহু ৰাতি মই মাছমৰীয়া বোৰৰ সাৰথিও হৈছিলো। হঠাৎ এদিন মহাবিদ্যালয়ৰ অধ্যক্ষৰ ফোনত জাৰ্নেলখনৰ পৰা মাছ মৰা পদ্ধতিটোৰ বিস্তাৰিত ভিডিঅ' বিচাৰি মোক যোগাযোগ কৰিলে। সেইসময়ত থাউকতে ভিডিঅ' কৰিব পৰাকৈ আজিৰ দৰে হাতে হাতে ম'বাইল ফোনবোৰ নাছিল। বহু কষ্ট কৰি পেচাগত মানুহ বিচাৰি ভিডিঅ' বনালো আৰু চিঠিখন তেওঁলোকলৈ পঠাই দিলো। আৰু মোক আচৰিত কৰি ২০০৪ চনৰ ডিচেম্বৰ মাহত তেওঁলোকে মোক Presentation ৰ বাবে হায়দৰাবাদলৈ মাতি পঠিয়ালে। সেই ঘটনাটোক মোৰ জীৱনৰ এটা টাৰ্নিং পইন্ট বুলিয়েই কব পাৰি।

২০০৩ চনৰ সেই সময়খিনিতে মহাবিদ্যালয়ত NAAC ৰ নিৰীক্ষণৰ প্ৰস্তুতিৰ কুচ্ কাৱাজো আৰম্ভ হৈছিল। মই মহাবিদ্যালয়ৰ কমিটিৰ সদস্য আছিলো। তাতে আকৌ তৰুণ অধ্যাপকসকলৰ

দায়িত্বও বেছি আছিল। এতিয়াও মনত আছে কিদৰে মই, সিদ্ধিনাথ শৰ্মা, মণ্টু দাস আৰু যশোবন্ত ৰায়ে সন্ধিয়া সাত বজাৰ পৰা ৰাতি বাৰ-এক বজালৈ একেৰাহে কাম কৰিছিলো। NAAC ৰ কাম কৰিবলৈ মহাবিদ্যালয়ৰ পৰা আমাক দুটা কম্পিউটাৰো দিছিল। কামত অতি নিষ্ঠাৰে জড়িত সোমেশ্বৰ ৰাও, ধৰ্মেন্দ্ৰ নাথ আৰু বহুতৰ কথা উল্লেখ নকৰিলে ভুল হ'ব। তেনেদৰে জিৰাবলৈ পাহৰা অশেষ শ্ৰমৰ অন্তত ২০০৩ চনৰ জানুৱাৰী মাহত আমি বিবৃতি জমা দিছিলোঁ। আৰু ২০০৪ চনত NAAC ৰ প্ৰথম নিৰীক্ষণ হৈছিল য'ত মহাবিদ্যালয়ে "B Grade" লাভ কৰিছিল। সেয়া নিঃসন্দেহে মহাবিদ্যালয়খনৰ বাবে এক বৃহৎ সাফল্য আছিল।

২০০৭ চনত মই UGC ৰ পৰা পাভ মাছৰ কৃত্ৰিম প্ৰজনন বিষয়ক প্ৰথমটো গুৰু প্ৰকল্পৰ বাবে পুঁজি লাভ কৰিলো। কিছু কঠিনতাৰ পিছত কাম আৰম্ভ হ'ল। পাভ মাছৰ কৃত্ৰিম প্ৰজননৰ কথাটোৱে থলুৱা মানুহখিনিক ইমানেই আকৰ্ষিত কৰিলে যে পিছলৈ পুৱাৰ পৰা গধুলিলৈ মহাবিদ্যালয়ত মানুহৰ লানি নিচিগা হ'ল। মহাবিদ্যালয়ৰ মোৰ কৰ্মজীৱনৰ বহু মধুৰ অভিজ্ঞতাৰ এইটোও অন্যতম। একেখিনি সময়তে অৰ্থাৎ ২০০৭ চনতে গোৱালপাৰা মহাবিদ্যালয়ে সফলতাৰে DST ৰ "Fund for Improvement of S&T Infrastructure (FIST)" যোজনাৰ অধীনত প্ৰায় ৫০ লাখ টকাৰ এটা উন্নয়ন পুঞ্জী লাভ কৰিবলৈকো সক্ষম হৈছিল। আৰু এটি উল্লেখনীয় অভিজ্ঞতা হৈছিল ২০০৮ চনত। ২০০৭ চনৰে কোনোবা এটা দিনত 'টেলিগ্ৰাফ'ত DBT Star College Scheme" ৰ পৰিকল্পনা আহ্বান কৰা বিজ্ঞাপন এটা দেখিলো। লগে লগে অধ্যক্ষ মহোদয়ৰ লগত আলোচনা কৰিলো। বিজ্ঞাপনত বিচৰা মতে যদিও বিজ্ঞানৰ প্ৰতিটো বিভাগত তিনিজনকৈ পি এইচ্ ডি ডিগ্ৰীধাৰী অধ্যাপক থকাটো বাঞ্চনীয় আছিল তথাপি আমি আৱেদন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিলো। দিন ৰাতি এক কৰি দুদিনৰ ভিতৰত প্ৰস্তাৱ সাজু কৰি প্ৰেৰণ কৰা হ'ল। আমাক সকলোকে আচৰিত কৰি ২০০৮ চনৰ ফেব্ৰুৱাৰী মাহত Presentation ৰ বাবে গোৱালপাৰা মহাবিদ্যালয়ক দিল্লীলৈ নিমন্ত্ৰণ কৰিলে। সেইটো বছৰত ভাৰতবৰ্ষৰ ভিন্ন প্ৰান্তৰ পৰা আৱেদন কৰা ১২৮ খন মহাবিদ্যালয়ৰ ভিতৰত ৫০ খন মহাবিদ্যালয়হে নিৰ্বাচন কৰা হৈছিল, য'ত উত্তৰ-পূৱ প্ৰান্তৰ আছিল মাথো তিনিখন। শ্বিলংৰ এন্থনী, গুৱাহাটীৰ কটন আৰু গোৱালপাৰা মহাবিদ্যালয়। নিৰ্বাচনৰ এনে সূচীখনত এনে গৰিমামণ্ডিত অনুষ্ঠানৰ সৈতে অন্তৰ্ভূক্ত হোৱাটোতেই এক সফলতা আছিল। Presentation ৰ বাবে সেইসময়ৰ অধ্যক্ষ মহোদয়ৰ সৈতে মই দিল্লীলৈ ৰাওনা হৈছিলো। পাহাৰগঞ্জৰ এখন সৰু হোটেলত আমাৰ থকাৰ ব্যৱস্থা হৈছিল। কিন্তু তাত আমাক নতুন বিপদে পালে। দিল্লী পোৱাৰ পিছতেই জ্বৰ উঠি অধ্যক্ষ মহোদয় অসুস্থ হৈ পৰিল। উপায়বিহীন হৈ অটোএখন লৈ মই অকলেই Presentation দিবলৈ যাবলগা হ'ল। সেই দিনটো মই কেতিয়াও পাহৰিব নোৱাৰো। দিল্লীৰ ধাৰাসাৰ বৰষুণ আৰু DBT ৰ CGO ৰ কমপ্লেক্সৰ ২নং ব্লকৰ ৰুম নং ৮০৬। ১০ বজাত অনুষ্ঠান আৰম্ভ হৈ গৈছিল যদিও আমাৰ Presentation শেষৰ ফালে আছিল। ভাল লগা কথা যে বাৰ বজা মানত গা ভাল লগাত অধ্যক্ষ মহোদয়ো আহি তাত উপস্থিত হৈছিল। বিখ্যাত বিখ্যাত মহাবিদ্যালয় কিছুমানৰ Presentation ৰ সময়ত দুৰ্দশা দেখি তেওঁ কিছু চিন্তিতও হৈছিল। আনহাতে এন্থনী কলেজৰ দৰে কিছুমান প্ৰতিষ্ঠানে যথেষ্ট প্ৰশংসাও বুটলিছিল। মনত কিছু শংকাৰ ভাব লৈয়েই মই Presentation দিবলৈ উঠি গৈছিলো। প্ৰথমতে অনিশ্চয়তাত আছিলো যদিও শেষত বিচাৰক সকলৰ উচ্ছাহজনক প্ৰতিক্ৰিয়া দেখি যুদ্ধ জয় কৰা যেন অনুভৱ কৰিছিলো। সঁচাকৈয়ে আমাৰ প্ৰস্তাৱ গৃহীতও হৈছিল। সেইবাৰ অসমৰ পৰা গোৱালপাৰা মহাবিদ্যালয়েই একমাত্ৰ সেই সৌভাগ্যক জয় কৰিছিল। ২০১০ চনত দিল্লীৰ শ্ৰী গুৰু টেগ বাহাদুৰ খালচা কলেজত অগ্ৰগতিৰ প্ৰতিবেদন উপস্থাপন কৰাৰ সময়ত যেতিয়া উপদেষ্টা সুমন গোবিন্দে অসমৰ মানচিত্ৰখনৰ এটা কোণত গোৱালপাৰাক চিহ্নিত কৰিছিল সেই মূহুৰ্তটোত সাৰ্থকতাৰ গৌৰৱ কেনে হ'ব পাৰে সেয়া সঁচা অৰ্থত অনুভৱ কৰিছিলো।

২০১০ চনত মই DBT, DST, UGC এই সকলোতে প্ৰকল্পৰ প্ৰস্তাৱ জমা দিছিলোঁ। ২০১২ চনত একেলগে DBT ৰ ২ টা, UGC ৰ ১ টা গুৰু প্ৰকল্পৰ পুঁজিও লাভ কৰিলো। একেটা বছৰৰে মাৰ্চ মাহত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ সহযোগী অধ্যাপকৰ পদৰ বাবে আৱেদন কৰিলো। বিশ্ববিদ্যালয়ত চাকৰি কৰাৰ সপোন বা পৰিকল্পনা মোৰ কেতিয়াও নাছিল। হয়তো এয়া নেদেখাজনৰেই আশীৰ্বাদ নাইবা মোৰ পোন্ধৰ বছৰৰ নিৰলস কৰ্মৰ ফল, যে ২০১২ চনৰ ১৬ নৱেম্বৰত মই বিশ্ববিদ্যালয়ত নিযুক্তি লাভ কৰিলো আৰু ২১ নৱেম্বৰত দায়িত্বত অংশগ্ৰহণ কৰিলো।

আজিৰ মুহূৰ্তলৈ অধ্যাপনাৰ মোৰ যি পৰিক্ৰমা তাৰ প্ৰাৰম্ভণি গোৱালপাৰা মহাবিদ্যালয়তেই। জীৱনৰ পোন্ধৰটা বছৰৰ বহু তিতা-মিঠা অভিজ্ঞতাৰ সাক্ষী মহাবিদ্যালয়খন। স্বাৱলম্বীতাৰ অনুভৱ, গৱেষণাৰ মেৰু, আৰু শিক্ষকতাৰ আনন্দ... সকলোবোৰ মোক এই অনুষ্ঠানখনেই প্ৰদান কৰিছে। শুভকামনা ৰখা বন্ধু, আশীৰ্বাদেৰে ধন্য কৰা জ্যেষ্ঠৰ সোঁৱৰণিৰে মোক চহকী কৰিছে। সেইবাবেই গোৱালপাৰা মহাবিদ্যালয় মোৰ বাবে আৱেগ, সৰ্বপ্ৰথম আৰু অনন্য। ■



# গোৱালপাৰা কলেজ
# মোৰ জীৱন-চিন্তাৰ নতুন দুৱাৰ

**ড° অখিল ৰঞ্জন দত্ত**
মুৰব্বী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ,
গুৱাহাটী বিশ্ববিদ্যালয়

১৯৯৬ চনত দিল্লী বিশ্বাবিদ্যালয়ত স্নাতকোত্তৰ ডিগ্ৰী সমাপ্ত কৰি এম ফিল কোৰ্চত নামভৰ্ত্তি কৰিলো। প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক দেউতাৰ অৱসৰৰ সময় সমাগত। সেয়েহে এম ফিলৰ কোৰ্চৱৰ্ক শেষ কৰি গুৱাহাটীলৈ ঘূৰি আহিলো। সেই সময়ত কলেজ প্ৰবক্তা পদত নিযুক্তি বেলিকা বাছনি কমিটিৰ যথেষ্ট ক্ষমতা আছিল। মেধাতকৈও ৰাজনৈতিক হস্তক্ষেপৰ জোৰ আছিল বেছি। গতিকে গুৱাহাটীৰ দুখনমান কলেজত আবেদন কৰি আৰু ইণ্টাৰভিউ দি সুফল নাপালো। ১৯৯৭ চনৰ জুন কি জুলাই মাহত দুখন কলেজত ইণ্টাৰভিউ দিছিলো-দৰং কলেজ আৰু গোৱালপাৰা কলেজত। দৰং কলেজ মোৰ প্ৰথম পছন্দ আছিল-কাৰণ মই লক্ষীমপুৰীয়া আৰু দৰং কলেজৰ গৌৰৱগাঁথা শুনি আহিছো। গোৱালপাৰা কলেজত ইণ্টাৰভিউ দিবলৈ যোৱা উচিত হ'ব নে নহয় সেই লৈ মনত যথেষ্ট দ্বিধা-সংকোচ আছিল। সেয়েহে মই প্ৰসিদ্ধ সাংবাদিক তিলক হাজৰিকাৰ ওচৰলৈ গ'লো পৰামৰ্শ বিছাৰি। তেখেতক মই বৰদেউতা বুলি মাতিছিলো। বৰদেউতাই মোক গোৱালপাৰা কলেজৰ কৃত্বিত্বৰ বিষয়ে ক'লে- ড° মহেন্দ্ৰ বৰা আৰু ড° বীৰেন্দ্ৰনাথ দত্তৰ বিষয়েও ক'লে। তেতিয়ালৈকে মই পশ্চিম অসমৰ ছয়গাওঁৰ সীমালৈকেহে গৈছো। মনত বহু দ্বিধা-সংকোচ লৈ মই গোৱালপাৰা কলেজত ইণ্টাৰভিউ দিবলৈ গ'লো। পুৱাতেই মাছখোৱাৰ পৰা যাত্ৰা আৰম্ভ কৰিলো। নতুন ঠাইলৈ গৈছো- সেইকাৰণে বাছৰ চালকৰ লগতে থকা দীঘলীয়া ছিটটোতে বহিলো। গোৱালপাৰাৰ কাকো চিনি নাপাওঁ। মোৰ বাবে চিন্তাৰ কথাটো আছিল ইণ্টাৰভিউ দি যেনে তেনে ঘূৰি আহিব লাগিব। মই যোৱা বাছৰ ড্ৰাইভাৰৰ পৰা কিমান সময়লৈকে ঘূৰি অহা বাছ পাম তাৰ খবৰো লৈ ল'লো। যথা সময়ত কলেজ পালোগৈ। সেইদিনা ৰাজনীতি বিজ্ঞানৰ দুটা পদৰ বাবে ইণ্টাৰভিউ হৈছিল-তাৰে এটা লিয়েন পষ্ট। মোক তিনি নে চাৰিজনৰ পিছত ইণ্টাৰভিউৰ বাবে মাতিলে। অধ্যক্ষৰ কোঠাত ইণ্টাৰভিউ। কাকো চিনি নাপাওঁ। ইণ্টাৰভিউ আৰম্ভ হ'ল। মোৰ পছন্দৰ বিষয়ৰ কথা সুধিলে। প্ৰায় পঞ্চলিছ মিনিট ধৰি প্ৰশ্নৰ উপৰি প্ৰশ্ন। মোক যি গৰাকীয়ে আটাইতকৈ বেছিকৈ প্ৰশ্ন সুধিছিল তেখেত আছিল গোৱালপাৰা কলেজৰ ৰাজনীতি বিজ্ঞানৰ অৱসৰপ্ৰাপ্ত শিক্ষক তথা কলেজৰ প্ৰাক্তন অধ্যক্ষ বীৰেণ চৌধুৰী ছাৰ। অৱশ্যে তেখেতক তেতিয়ালৈকে মই চিনি নাপাওঁ। পিছতহে তেখেতৰ বিষয়ে জানিব পাৰিলোঁ। সেই ইণ্টাৰভিউ আছিল মই এতিয়ালৈকে দিয়া ইণ্টাৰভিউ সমূহৰ ভিতৰত অন্যতম ভাললগা ইণ্টাৰভিউ। ইমানবোৰ প্ৰশ্ন আৰু উত্তৰ দিয়াৰ ইমান সুযোগ। সেই ইণ্টাৰভিউৰ আটাইতকৈ ভাল লগা কথাটো আছিল মোৰ যিবোৰ বিষয়ত দখল আছিল সেইবোৰ বিষয়ৰ ওপৰতহে প্ৰশ্ন সুধিছিল। মই কিমান কি নাজানো তাৰ পৰীক্ষা লোৱা হোৱা নাছিল। এই বিশেষ ইণ্টাৰভিউটোৰ পৰা মই জীৱনৰ বাবে এটা ডাঙৰ শিক্ষা পালোঁ। বিশ্ববিদ্যালয়ৰ অধ্যাপক হিচাবে এতিয়া অজস্ৰজনৰ ইণ্টাৰভিউ ল'ব লাগে-চাকৰিৰ প্ৰাৰ্থী অথবা গৱেষণা ডিগ্ৰীৰ প্ৰাৰ্থীৰ। মই তেওঁলোকক প্ৰশ্ন সোধোতেও তেওঁলোকে যিবোৰ কথা জানে সেইবোৰ কিমান গভীৰলৈকে জানে তাৰ ওপৰতহে প্ৰশ্ন সোধো। প্ৰাৰ্থী গৰাকীয়ে যাতে কোনো ধৰণৰ হীনমন্যতাত ভুগিবলগীয়া নহয় সেই কথাৰ প্ৰতি সতৰ্ক হৈ ৰওঁ। কৰ্ম জীৱনৰ আটাইতকৈ উচ্চ পদ, অৰ্থাৎ বিশ্ববিদ্যালয়ৰ অধ্যাপকৰ পদৰ বাবে দিয়া ইণ্টাৰভিউটোহে গোৱালপাৰা কলেজত দিয়া ইণ্টাৰভিউটোৰ দৰেই অতি উচ্চমানৰ আছিল। সেই বিশেষ ইণ্টাৰভিউটোতে মই প্ৰাণ উজাৰি নিজৰ গৱেষণা আৰু বিষয়ৰ ওপৰত প্ৰাণ উজাৰি কথা কোৱাৰ সুযোগ পাইছিলোঁ। ইতিমধ্যে দৰং কলেজতো ইণ্টাৰভিউ হ'ল। ১৯৯৭ চনৰ আগষ্ট মাহত দৰং কলেজৰ পৰা মোক খবৰ দিলে যে বাছনি কমিটিয়ে মোকেই নিৰ্বাচন কৰিছে। মোক এই কথাও জনালে যে যিহেতু উচ্চ শিক্ষা সঞ্চালকালয়ৰ পৰা আনুষ্ঠানিক নিযুক্তি পত্ৰ পাওঁতে দেৰি হ'ব গতিকে মই নিয়মমাফিক বেতনত আগতীয়াকৈ কলেজত যোগদান

কৰি পাঠদান কৰিব লাগে। মই অত্যন্ত উৎফুল্লিত হৈ দৰং কলেজত পাঠদান আৰম্ভ কৰিলোঁগৈ। ভাৰা ঘৰো ল'লো আৰু বিছনা পত্ৰও কিনিলোঁ। ইতিমধ্যে কলেজ পৰিচালনা কমিটিয়ে মোৰ বাছনিত অনুমোদন জনাই আনুষ্ঠানিক নিযুক্তিৰ বাবে উচ্চ শিক্ষা সঞ্চালকালয়লৈ যাৱতীয় ফাইল প্ৰেৰণ কৰিলে। হঠাৎ মোৰ বাছনি সম্পৰ্কে প্ৰশ্ন উঠিল এটা তুলনামূলকভাৱে অপ্ৰাসংগিক প্ৰশ্নক লৈ। মই আশাহত হ'লোঁ। তেনে সময়তে এদিন মই গোৱালপাৰা কলেজৰ অধ্যক্ষলৈ ফোন কৰিলোঁ। কলেজৰ অধ্যক্ষ ড° সুৰেন্দ্ৰ নাথ শৰ্মাইও আমাৰ ইণ্টাৰভিউৰ আগে আগেহে গোৱালপাৰা কলেজত যোগদান কৰিছে। তেখেতে অতি আগ্ৰহেৰে ক'লে যে গোৱালপাৰা কলেজে ইতিমধ্যে মোক বাছনি কৰিছে আৰু নিযুক্তিৰ যাৱতীয় কাগজপত্ৰ উচ্চ শিক্ষা সঞ্চালকালয়লৈ প্ৰেৰণ কৰিছে। এই খবৰ পোৱাৰ পিছত মই এদিন উচ্চ শিক্ষা সঞ্চালকালয়ত খবৰ কৰিবলৈ গ'লো। সেই দিনটোৰ স্মৃতিও ৰোমাঞ্চকৰ। তেতিয়া সঞ্চালকৰ কাৰ্যালয় ঠিক এখন বজাৰৰ দৰেই। সুধীৰ শৰ্মা আছিল নিযুক্তি শাখাৰ অধীক্ষক। সঞ্চালক আছিল দিলীপ চৌধুৰী। তেখেতসকলৰ বিষয়ে মানুহৰ মুখে মুখে অজস্ৰ গুজৱ। সুধীৰ শৰ্মা ঘনে ঘনে প্ৰাৰ্থী সকলৰ লগত কেণ্টিনলৈ যায়। দিলীপ চৌধুৰীয়ে প্ৰাৰ্থীসকলক তেখেতৰ হাউচিং বোৰ্ডৰ কলনীৰ আৱাসলৈ মাতে। যিনহওঁক, মই সঞ্চালকৰ কাৰ্যালয়লৈ গৈ নিৰ্দিষ্ট ফাইলটো উদ্ধাৰ কৰিলো সুধীৰ শৰ্মাৰ টেবুলত। তেখেতৰ স'তে দুআষাৰমান কথাও পাতিলে। প্ৰায় সকল প্ৰাৰ্থীয়েই তেওঁৰ টেবুলৰ সমুখত ভিৰ কৰে। সুযোগ বুজি মই বিশেষ ফাইলটো ওপৰলৈ তুলি থৈ আহোঁ। অলপ পিছত দেখো ফাইল গাইপ। আকৌ বিচাৰি ওপৰলৈ তুলি থৈ আহো, ঘূৰি গৈ দেখো ফাইল পাতালত। দিনটো এনেকৈয়ে চলি থাকিল। সন্ধিয়া সময়ত তাতে থকা আন এগৰাকী প্ৰাৰ্থীয়ে মোক সুধিলে 'আপুনি অখিল ৰঞ্জন দত্ত নেকি?' মই হয় বুলি কোৱাৰ পিছত ক'লে যে তেওঁৰো গোৱালপাৰা কলেজৰ নিযুক্তিৰ বাছনিত উঠিছে আৰু তেওঁৰ ফাইলটোও মোৰ লগত একেলগে আহিছে। তেওঁৰ নাম ড° দণ্ডধৰ শৰ্মা। তাৰ পিছত তেখেতে ক'লে যে কোনোবাই আমাৰ ফাইলটোক লৈ কিবা খেলি মেলি কৰি আছে। তেখেতে বাৰে বাৰে নেহেৰাওক বুলি ফাইলটো তলত থৈ আহে, আৰু পিছ মুহূৰ্ততে দেখে ফাইল আহি ওপৰত। মই ধৰা পৰি গ'লো। অৰ্থাৎ এটা দিন আমি সেই বিশেষ ফাইলটোক লৈ লুকাভাকু খেলিলো। দুটা সম্পূৰ্ণ বিপৰীত অভিজ্ঞতা। কলেজৰ ইণ্টাৰভিউৰ সেই মাদকতা আৰু উচ্চ শিক্ষা সঞ্চালকালয়ৰ এই তিক্ততা। তাৰ পিছতেই সংৰক্ষিত পদ সম্পৰ্কে প্ৰশ্ন উঠিল। মই নিযুক্তিৰ আশা এৰি উচ্চ শিক্ষা সঞ্চালকালয়লৈ যোৱা বাদ দিলো। ড° দণ্ডধৰ শৰ্মাই পুনৰ কলেজৰ পৰা এই সম্পৰ্কীয় স্পষ্টীকৰণ আনি কাৰ্যালয়ত জমা দিলেহি আৰু আমি নিযুক্তি পত্ৰ লাভ কৰিলোঁ। কমকৈ হ'লেও কিছু খৰচ হ'ল। ১৯৯৭ চনৰ ১৫ নৱেম্বৰ তাৰিখে মই গৈ গোৱালপাৰা কলেজত যোগদান কৰিলোগৈ। মোৰ লগতেই ড° দণ্ডধৰ শৰ্মাইও সেইদিনাই যোগদান কৰিলে প্ৰাণী বিজ্ঞান বিভাগত। তেখেত এতিয়া গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ অধ্যাপক। আমাতকৈ কেইদিনমানৰ আগেয়েই ৰাজনীতি বিজ্ঞান বিভাগৰ লিয়েন পদত দিলীপ নাথেও যোগদান কৰিলে। আমি যোগদান কৰিয়েই বিভাগৰ দুজন জ্যেষ্ঠ শিক্ষকক পালো-অতীন্দ্ৰ কুমাৰ চৌধুৰী আৰু ৰফিক জামান। অতীন্দ্ৰ কুমাৰ চৌধুৰী ছাৰ আছিল অতি তীক্ষ্ণধী। কথা কমকৈ কয়। মনে মনে শিক্ষকৰ জিৰণী কোঠাত বহি থাকে দুষাৰ-এষাৰ মাত্ৰ কথা কয়। কিন্তু অতি স্পষ্টবাদী। বোধ হয় কিবা কথাত বিৰোধ হোৱাৰ বাবে তেখেতে গোৱালপাৰা কলেজ শিক্ষক সংস্থাৰ পদো ত্যাগ কৰিছিল। তেখেতে প্ৰতিটো ক্লাছ অতি নিয়মীয়াকৈ কৰিছিল। তেখেতৰ মুখত আছিল পাণ্ডিত্যৰ এক মোহনীয় শোভা। ৰফিক জামান ছাৰ আছিল সকলোৰে লগত মিলি কলেজৰ বিকাশৰ বাবে প্ৰাণ উজাৰি কাম কৰা শিক্ষক। বিশেষকৈ কলেজৰ আটাইবোৰ ক্লাছৰ দৈনিক ৰুটিন তৈয়াৰ কৰাৰ গধুৰ আৰু প্ৰত্যাহ্বানমূলক দায়িত্ব তেওঁ গ্ৰহণ কৰিছিল। জামান ছাৰৰ ঘৰখন আমাৰ বাবে বৰ আপোন আছিল। বাইদেউ আছিল ধুনীয়া, মৰমীয়াল আৰু খাদ্যৰসিক। হাঁহিমুখীয়া এই বিদূষী মহিলাগৰাকীৰ অকাল বিয়োগৰ বাতৰি পাই সঁচাকৈয়ে বৰ দুখ পালোঁ। তেওঁলোকৰ ঘৰখনৰ আৰ্হি আৰু আচবাব আছিল চাবলগীয়া। চৰাঘৰৰ লগতে এটা টয়লেট আছিল কাঠেৰে নিৰ্মিত। সেই কাঠ জামান ছাৰৰ ককায়েক নে দেউতাকে আনিছিল তেতিয়াৰ বাৰ্মাদেশৰ পৰা। দিলীপ নাথ নিৰ্জু মানুহ। বিভাগত মই লগ পোৱা সহকৰ্মী সকলৰ ভিতৰত তেওঁ এতিয়াও মহাবিদ্যালয়ত কৰ্মৰত।

গোৱালপাৰা চহৰ আৰু কলেজে মোৰ জীৱন চিন্তাৰ নতুন দুৱাৰ খুলি দিলে। পশ্চিম অসমৰ জনজীৱন আৰু সংস্কৃতিৰ স'তে মোৰ বিশেষ পৰিচিতি নাছিল। তেতিয়ালৈকে মই চৰ অঞ্চলো দেখা পোৱা নাছিলোঁ। লক্ষীমপুৰৰ ঢকুৱাখানাৰ পৰা গুৱাহাটীৰ কটন কলেজ হৈ দিল্লী বিশ্ববিদ্যালয় পালোগৈ। গুৱাহাটী অথবা দিল্লীৰ সমাজ-সংস্কৃতি অচিনাকি হোৱা কথাটোত কোনো নতুনত্ব নাই। কাৰণ সেইটো অধিকাংশলোকৰ বাবেই সঁচা। কিন্তু পশ্চিম অসমৰ নিজা এক সাংস্কৃতিক বৈশিষ্ট, জীৱনশৈলী আৰু লোকজীৱন আছে। চাকৰিৰ তাড়নাতহে যিহেতু গোৱালপাৰালৈ গৈছিলো আৰু দৰং কলেজলৈ ঘূৰি যোৱাৰ এটা বাসনাও মনতে সাঁচি ৰাখিছিলো গতিকে বেচ কিছু দিনলৈ মনৰ কিছু অস্থিৰতা আছিল। কিন্তু লাহে লাহে চহৰখনৰ স'তে কলেজৰ বৌদ্ধিক পৰিৱেশটোৰ স'তে গোৱালপাৰাৰ সমাজখনৰ স'তে পৰিচিত হ'বলৈ ধৰিলোঁ। এই চহৰখনৰ নিজা বৈশিষ্ট আছে। ভাষা, ধৰ্ম, জনগাঁথনি, সংস্কৃতি আৰু অৰ্থনীতি সকলোতে তাৰ প্ৰতিফলন। ইমান মিশ্ৰিত জনগাঁথনি অসমৰ বহু কম চহৰতহে আছে। হিন্দু-মুছলমান উভয়ৰে সম্প্ৰীতিৰ চহৰ গোৱালপাৰা। চৰ অঞ্চলৰ পৰা

দিনে কাম কৰিবলৈ অহা মহিলা সকলো চহৰখনৰ আঢ্যৱন্ত পৰিয়ালৰ অংশীদাৰ। বাঙালী, গোৱালপৰীয়া আৰু অসমীয়া- তিনিওটা ভাষাৰ স'তেই স্থানীয় মানুহ পৰিচিত। এক সংমিশ্রিত ভাষাও নির্মাণ হৈ উঠিছে চহৰখনত। ইয়াৰ অর্থনীতিৰ চৰিত্ৰও কিছু বেলেগ। শাক পাচলি আহে চৰ অঞ্চলৰ পৰা। তেওঁলোকে চহৰৰ শ্রমৰো যোগান ধৰে। এই মানুহখিনিৰ গোৱালপাৰাৰ সামগ্রিক অর্থনীতিলৈ প্রচুৰ অৱদান আছে। চৰকাৰী চাকৰি বাকৰিৰ সুবিধা কম বাবে সৰু-সুৰা ব্যৱসায়ো কৰে স্থানীয় লোকে। বৰ বজাৰৰ চৰিত্ৰও সংমিশ্রিত। চহৰখনৰ মিশ্রিত জনগাঁথনিৰ চৰিত্র সেই বজাৰখনত দেখিবলৈ পোৱা যায়। কয়লাৰ ব্যৱসায়ো চলিছিল। কলেজৰ দৰে উচ্চ শিক্ষানুষ্ঠানত চহৰৰ বাহিৰৰ পৰা অহা শিক্ষকৰ প্রাধান্য। তাক লৈ কিছু বিতুষ্টি যে স্থানীয় মানুহৰ মাজত আছে বা থাকিব পাৰে সেই কথা অস্বীকাৰ কৰিব নোৱাৰি। তাৰ দুই এক অভিজ্ঞতাৰ সন্মূখীন মইও হৈছিলো। কিন্তু অসমৰ অন্য বহু উচ্চ শিক্ষা প্রতিষ্ঠানত স্থানীয় আধিপত্যৰ নামত থকা অসহনীলতা গোৱালপাৰাত নাই। মোৰ নিযুক্তিৰ প্ৰশ্নৰ বেলিকা মই গোৱালপাৰা কলেজ আৰু দৰং কলেজত লাভ কৰা অভিজ্ঞতাৰ পৰাই এই কথা ক'ব পাৰো।

চহৰখনলৈ সোমাই যাওঁতে মনটো সেমেকি যায়। কাৰণ ইয়াক পৰিকল্পিতভাৱে গঢ়ি তোলা হোৱা নাই। কিন্তু যেতিয়াৰ পৰাই মই চহৰীকৰণ আৰু চহৰৰ অর্থনীতি সম্পর্কে অধ্যয়ন কৰা আৰম্ভ কৰিছো তেতিয়াৰ পৰা এই কথাও উপলব্ধি কৰিছো যে চহৰখনৰ বাহ্যিক চেহেৰাতকৈও গুৰুত্বপূর্ণ কথাটো হ'ল চহৰখনত সাধাৰণ মানুহৰ জীৱন-জীৱিকাৰ সুযোগ আছে নে নাই। সেই ফালৰ পৰা চাবলৈ গ'লে গোৱালপাৰা চহৰৰ এই আপেক্ষিকভাৱে লেতেৰা যেন লগা বাহ্যিকৰূপটোৰ আঁৰত সাধাৰণ মানুহৰ জীৱন-জীৱিকাৰ প্ৰশ্নবোৰো জড়িত হৈ আছে। কিন্তু সমুখটো পাৰ হোৱাৰ পিছতেই চহৰখনৰ নৈসর্গিক সৌন্দর্যৰ কি যে অপূৰ্ব ৰূপ। আমি কেইবাজনো সতীর্থ প্রায়েই আবেলি ব্ৰহ্মপুত্ৰৰ পাৰত থকা চাৰ্কিট হাউচৰ ফালে নদীৰ পাৰে পাৰে খোজ কাঢ়িবলৈ গৈ পি আৰ গৱৰ্ণমেণ্ট স্কুলৰ সমূখেৰে পাৰ হৈ আহিছিলো। আনহাতে Sub-urban বাছেৰে পঞ্চৰত্নলৈ যোৱা সেই ছোৱা পথো কম মনোমোহা নে? উজনি অসমৰ নির্দিষ্ট জনগাঁথনিৰ মাজত ডাঙৰ হোৱা বাবে মই গোৱালপাৰা চহৰতেই প্রথম ঈদৰ আমেজ পাইছিলো। ২০০১ চনৰ ২৮ ফেব্রুৱাৰী তাৰিখে মই গোৱালপাৰা কলেজত শিক্ষকতা শেষ কৰি ১ মার্চ তাৰিখে গুৱাহাটী বিশ্ববিদ্যালয়ত যোগদান কৰিলোহি। তেতিয়ালৈকে পঞ্চৰত্ন দলং সম্পূৰ্ণ হোৱা নাছিল। সেয়েহে পঞ্চৰত্ন ঘাটেৰে জাহাজত উঠি উত্তৰ পাৰলৈ গৈছিলো কেইবাৰমান। তাৰ নৈসর্গিক শোভা এতিয়াও মনৰ মাজত সজীৱ হৈ আছে। চমুকৈ ক'বলৈ গ'লে গোৱালপাৰা চহৰখনে মোক অসমৰ সমাজ জীৱনৰ বহল আৰ্হিটোৰ স'তে পৰিচয় কৰাই দিলে।

কলেজৰ বিষয়ে বা সতীর্থ শিক্ষকসকলৰ বিষয়ে ক'বলৈ গ'লে বৈষম্যৰ দোষত পৰিব পাৰো। সেই কাৰণে সেই বিষয়ে বহলাই নকওঁ। সেই সময়ত কাৰ কিমান স্নেহ লাভ কৰিছিলো তেতিয়া বুজিবই পৰা নাছিলো। স্বাভাৱিকভাৱেই ডেকা বয়সৰ বা আমাৰ সম বয়সৰ শিক্ষক-শিক্ষয়িত্রী সকলৰ স'তে আছিল অধিক সহৃদয়তা। কিন্তু সমান্তৰালভাৱেই জ্যেষ্ঠ শিক্ষক বুৰঞ্জী বিভাগৰ ৰমা বৰুৱা ছাৰ আৰু ভূগোল বিভাগৰ আবেদুৰ ৰহমান শইকীয়া আৰু তেখেতলোকৰ পৰিয়ালৰ নিচিনাকৈ অন্য বহু জ্যেষ্ঠ শিক্ষক বা তেখেতলোকৰ পৰিয়ালৰ স'তেও যথেষ্ট সান্নিধ্য গঢ়ি উঠিছিল। কলেজৰ বর্তমানৰ অধ্যক্ষ ড° সুভাষ বৰ্মন যিহেতু কটন কলেজত মোৰ সমসাময়িক আছিল গতিকে তেওঁৰ স'তে গোৱালপাৰা কলেজত কটোৱা গোটেই সময়ছোৱাত বিশেষ সান্নিধ্য আছিল। তাৰো অন্যতম কাৰণ এইয়ে আছিল যে গোৱালপাৰা কলেজত যোগদান কৰাৰ পিছত প্রায় এমাহ কাল তেওঁ আৰু কলেজৰ সেই সময়ৰ ভূগোল বিজ্ঞানৰ শিক্ষক আনন্দ দাসে মোক তেওঁলোকৰ আলহী কৰি ৰাখিছিল।

এই কলেজৰ আটাইতকৈ ভাল লগা কথাটো আছিল কলেজৰ শিক্ষক সন্থাৰ বৈঠক আৰু এই সন্থাই গ্ৰহণ কৰা বিভিন্ন গঠনমূলক কার্যসূচী। শিক্ষক সন্থাৰ উদ্যোগতেই কলেজৰ প্ৰাক্তন তথা প্রতিষ্ঠাকালৰ অধ্যক্ষ ড° মহেন্দ্র বৰা স্মাৰক বক্তৃতা অনুষ্ঠিত হৈছিল। তাৰে প্রথম বক্তৃতা প্রদান কৰিছিল অসমৰ প্ৰসিদ্ধ চিন্তাবিদ ড° হীৰেণ গোহাঁইয়ে। সেই বক্তৃতা প্রদান কৰিবৰ বাবে যোৱা ছাৰক অনা নিয়াৰ দায়িত্ব মোৰ ওপৰতেই অর্পিত হৈছিল। সেয়া বোধহয় ২০০০ চনৰ কথা। গুৱাহাটীৰ পৰা গোৱালপাৰালৈ ছাৰক লৈ যোৱা সেই বিশেষ দিনটো মোৰ বাবে এক সজীৱ স্মৃতি। সেই দিনা গোটেই দিনটো মুষলধাৰে বৰষুণ পৰিছিল। মই আৰু ছাৰে আমাক লৈ যোৱা মাৰুটি ভান এখনত বহি গোটেই পথছোৱা সমসাময়িক বৌদ্ধিক ধাৰাবোৰৰ ওপৰত কথা পাতিছিলোঁ। আচৰিতভাৱে ছাৰে মোক প্ৰশ্ন সুধিছিল বেছিকৈ, আৰু সেইকাৰণেই মইও কথা কৈছিলো বেছিকৈ। আমি যেতিয়া সন্ধিয়া পৰত গোৱালপাৰা চহৰৰ চাৰ্কিট হাউচ পাইছিলোগৈ তেতিয়াও বৰষুণ দিয়েই আছিল। সেই বৰষুণৰ মাজতো কলেজৰ কেইবাজনো শিক্ষক ৰৈ আছিল ছাৰক আদৰিবৰ বাবে। ছাৰৰ ভাষণ আছিল অতি উচ্চমানৰ আৰু অসমৰ প্ৰায়বোৰ বাতৰি কাকতেই গুৰুত্ব সহকাৰে সেই ভাষণৰ বাতৰি ওলাইছিল। মহেন্দ্র বৰা ছাৰৰ জীয়ৰীও গৈ সেই অনুষ্ঠানত উপস্থিত হৈছিল।

ইতিমধ্যে শিক্ষক সংস্থাৰ সভাবোৰৰ কথা কৈছো। এখন গুৰুত্বপূর্ণ সভাৰ কথা ক'ব খুজিছো। মই যোগদান কৰা কেইদিনমান মাত্র হৈছে। কলেজৰ সমুখৰ ফালৰ এটা কোঠাত ছাত্র সকলৰ নে কোনো ছাত্র সংগঠনৰ এটা কার্যালয় আছিল আৰু তাত যথেষ্ট হুলস্থুল হোৱাৰ বাবে পাঠদানত অসুবিধা হৈছিল। শিক্ষক সকলে অধ্যক্ষক কথাটো অৱগত কৰাৰ পিছতো অধ্যক্ষই কোনো ব্যৱস্থা

ল'ব পৰা নাছিল। এদিন অধ্যক্ষ আৰু শিক্ষকসকলৰ মাজত এখন সভা বহিছিল এই বিশেষ প্ৰশ্নটোক লৈ। অধ্যক্ষ মহোদয়ে বাৰে বাৰে তেখেতৰ অপাৰগতাৰ কথা ক'লে। মই হঠাৎ থিয় হৈ ক'লো- " ছাৰ কৰ্তৃপক্ষ হিচাপে আপুনি সেইটো কৰিবই লাগিব। আৰু আপুনি যদি সঁচাকৈয়ে কৰিব নোৱাৰে তেনেহলে এই কাম কৰিব পৰা লোকে অধ্যক্ষৰ দায়িত্ব লব লাগিব।" মোৰ এনে খাৰাংখাচ কথাত অধ্যক্ষ সুৰেন্দ্ৰ নাথ শৰ্মা ছাৰৰ লগতে প্ৰায় সকল শিক্ষক স্তম্ভিত হ'ল। কিন্তু এই কথাটোৰ বাবে অধ্যক্ষৰ স'তে সাময়িক যোগাযোগ ব্যাহত হোৱাৰ বাহিৰে অন্য কোনো বিৰূপ প্ৰভাৱ নপৰিল। পৰৱৰ্তী সময়ত মই গুৱাহাটী বিশ্ববিদ্যালয় শিক্ষক সন্থাৰ তিনিবাৰকৈ সাধাৰণ সম্পাদক আৰু এবাৰ সভাপতি পদৰ দায়িত্ব ল'লো। গোৱালপাৰা মহাবিদ্যালয়ৰ শিক্ষক সংস্থাৰ সভা সমূহত লাভ কৰা অভিজ্ঞতাই মোক মোৰ কাৰ্য সম্পাদনত যথেষ্ট সহায় কৰিছিল। শিক্ষক জিৰণি কোঠাটোতো যথেষ্ট সৰস আলোচনা হৈছিল। পৰ্যাপ্ত সুবিধা নাথাকিলেও প্ৰায় সকল শিক্ষকে সেই কোঠাটোত সময় কটাইছিল।

কলেজৰ সহকৰ্মী আৰু ছাত্ৰ / ছাত্ৰীসকলৰ বিষয়ে বহলাই কোৱাৰ অৱকাশ নাই। বৈষম্যৰ দোষে চোৱাৰ ভয়তে মই সহকৰ্মী সকলৰ বিষয়ে কোৱাৰ পৰা বিৰত থাকিলো। কেইজনমান সহকৰ্মী আৰু তেওঁলোকৰ পৰিয়ালৰ স'তে গঢ়ি উঠা সান্নিধ্য এতিয়াও আগৰ দৰেই জীপাল হৈ আছে। ২০১৯ চনত গোৱালপাৰা কলেজত এটা ভাষণ দিবলৈ গৈছিলো গান্ধীৰ বিষয়ে। সেইদিনা কলেজৰ পৰা অৱসৰ লোৱা কেইবাজনো শিক্ষক আহিছিল সেই অনুষ্ঠানলৈ। মোক ইমান স্নেহেৰে তেখেতসকলে আৱৰি ধৰিছিল যে মই স্তম্ভিত হৈ গৈছিলো। ছাত্ৰ/ছাত্ৰীসকলৰ লগত গঢ়ি উঠা সান্নিধ্যৰ সুবাস এতিয়াহে বেছিকৈ পাইছো। গোৱালপাৰাৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ত পঢ়িবলৈ অহা বহু ছাত্ৰ/ছাত্ৰীয়ে মোক প্ৰায়ে লগ ধৰিবলৈ আহে। অলপ দিনৰ আগতে আলোপটি ছাত্ৰসন্থাৰ সোণালী জয়ন্তীলৈ গৈছিলো। সেইদিনা মই যোৱাৰ খবৰ পায়েই প্ৰায় দুটা দশকৰ আগতে পঢ়ুৱা কেইবাজনো ছাত্ৰ আহিছিল সেই অনুষ্ঠানলৈ। মই পঢ়ুৱা ছাত্ৰসকলৰ এজন আছিল মনোজ ডেকা। মনোজ সাংঘাটিক তীক্ষ্ণধী ছাত্ৰ নাছিল। কিন্তু মনৰ উদ্যম আছিল যথেষ্ট বেছি। ৰাজনীতি বিজ্ঞানৰ ছাত্ৰ মনোজ ডেকা সম্প্ৰতি অসম তথা উত্তৰপূৰ ভাৰত চিকিৎসালয় পৰিচালনাৰ এজন আগশাৰীৰ বিষয়া। আয়ুৰসূন্দ্ৰা চিকিৎসালয়ৰ মূখ্য কাৰ্যবাহী বিষয়া হিচাবে কৰ্মৰত মনোজ ডেকাৰ দৰে ছাত্ৰক লগ পালেই গোৱালপাৰাৰ শিক্ষকতা কালৰ কথাৰে মনটো ভৰি পৰে।

গোৱালপাৰা কলেজত থাকোতে দুটা পৰিয়ালত মই ভাৰাতীয়া হিচাবে আছিলো। সেয়াও এক বিৰল অভিজ্ঞতা। কলেজত যোগদান কৰাৰ লগে লগে দৰ্মহা পোৱাৰ ব্যৱস্থা নাছিল। প্ৰথমে গৈয়েই আছিলোগৈ গুৱালতলীৰ হেমেন্দ্ৰ নাথ আৰু ৰাণী দেৱী নাথৰ পৰিয়ালত। অসম আৰ্হিৰ ধুনীয়া ঘৰ। মোক ভিতৰৰ ফালে কোঠাত থাকিবলৈ দিলে। লগত বিছনাখনো। তেতিয়ালৈকে মই জনা নাছিলো যে ১৯৯০ ৰ দশতক সাংবাদিকতাৰ ক্ষেত্ৰত বিশেষ কৃতিত্ব লাভ কৰা অথচ গুৱাহাটীৰ সাংবাদিকতা জগতৰ অশুভ পৰিবেশ-পৰিস্থিতিৰ বাবে অকালতে জীৱনৰ মোহ এৰি গুচি যোৱা পূৰবী শিবমৰ ঘৰ সেইখন। বহুদিনলৈকে পৰিয়ালটোৰ কৰুণ মুখৰ আঁৰৰ বেথা বুজা নাছিলো। সেই পৰিয়ালটোৱে মোক যে কিমান মৰম কৰিছিল। ঘৰৰ ভাৰা লোৱা দূৰৰে কথা, কেইবা মাহলৈকে তেখেতলোকেই মোক পইছা দিছিল চলিবৰ বাবে। তেখেতলোকৰ দুই সন্তান মুন আৰু মৃদুৰ স'তে বন্ধুত্বৰ সম্পৰ্ক গঢ়ি উঠিল। তাৰ পিছত ভাৰাতীয়া হৈছিলোগৈ গিৰিন্দ্ৰ চন্দ্ৰ দাস আৰু বালিকা দাসৰ ভাড়া ঘৰত। তেখেতসকলোৰো সেই একেই বদান্যতা।

গোৱালপাৰাত আছিলো তিনি বছৰ আৰু কেইটামান মাহ। কিন্তু জীৱনৰ সন্ধিক্ষণত গোৱালপাৰা কলেজে মোক জীৱিকাৰ এক নিৰাপত্তা দিয়াৰ লগতে পশ্চিম অসমৰ সমাজ জীৱনৰ স'তে পৰিচিত কৰি দিলে। এই কলেজত কাম কৰি থাকোতেই মই দিল্লী বিশ্ববিদ্যালয়ৰ পৰা এম ফিল ডিগ্ৰীও লাভ কৰিলো। ইও মোৰ এক প্ৰাপ্তি। আৰু এই প্ৰাপ্তিৰ অংশীদাৰ গোৱালপাৰা কলেজো। গোৱালপাৰাত কিনা আৰু আমাৰ শোৱনি কোঠাত থকা চেগুণ কাঠৰ এখন বিছনা আৰু কিতাপ আৰু কাপোৰ থোৱা এটা আলমাৰীয়ে গোৱালপাৰা কলেজ আৰু ঠাইখনৰ স'তে গঢ়ি উঠা সম্পৰ্কৰ বিষয়ে প্ৰতি পলত সজাগ কৰি ৰাখে।

বৰ্তমান মই এই কলেজৰ পৰিচালনা কমিটিৰ এগৰাকী সদস্য। আশা কৰিছো মোৰ জীৱন সন্ধিক্ষণত এক নিৰাপত্তা প্ৰদান কৰা কলেজখনৰ সামগ্ৰিক উন্নতিৰ বাবে অলপ হ'লেও অৰিহণা যোগাব পাৰিম। গোৱালপাৰা কলেজৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ। ■

# জনতাৰ জাতি

**ৰবিদুল ইছলাম**
গণিত বিভাগ

কি হ'ব জনতাৰ জাতি নহ'লে
কি ৰব জনতাৰ ভাষা নহ'লে।
মধুৰ সুৰত গাইছো জাতিটোক লৈ গান,
জাতিৰ মাজত থকা অনেক ৰসক কৰিলোঁ মই পাণ।
জাতিয়ে মোৰ মৰমী, জাতিয়েই মোৰ জননী,
জাতিৰ মাজত থাকি, জাতিক কৰিলোঁ মোৰ ধৰণী।
ভাষাৰ কাৰণে যুঁজিম, জাতিৰ কাৰণে মৰিম,
ভাষায়ে মোৰ মৰমী, জাতিয়েই মোৰ জননী, সদায় বুলিম।
জনতাৰ মৰম জাতিৰ বাবে, জাতিৰ মৰম ভাষাৰ বাবে,
মই বুলিম জনতা .... জাতি, ভাষা সকলোৰে বাবে। ■

# গোৱালপাৰা মহাবিদ্যালয়

**মনিৰুল হক**
একাদশ শ্ৰেণী

গোৱালপাৰা মহাবিদ্যালয়ত পঢ়ো আমি
বঢ়াম ইয়াৰ মান,
একে পৰিয়ালৰ সন্তান আমি
নাই ভেদাভেদৰ জ্ঞান।
বিভিন্ন ছাত্ৰ-ছাত্ৰী আমি
সকলোৱে মিলি,
নতুন সাজেৰে নকৈ সজাম
গোৱালপাৰা মহাবিদ্যালয়খনি
তিৰ্বিৰ্ কৈ জ্বলি থকা
বন্তি গছি লৈ,
বিশ্বব্ৰহ্মাণ্ডক পোহৰাই তুলিম
জ্ঞানৰ পোহৰলৈ। ■



কবিতা

# সোণোৱালী যাত্ৰা

**মুনমুন হুছেইন**
পঞ্চম যান্মাসিক, বাণিজ্য বিভাগ



অনাথ হ'বলৈ ধৰা এটি আবেলি,
লাহে-লাহে আগবাঢ়িলোঁ
বিভাগৰ প্ৰথম যান্মাসিকৰ
কোঠাটোৰ ওচৰলৈ।
শেষবাৰৰ বাবে বেৰবোৰ চালোঁ।
দেহৰ পৰা যেন এটি আপোন
সুৰ খহিব ধৰিছে।
চৰাইবোৰ যেন সাজু হৈছে
বাঁহ এৰি এক নতুন ঠিকনাৰ সন্ধানত।
বেগটো কান্ধৰ একাষে লৈ মৌন খোজে
ওলাই আহিলো বিভাগৰ পৰা।
বাহিৰত সকলোৰে চকুবোৰ চালো।
এই চিনাকী মুখবোৰ এদিন অচিনাকি
হৈ যাব নেকি? নে হেৰাই যাব
ব্যস্ততাৰ ভিৰৰ মাজত সোঁৰৰণি হৈ।
মনত আহিল তিনিটা
বৰ্ষৰ বহু মূহুৰ্ত।
সকলোৰে হাতবোৰ খামুচি ধৰিলোঁ
শেষবাৰৰ বাবে ...
যেন আত্মীয়তাবোৰ খামুচিব খুজিলোঁ।
হাতবোৰ শিথিল হৈ আহিল
এজন এজনকৈ সকলোৰে যাত্ৰা কৰিলে
নিজৰ ঠিকনা অভিমুখে।
সময় ধৰি ৰখা কল্পনাতীত বুলি
জানিওঁ ব্যৰ্থ চেষ্টা কৰিলোঁ ....
ম'বাইলৰ কেমেৰাত মূহুৰ্তবোৰ
যেন বন্দী কৰিব পাৰোঁ।
লাহে লাহে ময়ো উভতিলো,
ঘূৰি চালোঁ এবাৰ বিভাগৰ
দুৱাৰখনৰ ফালে।
আনুষ্ঠানিক ভাৱে সামৰিলোঁ
তিনিবছৰীয়া সোণোৱালী যাত্ৰা। ■

# ৰহস্যৰ আকাশ

**নাছমিনা খাতুন**
একাদশ শ্ৰেণী, বিজ্ঞান শাখা

আকাশৰ পৰা মাতে কোনে মোক
নজনা নাম কৈ।
আকাশৰ পৰা জুৰে কোনে গীত
মায়াৱী সুৰ লৈ।
আকাশৰ পৰা কোনে কয় মোক
মোৰ পিনে এবাৰ চোৱা।
স্বাৰ্থপৰ ধৰাত কিনো বিচৰা
মোক এবাৰ কৈ যোৱা।
তুমি ধৰাৰ ছোৱালী যদি হোৱা মোৰ লগৰী
মই হ'ম তোমাৰ উৎসাহ।
তুমি যদি মোৰ হাত ধৰি আহা
মই হ'ম তোমাৰ আত্মবিশ্বাস।
মোৰ বুকুৰ জোন তৰাই
তোমাৰ বঢ়াব মনোবল।
যদিও মই ৰহস্যময়
মই তোমাৰ সপোনৰ মূল। ■



# Poverty

**Jerin Akhtar**
First Semester, Zoology Department

My heart feels pain
when I see the kid, begging in the street
My heart feels pain
when I see the lady, selling her body
My heart feels pain
when I see the old, carrying the load. ■

অনুবাদ কবিতা

# সু-প্ৰভাত

**অনুবাদ - মতিয়ৰ ৰহমান**
প্ৰাক্তন ছাত্ৰ, ইংৰাজী বিভাগ

বিস্মিত মই, মোৰ বিশ্বাসত, তুমি আৰু মই
ভালপোৱা নাছিলোঁ আমি তেতিয়ালৈকে!
আমি মাতৃদুগ্ধও এৰা নাছিলোঁ তেতিয়ালৈকে!
কিন্তু হয়তো আমি উপভোগ কৰিছিলোঁ চৌপাশৰ আনন্দ,
শিশুৰ দৰে?
অথবা নাকেৰে ঘোৰ ঘোৰাইছিলোঁ।
সপ্তগুহাবাসীৰ দৰে?
এয়া আছিল, সেয়ে হয়তো কল্পনাপ্ৰসূত সন্তুষ্টিলাভ।
যদি কেতিয়াবা মই দেখিছিলোঁ সুন্দৰী ৰমণী,
যি মোৰ কাঙ্খিত আছিল, আৰু পাইছিলো
ই আছিল কেৱল তোমাৰ সপোন।

এতিয়া সু-প্ৰভাত জনাও আমাৰ জাগ্ৰত আত্মাক,
ইজনে সিজনক আমি চোৱা নাছিলোঁ ভীতিগ্ৰস্ত ভাৱে;
ভালপোৱাৰ বাবে, সকলো ভালপোৱাত নিয়ন্ত্ৰিত আছিল

আৰু অকণমান ঠাই উলিয়াইছিলোঁ সৰ্বত্ৰ।
সমুদ্ৰ অভিযানকাৰীসকলে পাৰি দিয়ক নতুন পৃথিৱীৰ
সন্ধানত,
মানচিত্ৰত অংকিত হওক পৃথিৱীতে পৃথিৱী,
কিন্তু আমাৰ অধিকাৰত মাত্ৰ এখনেই পৃথিৱী থাকক, এখন
মাত্ৰ এখন।
তোমাৰ চকুত মোৰ মুখৰ ছবি, মোৰ চকুত তোমাৰ ছবি
ভাসমান আৰু এখন সৰল হৃদয়ৰ চিত্ৰ তোমাৰ মুখত দৃশ্যমান,
ক'ত পাম আমি দুখন উত্তম গোলাৰ্দ্ধ,
প্ৰখৰ উত্তৰ দিকহীন, পশ্চিমৰ অস্তমিত সূৰ্য বিহীন?
যিয়েই নহওক লাগে, সমভাৱে নাছিল মিশ্ৰণ কৰা;
যদি আমাৰ দুয়োৰে প্ৰেম এক হয় অথবা তুমি আৰু মই
একেদৰে ভাল পাওঁ,
তেন্তে কোনেও কমাব নোৱাৰে, কাৰো মৃত্যু নহয়।

* জন ডন (John Donne) ৰ কবিতা " Good-Morrow" ৰ অসমীয়া অনুবাদ কৰা হৈছে। ■

# মোক ৰাখিবা মনত

(কবিগুৰু ৰবীন্দ্রনাথ ঠাকুৰৰ 'আমায় ৰেখো স্মৰণে'ৰ অনুবাদ)

**আফছানা ৰহমান**
পঞ্চম যাণ্মাসিক, অৰ্থনীতি বিভাগ

অন্তিম গধূলিৰ জ্যোতি হ'ম
যদি দিগন্তে চকু মেলা
সেউজীয়া ঢৌ বিলাম
যদি জীৱনৰ পাল তুলি ধৰা
চৰাইৰ বেশত গান শুনাম
যদি তুমি শুণা
স্মৃতিৰূপে হৃদয়ত খেলিম
যদিহে পিছলৈ উভতি চোৱা
বাট হৈ সংগ দিম
যিমানে তুমি আঁতৰিব বিচাৰিবা
জ্যোতি হৈ বাট দেখুৱাম
যদি বাট পাহৰি যোৱা
সুৰ হৈ উমলিম
যদি জীৱনৰ গান গোৱা
সুখৰ তৰা হৈ হৃদয়ত জিলিকিম
যিমান দিন তুমি বিচৰা
ফুল হৈ ফুলি ৰ'ম
তোমাৰ শূন্য কাননত
অনুৰোধ মাথোঁ এটিয়ে
মোক ৰাখিবা মনত। ■

# লিমাৰিক

**মৌচুমী ওজা**
প্ৰাক্তন ছাত্ৰী

(১)
পেছা তেওঁৰ  ব্যৱসায়, নিচা ৰাজনীতি,
মন্ত্ৰী এম এল এ হোৱাৰো আসক্তি,
দলীয় মিটিঙত -যায়
ব্যৱসায়ত মন নাই
কোনোমতে চলাই আছে, ঘৰৰ সম্পত্তি।

(২)
চাকৰিত তেওঁৰ মন নাই, হ'ল ছাত্ৰনেতা,
নিকা মনৰ মানুহ তেওঁ, নাই কোনো লেঠা,
জনপ্ৰিয় বহু তেওঁ
তথাপিতো নাই ভাও
আজীৱন কৰি যাব কাম, হৈ ছাত্ৰনেতা।

(৩)
নিৰ্বাচন খেলি তেওঁ হ'লগৈ ৰজা
ক্ষমতা পাই পাহৰিলে মৰমৰ প্ৰজা
ৰাজযোগ হ'ল শেষ
সন্ন্যাসীৰ পিন্ধি বেশ
মিটিংবোৰত টেঁটুফালে।
কথা মনে সজা।

(৪)
দিনে দিনে আদৰ কমি আহিছে জাতিৰ সাজৰ,
বাটৰ জেং যে এইবোৰ আধুনিক মানুহবোৰৰ,
ডেকাবোৰৰ চুলিৰ কাট কি যে চাবা ভাই
জীয়ৰী-বোৱাৰীহঁতৰো মন জিন্স্ পেণ্টতহে যায়
চহাবোৰতহে স্থান হ'ব চাদৰ-মেখেলা, চুৰীয়া, তাঁতৰ। ■

# ভোগ

**তৃষ্ণা বৰ্মন**
সহকাৰী অধ্যাপিকা
প্ৰাণীবিজ্ঞান বিভাগ





অম্বা বুঢ়ীৰ আজি কিছুদিনৰ পৰা এটা আবতৰীয়া খঁক হৈছে। ঘৰত তোলা খাঁটি গৰুৰ গাখীৰৰ ঘিউত মচলা দি ৰন্ধা মাংসৰ আঞ্জাখনৰ গোন্ধটো, থপ্‌থপীয়াকৈ সৰিয়হ পটাত পিহি লৈ ঔটেঙাৰে সৈতে ৰন্ধা পুৰঠ মাছৰ তৰকাৰীখনৰ সোৱাদটো সময়ে-অসময়ে মনলৈ আহি আছে। কণজলকীয়া দি ৰন্ধা সৰু মাছৰ চৰ্চৰীখন পোৱা হ'লেও! বুঢ়ীয়ে সদায় ভাবে বজাৰৰ দিনটো আহিলেই পুতেকক মাছ অকণ অনাৰ কথাটো হ'লেও ক'ব। কিন্তু বজাৰ থকা দিনা যেতিয়া পুতেকে বাৰীৰ কল, অমিতা গোটাই শুকান মুখ লৈ বেচিবলৈ যাব ওলাই তেওঁৰ ভবা কথা মনতে থাকে। ঘৰৰ ল'ৰা-ছোৱালীহালৰ পৰা থপিয়াই নি বাৰীৰ ফল বজাৰত বেচিব লগা হোৱা পুতেকক কোন সতে বাৰু তেওঁ মাছ-মঙহৰ কথা কয়?

ইফালে উতলত বহোৱা দাইলখনৰ দৰেই লোভটোৱে ভক্‌ভকাইছে। ফেনাই ওপৰলৈ উঠিছে আৰু নামিছে। ঘনে ঘনে সেপ ঢুকি বুঢ়ীয়ে লোভটো সামৰি থৈছে। যোৱা সপ্তাহত সনাতন উকীলৰ ঘৰত ঘৰলোৱা সকাম আছিল। নাতিল'ৰা পুতুকণক লগত লৈ বুঢ়ীও সকামলৈ গৈছিল। নাগাৰা নাম শেষ হোৱাৰ পিছত প্ৰসাদ খুৱায়েই উকীলে মানুহবোৰক উভতিবলৈ দিয়া নাছিল। নতুনকৈ সজোৱা প্ৰকাণ্ড ঘৰটোৰ আগফালে আৰবেৰ দি খোৱাবো আয়োজন কৰা হৈছিল। শাৰী শাৰীকৈ পাৰি দিয়া বেঞ্চবোৰত মানুহবোৰ বহিছিল। বিলনীয়াই সমুখৰ ডেক্সত ফুল আঁকা থাল ৰাখি থৈ গৈছিল। অলপ পিছতে আন এজনে ঘিউত ভজা ফুলা ফুলা লুচি, গৰম আলু-মটৰৰ তৰকাৰী আৰু ৰঙা-বগা দুই ৰঙৰ দুটাকৈ সৰু মাৰ্বল গুটিৰ দৰে মিঠাই দি গৈছিল। আস্! ঘিউৰ মলমলীয়া গোন্ধত গোটেইখন যেন ডুবিহে আছিল। বহু সময়ৰ মূৰত তেওঁৰ জিভাই তেনে লোভ লগা খাদ্যৰ স্বাদ পাইছিল। বাৰে বাৰে লুচি-মিঠাই বিচাৰি বিলনীয়াক অতিষ্ঠ কৰা পুতুকণক 'মৰাটো, কিমান খাব আৰু' বুলি ধমকিয়ালেও বুঢ়ীৰ নিজৰো পাতৰ পৰা উঠিবৰ মন নাছিল। তেওঁৰ এনে লাগিছিল যেন বহুদিনৰ পৰা তেওঁ লঘোণে আছিল। প্ৰসাদৰ পাতত লুকুৱাই আনকি ঘৰত থকাকেইটালৈকো তেওঁ ফুলা লুচি লৈ আহিছিল। সেইদিনাখন ৰাতি আহি বুঢ়ীয়ে ঘৰত একো খাব পৰা নাছিল। জিভাত, নাকত লাগি থকা ঘিউৰ মিঠা সুবাসটোৱে পেট ভৰাই ৰাখিছিল। কিন্তু কোনেনো জানিছিল, গোন্ধটোৱে প্ৰকৃততে মনে মনে এটা দশকৰ ভোককহে জগাই আছিল।

মঙ্গলবৰীয়া বজাৰৰ দিনাখন অম্বা বুঢ়ীয়ে থিৰ কৰিলে, আজি মাছ অলপ হ'লেও পুতেকক আনিবলৈ দিব। কিন্তু বজাৰলৈ যাবলৈ ওলোৱা পুতেকক পুতুকণে কান্দি কান্দি ৰখাই থোৱা দেখি তেওঁ বুজি পালে সপ্তাহটোৰ চাউল-নিমখৰ খৰচ মিলাবলৈ আজিও পুতেকে নিশ্চয় কিবা বিক্ৰী কৰিবলৈ ওলাইছে।

'কি হ'লনো, হয়ে পুতুকণৰ মাক?' অম্বা বুঢ়ী তেওঁ থকা ঘৰৰ পৰা চোতাললৈ নামি আহিল।

'কি হ'বনো? পুতেকে মালভোগ কলৰ থোকটো বজাৰলৈ উলিয়াইছে। তাতে এইপাতৰ ঠেহ। বুজালেও নুবুজে। এইখিনি নিবিকি সপ্তাহটো ঘৰ-ঘৰোৱা লঘোণ পৰিলেহে হ'ব।' বোৱাৰীয়েক পাৰুলে মলিন মুখেৰে উত্তৰ দিলে। বুঢ়ীয়ে তেতিয়াহে মন কৰিলে চাইকেলত ফটা বস্তাৰে ঢাকি ওলোমাই দিয়া মালভোগ কলৰ থোকটো। পকি ৰঙচুৱা বৰণ লোৱা কলথোকৰ মিঠা ফুৰফুৰীয়া গোন্ধটো তেওঁৰো নাকত লাগিল। মুখৰ ভিতৰখন লেলাউটিৰে ভৰি আহিল। কলথোক থকা কথাটো তেওঁ নাজানিছিল। বোৱাৰীয়েকে বাৰীৰ ভাল বস্তুবোৰ ল'ৰা-ছোৱালীহালৰ পৰা লুকুৱাই বেচিবলৈ ৰাখি থয়। চাউলৰ খৰচটো তেনেকৈ ওলালেও পুতেকে বহুখিনি সকাহ পায়। আজি কেনেবাকৈ পুতুকণে দেখি গ'ল। পুতুকণে কান্দিয়েই আছে, 'থৈ যা কল। আমাক হ'লে খাবলৈ নিদিয়। কণী, কল সব বিকি দিয়।' নাতিনীয়েকজনী ঘৰত নাই, কাৰোবাৰ চোতালত খেলত ধৰিছে চাগে।

'গোটেইখিনি দিলিনো কিয়? ৰাখিব পাৰিলি হয় দুটা-এটা।' লাহেকৈ ক'লে অম্বা বুঢ়ীয়ে। 'গোটেই আখিনো ৰাখে কেনেকৈ? এটা-দুটা ৰাখিলে গৰু-ছাগলীৰ মুখ লগা বুলি নাভাবিবনে? আপুনি যাওঁক, বৈ থাকি বেলি কৰিব নালাগে। এইজনীও আহি ওলাওক

এতিয়া, নহ'বৰ এখনহে হ'ব।' পিছৰ কথাখিনি বোৱাৰীয়েকে কি কৰো কি নকৰোঁকৈ থিয় হৈ থকা বুঢ়ীৰ পুতেকক ক'লে।

যাবলৈ ওলাই পুতেকে পুতুকণক বুজাই থৈ গ'ল - 'হ'ব দে। মই বাৰু বজাৰৰ পৰা পকা মিঠৈ আনিম।' পুতুকণৰ মুখখন পোহৰ হৈ গ'ল। 'উকীল দাইটিৰ ঘৰত খোৱাটো আনিবি দেই।' সি ফৰমাইচ দিলে। পুতেক গুচি গ'ল। মাছৰ কথাটো ক'বলৈ বুঢ়ীৰ সাহ নহ'ল। অলপ পৰ পাছতে পুতুকণেও সকলো পাহৰি খেলিবলৈ ওলাই গ'ল। পিছে কিয় জানো, বুঢ়ীৰহে মনলৈ বাৰে বাৰে মুখত দিলেই পমি যোৱা ৰঙা বগা মিঠাইকেইটাৰ সোৱাদটো আহি থাকিল।

মিঠাই অনাৰ কথা পুতুকণেও পাহৰা নাছিল। খেলৰ মাজতে সময় উলিয়াই মাজে মাজে সি আহি ৰিঙিয়াই গৈ থাকিল--'দেতা, আহিলি?' 'মৰখকুৰাটো। স্কুল যোৱাৰ নাম নাই, কেৱল টিঘিলঘিলনি। বাপেৰ আহক, পিঠি ফালিব তোৰ।' বোৱাৰীয়েকে পাকঘৰৰ পৰা ধমকিয়ালে তাক।

মাক-পুতেকৰ অৰিয়াঅৰি শুনি থকা বুঢ়ীৰো ভাব হ'ল, আজি বাৰু অলপ বেছিয়েই দেৰি হোৱা নাইনে পুতেকৰ? বেলি টগবগাই মূৰত উঠা পৰত ঘামিজামি পুতেক আহি ওলাল। ক'ৰ পৰা জানো পুতুকণে দেখিলে। লৰ মাৰি আহি একেথাপে বজাৰৰ মোনাতেই ধৰিলেহি। ঘৰ আহি পোৱা নাতিনীয়েকৰো জাঁপ উঠিল-'মোকো লাগিব, মোকো লাগিব।' 'ৰহ ঐ। এই দুটা। বাপেকেও বৰ বস্তুটো আনিম বুলি কৈ গ'ল। ৰ'বকে নোৱাৰা হৈছনে? তহঁতে নাখাই খাবনো কোনে?' ভোৰভোৰাই বোৱাৰীয়েকে আহি বজাৰৰ মোনাখন লৈ গ'ল। লগে লগে গ'ল পুতুকণ আৰু জুনুমণি। পাকঘৰৰ ভিতৰৰ পৰা দুয়োটাৰে চিঞৰ ভাঁহি আহিল। হাত-মুখ ধুই পুতেকেও আহি অম্বা বুঢ়ী থকা এচলীয়া ঘৰটোৰ বাৰাণ্ডাতেই উঠিলহি। বৈ বৈ বুঢ়ীৰ অশান্তি লাগি গ'ল। বোৱাৰীয়েকে চাহ অকণো তপতোৱা নাইনে? পুৱাই আলুপিটিকাৰে যি দুটামান ভাত পেটলৈ গৈছিল। বুঢ়ীৰ জিভালৈ বাৰে বাৰে নৰম মিঠাইৰ সোৱাদটো আহিবলৈ লাগিল।

'হয়ে, কিনো সোণৰ সেলেংখন মেলি বহিলি ভিতৰত? চাহটোপাও তপতাই হোৱা নাইনে?' অধৈৰ্য্য হৈ বুঢ়ীয়ে মাত লগালে। 'আই, নাৰিকলৰ গাখীৰৰ চাহ খাবনে?' ওলাই আহি বোৱাৰীয়েকে সুধি গ'ল।

'কিনো সুধি থাক অ'? দিবৰ মন আছে যদি দে।' বুঢ়ীয়ে ভেকাহি মাৰি উঠিল। একো নামাতি বোৱাৰীয়েক আকৌ ভিতৰলৈ গ'ল। বোৱাৰীয়েকে কথাষাৰ সোধাৰ কাৰণ অম্বা বুঢ়ীয়ে জানে। নাৰিকলৰ বস্তুৰে বুঢ়ীৰ পেটক নুসুজে। বহুবাৰ বাহিৰ ফুৰিব লগা হয়। কিন্তু তাকে ভাবিয়েই নোখোৱাকৈ থাকিব পাৰিনে?

'নাৰিকল বা আকৌ পালে ক'ত?' বুঢ়ীয়ে নিজকে সোধাৰ দৰে কৰিলে। 'এইৰ বায়েকৰ ঘৰত ভকতসেৱা আছিল কালি। মাতিবৰ নহ'ল কাৰণে ৰোকা নাৰিকল, চেনি, চুজি অলপ ৰাখি থৈছিল। বজাৰৰ পৰা আহোতে বায়েক বাটতে ৰৈ আছিল, দি পঠালে। বুট-মাহ বোলে ভকতে খাবলৈকে কম হ'ল।' উত্তৰটো পুতেকৰ পৰা আহিল। বুঢ়ীয়ে বুজি পালে। বজাৰৰ পৰা অহা বাটত বোৱাৰীয়েকৰ সম্পৰ্কীয় বায়েকৰ ঘৰ। চাহৰ বাটি লৈ এইবাৰ বোৱাৰীয়েক ওলাই আহিল। প্লেটত তিনিকোণীয়াকৈ কাটি অনা চুজিৰ টুকুৰাকেইটা দেখি বুঢ়ীয়ে বোৱাৰীয়েকৰ পলম হোৱাৰ কাৰণ বুজিলে। চুজিৰ টুকুৰাকেইটাৰ কাষৰ পকা মিঠৈৰ টুকুৰাকেইটাও তেওঁৰ চকুত পৰিল। বুঢ়ীয়ে পকামিঠৈ চোবাব নোৱাৰে। চাহত তিয়াই গিলিব লাগে। তথাপি কিয় জানো তেওঁ ক'ব নোৱাৰিলে--'হয়নে, ল'ৰাকণৰ কাৰণে অনা বস্তুটোনো মোক দিলি কিয়?' ওলোটাই তেওঁৰ মুখৰ পৰা ওলাল- 'গোটেইখিনি একেলগে দিলি যে?' দুয়োৰে সন্মুখত চাহ ৰাখি বোৱাৰীয়েকে ক'লে-- 'থ'লে থাকিবহে যেন। চুজিখিনি আবেলি বনাম বুলি কওঁতেই দেখা নাই কি হাহাকাৰ লগালে এই দুটাই। কেঁচাই গিলিলেহেঁতেন।'

'হওক দে। ভাল বস্তুনো খাই কেইদিন?' বুঢ়ীয়েও কমলা বৰণীয়া চাহকাপ মুখত লগালে। নাৰিকলৰ মিঠা স্বাদ এটা জিভাত লাগিল। চাহত চেনি দিয়া নাই। লগত মিঠা বস্তু থকাৰ পাছতো চাহত চেনি দি খোৱাৰ বিলাস কৰাৰ সামৰ্থ্য তেওঁলোকৰ নাই। তথাপি বোৱাৰীয়েকৰ নিপুণ হাতৰ কোমল চুজিখিনি আৰু লাহে লাহে চাহত তিয়াই পকামিঠৈ দুটা খোৱাত যেন ভিতৰৰ হাহাকাৰখন অলপ হ'লেও জামৰি গ'ল। খাবলৈ পাই হাহাকাৰ নোহোৱা হোৱা নাতি ল'ৰা-ছোৱালীহালৰ দৰে লোভটোৰো কিছু সময়ৰ বাবে সাৰসুৰ নোহোৱা হৈ গ'ল। 'বুজিছ পুতু। মই যেতিয়া তোৰ বয়সৰ আছিলো মোৰ পিতাইৰ ঘৰখনত কি যে নাছিল! খেতিৰ মাটি, দুহাল বলধ, তিনি-চাৰিজনী খিৰঁতী গাই। এই মস্ত মস্ত কাঁহৰ কাঁহী-বাটি।' ৰাতি ভাত নাখাই টোপনি যাব খোজা পুতুকণ আৰু জুনুমণিক বুঢ়ীয়ে সাধু শুনায়। 'ৰাতিও তই গাখীৰ খাইছিলিনে আইতা?' পুতুকণে সোধে। 'নাখাবিনে মৰাটো। খাইছিলোতো। আমি ভাই-ভনী ছটাই কাঁহীৰ বাটিত হাত সুমুৱাই দিওঁ। আয়ে হাত ডুবি যোৱাকৈ সৰ পৰি থকা গাখীৰ, কুঁহিয়াৰৰ মিঠৈ, কোমল চাউল দি যায়।' অম্বা বুঢ়ীৰ দুচকুৰ সন্মুখত শৈশৱে জলমল কৰে। 'তই তেনেহ'লে কেনেকৈ ইমান দুখীয়া হৈ গলি আইতা?' এইবাৰ প্ৰশ্নটো জুনুমণিৰ পৰা আহে। অজানিতে বুঢ়ীৰ বুকুৰ পৰা হুমুনিয়াহ এটা সৰি পৰে। 'পহিলাতে কতনো দুখীয়া আছিলো অ' আই। তোৰ ককাৰো পৰি মৰা নাছিল। পিছে ভাঙে পোৱা মানুহক লাওলোৱা হ'বলৈ কেতপৰ? মাটি গ'ল, হালৰ গৰু গ'ল, এটা এটাকৈ মোৰ গহনা সোপাই গ'ল। সেইবোৰ থাকিলে বাপেৰৰ এই অৱস্থা হয়নে বাৰু আজি?' অম্বা বুঢ়ীৰ শেঁতা দুচকু চকুপানীৰে ঢুলঢুলীয়া হৈ যায়। 'একো সুখ নেদেখিলি তহঁতে। আমাৰ ঘৰত আগতে আয়ে ঘিউ তোলে। মলাই মলাই ঘিউ। ঘিউ দি ৰন্ধা মাংসৰ কি জুতি.... জিভাত পৰিলেই অমৃত। বিয়া হৈ কপাল পুৰিলো। মোৰ হেন এনে বেয়া

কপাল বাই-ভনী এজনীৰো নহ'ল। এতিয়াও সিহঁতৰ একেই সুখ। সেই সুখ তহঁতেও নাপালি।' বুঢ়ীৰ কথা বন্ধ হ'ব নোখোজে। ঘিউ দি ৰন্ধা মাংসৰ সোৱাদৰ কথা কল্পনা কৰি ল'ৰা-ছোৱালীহালৰো টোপনি ভাগি যায়। 'আমি যে কেতিয়া খাবলৈ পাম!' পুতুকণে আফচোচ কৰে। জুনুমণিৰতো কথাবোৰ বিশ্বাসেই নহয়। আইতাক নাতিয়েকহঁতৰ কথা পুতেক-বোৱাৰীয়েকৰ কাণতো পৰে। বুঢ়ীক কোনও দূষিব নোখোজে। গোটেই জীৱনটো কষ্টত কটোৱা মানুহজনীয়ে অলপ ভালকৈ খাব, থাকিব খোজে। সেই কথা পুতেক-বোৱাৰীয়েকে বুজি পায়। সেইকাৰণে বুঢ়ীয়ে হাজাৰ উচ্ছবাক্য কলেও কোনেও একো মাত নিদিয়ে। কিন্তু চাউল-দাইলৰ খৰচ মিলাবলৈ টান হোৱা অৱস্থাত ক'ৰ পৰানো মাছ-মঙহৰ চিন্তা কৰে? বৰষুণ দিলে দুয়োটা ঘৰৰেই চাল উৰুখে। বছৰে বছৰে পচি যোৱা চালৰ খেৰ সলাব লাগে। দিনহাজিৰা কৰা বুঢ়ীৰ পুতেকে দিনৰ তিনিসাঁজ মিলাবলৈকে ধোৱাকোৱা দেখে। বোৱাৰীয়েকে যত্ন কৰি বাৰীখনত ইটো-সিটো পাচলি লগাই ৰাখি কিছু খৰচ ৰাহি কৰে। ৰাহি হোৱাখিনিও আকৌ ঘৰ ঠিক কৰা, ঠাণ্ডাৰ লেপ-কেঁথাৰ ব্যৱস্থা কৰা, ল'ৰা-ছোৱালীহালৰ বিহু-পূজাৰ কাপোৰ কিনা আদি কামত সহজেই ওলাই যায়। ল'ৰা-ছোৱালী দুটাৰ লাগি থকা সৰুসুৰা অসুখ, বুঢ়ীৰ মাজে-সময়ে উক দিয়া বেমাৰৰ খৰচ আছেই। ইটো ভোগালী বিহুৰ পৰা আন এটা ভোগালী বিহুৰ মাজৰ সময়ছোৱাত ভোগৰ দিন তেওঁলোকৰ ভাগ্যত আঙুলিমূৰত লেখিব পৰা হয়গৈ। অম্বা বুঢ়ীয়ে সেই কথা জানে। পিছে ভগৱানেহে জানে, যমৰ ঘৰলৈ যোৱাৰ আগমুহূৰ্তত তেওঁৰ কি এইখন খঁকৰ হাবিয়াস চৰিছে। এটা সময়ত দিনটোত এসাঁজ খালেই হৈছিল দেখোন তেওঁৰ। ভোকৰ সাৰ-সিকতিও নাছিল। আজিকালি পুৱাৰ সাঁজ নাখাই থাকিব নোৱাৰে। পিত্তই উক দিয়ে। বুঢ়া পেটক বহু বস্তুৱে সুজিব নোখোজে। তথাপি দেখোন লোভটোৱে এৰিব নোখোজে। দিনৰ দিনটো মাথোঁ ইফাল-সিফাল কৰি থাকি তিনিসাঁজ খোৱাৰ পাছতো বহু মাহৰ লঘোণীয়া পেটৰ ভোকেহে যেন তেওঁক অস্থিৰ কৰি ৰাখে। কি কৰে? কি কৰিব পাৰে তেওঁ? হে হৰি! ভোগৰ বাসনাই ধৰ্ম-কৰ্ম সকলো পাহৰিব খোজে। মাজে-সময়ে অম্বা বুঢ়ীৰ ঘৰৰ গাতে লাগি থকা ভতিজাকহঁতৰ ঘৰত মুৰ্গীৰ খানা পাতে। মাংসৰ গোন্ধ শুনি সিহঁতৰ ঘৰৰ পৰা লৰিব নোখোজা পুতুকণ আৰু জুনুমণিৰ বাবেও মাংসৰ বাটি এটা আহে। ভতিজাকহঁতৰ ঘৰৰ অৱস্থা ভাল। তাতে সিহঁত হ'ল শৰণ নোলোৱা ভাগৰ মানুহ। হাতলৈ পইচা আহিলেই চৌখিন ভতিজাকে ফাৰ্মৰ পৰা মুৰ্গী এটা কিনি লৈ আনে। অম্বা বুঢ়ীহঁতৰ পাকঘৰত মুৰ্গীৰ মাংস সোমাব নোৱাৰে। বুঢ়ী নীতি-নিয়ম মানি চলা, শৰণ লোৱা মানুহ। শৰণ নোহোৱা ঘৰত বুঢ়ীয়ে পানী এটুপিওঁ নাখায়। আবিয়ৈ কুমাৰী ছোৱালীৰ হাতৰ ৰন্ধা নাখায়। মুৰ্গী খোৱাটো বাদেই, ঘৰত পুহিবলৈও নিদিয়ে। কিন্তু পুতুকণ আৰু জুনুমণিৰ খোৱা-লোৱাত বুঢ়ীয়ে হকাবধা নকৰে। সেয়ে ভতিজাকহঁতৰ ঘৰৰ পৰা মাংস অহাৰ দিনাখন বোৱাৰীয়েকে চোতালতে ল'ৰা-ছোৱালীহালক খাবলৈ দিয়ে।

পৰহিও মাংসৰ বাটি এটা আহিল। পুতুকণ আৰু জুনুমণিয়ে নিয়ম অনুসৰি চোতালত খাবলৈ বহিল। পিছে পাকঘৰৰ মজিয়াত দাইল আৰু অমিতাৰ খাৰেৰে ভাত খাবলৈ বহা অম্বা বুঢ়ীৰহে জানো কি হ'ল? বাৰে বাৰে মনলৈ আহিল- এটুকুৰা মুৰ্গীৰ মাংস যদি তেওঁৰ কাঁহীখনতো থাকিলেহেঁতেন, কি এনে ভুল হৈ গ'লহেঁতেন নিয়মত? আত্মাৰ তৃপ্তিয়েই সৰ্বোচ্চ কথা নহয়নে? সেই ভাব মনলৈ অহাত তেওঁ নিজেই চমকি উঠিল। হায় হায়!! কেনে মতিভ্ৰম হৈছে এয়া তেওঁৰ? আজি বিজতৰীয়া চৰাইৰ মঙহৰ গোন্ধে তেওঁৰ জিভালৈ পানী আনিব খুজিছে? ধৰ্মৰ বান্ধে তেওঁৰ চিত্তক ধৰি ৰাখিব পৰা নাই। হে ত্ৰাণকৰ্তা! লোভটো দেখোন বান বঢ়াদি বাঢ়িছে। অম্বা বুঢ়ীয়ে দাইল-ভাত সানিলে, পিতিকিলে। মুখলৈ হ'লে এগৰাহো নিব নোৱাৰিলে। কালি শনিবৰীয়া বজাৰো গ'ল। বুঢ়ীৰ পুতেকৰ শনিবৰীয়া বজাৰলৈ যোৱাৰ নিয়ম নাই। আজি দেওবাৰ। পুতেক কামলৈ ওলাই যোৱা নাই। পুতেকে কাম কৰি থকা মাষ্টৰৰ ঘৰলৈ আজি আলহী আহিছে। মাষ্টৰৰ ল'ৰালৈ ছোৱালী যচা মানুহঘৰৰ কোনোবা আত্মীয় আজি অহাৰ কথা আছে। সেই কাৰণে আজি মাষ্টৰে কাম বন্ধ ৰাখিছে। ৰাতিপুৱাৰ ভাগত পুতেকে ঘৰতে কিবাকিবি কৰি থাকি ৰ'দটো টান হোৱাৰ পৰত বাৰী হৈ কৰবালৈ ওলাই গৈছে। আহাৰমহীয়া দীঘল দিন। গৈ গৈ শেষ নহয়। বাৰাণ্ডাখনতে বহি থাকি বিৰক্তি লগাত অম্বা বুঢ়ী এবাৰ বাট হৈ আহিল। বোকাৰে লুতুৰি-পুতুৰি এজাক মানুহ পথাৰৰ পৰা উভতিছে। হাতত, কান্ধত পানী সিঁচাৰ যোগাৰ। এতিয়া শালি খেতিৰ সময়। পথাৰৰ দ খালবোৰ মাটিত হাল দিয়াৰ আগে আগে মানুহবোৰে সিঁচি লৈছে। ডাঙৰ ডাঙৰ বাল্টি, গামোচাত বান্ধি, আনকি কচুপাতৰ মোনা কৰিও মানুহবোৰে মাছ কঢ়িয়াইছে। পানী সিঁচি দিয়াত থলথল হৈ থকা বোকাত লৰিব নোৱাৰা হোৱা উভৈনদী মাছ। শ'ল, মাগুৰ, কাৱৈ, গৰৈ...হৰেকৰকমৰ চিকুণ চিকুণ পথৰুৱা মাছ।

'মা ঐ, আইতা ঐ। চাহি, চাহি, দেউতাই কি আনিছে।' এয়া পুতুকণ আৰু জানমণিৰ সানমিহলি চিঞৰ।

অম্বা বুঢ়ীয়ে 'কিনো হ'ল' বুলি লৰালৰিকৈ বাটৰ পৰা আহি চোতাল পালে। দুপৰীয়াৰ সাঁজৰ যোগাৰত পাকঘৰত ব্যস্ত হৈ থকা বোৱাৰীয়েকো উধাতু খাই ওলাই আহিল।

'কি হ'ল অ' পুতু?' বুঢ়ীয়ে সুধিলে।

'দেউতাই এনে মস্ত মাছ এটা আনিছে।' পুতুকণে হাতেৰে আকাৰ এটা দেখুৱালে।

'হয় হয়। এনে মস্ত।' জুনুমণিয়ে পুতুকণক সমৰ্থন কৰিলে।

'মাছ?' অম্বা বুঢ়ীৰ চকু কপালত উঠিল। বাৰীৰ ফালে আগবাঢ়ি যাব খোজোঁতেই পুতেকে আহি চোতাল পালে। হয়,

পুতেকৰ হাতত সঁচাকৈয়ে এটা মাছ। এহাতৰ অকণমান কম দীঘল এক-ডেৰ কেজিমান ওজনৰ এটা শ'লমাছ। পুতেকৰ হাতৰ টান বান্ধত চটফটাই থকা এটা তেজাল মাছ।

'ক'ত পালে হয়নে এইটো?' বোৱাৰীয়েকৰ মাতত আশ্চৰ্য।

'পথাৰে পথাৰে গৈছিলো অ' এনেয়ে। কাৰোবাৰ সিঁচি থৈ যোৱা খাল এটাৰ বোকাত সোমাই আছিল এইটো।' পুতেকে ক'লে।

'হে হৰি! ভাল কাম কৰিলে আৰু। কাৰ বা খালৰ মাছ! কোনোবাই দেখিলে যদি।' বোৱাৰীয়েকে আপত্তি কৰিলে।

'কোনে দেখিব অ'। পথাৰৰ খালৰহে মাছ। ই নানিলে বেলেগ কোনোবাই নিলেহেঁতেন। এতিয়া ভিতৰত সুমুৱাই থ এইটো। আগতে কোনেও গম নাপালেও এতিয়া তহঁতমখাৰ হাহাকাৰত ৰাইজে গম পাব।'

অম্বা বুঢ়ীয়ে পুতেকৰ সমৰ্থনত কৈ উঠিল।

'নাই দেখা দে কোনেও।' পুতেকেও ক'লে।

'কেনে পূৰ্ঠ মাছ! কাঠ আলুৰ লগতহে এনে মাছৰ জুতি।' বুঢ়ীয়ে মন্তব্য কৰিলে।

'ৰাতিলৈ আমাৰো কাঠ আলুৰ লগত ৰান্ধিবিচোন মা।' পুতুকণে মাকক পৰামৰ্শ দিলে। বোৱাৰীয়েকে একো নক'লে। এবাৰ পুতেকলৈ চাই মাছটো ভিতৰলৈ লৈ গ'ল।

দুপৰীয়া সাঁজত তেল নোহোৱা আলুৰ পিটিকা আৰু শাকৰ শুকান ভাজিখন খাওঁতেও আজি ল'ৰা-ছোৱালীহালে শব্দ এটাও নকৰিলে।

অম্বা বুঢ়ীৰ আচৰিত লাগিল। কেনেকৈ যে মিলি গ'ল আশাটো? পূৰ্ঠ শ'লমাছৰ সোৱাদটো যেন বাৰে বাৰে জিভালৈ আহিল। ভাতৰ পাতত বহি বুঢ়ীয়ে ভাতখিনি চুলেহে মাথোঁ।

এতিয়া পেট পূৰাই ল'লে ক'ত সোমাব ৰাতিৰ ভোগৰ স্বাদ? আবেলি চাইকেলত মোনা বান্ধি পুতেক ওলাল। বোৱাৰীয়েকে ওচৰ চাপি গৈ কিবা এষাৰ ক'লে।

'দেৰি নকৰিব।' বোৱাৰীয়েকে পুতেকক কোৱা শুনিলে তেওঁ। চোতাল-ঘৰ সাৰি, পানী ছটিয়াই বোৱাৰীয়েক গা ধুবলৈ গ'ল। সেইখিনি সময়তে বুঢ়ীয়ে পুতুকণক লৈ পথাৰৰ পৰা হাঁহজনী খেদি আনি বান্ধি থ'লে। গা ধুই বোৱাৰীয়েকে তুলসীৰ তলত বন্তি জ্বলাই যেতিয়া আজৰি হ'ল তেতিয়া সন্ধিয়াৰ আন্ধাৰ অলপকৈ বিয়পিব ধৰিছে। মুড়ি আৰু ৰঙা চাহ খাই পুতুকণ আৰু জুনুমণি পঢ়িবলৈ বহিল। অম্বা বুঢ়ীয়ে সিহঁতৰ কাষত বহি বিচনী ঘূৰাই থাকিল। তেল কম হৈ থকা চাকিটো বতাহত বা লাগি ধপ্‌ধপাইছে। পুতুকণৰ পঢ়াত মন নাই। সৰু খেৰৰ টুকুৰা এটা লৈ সি চাকিটোৰ শিখাত বন্ধা ক'লা ক'লা গুটিবোৰ গুচাইছে।

অলপ পিছতে পুতেকো বজাৰৰ পৰা আহিল। বাপেকক দেখি পুতুকণে ডাঙৰ ডাঙৰকৈ পঢ়িবলৈ ধৰিলে। বোৱাৰীয়েকে আহি বজাৰৰ মোনাখন লৈ গ'ল। পুতেকেও ভৰি-হাত ধুই আহি মূঢ়া পাৰি চোতালতে বহিল। বোৱাৰীয়েকে কেৰাচিন তেলৰ বটলটো আনি এবাৰ চাকিটো পূৰাই থৈ গ'ল। পিছৰবাৰত আহি বুঢ়ী আৰু পুতেকক চাহ দি গ'ল। বোৱাৰীয়েক এইবাৰ ভাত ৰন্ধাত ব্যস্ত হ'ল। কিছু সময় ডাঙৰ ডাঙৰকৈ পঢ়ি পুতুকণে টোপনিয়াবলৈ লাগিল। জুনুমণিয়েও ফলিখনত লিখি লিখি বিৰক্ত হোৱাত আইতাকৰ কোঁচত উঠিল।

'আইতা, সাধু ক।' পুতুকণে আব্‌দাৰ কৰিলে। অম্বা বুঢ়ীৰ আজি ক'তোৱেই মন লগা নাই। বোৱাৰীয়েকে পাকঘৰত খুটুং-খাটাং কৰিছে। পটাত কিবা থেঁতেলিয়াইছে। গৰম তেলত ঘনাই চৰ্চৰণি উঠিছে। ভজা মাছৰ অপূৰ্ব সুবাস এটা আহি তেওঁৰ নাকত লাগিছে। নাই, কথা কোৱাৰ একেবাৰে ইচ্ছা নাই এতিয়া তেওঁৰ। তথাপি সিহঁতহালৰ ভাত নোখোৱাকৈ টোপনি আহিব পাৰে বুলি ভাবিয়েই দুয়োটাকে জগাই ৰাখিবলৈ তেওঁ সাধু আৰম্ভ কৰিলে।

এটা সাধু শেষ হ'ল। নাই, পাকঘৰৰ শব্দবোৰ শেষেই হোৱা নাই। বুঢ়ী অধৈৰ্য্য হ'ল। কিনো ইমান ৰান্ধিছে বোৱাৰীয়েকে? বুঢ়ীৰ ভাব হ'ল যেন বোৱাৰীয়েকে ইমান দীঘলীয়া সময়ৰ বাবে আগতে কেতিয়াও ভাত ৰন্ধা নাই।

পুতুকণ এবাৰ লৰি গৈ পাকঘৰত সোমাল। দুহাতে দুটুকুৰা ভজা মাছ লৈ বাহিৰ ওলাল।

'মোকো দে, মোকো দে।' জুনুমণিয়ে হাহাকাৰ লগালে।

'যা নিজে লৈ খা।' পুতুকণে হাতৰ মাছ লুকুৱালে। এইবাৰ জুনুমণিয়ে বুঢ়ীৰ কোঁচৰ পৰা উঠি পাকঘৰলৈ লৰ দিলে। বুঢ়ীৰ মুখখন পানীময় হ'ল। হে হৰি, খোৱাৰ সময়লৈ এই দুটাই কিবা এৰিবনে? 'হয়নে, হৈছে যদি ইহঁত দুটাক খুৱাই নলৰ কিয়? খাই লৈ শুই থাকক।' মনৰ ভাব লুকুৱাই ৰ'ব নোৱাৰি তেওঁ বোৱাৰীয়েকক চিঞৰিলে। 'হ'লেই আৰু।' বোৱাৰীয়েকে ভিতৰৰ পৰা মাত লগালে। উতলত দিয়া মচলা আৰু ধনিয়া পাতৰ মিশ্ৰিত সুবাস এটা বুঢ়ীৰ নাকত লাগিলহি। পেটৰ ভোকটোৱে যেন বান্ধত পৰা মাছটোৰ দৰে চটফটাই উঠিল। কিছুসময়ৰ পাছতেই ভাত বাঢ়ি বোৱাৰীয়েকে সকলোকে মাতিলে। ভাতৰ পাতত বহি বুঢ়ীয়ে মন কৰিলে বোৱাৰীয়েকে ৰান্ধো বুলিয়েই ভাতসাঁজ ৰান্ধিছে। কমকৈ আলু দি ৰন্ধা মাছৰ আঞ্জা, হয়তো মঙলবৰীয়া বজাৰলৈ সাঁচি ৰখা কণবেঙেনাৰ ভাজি, মচলা দি ৰন্ধা কঁঠালৰ মুচিৰ তৰকাৰী। কিজানি দুসাঁজৰ আঞ্জাৰ খৰচ বোৱাৰীয়েকে এই সাঁজতে কৰি পেলালে। বুঢ়ীয়ে পানী এচলু চটিয়াই 'কৃষ্ণ কৃষ্ণ' বুলি ভাতত আঞ্জা সানিলে। বোৱাৰীয়েকৰ হাতখন ভাল। বহুদিনৰ মূৰত তৃপ্ত হোৱা সকলোৱে জিভাকেইখনে ভোগৰ সোৱাদ নিঃশব্দে লবলৈ ধৰিলে। বোৱাৰীয়েকে ভজা মাছ এটুকুৰাকৈ প্ৰত্যেকৰে কাঁহীত দি গ'ল। পূৰ্ঠ হোৱা মাছটোৰ মঙহত যেন অমৃতৰ স্বাদহে উঠিছে। ল'ৰা-ছোৱালী দুটায়ো খুজি খুজি ভাত-আঞ্জা খালে। অম্বা বুঢ়ীৰ মন ভৰি অহা নাই। মাথোঁ দুটুকুৰাকৈহে ভাগত পৰিলনে ইমান ডাঙৰ

মাছটোৰ?

‘পুৰালৈ আঞ্জাৰ মাছ ৰাখিছ নহয়। তেল উঠা মাছৰ সোৱাদ থৈ দিলেহে বেছি।’

শেষৰ গৰাহ ভাত গিলি বুঢ়ীয়ে বোৱাৰীয়েকক সুধিলে।

‘ৰাখিছো দিয়ক অকণমান।’ পানীৰ লোটাটো আগবঢ়াই দি বোৱাৰীয়েকে ক’লে। ‘পুৰা মোক অকলেই লাগিব।’ পুতুকণে চিঞৰিলে।

‘নহয়, মোকো লাগিব।’ জুনুমণিৰ চিঞঁৰ আৰু বেছি।

‘এতিয়া টোপনি নগৈ চিঞৰি থাক। পুৰা এটায়ো নাপাৰ।’ বোৱাৰীয়েকে দুয়োটাকে ধমক লগালে। মাকৰ ধমকি খাই দুয়োটাই গৈ বিছনাত উঠিল। পুতেকো খোৱাৰ পাতৰ পৰা উঠিল। অম্বা বুঢ়ীও উঠি আহিল। তামোল কাটি এখন বোৱাৰীয়েকৰ কাৰণে ৰাখি এখন পুতেকক দিলে। বোৱাৰীয়েকে ভাত খাই, বাচন ধুই পাকঘৰ বন্ধ কৰালৈ ভালেখিনি ৰাতিয়েই হ’ল।

বিছনাত পৰিও অম্বা বুঢ়ীৰ টোপনি নাহিল। হাতত লাগি থকা ধনিয়া পাতৰ সুবাস মিশ্ৰিত পূৰঠ মাছৰ গোন্ধটোৱে চকুৰ পতা জাপ খাবই নিদিলে। আস্! এটা যুগৰ পাছতহে যেন জিভাত লাগিল বিচাৰি থকা এনে সোৱাদ। হঠাৎ যেন শান্ত হ’ব নোখোজা লোভটোৱে আকৌ এবাৰ জপিয়াই উঠিল। ৰঙচুৰা বৰণৰ তেল ওপঙি থকা আঞ্জাখনত তেলত পৰি ফালি যোৱা মাছৰ টুকুৰাকেইটাৰ কথা মনত পৰাৰ লগে লগে বুঢ়ীৰ কাৰণে আৰু শুই থকা সম্ভৱ হৈ নাথাকিল। কোনে জানে আৰ কিমান দিনৰ পাছত বা আহে এনে এটা ভোগৰ দিন?

ৰাতিপুৱালৈ আৰু এটা ৰাতিৰ পৰ....অম্বা বুঢ়ীৰ ধৈৰ্য্য শেষ হৈ যায়। ৰাতি কেতিয়াবা দৰকাৰ হ’ব পাৰে বুলিয়েই পাকঘৰৰ চাবি এপাট বুঢ়ীৰ লগতো থাকে। হাতত সাৰে ভৰিত সাৰে পাকঘৰৰ দুৱাৰখন খুলি চৌকাৰ ওপৰত দুখন ঢাকনী দি ৰখা কেৰাহীটো চুব খোঁজোতেই বুঢ়ী চক্ খাই উঠিল। হে ভগৱান!! এয়া কি কৰিবলৈ ওলাইছে তেওঁ? পুৱাই উঠি নাতিল’ৰা-ছোৱালীহালে হাহাকাৰ নলগাবনে? সিহঁতৰ মুখৰ পৰা কাঢ়ি নি লোভ পূৰাবনে বাৰু তেওঁ? এয়া অন্যায়, ঘোৰ পাপ। কিন্তু এয়া কি? তেওঁ যে নিজৰ ভৰি দুখনক সেই ঠাইৰ পৰা লৰচৰ কৰাব পৰা নাই!!

হঠাৎ বহু পুৰণি চিনাকি গোন্ধ এটা তেওঁৰ নাকত লাগিছে। এয়া ঘিউত ভজা মাংসৰ গোন্ধ....গাখীৰেৰে চপ্‌চপীয়া হৈ থকা কোমল চাউলৰ গোন্ধ....।

লোভটো উতলত পৰিছে। কাহানিও শেষ কৰিব নোৱাৰা ভোক এটা ভক্‌ভকাই উতলিব ধৰিছে। গোন্ধটোৱে অম্বা বুঢ়ীক আৱৰি ধৰিছে।

‘পুৰা মোক অকলেই লাগিব।’

অম্বা বুঢ়ী পুতুকণ হৈ গৈছে।

হয়, ৰঙচুৰা বৰণৰ আঞ্জাখনৰ পূৰঠ গোন্ধটো তেওঁ এইবাৰ বহু ওচৰৰ পৰা পাইছে। ■

গল্প

# দুপাহ সৰা ফুল




আয়েশা চিদ্দিকা
প্ৰাক্তন ছাত্ৰী


'বাইদেউ ভাড়াটো দিয়ক', হেণ্ডিমেনৰ মাতত চক্‌মক্‌কৈ সাৰ পাই তাই মানিবেগটো বিচৰাত লাগিল। কিন্তু গোটেই বেগটো খুচৰিও তাই মানিবেগটো বিচাৰি নাপালে। তাইৰ এতিয়াহে মনত পৰিল যে খৰ্‌ধৰ্‌কৈ ওলাই আহোতে তাই মানিবেগটো আনিবলৈ পাহৰিলে। তাইৰ বুকুখন দুৰু দুৰু কঁপিবলৈ ধৰিলে। হেণ্ডিমেন জনে বাৰু তাইক আধা বাটতে নমাই দিব নেকি? কাষৰ ল'ৰাটোৱে তাইৰ গোটেই পৰিস্থিতিটো লক্ষ্য কৰি আছিল। সি সুধিলে 'ক'ত নামিব আপুনি'? তাই কোনোমতে উত্তৰ দিলে 'গেটত'। ল'ৰাটোৱে ক'লে 'ময়ো তাতেই নামিম। ভাড়াটো মই দিছোঁ বাৰু'। এতিয়াহে যেন তাই শান্তিৰে উশাহ লব পাৰিলে। বাছৰ পৰা নামি তাই প্ৰথমবাৰলৈ তাৰ মুখৰ পিনে চালে। সিও। মিঠা বৰণীয়াকৈ ওখ সুন্দৰী ছোৱালীজনী। চকু দুটাই যেন অনবৰতে কিবা কৈ থাকিব খোজে। সি সুধিলে 'কি নাম আপোনাৰ'? তাই খপ-জপকৈ ক'লে - 'নিশি .....নিশিতা দত্ত আৰু আপোনাৰ' ? সি ক'লে 'নিলোৎপল। আজিলৈ এৰো তেন্তে'। সি লৰালৰিকৈ গুচি গ'ল। তাই সি যোৱাৰ ফালে এপলক চাই ৰ'ল। মনটো তাৰ প্ৰতি কৃতজ্ঞতাৰে উপচি পৰিল। নতুনকৈ এডমিশ্যন লোৱা লৰা-ছোৱালীবিলাকৰ লগতে চিনাকি হোৱাৰ ইচ্ছাৰে কটন কলেজৰ ঠায়ে ঠায়ে লৰা-ছোৱালীৰ জুম বান্ধিছে। নিশিয়ে ভয়ে ভয়ে ক্লাছ ৰুমৰ দিশে আগবাঢ়িল। আজি তাইৰ কলেজৰ প্ৰথম দিন। কিবা হয় নেকি........... । হঠাৎ এজন ল'ৰা আগবাঢ়ি আহি নিশিক কলে 'Excuse me please.......' তাই পিছফালে ঘূৰি চালে। 'কি নাম তোমাৰ'? ........... বিহু নাচ................ হঠাৎ গোটেই জাকে কিৰিলি মাৰি উঠিল। এনেতে এজনে কৈ উঠিল 'ঠিক আছে, তুমি তেন্তে এটা হিন্দী গানত বিহু নাচ কৰি দেখুওৱা'। তাই অপ্ৰস্তুত হৈ ক'লে 'মই নোৱাৰিম'। 'ঠিক আছে, তুমি যদি নাচিব নোৱাৰা তেন্তে এটা কবিতা আবৃতি কৰা'। আকৌ এবাৰ গোটেই কেইজনে কিৰিলি মাৰি উঠিল। তাইৰ চকু চলচলীয়া হৈ পৰিল। তাই কেৱল ওঁঠ দুটা কামুৰি তলমূৰকৈ থাকিল। এনেতে তাই কোনোবাই কোৱা যেন শুনা পালে, 'এই নিশি, তই ইয়াত আছ আৰু তোক বিচাৰি মই হাবাথুৰি খালো। ব'ল ব'ল তোৰ লগত মোৰ কথা আছে'। তাই ঘূৰি চালে। নিলোৎপল। নিলোৎপলে ক'লে 'অ তহঁতৰ লগত তাইক চিনাকি কৰি দিয়াই নাই। এইজনী মোৰ খুড়াৰ ছোৱালী। অই নিশি ব'ল তোৰ লগত মোৰ অলপ কথা আছে।' সি এক প্ৰকাৰ তাইক জোৰ কৰিয়েই লৈ আহিল। তাই হতভম্ব হৈ ক'লে 'মই আৰু খুড়াৰ ছোৱালী?' 'আচলতে মই এইফালেদি আহি থাকোতে আপোনাক ৰেগিং কৰা দেখিলো। সেইকাৰনে অকণমান মিছা মাতি আপোনাক আতৰাই আনিলো। আপুনি নতুনকৈ এডমিশ্যন লৈছে নেকি?' তাই উচ্ছাসেৰে উত্তৰ দিলে 'ও, হয়। মই এইবাৰ নতুনকৈ এডমিশ্যন ললো।' 'এতিয়া লগ পালো মানে মাজে মাজে লগ হৈয়ে থাকিম নহয়নে?' নিলোৎপলে ক'লে। নিশিয়ে হাঁহি হাঁহি ক'লে 'নিশ্চয় আজিলৈ এৰো তেন্তে নিলোৎপল দা। মোৰ ক্লাছ এটা আছে'। এনেদৰে কৈ নিশিয়ে খৰধৰ কৈ ক্লাছৰ ৰুমৰ পিনে খোজ ললে। নিলোৎপলে একে থিৰে তাইলৈ চাই ৰ'ল। সুন্দৰী নিশিজনীৰ হাই হিলৰ শব্দই যেন তেওঁৰ হৃদয়ত এক কম্পনৰ সৃষ্টি কৰিলে। ইয়াৰ পাছত সি নিশিক বহুবাৰ লগ পাইছে। কেতিয়াবা ক্লাছৰ শেষত কেতিয়াবা লাইব্ৰেৰীত, কেতিয়াবা কলেজৰ বাহিৰত। সিহঁতৰ বন্ধুত্বৰ এনাজৰীডাল লাহে লাহে দৃঢ় হৈ আহিছে। তথাপিও নিলোৎপলে তাৰ মনৰ কথাবোৰ আজিলৈ খুলি কব পৰা নাই। তাৰ ভয় হয় কলেই যদি সিহঁতৰ বন্ধুত্বটো ভাঙি যায়।

'নিলোৎপল দা', নিশিৰ কথা শুনি সি চক্‌ খাই উঠিল। 'হঠাৎ মাতি আনিলা, কিবা বিশেষ কথা আছে নেকি'? 'বহা ইয়াতে। অলপ দৰকাৰী কথা আছিল'। সি অলপ আতৰি গৈ ক'লে। তাৰ পিছত সিহঁতে কিমান সময় নীৰৱতাত কটালে গমকে নাপালে। সি আজিও একো কব পৰা নাই। অজানিতে তাৰ দুচকুৰ পৰা চকুলো বৈ আহিল। সেই সময়ত নিশিয়ে যেন সকলো বুজি উঠিল। তাই ক'লে 'মই সকলো বুজি পাওঁ নিলোৎপল দা।' তাই আলফুলে তাৰ নিগৰি অহা চকুপানী মচি ক'লে 'মইও তোমাক ভালপাওঁ নিলোৎপল দা। বৰ ভাল পাওঁ।' দুটা বছৰ হাঁহি ধেমালিৰ মাজেৰে পাৰ হৈ গ'ল। সিহঁতে গমকে নাপালে। ফাইনেল পৰীক্ষালৈ তাৰ আৰু এমাহ বাকী। নিলোৎপল পুৱা দমে পঢ়াত লাগিল।

কেইদিনমান পিছত পৰীক্ষা শেষ হ'ল। কাইলৈ সি ঘৰলৈ যাবগৈ। সেয়ে সি আবেলি, নিশিক লগ কৰিলে। নিশিয়ে একেথৰে আকাশৰ পিনে চাই ৰ'ল। নিলোৎপলে সুধিলে 'কি ভাবিছা নিশি'? নিশিয়ে কলে 'তুমি মোক এৰি কাইলৈ ঘৰলৈ যাবাগৈ নিলোৎপল দা।' তাই হঠাৎ উচুপি উঠিল। সি তাইৰ মুখখন তুলি ধৰি কলে; 'এই নিশি, তোমাক কোনে ক'লে মই তোমাক এৰি গুচি যাম বুলি? মই পৰীক্ষা দিলো, যদি পৰীক্ষা ভাল হয় কিবা এটা সেৱা পোৱাৰ লগে লগে তোমাক একেবাৰে লৈ যামহি।' 'তুমি যদি সলনি হৈ যোৱা তেন্তে মই কি কৰিম?' তাই থোকাথুকি মাতেৰে ক'লে। নিলোৎপলে ক'লে 'মোৰ ওপৰত তোমাৰ বিশ্বাস নাই, নিশি? নিশিয়ে ক'লে 'নহয় নিলোৎপলদা, তুমি বুজা নাই। তোমাৰ ওপৰত মোৰ পুৰা মাত্ৰাই বিশ্বাস আছে। কিন্তু পৰিস্থিতিত পৰি যদি তুমি সলনি হৈ যোৱা' নিশিয়ে ক'লে। নিলোৎপলে ক'লে 'শুনা নিশি, তোমাৰ ছবি মোৰ হৃদয়ত সদায় থাকে আৰু থাকিব। তোমাৰ আৰু মোৰ মাজত কোনেও থিয় দিব নোৱাৰিব। চাও তোমাৰ হাতখন দিয়াচোন।' সি তাইৰ অনামিকা আঙুলিটোত তাৰ ৰূপৰ আঙুঠিটো পিন্ধাই দি ক'লে 'নিশি মোৰ মৰমৰ চিহ্নৰূপে তোমাক ইটোকে দিলো। বিপদৰ সময়ত ইয়ে তোমাৰ কাষত প্ৰেৰণা হৈ থিয় দিব'। এই কথাবোৰ কৈ সিহঁত দুজনে এৰা-এৰি হ'ল।

আজি তিনিবছৰ হ'ল। নিশিৰ অসহ্য লাগিছে। নিলোৎপলৰ কোনো খা-খবৰ নাই। নিলোৎপললৈ ৰৈ ৰৈ তাই ভাগৰি পৰিছে। তাইৰ বন্ধু-বান্ধৱীৰ মুখৰ পৰা ঘুনুক-ঘানাককৈ শুনা পাইছে যে নিলোৎপলে কোনো চাকৰি বাকৰি নাপাই সন্ত্ৰাসবাদত যোগ দিছে। নিশিৰ বিশ্বাস হোৱা নাই যে নিলোৎপলে মানুহ মাৰিব পাৰিব। সি তেজ দেখিলেই ভয় কৰে। নিশিৰ মনে কয় দেৰিকৈ হলেও সি এদিন তাইক লৈ যাবহি। এনেকৈ তাই তাইৰ হব লগা বিয়াও ভাঙি দিলে। নিলোৎপলৰ বাহিৰে আনৰ লগত জীৱনটো কটোৱা কথা তাই ভাবিবই নোৱাৰে। এনেতে এদিন মাকে নিশিক ক'লে 'তোক চাবলৈ এটা ল'ৰা আহিব। আগৰ নিচিনা ওলট-পালট নকৰিবি। নহ'লে মোৰ মৰা মুখ দেখিবি।' তাইৰ অন্তৰ খনে কান্দি উঠিল। তাইক কোনেও বুজি নাপায়। মাকক সুখী কৰিবলৈ হয়তো তাই এই বিয়াত মত দিব লাগিব।

আজি নিশিৰ বিয়া। গোটেই ঘৰ উদুলি- মুদুলি। তাইৰ বাহিৰে হয়তো সকলো সুখী। কেৱল তাইহে সুখী হব পৰা নাই। তাইৰ মনটো অনবৰতে নিলোৎপলৰ কাষলৈ গৈ আছে। তাইৰ বিশ্বাস আছে যে সি আহিবই।

দৰা অহাৰ সময় হৈছে। তাইক সজাই সকলোবোৰ মানুহ দৰাক আদৰিবলৈ আগবাঢ়ি গৈছে। নিলোৎপল এতিয়াও আহি নাপালে। নিশিৰ বুকুখন দুৰু দুৰু কৈ কঁপিবলৈ ধৰিলে। আজিৰ পৰা নিশিৰ সকলো দায়িত্ব এজন বেলেগ মানুহৰ হাতত অৰ্পন কৰা হ'ব। ইয়াত তাইৰ ইচ্ছা-অনিচ্ছাৰ কোনো কথা নাই। তাইৰ মাকে কেইমাহ মান আগতে আনি থোৱা উইপৰুৱা মৰা ঔষধৰ বটলটোৰ কথা মনত পৰিল। ৰাতিপুৱাবলৈ এতিয়াও বহু সময় বাকী। এলাৰ্মৰ শব্দত নিলোৎপল একেজাপে বিছনাৰ পৰা উঠিল। সি আজি নিশিৰ ঘৰলৈ যাবই লাগিব। বাবুলৰ পৰা পোৱা খবৰ মতে নিশিৰ হেনো বিয়া ঠিক হৈছে। সি নিশিৰ বিষয়ে ভালদৰে জানে যে, তাই নিজৰ জীৱন শেষ কৰি দিব তথাপিও আনৰ লগত বিয়াত নবহে। হয়তো মাক-দেউতাকৰ জোৰতে তাই এই বিয়াত মত দিছে। সি তাৰ বাইকখন লৈ নিশিৰ ঘৰৰ পিনে যাত্ৰা আৰম্ভ কৰিলে। কিন্তু এয়া কি? নিশিহঁতৰ ঘৰত মানুহৰ জুম। ওচৰত থকা মানুহ কেইজনে কৈ আছে 'ইমান ঠাণ্ডা ছোৱালীজনীয়ে এনেকুৱা কাম কৰিব বুলি ভবা নাছিলো'। তাৰ বুকুখন কঁপি উঠিল। সি লাহে লাহে ভিতৰলৈ সোমাই গ'ল। সি দেখিলে সন্মুখৰ কোঠালিটোত কোনোবা এজনক বগা কাপোৰেৰে ঢাকি থোৱা হৈছে। সি আগবাঢ়ি গ'ল। মূৰৰ বগা কাপোৰখন গুচাবলৈ লওঁতে তাৰ হাতখন কঁপি উঠিল। সি দেখিলে নিশি নিশ্চিন্ত হৈ শুই আছে। সি তাইৰ গাত জোকাৰি দি ক'লে 'নিশি, অ' নিশি, উঠা। মই আহিছো নহয়। মই এইবাৰ তোমাক একেবাৰে লৈ যাম। হ'ব, অভিমান এৰাচোন। চোৱা মই সচাঁকৈয়ে আহিছো। এই নিশি। প্লীজ এবাৰ চকু মেলা।' নিলোৎপলে হুক-হুকাই কান্দি উঠিল।

'নিশি আৰু এই জগতত নাই। তাই আমাক এৰি থৈ গৈছে। তুমি ইমান দিনৰ ভিতৰত এবাৰো নাহিলা কিয়?' এই বুলি নিশিৰ মাকে কান্দি কান্দি ঢলি পৰিল। এনেতে কোনোবাই নিশিয়ে লিখি থৈ যোৱা চিঠিখন নিলোৎপলৰ ওচৰলৈ আগবঢ়াই দিলে। নিলোৎপলে চিঠি খন পঢ়িবলৈ আৰম্ভ কৰিলে ----

নিলোৎপল দা ----

তোমাৰ বাহিৰে মই আনৰ লগত বিয়া হোৱাৰ কথা ভাবিবই নোৱাৰো। এই জনমত আমাৰ মিলন নহ'ল সঁচা। কিন্তু তুমি কৈছিলা আমাৰ মিলন জন্ম-জন্মান্তৰৰ বুলি। মৃত্যু আমাৰ প্ৰেমৰ শেষ সীমা নহয়। তোমাৰ মৰমকে আশীষ হিচাপে লৈ মই মৰিবলৈ সাহস পাইছো। পাৰিলে মোক ক্ষমা কৰি দিবা।

ইতি --

তোমাৰ নিশি

চিঠিখন পঢ়ি নিলোৎপল পাগলৰ নিচিনা হৈ গ'ল। এনেতে বাহিৰত পুলিচৰ গাড়ীৰ শব্দ শুনা গ'ল। সি অকনো সময় নষ্ট নকৰি ঘৰৰ পিছফালে দৌৰিবলৈ ধৰিলে। তাৰ লক্ষ্য এতিয়া মাকক শেষ বাৰৰ বাবে দেখা পোৱাৰ। সি জানে যে তাৰ মৃত্যু এতিয়া নিচেই ওচৰত। সি জংগলৰ মাজেদি বাট ললে। অলপ পিছত সি স্পষ্ট ৰূপত দেখা পালে তাৰ মাকে কাপোৰ মেলি আছে। সি 'মা' 'মা' বুলি চিঞঁৰি উঠিল। মাকে আচৰিত হৈ তাৰ পিনে আগবাঢ়ি গ'ল। এনেতে পাছে পাছে অহা পুলিচৰ বন্দুকৰ গুলিয়ে তাৰ বুকুত ভেদি গ'ল। সি মাটিত ঢলি পৰিল। তাক আত্মসমৰ্পণৰ সুবিধাও দিয়া নহ'ল। মাকে তাৰ তুমৰলি দেহাটো আলফুলে সাবটি ললে। তাৰ মুখৰ পৰা অস্পষ্ট শব্দটো ওলাই আহিল 'মা'। তাৰ আৰু নিশিৰ জীৱনৰ জটিলতাবোৰ বহুত দূৰলৈ আতৰি গ'ল। কিন্তু এনেকৈয়ে হয়তো বহু গৰাকী মাতৃৰ বুকু উদং হৈ ৰ'ল চিৰদিনৰ বাবে। ■



# অন্তিম পাতটো

.........

**প্ৰিয়তমা দাস**
প্ৰাক্তন ছাত্ৰী

ছ আৰু জলী, দুগৰাকী যুৱ শিল্পীয়ে এটা সৰু ফ্লেটত একেলগে বসবাস কৰিছিল।

নৱেম্বৰ মাহত জলী গুৰুতৰভাৱে অসুস্থ হৈছিল। তাইৰ নিউমোনিয়া হৈছিল। তাই লৰচৰ নকৰাকৈ তাইৰ বিছনাত পৰি আছিল, মাত্ৰ খিড়িকীৰে বাহিৰৰ পিনে চাইছিল। তাইৰ বান্ধবী ছ চিন্তিত হৈছিল। তাই চিকিৎসকক মাতিছিল। চিকিৎসকগৰাকী সদায় আহিছিল যদিও জলীৰ অবস্থাৰ কোনো পৰিবৰ্তন হোৱা নাছিল।

এদিনাখন চিকিৎসকে 'ছ'ক একাষৰীয়া কৰি লৈছিল আৰু তাইক সুধিছিল, "জলীৰ কোনো চিন্তা আছে নেকি?"

"নাই" ছই উত্তৰ দিছিল। "কিন্তু আপুনি কিয় সুধিছে?"

চিকিৎসক গৰাকীয়ে কৈছিল, "তাই সুস্থ হৈ নুঠিব বুলি তাই মনতে ভাবি লোৱা যেন ধাৰণা হৈছে। যদি তাই জীয়াই থাকিবলৈ নিবিচাৰে, ঔষধে তাইক সহায় নকৰিব।"

তাইৰ চাৰিওপিনে থকা বস্তুবিলাকৰ প্ৰতি আকৰ্ষিত কৰিবলৈ 'ছ'য়ে পাৰ্যমানে চেষ্টা কৰিছিল। তাই সাজ-পোচাকৰ কথা, ফেচন আদিৰ কথা কৈছিল, কিন্তু জলীয়ে উত্তৰ দিয়া নাছিল। জলীয়ে তেতিয়াও বিচনাতে বাগৰি আছিল। 'ছ'য়ে জলীৰ কোঠালৈ তাইৰ ড্ৰয়িং বৰ্ডখন আনিছিল আৰু ৰং কৰা আৰম্ভ কৰিছিল। জলীৰ মনৰ পৰা অসুস্থতাৰ ভাব আতৰ কৰিবলৈকে, তাই কাম কৰি থাকোতে সুঁহুৰি বজাইছিল।

হঠাতে জলীয়ে অস্পষ্ট সুৰত কোনো কথা কোৱা 'ছ'য়ে শুনিছিল। তাই শীঘ্ৰে জলীৰ বিচনাখনলৈ দৌৰ মাৰিছিল আৰু জলীয়ে পিছ মুৰাকৈ আখৰ গণনা কৰি থকা শুনিছিল। তাই খিৰিকীৰে বাহিৰলৈ চাই আছিল আৰু কৈছিল, - 'বাৰ'! কি সময়ৰ পাছত তাই ভোৰভোৰাই কৈছিল "এঘাৰ" পাছত পাছত 'দহ','ন','আঠ','সাত','ছ'য়ে আগ্ৰহেৰে খিৰিকীৰে বাহিৰলৈ চাইছিল। সিহঁতৰ খিৰিকীখনৰ বিপৰীতে ইটাৰ-বেৰৰ আধালৈকে এজোপা সেউজীয়া লতা গছ বগাই অহা তাই দেখিছিল। বাহিৰৰ-বতাহৰ কোবত লতাজোপাৰ পাতবিলাক সৰিবলৈ লৈছিল।

"এয়া কি?" 'ছ'ই সুধিছিল।

"ছ ...." জলীয়ে অস্পষ্টভাৱে কৈছিল। "এতিয়া পাতবোৰ দ্ৰুতগতিত সৰিছে। তিনিদিন আগলৈকে তাত প্ৰায় এশ মান পাত আছিল। এতিয়া মাত্ৰ তাত পাঁচটা পাতহে বাকী আছে।"

"এতিয়া শৰৎকাল", 'ছ'য়ে কৈছিল, "আৰু পাতবোৰ সৰিব।"

"যেতিয়া অন্তিম পাতটো পৰিব, মই মৰিম,"-জলীয়ে বিশ্বাসেৰে কৈছিল।

"মই এইটো যোৱা তিনিদিনৰ পৰা গম পাই আছো"। অহ, এইবোৰ অনৰ্থক কথা," 'ছ'য়ে উত্তৰ দিছিল। "তোমাক সুস্থ কৰাত এই পাতবোৰে কি কৰিব? তুমি সোনকালে আৰোগ্য হ'বা চিকিৎসক গৰাকী দৃঢ় বিশ্বাসী।

জলীয়ে একো কোৱা নাছিল। 'ছ'য়ে গৈছিল আৰু তাইৰ বাবে এবাতি চুপ আনিছিল।

"মোক কোনো চুপ নালাগে", জলীয়ে কৈছিল। মোৰ ভোক লগা নাই.... এতিয়া মাত্ৰ চাৰিটা পাত সৰিবলৈ বাকী আছে। সন্ধিয়া হোৱাৰ আগতে অন্তিম পাতটো সৰা মই চাবলৈ বিচাৰো। তাৰ পাছত মই চিৰদিনৰ বাবে টোপনি যাম।"

'ছ' জলীৰ বিছনাত বহিছিল, তাইক চুমা দিছিল আৰু কৈছিল, "তুমি মৰিবলৈ ওলোৱা নাই। মই পৰ্দাখন টানিব নোৱাৰো কাৰণ মোক পোহৰৰ প্ৰয়োজন। মই চিত্ৰখন শেষ কৰি আমাৰ বাবে কিছু পইচা আহৰণ কৰিব বিচাৰো, মোৰ প্ৰিয় লগৰী," তাই জলীক মিনতি কৰিছিল, "মই পেইন্টিংখন কৰি থাকোতে তুমি খিড়িকীৰে বাহিৰলৈ নাচাও বুলি প্ৰতিজ্ঞা কৰা।"

"ঠিক আছে", জলীয়ে কৈছিল। " তোমাৰ পেইন্টিংখন শীঘ্ৰে শেষ কৰা যাতে মই অন্তিম পাতটো সৰা দেখিবলৈ পাওঁ। মই বৈ বৈ ভাগৰি পৰিছো। মই মৰিব লাগে, সেয়ে সেই ভাগৰুৱা

পাতকেইটাৰ দৰে মোক শান্তিপূৰ্ণভাৱে মৰিবলৈ দিয়া।"

"শুবলৈ চেষ্টা কৰা" 'ছ' ই কৈছিল। "মই এগৰাকী বৃদ্ধ খনিকৰৰ চিত্ৰ অংকণ কৰিব লাগে। মোৰ আৰ্হিটো বনাবলৈ মই বেহৰমনক ওপৰলৈ মাতিম।"

তাই তললৈ নামিছিল। বেহৰমান ভূমি মহলাত আছিল।

তেওঁ এগৰাকী ষাঠি বছৰীয়া বৃদ্ধ চিত্ৰকৰ। তেওঁৰ জীৱনযোৰা সপোন আছিল এক সৰ্বশ্ৰেষ্ঠ চিত্ৰ অংকণ কৰা কিন্তু সেয়া সপোন হৈয়ে ৰৈছিল। তাই তাইৰ সকলোবিলাক কথা বেহৰমানক মুকলিকৈ কৈছিল। অন্তিম পাতটো সৰাৰ সময়ত জলীয়ে যে তাইৰ মৃত্যু হ'ব বুলি বিশ্বাস কৰিছিল সেই কথাও তাই তেওঁক কৈছিল।

"তাই মূৰ্খ নেকি?" বেহৰমানে সুধিছিল। "তাই কেনেকৈ ইমান বুৰ্বক হ'বলৈ পালে?"

"তাইৰ বেছিকৈ জ্বৰ হৈ আছে", 'ছ'ই অভিযোগ কৰিছিল। "তাই খাবলৈ অমান্তি হৈছে আৰু ইয়ে মোক অধিক চিন্তিত কৰিছে।"

"মই তোমাৰ সৈতে যাম আৰু জলীক চাম," বেহৰমানে কৈছিল।

তেওঁলোকে শব্দ নকৰাকৈ মনে মনে কোঠাটোৰ ভিতৰত সোমাইছিল। 'ছ'ই পৰ্দাখন টানিছিল আৰু তেওঁলোকে আনটো কোঠালৈ গৈছিল। তাই খিৰিকীৰে বাহিৰলৈ চাইছিল। লতাজোপাত মাত্ৰ এটা পাত আছিল। ধাৰাসাৰ বৰষুণ দি আছিল আৰু বৰফ সদৃশ শীতল বতাহ বলিছিল। যিকোনো মুহূৰ্ততে পাতটো সৰি পৰিব যেনে লাগিছিল। বেহৰমানে এটা শব্দও কোৱা নাছিল। তেওঁ তেওঁৰ কোঠালৈ উভতি গৈছিল।

পিছদিনা ৰাতিপুৱা জলীয়ে সাৰ পাইছিল। দুৰ্বল কণ্ঠেৰে তাই ছক পৰ্দাখন আতৰাবলৈ কৈছিল। 'ছ' হতাশ হৈছিল। তাই অনিচ্ছাকৃতভাৱে পৰ্দাখন আঁতৰাইছিল।

"অহ" লতাজোপা প্ৰত্যক্ষ কৰি তাই আশ্চৰ্য প্ৰকাশ কৰিছিল।

"চোৱা লতাজোপাত এতিয়াও এটা পাত আছে। ইয়াক সম্পূৰ্ণ সেউজীয়া আৰু তজবজীয়া দেখা গৈছে। ধুমুহা আৰু তীব্ৰবেগী বতাহ প্ৰবাহিত হোৱা স্বত্বেও, ই সৰি পৰা নাছিল।"

"মই যোৱা নিশা বতাহৰ শব্দ শুনিছিলোঁ", জলীয়ে কৈছিল। "মই পাতটো সৰি পৰিব বুলি ভাবিছিলো আজি এইটো নিশ্চিতভাৱে সৰিব। তেতিয়া মই মৰিম।"

"তুমি মৰিব নোৱাৰা," 'ছ'ই উৎসাহজনকভাৱে কৈছিল। "তুমি তোমাৰ বান্ধৱীৰ বাবে জীয়াই থাকিব লাগিব। তুমি মৰিলে মোৰ কি অৱস্থা হ'ব?"

জলীয়ে মৃদুভাৱে হাঁহিছিল আৰু তাই চকু যুৰি মুদিছিল। প্ৰতি ঘণ্টাৰ মূৰে মূৰে তাই খিৰিকীৰে বাহিৰলৈ চাইছিল আৰু পাতটো লতা জোপাতে লাগি থকা পাইছিল। ই লতাজোপাত জোৰকৈ ধৰি থকা যেন লাগিছিল।

সন্ধিয়া সময়ত পুনৰ এক ধুমুহা হৈছিল কিন্তু পাতটো সৰি পৰা নাছিল। জলীয়ে পাতটোৰ পিনে চাই বহু সময় বিচনাত পৰি আছিল। তাৰ পাছত তাই 'ছ'ক মাতিছিল।

"মই এজনী বেয়া ছোৱালী। তুমি মোক ইমান মৰমেৰে চোৱাচিতা কৰিছা আৰু মই তোমাৰ সৈতে সহযোগ কৰা নাই। মই অৱসাদগ্ৰস্ত আৰু উদাস হৈছিলো। মই কিমান দুষ্ট সেয়া অন্তিম পাতটোৱে মোক দেখুৱালে। মই মৰিবলৈ বিচৰাটো এটা পাপ হৈছে বুলি মই উপলব্ধি কৰিছো।"

'ছ'ই জলীক সাবটি ধৰিছিল। তাৰ পাছত তাই জলীক কিছু গৰম চুপ আৰু এখন আইনা দিছিল। জলীয়ে তাইৰ চুলি ফনিয়াইছিল আৰু আনন্দতে হাঁহিছিল।

সন্ধিয়া সময়ত চিকিৎসকগৰাকী আহিছিল। তেওঁৰ ৰোগীক পৰীক্ষা কৰাৰ পাছত তেওঁ ছক কৈছিল, "জলীয়ে এতিয়া জীয়াই থাকিবলৈ ইচ্ছা কৰিছে। মই নিশ্চিত যে তাই শীঘ্ৰে আৰোগ্য হ'ব। এতিয়া মই তলৰ মহলালৈ যাব লাগে আৰু বেহৰমানক চাব লাগে। তেৰো নিউমোনিয়াত ভুগি আছে। কিন্তু মই শংকিত হৈছো, তেওঁ বচাৰ আশা নাই।"

পিছদিনাখন ৰাতিপুৱা ছ আহিছিল আৰু জলীৰ বিচনাত বহিছিল। জলীৰ হাতখন তাইৰ হাতত তুলি লৈ তাই কৈছিল, " মই তোমাক এটা কথা কব খোজোঁ। আজি ৰাতিপুৱা নিউমোনিয়াত মিঃ বেহৰমানৰ মৃত্যু হৈছে। তেওঁ মাত্ৰ দুদিন ধৰি অসুস্থ হৈ আছিল। প্ৰথম দিনাখন চকীদাৰজনে তেওঁক বিচনাত দেখিছিল। তেওঁৰ কাপোৰ আৰু জোতাযোৰ তিতিছিল আৰু তেওঁ কঁপি আছিল। সিদিনা ধুমুহাৰ নিশা তেওঁ বাহিৰত আছিল।"

তেওঁলোকে তেওঁৰ বিচনাৰ কাষত এডাল জখলা পাইছিল আৰু লেম্পটো তেতিয়াও জ্বলিয়ে আছিল। জখলাডালৰ ওচৰত কেইডালমান তুলিকা আৰু সেউজীয়া আৰু হালধীয়া ৰং মজিয়াত পৰি আছিল। "মৰমৰ জলী", ছৱে কৈছিল, " খিৰিকীৰে বাহিৰলৈ চোৱা। সেই সেউজীয়া পাতটোলৈ চোৱা। বতাহ বলি থকা স্বত্বেও পাতটো লৰচৰ নকৰা দেখি তুমি বিস্মিত হোৱা নাইনে? সেয়া হৈছে বেহৰমানৰ সৰ্বশ্ৰেষ্ঠ কাম। অন্তিম পাতটো সৰা দিনাখন ৰাতি তেওঁ সেইটো ৰং কৰিছিল।" ■

('অন্তিম পাতটো', 'O Henry'ৰ 'The Last Leaf' ৰ অনুবাদ)

এক মিনিটৰ গল্প



# এক মিনিটৰ গল্প

**অৰুনিমা দাস**
প্ৰাক্তন ছাত্ৰী

আৰ তাৰ ঘৰত কাম কৰি কৰি মানুহজনী বেচ ভাগৰি ঘৰলৈ ওভতে। তেওঁ ঘৰখন কোনোমতেহে চলাই আছে। পুলক তেওঁৰ জীয়াই থকাৰ উৎস। তাৰ বাপেক অনবৰতে কাণিৰ ৰাগিত একো ক'ব নোৱাৰা হৈ থাকে। দেউতাকৰ প্ৰহাৰ, গালি-গালাজৰ পৰা বচাবলৈ তেওঁ মাজে মাজে তাক কামলৈ যাওঁতে লগতে লৈ যায়।

সেইদিনা তাৰ ভীষণ জ্বৰ। জ্বৰত সেহাই সেহাই পুলকে মাকক ক'লে- "মা! জুমনৰ দেউতাকক উগ্ৰপন্থীয়ে গুলীয়াই মাৰিলে নহয়। সিহঁতে এতিয়া চৰকাৰৰ পৰা এক লাখ টকা পাব। আমাৰ দেউতাকো যদি কোনোবাই গুলীয়াই হত্যা কৰিলেহেতেন।" ■

অনুগল্প



# সুখৰ অশ্ৰু

**মধুস্মিতা দাস**
প্ৰাক্তন ছাত্ৰী

বিমলাই পাকঘৰত সকলোৰে বাবে চাহ পানীৰ যোগাৰ কৰি বাকী থকা কামবোৰ এবাৰ ভালদৰে জুকিয়াই ললে। ঘৰৰ কামবোৰ ৰাতিপুৱাৰ পৰা কৰোতে কৰোতে ভাগৰি পৰিছে যদিও বিচনাৰ কাপোৰ কানিখিনি ঠিক কৰিবলৈ লওতে কনকে কোঠালিটোৰ ভিতৰলৈ আহি মাত লগালে-

- কি হ'ল নো, আজি দেখোন মুখখন একেবাৰে ওফোন্দাই আছা?

- হ'ব আপোনাৰ একো কাম নাই হ'বলা?

- আছে আছে। বাৰু তুমি যে ৰাতিপুৱাৰে পৰা সকলো কাম কৰি আছা বনকৰা ছোৱালীজনী অহা নাই নেকি?

- বনকৰা ছোৱালী বুলি কৈছে যে, তাইক বনকৰা ছোৱালীৰ পৰিৱৰ্তে তাইৰ নিজৰ নাম মানে নমিতা বুলি মাতিব নোৱাৰি নে?

- হ'ব দিয়া কিনো হ'ব ক'লেই হ'ল, তাত আকৌ ইমান দুখ কৰিব লগা কি আছে।

- দুখ কৰিব লগা কথা আছে কাৰণ আপুনি এইবোৰ কথাৰ সন্মূখীন হোৱা নাই। কিন্তু মই হৈছো। মোৰ জীৱনৰ এনে এটা ঘটনা আছে যাৰ বিষয়ে মই কাৰো আগত প্ৰকাশ কৰা নাছিলো যদিও আজি কওঁ শুনক। মই সৰু থাকোতে এবাৰ আইতা আৰু মামাৰ ছোৱালী এজনীৰ সৈতে ফুৰিবলৈ যোৱাত চিনাকী খুৰী এজনীয়ে আইতাক মামাৰ ছোৱালীজনীক উদ্দেশ্যি শুধিলে-- "বাইদেউ এই কোন? নাতিনী জনী হয় নে?" আইতাই 'হয় বুলি কোৱাত তেওঁ এইবাৰ আকৌ মোক উদ্দেশ্যি ক'লে-"আৰু এইজনী বনকৰা ছোৱালী নেকি"? আইতাই ক'লে "নহয়, তায়ো নাতিনী হয়"। তাৰপিচত আমি এৰা এৰি হ'লো। যদিও সেই সময়ত মই সকলো কথা বুজি পোৱা নাছিলো তথাপি মনত কিবা এটাই আঘাত কৰাৰ দৰে লাগিছিল। কাৰণ বনকৰা ছোৱালী এজনীক মানুহে নিজৰ ভনী, ছোৱালী বুলি ভাবি মৰমেৰে সৈতে নিজৰ নামটোৰে মাতিব নোৱাৰেনে? নিশ্চয় পাৰে।"

বিমলাই একে সুৰে কথাখিনি কৈ যোৱাত তাইৰ চকুযুৰি চলচলীয়া হৈ পৰিল। কণকে কথাখিনি শুনি বিমলাৰ হাত দুখনত ধৰি ক'লে- "মোক ক্ষমা কৰিবা বিমলা, আজিৰ পৰা মই নমিতাক সদায় নিজৰ ভনীৰ দৰে মৰম কৰিম"। বিমলাই এটি মিচিকিয়া হাঁহি মাৰিলে।

কনক আৰু বিমলাৰ কথাখিনি নমিতাই বাহিৰৰ পৰাই শুনিছিল আৰু গম নোপোৱাকৈয়ে তাইৰ দুচকুৰে সুখৰ অশ্ৰু নিগৰি পৰিছিল। ■

## মহাবিদ্যালয়খনত আপোনাৰ কৰ্মজীৱনৰ অনুভৱ কেনে?

**- এই প্ৰশ্নটো লৈ কাষ চাপিছিলো আমাৰ মহাবিদ্যালয়ৰ অবিচ্ছেদ্য অংশ কিছু অনাশিক্ষক কৰ্মচাৰীৰ। তেওঁলোকৰ উত্তৰ -**

এইখন মহাবিদ্যালয়ত কাম কৰি নথৈ সুখী। যদিও মই এগৰাকী চতুৰ্থ বৰ্গৰ কৰ্মী কিন্তু সেয়া মই কেতিয়াও অনুভৱ কৰা নাই, প্ৰতিগৰাকী অধ্যাপক-অধ্যাপিকা আৰু অধ্যক্ষৰ পৰা সম আৰু নম্ৰ ব্যৱহাৰ পাইছোঁ।

- **মীৰ আলী**, কাৰ্যালয় সহায়ক

মোৰ উপাৰ্জিত টকাৰে পৰিয়ালটোক কাণে কাণ মাৰি চলাই আছোঁ যদিও মহাবিদ্যালয়ৰ প্ৰতিগৰাকী অধ্যাপক-অধ্যাপিকাৰ পৰা বিনাস্বাৰ্থত বিপদৰ সময়ত উপযুক্ত সহায় পাইছোঁ। মই মোৰ কৰ্মস্থানকলৈ দুঃখিত কেতিয়াও হ'ব লগা হোৱা নাই।

**-ৰমজান বেগম**

মহাবিদ্যালয়ত আমি কেতিয়াও কামৰ অতিৰিক্ত বোজাৰ সন্মুখীন হ'ব লগা হোৱা নাই। মহাবিদ্যালয় কৰ্তৃপক্ষই আমাক কেতিয়াও কামৰ অতিৰিক্ত বোজা দি হাৰাশাস্তি কৰা নাই। সেয়ে আমি আমাৰ কামসমূহ কৰি স্ফূৰ্তি অনুভৱ কৰোঁ।

**-আয়েশা খাতুন**



## প্ৰয়াত ড° বিনয় কুমাৰ নাথ



১৯৫০ চনৰ ১৭ মে'ত বগুৱানৰ পেস্কাৰপাৰা গাঁওত বিনয় কুমাৰ নাথৰ জন্ম হৈছিল। গোৱালপাৰা মহাবিদ্যালয়ত প্ৰাৰম্ভিক শিক্ষাগ্ৰহণ কৰা ড° নাথৰ বৰ্ণাঢ্য শৈক্ষিক যাত্ৰাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ লগতে ইউৰোপৰ আগশাৰীৰ বিশ্ববিদ্যালয়ো অন্তৰ্ভুক্ত আছিল। তেখেতে দৰং মহাবিদ্যালয়, গুৱাহাটী কমাৰ্চ কলেজত অধ্যাপনা কৰি এগৰাকী দক্ষ অধ্যাপক হিচাপে সুনাম অৰ্জন কৰাৰ উপৰিও ৰাজ্যৰ শিক্ষা বিভাগৰ বহু গুৰুত্বপূৰ্ণ দায়িত্ব সম্পাদন কৰিছিল। ২০১২ চনত চৰকাৰৰ উচ্চ শিক্ষা বিভাগৰ সঞ্চালক হিচাপে তেখেতে অৱসৰ গ্ৰহণ কৰে। প্ৰখৰ মেধাসম্পন্ন শিক্ষাবিদ প্ৰয়াত ড° নাথে ৰাজ্যৰ শৈক্ষিক ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লোৱাৰ উপৰিও গোৱালপাৰা মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি হিচাপে অনবদ্য বৰঙণি আগবঢ়াই মহাবিদ্যালয়খনক ৰাজ্য তথা দেশৰ আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠান হিচাপে গঢ়ি তোলাৰ সপোন লৈ অহোপুৰুষাৰ্থ কৰিছিল। তেখেতে ২০২১ চনৰ ৪ ফেব্ৰুৱাৰীত মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি হৈ থকা অৱস্থাতে আকস্মিকভাৱে শেষ নিশ্বাস ত্যাগ কৰে। তেখেতৰ মৃত্যু ৰাজ্যৰ শিক্ষাজগত তথা গোৱালপাৰা মহাবিদ্যালয়ৰ এক অপূৰণীয় ক্ষতি। তেখেতলৈ আমাৰ শ্ৰদ্ধাৰ্ঘ।

## প্ৰয়াত আবেদুৰ ৰহমান শইকীয়া



১৯৪৯ চনৰ ১ মে'ত হাজো-ৰামদিয়া বংশৰৰ মাজত অৱস্থিত দামপুৰৰ এটা উচ্চ শিক্ষিত আঢ্যবন্ত পৰিয়ালত জন্ম গ্ৰহণ কৰিছিল আবেদুৰ ৰহমান শইকীয়াই। ১৯৬৫ চনত এম.এছ.ছি পৰীক্ষাত উত্তীৰ্ণ হৈ তেখেতে গোৱালপাৰা মহাবিদ্যালয়ৰ ভূগোল-বিজ্ঞান বিভাগত প্ৰবক্তা হিচাপে যোগদান কৰে আৰু এক সুদীৰ্ঘ সময়ৰ শিক্ষকতাৰ অন্তত ভূগোল বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ৰূপে ২০০১ চনত অৱসৰ গ্ৰহণ কৰে। শিক্ষকতাৰ উপৰিও বিভিন্ন সামাজিক কামত ওতঃপ্ৰোতভাৱে জড়িত হৈ থকা এইগৰাকী মহান শিক্ষাবিদে ২০২১ চনৰ ২১ আগষ্টত শেষ নিশ্বাস ত্যাগ কৰে। তেখেতলৈ গোৱালপাৰা মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ্ঘ।

## প্ৰয়াত ড° আবুল মাছুম



১৯৪৭ চনৰ ১ মাৰ্চত জন্মগ্ৰহণ কৰা আবুল মাছুম ডাঙৰীয়াই ১৯৭২ চনৰ ১৮ জানুৱাৰীত গোৱালপাৰা মহাবিদ্যালয়ৰ গণিত বিভাগত যোগদান কৰে। প্ৰায় ত্ৰিশটা বছৰ মহাবিদ্যালয়খনৰ সেৱাত ব্ৰতী হৈ এগৰাকী সুদক্ষ অধ্যাপক হিচাপে সুনাম অৰ্জন কৰা এইগৰাকী শিক্ষাবিদে ২০০২ চনৰ ২৮ ফেব্ৰুৱাৰী তাৰিখে গণিত বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে অৱসৰ গ্ৰহণ কৰে। ২০২০ চনৰ ১০ নৱেম্বৰত আমি এইগৰাকী মহান ব্যক্তিক হেৰুৱাওঁ। তেখেতলৈ আমাৰ শ্ৰদ্ধাঞ্জলি।

## প্ৰয়াত ভক্তি মেধি



গোৱালপাৰা মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ প্ৰাক্তন প্ৰবক্তা তথা গোৱালপাৰা চহৰৰ চিৰ পৰিচিত ক্ৰীড়া সংগঠক তথা অসম ক্ৰিকেট সন্থাৰ (ACA) বিষয়ববীয়া ভক্তি মেধি ডাঙৰীয়াই জন্ম গ্ৰহণ কৰিছিল গোৱালপাৰা চহৰৰ কলিতাপাৰাত ১৯৪৯ চনৰ ২৯ ডিচেম্বৰ তাৰিখে। তেখেতৰ কৰ্মজীৱন শিক্ষাৰ লগতে পশ্চিম অসমৰ ক্ৰীড়াৰ উত্তৰণত উৎসৰ্গিত। তেখেতে ১৯৭৩ চনত গোৱালপাৰা মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগত ডেমন'ষ্ট্ৰেটৰ হিচাপে চাকৰিত যোগদান কৰি সুখ্যাতিৰে শিক্ষকতা কৰি ১৯৯০ চনৰ ফেব্ৰুৱাৰী মাহত প্ৰবক্তা ৰূপে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। এইগৰাকী মহান শিক্ষাবিদে ২০২১ চনৰ ২৩ মাৰ্চত ইহলীলা সম্বৰণ কৰে। তেখেতলৈ আমাৰ সশ্ৰদ্ধ প্ৰণাম।



## প্ৰয়াত অজিত কুমাৰ মেধি

১৯৬২ চনৰ ১৭ জুনত জন্ম গ্ৰহণ কৰা অজিত কুমাৰ মেধিয়ে গোৱালপাৰা মহাবিদ্যালয়ৰ এক অবিচ্ছেদ্য অংশ হিচাপে সুদীৰ্ঘ সময় সেৱা আগবঢ়ায়। কৰ্মনিষ্ঠা আৰু সহজ সৰল ব্যৱহাৰৰ বাবে তেখেত আছিল সকলোৰে প্ৰিয় পাত্ৰ। এইগৰাকী ব্যক্তিক আমি ২০২০ চনৰ ৬ ছেপ্টেম্বৰত অকালতে হেৰুৱাবলগীয়া হয়। তেখেতলৈ আমাৰ সশ্ৰদ্ধ প্ৰণাম।

## প্ৰয়াত খগেন্দ্ৰ প্ৰসাদ ডেকা



মাননীয় খগেন্দ্ৰ প্ৰসাদ ডেকাদেৱৰ জন্ম হৈছিল ১৯৩৫ চনৰ ১ চেপ্তেম্বৰ তাৰিখে নলবাৰী জিলাৰ চমাৰকুছিত। তেখেত অত্যন্ত জ্ঞানপিপাষু ব্যক্তি আছিল। ১৯৮৩ চনৰ ডিচেম্বৰ মাহত গোৱালপাৰা মহাবিদ্যালয়ত অধ্যক্ষ হিচাপে যোগদান কৰি সুদীৰ্ঘ ১৩ বছৰ কাল দক্ষতাৰে মহাবিদ্যালয়খনক মাৰ্গ দৰ্শন কৰাই পশ্চিম অসমৰ এখন অগ্ৰগামী মহাবিদ্যালয় হিচাপে পৰিচিত কৰি দি ১৯৯৬ চনৰ মে' মাহত অৱসৰ গ্ৰহণ কৰে। তেখেতৰ দ্বাৰা ৰচিত দুখন বিশিষ্ট গ্ৰন্থ হৈছে- যথাক্ৰমে 'কৃষ্ণ কথামৃত' আৰু 'নব্য ভাৰতীয় উন্মেষ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী'। বিশ্বত্ৰাস 'কভিড-১৯'ৰ কবলত পৰি এই গৰাকী মহান ব্যক্তিয়ে ২০২১ চনৰ ৩১ মে' তাৰিখে ইহলীলা সম্বৰণ কৰে। গোৱালপাৰা মহাবিদ্যালয়ে তেখেতৰ বৰঙনি সদায় শ্ৰদ্ধাৰে সোঁৱৰণ কৰিব।

## প্ৰয়াত জিতেন ডেকা



'মোৰ শুকুলা ঘোঁৰা নাম যাৰ আশা', 'স্ৰোতস্বিনী ও গঙ্গা তই হ'ব নালাগে ভল্লা', 'লুইতৰে সুৰ দুকুল উপচি গঙ্গা কাবেৰীত পৰে' আদিৰ দৰে কালজয়ী গীতৰ শিল্পী, গোৱালপাৰাৰ গৌৰৱ জিতেন ডেকাৰ জন্ম গোৱালপাৰা জিলাৰ দিঘেলীত **১৯৫৩** চনৰ ২৬ জানুৱাৰীত। বানেশ্বৰ ডেকা আৰু পুহেশ্বৰী ডেকাৰ সুসন্তান জিতেন ডেকাই গোৱালপাৰা মহাবিদ্যালয়ৰ পৰা উচ্চশিক্ষা গ্ৰহণ কৰে। জনাৰ্দন হাজোৱাৰীৰ পৰা শাস্ত্ৰীয় সংগীতৰ তালিম গ্ৰহণ কৰি তেখেতে স্বকীয় প্ৰতিভাৰে অসমৰ সঙ্গীত জগতৰ অন্যতম শিল্পী হিচাপে নিজকে প্ৰতিষ্ঠিত কৰে। 'মই দেৱতাৰ বাঁহী', 'স্ৰোতস্বিনী', 'মোৰ অনুভৱে অনুভৱে', 'ইন্দ্ৰধনু' আদি তেওঁৰ দ্বাৰা ৰচিত গীতৰ পুথি। গুৱাহাটী আকাশবাণী কেন্দ্ৰৰ কণ্ঠশিল্পী, গীতিকাৰ ৰূপে স্বীকৃত এইগৰাকী সুৰকাৰ, সুদক্ষ বাদ্যযন্ত্ৰী শিল্পীৰ ২০১৫ চনৰ ২৬ অক্টোবৰত বিয়োগ ঘটে। তেখেতৰ সৃষ্টিশীল কৰ্মক গোৱালপাৰা মহাবিদ্যালয়ে সদায় স্মৰণ কৰিব।

## প্ৰয়াত শুক্ৰাচাৰ্য্য ৰাভা



স্বনামধন্য নাটশিল্পী, প্ৰাকৃতিক মঞ্চৰ মুক্ত অভিনয়ৰ অভিনৱ শৈলীৰে ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত একক স্থান দখল কৰা শুক্ৰাচাৰ্য্য ৰাভাৰ জন্ম হয় ১৯৭৭ চনৰ ১০ এপ্ৰিলত গোৱালপাৰা জিলাৰ আগিয়াৰ ৰামপুৰ গাঁৱত। অভিনয়ৰ প্ৰতি থকা তেখেতৰ অদম্য স্পৃহাই ১৯৯৮ চনত জন্ম দিছিল 'বাদুংদুপ্পা কলাকেন্দ্ৰ'ৰ। শুক্ৰাচাৰ্য্য ৰাভা আৰু তেখেতৰ সহশিল্পীৰ এটা দলৰ ব্যতিক্ৰমী চিন্তাধাৰাৰে আৰম্ভ হৈছিল বিখ্যাত 'Under the Saal Trees' ৰ দৰে অনন্য নাটপ্ৰদৰ্শনীৰ। প্ৰকৃতিৰ মুক্ত বুকুত মঞ্চ সাজি অভিনয়েৰে জীৱনৰ কাহিনী জীৱন্ত কৰা এইগৰাকী মহান শিল্পীৰ মৃত্যু হয় ২০১৮ চনৰ ৮ জুনত। ২০০৯ চনৰ সংগীত নাটক একাদেমীৰ 'ওস্তাদ বিছমিল্লাহ খান' যুৱ পুৰস্কাৰ লাভ কৰা শুক্ৰাচাৰ্য্য ৰাভা গোৱালপাৰাৰ গৌৰৱ। গোৱালপাৰা মহাবিদ্যালয়ে তেখেতৰ অদ্বিতীয় কৰ্মৰাজিক সদায় স্মৰণ কৰিব।

## প্ৰয়াত আশ্ৰাফুল হক



বিশিষ্ট কলাকাৰ, অভিনেতা, গোৱালপাৰাৰ গৌৰৱ আশ্ৰাফুল হকৰ জন্ম হয় ১৯৬৯ চনৰ ৩ নৱেম্বৰত ধুবুৰী জিলাৰ ছত্ৰশালত। তেখেতৰ পিতৃ ইমানুল হক আৰু মাতৃ ওমিজান নেচা। অভিনয়ৰ প্ৰতি আগ্ৰহী পিতৃ ইমানুল হকৰ 'যাত্ৰা পাৰ্টি'ৰ এখন নাটকত অষ্টম শ্ৰেণীত থাকোতেই অভিনয় জীৱনৰ পাতনি মেলা আশ্ৰাফুল হকে আনুষ্ঠানিক নাট্য শিক্ষা লাভ কৰে দিল্লীৰ বিখ্যাত 'National School of Drama' ৰ পৰা। 'দি নিউ টাইমচ',' এজন ৰজা আছিল','কালপুৰুষ', 'ঈশ্বৰৰ সন্ধানত এজন মানুহ' আদিৰ দৰে উল্লেখনীয় নাটক আৰু 'মেলা','স্কুল', 'জংগল', 'লাল চালাম', 'সব গোলমাল হেই','ৰাৱণ, 'পান সিং টোমাৰ' আদিৰ দৰে কথাছবিত তেখেতৰ অভিনয়ে দৰ্শক, প্ৰশংসক তথা সমালোচকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। গোৱালপাৰা মহাবিদ্যালয়ৰ এইগৰাকী সুসন্তানৰ ২০১৫ চনৰ ১৮ ফেব্ৰুৱাৰী তাৰিখে জীৱনৰ বৰ্ণিল যাত্ৰাৰ অন্ত পৰে। গোৱালপাৰা মহাবিদ্যালয়ে তেখেতক সদায় সোঁৱৰিব।

## বিভাগীয় প্ৰতিবেদন



# ফাৰুক আব্দুলা
## সাধাৰণ সম্পাদক, গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ একতা সভা

জয় জয়তে যিসকল মহীৰূহৰ আশাশুধীয়া প্ৰচেষ্টাত ১৯৫৫ চনৰ ৮ আগষ্টত নামনি অসমৰ শিক্ষাক্ষেত্ৰত নতুন যুগৰ সূচনা কৰি গোৱালপাৰা মহাবিদ্যালয়ৰ জন্ম হৈছিল, তেখেতসকললৈ সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ। আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ সমূহ ছাত্ৰ-ছাত্ৰীৰ লগতে মোৰ বন্ধুবৰ্গলৈ, যিসকলৰ আস্থা আৰু সহায়-সহযোগিতাৰ ফলত গোৱালপাৰা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰূপে কাৰ্যনিৰ্বাহ কৰাৰ সুযোগ পাওঁ। মোৰ নিজৰ ওপৰত যথেষ্ট বিশ্বাস আছিল যদিও জনা নাছিলোঁ যে সম্পাদকৰ দৰে মৰ্যাদাসম্পন্ন পদবী এটাৰ বাবে তেওঁলোকৰ মনত কিমানখিনি উপযুক্ত হ'ম।

ঐতিহ্যমণ্ডিত গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰতি সেৱা আগবঢ়াবলৈ সুযোগ পাই মই গৌৰৱান্বিত। মোৰ এবছৰীয়া কাৰ্যকালত মহাবিদ্যালয় তথা ছাত্ৰ সমাজৰ উত্তৰণৰ বাবে নিজকে পাৰ্যমানে নিয়োজিত কৰিছিলোঁ। যদিও সীমিত কাৰ্যকালৰ ভিতৰত সকলো সমস্যাৰ সমাধান কৰাটো সম্ভৱ নহয়, তথাপি জৰুৰী বুলি বিবেচনা কৰা বহুকেইটা সমস্যা সমাধানৰ প্ৰতি সচেষ্ট আছিলোঁ। মহাবিদ্যালয় এখনত ছাত্ৰ-ছাত্ৰীৰ উৎকৰ্ষ সাধনৰ বাবে কৰিব লগা কেইটামান দিশ হ'ল- শিক্ষা, খেল-ধেমালি, সাংস্কৃতিক দিশ আৰু সাহিত্য। তাৰ ভিতৰত অতি গুৰুত্বপূৰ্ণ হ'ল শিক্ষা। সেয়েহে প্ৰাৰম্ভৰ পৰাই গুৰুত্ব দিছিলোঁ যে শিক্ষাৰ দিশটো প্ৰথমে উন্নীত কৰিম। তাৰ বাবে অধ্যক্ষ আৰু পৰিচালনা সমিতিৰ লগত আলোচনাত বহিছিলো। আলোচনামৰ্মে অধ্যক্ষ মহোদয়ে প্ৰতিশ্ৰুতি দিয়ে যে অহা শিক্ষাবৰ্ষৰ পৰা যিবোৰ বিভাগত স্থায়ী শিক্ষক নাই সেইবোৰ বিভাগত স্থায়ী শিক্ষক আৰু বাকী বিভাগত অস্থায়ী শিক্ষকৰ ব্যৱস্থা কৰিব। এইখিনিতে মই অধ্যক্ষ মহোদয়ক ধন্যবাদ জনাওঁ যে মহোদয়ে আমাক দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰিছে। দ্বিতীয়তে, আমাৰ মহাবিদ্যালয়খনত CCTV ৰ ব্যৱস্থা কৰা আৰু ছাত্ৰী জিৰণি কোঠাৰ উন্নতিকৰণ মোৰ কাৰ্যকালত অধ্যক্ষ মহোদয়ক আৱেদন জনাই সম্পূৰ্ণ কৰোঁ।

মোৰ কাৰ্যকালৰ আৰম্ভণিৰে পৰা বাণিজ্য শাখাৰ ছাত্ৰ-ছাত্ৰীৰ এটা দাবী আছিল যে বাণিজ্য শাখা চৰকাৰীকৰণ কৰা। তেতিয়া আমি আমাৰ অধ্যক্ষ মহোদয়ক অনুৰোধ কৰাত অধ্যক্ষ মহাদয়ে প্ৰতিশ্ৰুতি দিয়ে যে অতি সোনকালে এই সমস্যাৰ সমাধান হ'ব। আমাৰ কাৰ্যকালত গ্ৰন্থাগাৰৰো পুনৰ নিৰ্মাণ হয় আৰু বৰ্তমান উন্নত মানদণ্ডৰ গ্ৰন্থাগাৰ আমাৰ মহাবিদ্যালয়ত আছে বুলি আমি গৌৰৱ কৰিব পাৰোঁ। তদুপৰি নতুনকৈ নিৰ্মাণ হৈ থকা বৃহৎ পৰিসৰৰ বিজ্ঞান ভৱনটো সম্পূৰ্ণ হৈ উঠিলে শ্ৰেণীকোঠাৰ অভাৱ দূৰ হ'ব। আমাৰ কাৰ্যকালত প্ৰতিশ্ৰুতি দিছিলো যদিও অৰ্ধনিৰ্মিত বৃহৎ প্ৰেক্ষাগৃহটো সম্পূৰ্ণ কৰিব নোৱাৰিলোঁ। সেয়েহে কৰ্তৃপক্ষলৈ বিশেষ অনুৰোধ যে অৰ্ধনিৰ্মিত হৈ থকা বৃহৎ প্ৰেক্ষাগৃহটো সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত বিশেষ কাৰ্যকৰী আঁচনি প্ৰস্তুত কৰি এটা চকুত পৰা প্ৰেক্ষাগৃহ নিৰ্মাণ কৰে যেন। কৰ্তৃপক্ষক আন এটা অনুৰোধ জনাওঁ যে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰাবাসটোৰ মান উন্নত কৰি স্বাস্থ্যকৰ পৰিৱেশ অক্ষুন্ন ৰখাৰ ক্ষেত্ৰত গুৰুত্ব দিয়ে যেন। পৰ্যাপ্ত শৌচাগাৰ আৰু বিজ্ঞানসন্মত নিৰ্মল পানীৰ ব্যৱস্থা কৰি ছাত্ৰাবাসৰ আবাসীসকলক উপকৃত কৰিব বুলি আশা কৰিলোঁ।

মই গুৰুত্ব দিয়া আন এটা দিশ হ'ল পৰিষ্কাৰ-পৰিচ্ছন্নতা। কিয়নো মই ব্যক্তিগতভাৱে বিশ্বাস কৰোঁ যে সুস্থভাৱে পঢ়া-শুনা কৰিবলৈ হ'লে আমাৰ দেহ-মন ভালে থাকিব লাগিব আৰু দেহ-মন ভালে ৰাখিবৰ বাবে চাৰিওফালৰ পৰিৱেশ স্বচ্ছ হ'ব লাগিব। ভৱিষ্যতে যাতে মহাবিদ্যালয়ৰ সন্মুখভাগত এখন ধুনীয়া উদ্যান নিৰ্মাণ কৰে; তাৰো আশা ৰাখিলোঁ।

মোৰ কাৰ্যকালত প্ৰতিটো ক্ষেত্ৰতে গোবিন্দ দাস ছাৰ, আন্‌জাম হুছেইন বৰভূঞা ছাৰ, যশোৱন্ত ৰয় ছাৰ, মজবুল হক ছাৰৰ লগতে সমূহ শিক্ষাগুৰুৱে সহায়-সহযোগিতা আগবঢ়ায়। শিক্ষাগুৰু সকলৰ লগতে কৰ্মচাৰী বৃন্দইও বিশেষকৈ ৰেজাবুল হুছেইন, হজৰত, ওৱাচিম, দয়াল কৃষ্ণ দাস আদি কৰি পুথিভঁৰালৰ কৰ্মচাৰীসকলেও সহযোগ আগবঢ়ায়। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ পৰাও মই যথেষ্ট সহায় লাভ কৰোঁ। তদুপৰি আমাৰ কাৰ্যকালৰ সভাপতি আমিৰ হুছেইন, উৎসৱ সম্পাদক আমিৰুল হুছেইন, মোৰ বন্ধু জুৰি নাথ, ইকৰামুল হুছেইন, শ্বেখ নেকুবুৰ জামান, আবু বক্কাৰ চিদ্দিক, আব্দুৰ ৰেজ্জাক, বাহাদুৰ মফিদুল ইছলাম, মিনহাজ উদ্দিন, আনোৱাৰ হুছেইন, হিৰকজ্যোতি নাথ, ছাদ্দাম হুছেইন, জাহিদুল ইছলাম, ৰিছা, উন্নে মুবাজহিৰা, ফিৰোজ আখতাৰৰ লগতে প্ৰাক্তন সাধাৰণ সম্পাদক ইক্ৰাম হুছেইনৰ পৰা পোৱা সহযোগ তথা দিহা-পৰামৰ্শৰ কথা স্বীকাৰ কৰিবই লাগিব।

শেষত দুগৰাকী ব্যক্তিৰ নাম মই ল'বই লাগিব। তাৰে এগৰাকী হ'ল মোৰ পৰম পূজনীয় দেউতা আৰু আনগৰাকী হ'ল মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° সুভাষ বৰ্মন ছাৰ। দুয়োগৰাকী ব্যক্তিৰ পৰামৰ্শ আৰু সহায় অবিহনে মোৰ কাৰ্যকাল আধৰুৱা হৈ ৰ'লহেতেন। ■

**জয়তু গোৱালপাৰা মহাবিদ্যালয়।**

**বিভাগীয় প্ৰতিবেদন**

# আমিৰ হুছেইন

## সভাপতি, গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ একতা সভা



১৯৫৫ চনৰ ৮ আগষ্টত স্থাপিত হোৱা গোৱালপাৰা মহাবিদ্যালয়খন হৈছে পশ্চিম অসমৰ এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয়।

এই ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ সভাপতি পদৰ দৰে এক গুৰুত্বপূৰ্ণ পদবীত মহাবিদ্যালয়ৰ প্ৰতি মোৰ সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে মহাবিদ্যালয়ৰ মোৰ দাদা-বাইদেউ, বন্ধু-বান্ধৱী আৰু মৰমৰ ভাইটি-ভণ্টী সকলোলৈকে মোৰ হৃদয়ৰ কোণৰ পৰা আন্তৰিক কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰিছোঁ।

যথেষ্ট সপোন আৰু আশা লৈ গোৱালপাৰা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতিৰ কাৰ্য্যভাৰ গ্ৰহণ কৰিছিলোঁ। মনৰ ভিতৰত সপোন ৰচিছিলো পশ্চিম অসমৰ এই ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনৰ সৰ্বাংগীন উন্নয়নৰ বাবে। বৌদ্ধিক, শৈক্ষিক, সাংস্কৃতিক, মানসিক ইত্যাদি দিশবোৰক সবল কৰাৰ বাবে দুখোজ আগুৱাই যাওঁতেই COVID-19 ৰ দৰে মহামাৰীয়ে সমগ্ৰ বিশ্বত আতংকৰ পৰিৱেশৰ সৃষ্টি কৰিছিল। তাৰ প্ৰভাৱ কেৱল অৰ্থনৈতিক আৰু সামাজিক দিশতেই আবদ্ধ হৈ নাথাকিল বৰঞ্চ শৈক্ষিক দিশটোও বাৰুকৈয়ে প্ৰভাৱিত হ'ল।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ চাৰি মাহ মান পিছৰে পৰাই শিক্ষানুষ্ঠানখন আংশিকৰূপে বন্ধ হৈ পৰিল। যাৰ ফলত আমি দেখা সপোনবোৰ দিঠকত ৰূপায়ন কৰোতে গুৰু প্ৰত্যাহ্বানৰ সন্মুখীন হ'লোঁ।

সম্পূৰ্ণৰূপে কৰ্মতৎপৰ হৈ পৰাৰ আগতেই আমাৰ কাৰ্য্যকাল সমাপ্ত হ'ল। তেনে প্ৰত্যাহ্বানৰ মাজতো মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ মহোদয়ৰ তৎপৰতাত কিছু কাম ৰূপায়ণ হৈছিল যেনে NCC, খেলপথাৰৰ মাটি পেলোৱা, মহাবিদ্যালয়ত CCTV ৰ ব্যৱস্থা, নতুন ছাত্ৰী নিবাসৰ দেৱাল, ছোৱালী জিৰণি কোঠাৰ মেৰামতি, সমগ্ৰ মহাবিদ্যালয়তে বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা আৰু ছাত্ৰী নিবাসৰ পকী ৰাস্তাৰ নিৰ্মাণ। এই কামবোৰ সম্পাদন কৰোঁতে আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় ড° সুভাষ বৰ্মন ডাঙৰীয়া দেৱে আমি দিয়া আবেদনবোৰ যোগাত্মক ভাবে গ্ৰহণ আৰু কাৰ্যকাৰী কৰাৰ বাবে তেখেতলৈ মোৰ আন্তৰিক কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰিলোঁ।

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাহিৰেও কেইজনমান বিশেষ ব্যক্তিলৈও মোৰ কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰিলো। ক্ৰমে (আমিনুল হক দাদা, নবিউল ইছলাম, জাকিৰ হুছেইন) আৰু বহুতো আছে সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মই পুনৰবাৰ মহাবিদ্যালয়খনৰ, সকলো ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন কল্যাণ বিচাৰি কলম এৰিলো। ধন্যবাদ। জয়তু গোৱালপাৰা মহাবিদ্যালয়, জয় আই অসম। ■

**বিভাগীয় প্ৰতিবেদন**

# ৰাকেশ পোদ্দাৰ

## উপ-সভাপতি, গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ একতা সভা



মনত বহু আশালৈ গোৱালপাৰা মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগত নামভৰ্তি কৰিলো। সময় আগবাঢ়ি যোৱাৰ সমান্তৰালভাৱে বন্ধু-বান্ধৱীৰ সংখ্যাও বাঢ়িবলৈ ধৰিলে। লগে লগে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত থকা সমস্যা সম্পৰ্কেও কিছু ধাৰণা পালোঁ। উক্ত সমস্যা সমূহ সমাধানৰ বাবে অভিজ্ঞজনৰ পৰা পৰামৰ্শ বিচাৰিলোঁ। বিভিন্ন জনে ছাত্ৰ একতা সভাত যোগদান কৰাৰ পৰামৰ্শ আগবঢ়ালে। উক্ত পৰামৰ্শ মই সাদৰেৰে গ্ৰহণ কৰিলো আৰু অৱশেষত মই ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত উপ-সভাপতি হিচাপে নিৰ্বাচিত হোৱাৰ সৌভাগ্য অৰ্জন কৰিলোঁ।

এইখিনিতে গোৱালপাৰা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে দীৰ্ঘ দিন ধৰি যিখন খেল পথাৰৰ সমস্যাত ভুগি আছিল সেই দিশে মনোযোগ দিবলৈ যত্ন কৰিলোঁ। এজাক বৰষুণ পৰিলেই খেলপথাৰখনত একাঁঠু পানী হৈ পৰে। এই সম্পৰ্কে আমি ছাত্ৰ একতা সভাই স্থানীয় বিধায়ক এ.কে. ৰশিদ আলম ডাঙৰীয়াক সাক্ষাৎ কৰিলোঁ। বিধায়ক মহোদয়েও সমস্যাটো গুৰুত্ব সৰকাৰে লৈ ইয়াৰ সমাধানৰ কাম অনতি পলমে হাতত লয়। বৰ্তমান সময়ত কিঞ্চিত পৰিমাণে হ'লেও সমস্যাটোৰ পৰা ছাত্ৰ-ছাত্ৰীসকল মুক্ত হৈছে বুলি অনুভৱ কৰোঁ। মহাবিদ্যালয় সপ্তাহত আন্তঃদ্বাৰ ক্ৰীড়া বিভাগৰ সম্পাদকৰ অনুপস্থিতিত অধ্যক্ষ মহোদয়ে এই দায়িত্ব বহন কৰিবলৈ মোক নিৰ্দেশ দিয়ে। খেল বিভাগৰ তত্ত্বাৱধায়কদ্বয় ড° জহিৰুল হক মহোদয় আৰু ড° ধৰ্মেশ্বৰ বৰ্মন মহোদয়ে খেল পৰিচালনা কৰাত মোক অতুলনীয় সহায় আগবঢ়ায়। এইখিনিতে এটা কথা মন কৰিলো যে শিক্ষা-সংস্কৃতিৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী সকলৰ মাজত যি আগ্ৰহ দেখা যায় সেই আগ্ৰহ খেলৰ ক্ষেত্ৰত খুবেই কম। এই ক্ষেত্ৰত তত্ত্বাৱধায়ক মহোদয়দ্বয়ৰ পৰামৰ্শমৰ্মে খেলৰ ক্ষেত্ৰতো সকলোৰে মনোযোগ আগবঢ়াই নিবলৈ চেষ্টা কৰিলোঁ। কিন্তু দুৰ্ভাগ্য বশতঃ ক'ভিড-১৯ৰ বাবে কলেজ সম্পূৰ্ণৰূপে বন্ধ হৈ পৰে আৰু আমাৰ সপোনবোৰ আধৰুৱা হৈ থাকি যায়। অনাগত দিনত যাতে শিক্ষা-সংস্কৃতিৰ লগতে খেলৰ বিভাগটোও আগবাঢ়ি যায় তাৰে কামনা কৰোঁ। ■

# মুনমুন হুছেইন

## সাংস্কৃতিক সম্পাদক, গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ একতা সভা



গোৱালপাৰা মহাবিদ্যালয় এখন গৌৰৱোজ্জ্বল মহাবিদ্যালয়। ১৯৫৫ চনৰ ৮ আগষ্টত স্থাপিত হোৱা এইখন মহাবিদ্যালয়ৰ প্ৰতি সেৱা আগবঢ়োৱাৰ সুবিধাকণ দিয়া বাবে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক শুভেচ্ছা তথা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

আমাৰ কাৰ্যকালৰ সময়খিনি আছিল সামগ্ৰিকভাৱে বিশেষ কৰ্মতৎপৰতাৰ কাল। অধ্যক্ষ মহোদয়ৰ লগতে আমিও প্ৰতিক্ষণ নিমগ্ন আছিলোঁ শিক্ষানুষ্ঠানটিৰ সৰ্বাংগীন উন্নতিৰ বাবে। বৌদ্ধিক, শৈক্ষিক, সাংস্কৃতিক আদি বিভিন্ন দিশ সবল কৰাৰ কাৰণে আমি সংকল্প লৈছিলোঁ আৰু এই ক্ষেত্ৰত কৃতকাৰ্য হোৱা বুলিয়েই দাবী কৰিব খোজো। মহাবিদ্যালয়খনৰ সকলো দিশ যাতে সুচাৰুৰূপে পৰিচালিত হয় তাৰ বাবে আমি বিশেষ নজৰ দিছিলোঁ।

শৈক্ষিক পৰিৱেশৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলক শ্ৰেণীকোঠাত নিয়মিতভাৱে পাঠ গ্ৰহণ কৰিবলৈ আহ্বান জনাইছিলোঁ। তদুপৰি শৈক্ষিক পৰিৱেশৰ প্ৰতি লক্ষ্য ৰাখি মহাবিদ্যালয়ৰ চৌহদত নীতি-বহিৰ্ভূতভাৱে হোৱা প্ৰৱেশ নিষিদ্ধ কৰা হৈছিল। আমাৰ শিক্ষাগুৰু সকলেও এই ক্ষেত্ৰত বিশেষ সহায় আগবঢ়াইছিল। আমাৰ কাৰ্যকালত ইউনিফৰ্মৰ ক্ষেত্ৰতো কোনো আপোচ কৰা হোৱা নাছিল।

আমাৰ কাৰ্যকালত সাংস্কৃতিক দিশটো উন্নত কৰাৰ কাৰণেও গুৰুত্ব দিছিলো। নিঃ সন্দেহে গোৱালপাৰা মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশটো গৌৰৱ কৰিব পৰা বিষয়। আমাৰ মহাবিদ্যালয়ৰ বহুতো ছাত্ৰ-ছাত্ৰীৰ মাজত বহু প্ৰতিভা লুকাই আছে। মই বিশ্বাস কৰোঁ যে ছাত্ৰ-ছাত্ৰী সকলে প্ৰতিভা দেখুৱাবৰ কাৰণে এখন মঞ্চৰ প্ৰয়োজন আৰু সেয়ে মই সাংস্কৃতিক সম্পাদক হিচাপে সকলো বিভাগৰ ছাত্ৰ-ছাত্ৰীকে উৎসাহ দিছিলো। মোৰ কাৰ্যকালত বহুতো ছাত্ৰ-ছাত্ৰীয়ে সাংস্কৃতিক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল। মইও মোৰ প্ৰতিভা দেখুৱাবৰ সুযোগ পাইছিলো মহাবিদ্যালয় সপ্তাহত ছাত্ৰ-ছাত্ৰী সকলে ভাওঁনা, নৃত্য, সংগীত ইত্যাদি প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছিল। মই সকলোকে ধন্যবাদ জ্ঞাপন কৰিছোঁ। এই চেগতে মই সন্মানীয় শৈলেনজিৎ শৰ্মা আৰু গোবিন্দ চন্দ্ৰ দাস ছাৰক ধন্যবাদ জনাইছোঁ।

আমাৰ কাৰ্যকালত বিভাগৰ বিভিন্ন প্ৰতিযোগিতাত প্ৰতিযোগীৰ সংখ্যা পূৰ্বতকৈ যথেষ্ট বৃদ্ধি পায়। মহাবিদ্যালয় সপ্তাহো সুচাৰুৰূপে পৰিচালনা কৰিব পৰাটো আমাৰ কাৰ্যকালৰ এটা বিশেষ সফলতা।

শেষত আমাৰ কাৰ্যকালত হোৱা ভুল-ত্ৰুটি তথা দুৰ্বলতা সমূহৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি, গোৱালপাৰা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদক হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়োৱাৰ সুবিধা দিয়া বাবে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ ওচৰত কৃতজ্ঞ হৈ থাকিলো আৰু মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি প্ৰতিবেদন সামৰিলোঁ।■

জয়তু গোৱালপাৰা মহাবিদ্যালয়

**বিভাগীয় প্ৰতিবেদন**

# হীৰকজ্যোতি নাথ

## সম্পাদক, ছাত্ৰ জিৰণি কোঠা, গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ একতা সভা



শিক্ষাই হ'ল জীৱনৰ মূল চাবি-কাঠি। শিক্ষা অবিহনে প্ৰকৃত জ্ঞান কেতিয়াও লাভ কৰিব নোৱাৰি। গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে সেৱা আগবঢ়োৱাৰ সুযোগ দিয়াৰ বাবে মই মহাবিদ্যালয়ৰ পৰিয়ালৰ সন্মানীয় অধ্যক্ষ মহোদয়ৰ পৰা আৰম্ভ কৰি চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী তথা সকলো ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিলোঁ।

গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰাংগনত প্ৰতিবছৰৰ দৰে মহাবিদ্যালয় সপ্তাহ ফেব্ৰুৱাৰী মাহত অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয় সপ্তাহ উলহ-মালহ তথা সুকলমে অনুষ্ঠিত কৰিবলৈ সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে মই পুনৰবাৰ গোৱালপাৰা মহাবিদ্যালয়ৰ সকলো সদস্যক কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰিলোঁ।

মহাবিদ্যালয় হ'ল এক মিলনৰ ভূমি য'ত বিভিন্ন জাতি, জনগোষ্ঠী, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে সংস্কৃতিৰ আদান-প্ৰদান হয়।

মহাবিদ্যালয় সপ্তাহৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ অধীনত অনুষ্ঠিত প্ৰতিযোগিতাসমূহ হ'ল- ভেশচন প্ৰতিযোগিতা, প্ৰদৰ্শনী, কইনা প্ৰতিযোগিতা, পৰম্পৰাগত সাজ-পাৰ পৰিধান প্ৰতিযোগিতা। প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে চলাই নিয়াত সহায় কৰা এই বিভাগৰ তত্ত্বাৱধায়ক ধীৰাজ কুমাৰ বৰা ছাৰক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। মোক মহাবিদ্যালয় সপ্তাহত বিভিন্ন দিশত সহায় কৰা মোৰ সমূহ সহপাঠীক মোৰ ফালৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ■

বিভাগীয়
প্ৰতিবেদন

# চুম্‌কী গোস্বামী

## সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা, গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ একতা সভা



গোৱালপাৰা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদক হিচাপে সেৱা আগবঢ়োৱাৰ সুযোগ দিয়াৰ বাবে মই মহাবিদ্যালয়ৰ পৰিয়ালৰ সন্মানীয় অধ্যক্ষ মহোদয়ৰ পৰা আৰম্ভ কৰি চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী তথা সকলো ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিলোঁ।

গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰাংগনত প্ৰতিবছৰৰ দৰে মহাবিদ্যালয় সপ্তাহ ফেব্ৰুৱাৰী মাহত অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয় সপ্তাহ উলহ-মালহ তথা সুকলমে অনুষ্ঠিত কৰিবলৈ সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে মই পুনৰবাৰ গোৱালপাৰা মহাবিদ্যালয়ৰ সকলো সদস্যক কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰিলোঁ।

মহাবিদ্যালয় হ'ল এক মিলনৰ ভূমি য'ত বিভিন্ন জাতি, জনগোষ্ঠী, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে সংস্কৃতিৰ আদান-প্ৰদান হয়।

মহাবিদ্যালয় সপ্তাহৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদকৰ অধীনত অনুষ্ঠিত প্ৰতিযোগিতাসমূহ হ'ল- ভেশচন প্ৰতিযোগিতা, প্ৰদৰ্শনী, কইনা প্ৰতিযোগিতা, পৰম্পৰাগত সাজ-পাৰ পৰিধান প্ৰতিযোগিতা। প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে চলাই নিয়াত সহায় কৰা এই বিভাগৰ তত্ত্বাৱধায়ক জ্যোৎস্না দাস বাইদেউক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। মোক মহাবিদ্যালয় সপ্তাহত বিভিন্ন দিশত সহায় কৰা মোৰ সমূহ সহপাঠীক মোৰ ফালৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ■




চিত্ৰশিল্পী- **প্ৰান্তিক শিৰম**



চিত্ৰশিল্পী- **অলকা ৰাভা**



চিত্ৰশিল্পী- **শৰৎ ৰাভা**

## পদ্মশ্ৰী বীৰুবালা ৰাভা



১৯৪৯ চনত অসম-মেঘালয় সীমান্তৱৰ্তী ভাকুৰবিলাৰ টিলাপাৰাত বীৰুবালা ৰাভাৰ জন্ম হয়। তেখেতৰ পিতৃ কলেয়া ৰাভা আৰু মাতৃ সাগৰবালা ৰাভা। মাত্ৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাৰে শিক্ষিত এইগৰাকী অসাধাৰণ নাৰীয়ে যি একক প্ৰচেষ্টাৰে মানৱতাৰ সেৱাত ব্ৰতী হ'ল সেয়া অতুলনীয়। অসমৰ সমাজত প্ৰচলিত কু-সংস্কাৰ, অন্ধবিশ্বাস, 'ডাইনী হত্যা'ৰ বিৰুদ্ধে এক সাহসী কণ্ঠ হৈ তেখেতে প্ৰায় ত্ৰিশগৰাকীতকৈও বেছি মহিলাক এই অন্ধবিশ্বাসত প্ৰাণ হেৰুওৱাৰ পৰা ৰক্ষা কৰে। 'মিছন বীৰুবালা' আজি অন্ধবিশ্বাস, কু-সংস্কাৰৰ বিৰুদ্ধে এক সবল অভিযান। তেখেতৰ মানৱতাৰ হকে এনে অৱদানক ভাৰত চৰকাৰে ২০২১ চনত 'পদ্মশ্ৰী' সন্মানেৰে স্বীকৃতি প্ৰদান কৰে।

এইগৰাকী মহীয়সীলৈ মহাবিদ্যালয়ৰ পৰিয়ালৰ তৰফৰ পৰা সশ্ৰদ্ধ প্ৰণিপাত।



## আদিল হুছেইন

১৯৬৩ চনৰ ৫ অক্টোবৰত গোৱালপাৰাত জন্মগ্ৰহণ কৰা আদিল হুছেইন আজি অভিনয় জগতৰ এটি চিনাকি নাম। গোৱালপাৰা মহাবিদ্যালয়ত Pre-University ৰ শিক্ষা গ্ৰহণ কৰা আদিল হুছেইনে 'National School of Drama'ৰ পৰা অভিনয়ৰ শিক্ষা লাভ কৰে। 'সূত্ৰপাত', 'সংকল্প', 'পিতা-পুত্ৰ',' ভাই-ভাই' আদিৰ দৰে অসমীয়া ছবিৰে অভিনয়ৰ আৰম্ভণি কৰা আদিল হুছেইনে ২০০৪ চনত 'ইতি শ্ৰীকান্ত' ছবিৰ জৰিয়তে বঙালী ভাষাৰ ছবিতো অভিনয়ৰ আৰম্ভণি কৰে। কেৱল আঞ্চলিক ভাষাৰ ছবিতে নহয় ২০০৯ চনত 'Kaminey'ৰ জৰিয়তে বলিউডতো খোজ ৰাখে। তেখেতৰ উল্লেখনীয় চলচ্চিত্ৰ সমূহ হ'ল - English Vinglish', 'Lootera',' Zed Plus', 'Mukti Bhawan', 'Love Sonia','Ishqiya','Bombay','The Xpose','Force 2',' Commando 2, 'কথানদী','মাজৰাতি কেতেকী','ৰ'দৰ চিঠি' আদিৰ দৰে প্ৰায় আশীখনমানতকৈও অধিক চলচ্চিত্ৰ। 'Yatchan'ৰে ২০১৫ত তামিল ভাষাত 'Sunrise'ৰে মাৰাঠী ভাষাতো তেখেতে অভিনয়ৰ আৰম্ভণি কৰে। 'In othello' ছবিৰে২০০৩ চনত তেখেতে হলিউডত খোজ ৰাখে। 'Life of Pi', 'For Real' আদিৰ দৰে ছবিত কৰা দুৰ্দান্ত অভিনয়েৰে তেখেতে অভিনয় শিল্পী হিচাপে এখন সুকীয়া আসন প্ৰতিষ্ঠা কৰে। ২০১৭ চনত তেওঁ 'Mukti Bhawan' আৰু 'মাজৰাতি কেতেকী' ৰ বাবে National Film Awards লাভ কৰে। তেখেত গোৱালপাৰাৰ ধ্ৰুৱতৰা।

## বৰ্ষটোৰ ভিন্ন শিতানৰ শ্ৰেষ্ঠসকল



দিগন্ত দাস

### গোৱালপাৰা মহাবিদ্যালয়ৰ ছাত্ৰ দিগন্ত দাসে আৱৰ্জনাৰ পৰা ৰূপ দিয়া পৰ্যাবৰণৰ অনুকূল উদ্ভাৱনসমূহ-









## বৰ্ষটোৰ ভিন্ন শিতানৰ শ্ৰেষ্ঠসকল



শৰৎ ৰাভা




## গোৱালপাৰা মহাবিদ্যালয়ৰ ছাত্ৰ শৰৎ ৰাভাৰ একক আৰু অনন্য উদ্ভাৱনসমূহ-

### জাবৰ-জোঁথৰ জ্বলাই বিদ্যুৎ উৎপাদন কৰিব পৰা যন্ত্ৰ উদ্ভাৱন শৰৎ ৰাভাৰ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১ জানুৱাৰী ঃ** গোৱালপাৰা চহৰৰ লাচিত নগৰৰ বাসিন্দা তথা গোৱালপাৰা মহাবিদ্যালয়ৰ স্নাতক বৰ্ষৰ ছাত্ৰ শৰৎ ৰাভাই পেলনীয়া জাবৰ-জোঁথৰ জ্বলাই বিদ্যুৎ উৎপাদন কৰিব পৰা এক যন্ত্ৰ উদ্ভাৱন কৰি চমক সৃষ্টি কৰিছে। সৰুৰে পৰাই বিভিন্ন যন্ত্ৰ উদ্ভাৱন কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে যুৱকজনে। আৰ্থিক অনগ্ৰসৰতাৰ মাজেৰে জীৱন নিৰ্বাহ কৰা শৰৎ ৰাভাই কয় যে আমাৰ দৈনন্দিন ব্যৱহৃত প্লাষ্টিক বা অন্যান্য জাবৰ-জোঁথৰসমূহ জ্বলাই বিদ্যুৎ উৎপাদন কৰিলে এফালে পাৰিপাৰ্শ্বিক অৱস্থা পৰিষ্কাৰ হ'ব আনহাতে, বিদ্যুতৰ মাটনি যথেষ্ট হ্ৰাস পাব। সেয়ে প্লাষ্টিক বা জাবৰ-জোঁথৰসমূহ জ্বলাই তেওঁ এক



ব্যতিক্ৰমী যন্ত্ৰ উদ্ভাৱন কৰিছে। উল্লেখ্য যে ইয়াৰ পৰিবৰ্তে যুৱকজনে আবিষ্কাৰ কৰিছে বাকিং ৰবট, চলোনাইট ইঞ্জিন, গ্ৰাভিটিক ক্লক ইঞ্জিন, ষ্টেলিং ইঞ্জিন, টেছলা কৱেল, লেভিটেছন মেচিন, ক্লাইমবিং ৰবট, লাইং ফ্লাইং ৰবট আৰু মিনি মটৰ চাইকেল আদি। সম্প্ৰতি যুৱকজনে এখন হেলিকপ্টাৰ নিৰ্মাণ কৰাৰ পদক্ষেপ হাতত লৈছে। অৱশ্যে বৃহৎ আকাৰৰ হেলিকপ্টাৰখনৰ ইতিমধ্যে প্ৰায় ১০ শতাংশ কাম সম্পূৰ্ণ হৈছে যদিও প্ৰয়োজনীয় যন্ত্ৰাংশ ক্ৰয় কৰিব নোৱাৰি হেলিকপ্টাৰ নিৰ্মাণৰ কাম আধাতে সামৰিবলগীয়া হৈছে। উদীয়মান যুৱকজনে চৰকাৰ অথবা কোনো সদাশয় লোকৰ পৰা সা-সুবিধা পালে ভৱিষ্যতে যেন নিত্যনতুন বহু যন্ত্ৰ উদ্ভাৱন কৰিব সেয়া নিশ্চিত। সেয়েহে শৰতক সহায়ৰ বাবে আগুৱাই আহিবলৈ চৰকাৰ তথা বিভিন্ন দল-সংগঠনক আহ্বান জনাইছে স্থানীয় লাচিত নগৰবাসীয়ে।











## বৰ্ষটোৰ ভিন্ন শিতানৰ শ্ৰেষ্ঠসকল



ডিম্বেশ্বৰ দাস
ন্যায়িক ন্যায়াধীশ



জোনালী ৰাভা
চক্ৰ বিষয়া, সৰুপেটা ৰাজহ চক্ৰ



ইফতিকাৰ হুছেইন
চক্ৰ বিষয়া, ধুবুৰী ৰাজহ চক্ৰ



মনিৰ উদ্দিন আহমেদ, এ.চি.এছ



অভিষেক ৰয়
২০২২ বৰ্ষৰ চি.এ.ফাউণ্ডেচন পৰীক্ষাত উত্তীৰ্ণ



ছাইনী সাহা
গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰিসংখ্যা বিভাগৰ প্ৰৱেশ পৰীক্ষাত প্ৰথম স্থান দখল



জুস্মিতা কলিতা
নাৰেঙ্গী আৰ্মী কেম্পৰ ইণ্টাৰবেটালিয়ন শ্যুটিং প্ৰতিযোগিতাত শ্ৰেষ্ঠ শ্যুটাৰ,
**Officers Training Academy, Chennai** ৰ সেনা সংযুক্তি শিবিৰৰ প্ৰশিক্ষণৰ বাবে নিৰ্বাচিত




ৰত্নেশ্বৰ দাস
মিষ্টাৰ আইকণিক ফেচ অৱ নৰ্থ-ইষ্ট-২০২২ ৰ খিতাপ বিজয়ী
**India's Dance Power** ত নিৰ্বাচিত

## ২০২২ বৰ্ষত অসম আৰক্ষীত নিযুক্তি লাভ কৰা ছাত্ৰ-ছাত্ৰীৰ একাংশ



শান্তনু ৰয়
শিক্ষা বিভাগ



নিপনজ্যোতি নাথ
প্ৰাণীবিজ্ঞান বিভাগ



জিষ্ণু নাথ
ইতিহাস বিভাগ



ভুস্বামী নাথ
ইতিহাস বিভাগ



মনোৱাৰ হুছেইন



গোবিন্দ বিশ্বাস
ৰাজনীতি বিজ্ঞান বিভাগ



ভবন বিশ্বাস
ৰাজনীতি বিজ্ঞান বিভাগ



সুস্মিতা ভক্ত
দৰ্শন বিভাগ

ফ'টো দিব পৰা নগ'ল -
কনন বসুমতাৰী,
ত্ৰিদীপ নাথ,
ৰেচব ৰাজভৰ

# অভিনন্দন




মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ, ড° সুভাষ বৰ্মনৰ তত্ত্বাৱধানত দুগৰাকী গৱেষক ছাত্ৰ ক্ৰমে নকৌলাং নাৰমিয়া আৰু হাবিব ফজলুল বচিদে **Phd** ডিগ্ৰী লাভ কৰে। মহোদয়লৈ অভিনন্দন।



মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড° ভানু বেজবৰা কলিতাৰ তত্ত্বাৱধানত ক্ৰমে আমিনা খাতুন আৰু ময়নুল হক চৌধুৰীয়ে **Phd** ডিগ্ৰী লাভ কৰে। মহোদয়ালৈ অভিনন্দন।



মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা য়'চিকো বাইলুংয়ে অধ্যাপক ড° জয়ন্তী চুতীয়া আৰু সহযোগী অধ্যাপক ড° অৰূপ ৰতন পালৰ তত্ত্বাৱধানত "Studies on Static & Dynamical Structures in Dusty Plasma" শীৰ্ষক গৱেষণাৰে Phd ডিগ্ৰী লাভ কৰে। তেখেতলৈ অভিনন্দন।



মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক দীপাংকৰ বৰাই অধ্যাপক ড° চুম্পাম টেংজাঙৰ তত্ত্বাৱধানত "Survey and Assessment of Non-Timber Forest products of Behali Reserve Forest in the Biswanath District of Assam, India" শীৰ্ষক গৱেষণাৰে Phd ডিগ্ৰী লাভ কৰে। তেখেতলৈ অভিনন্দন।




মহাবিদ্যালয়ৰ অধ্যক্ষ সমন্বিতে অধ্যাপক-অধ্যাপিকাবৃন্দ



উপদেষ্টা মণ্ডলীৰ সৈতে আলোচনী বিভাগৰ সম্পাদক তথা ছাত্ৰ সদস্য সকল




মহাবিদ্যালয়ৰ অধ্যক্ষৰ সৈতে অনাশিক্ষক কৰ্মচাৰীবৃন্দ



মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনৰ সৈতে একাংশ ছাত্ৰ প্ৰতিনিধি (বাওঁফালৰ পৰা থিয় হৈ ক্ৰমে- দ্বীপজ্যোতি দাস, বিক্ৰম শীল, মুনমুন হুছেইন, ফাৰুক আব্দুলা, আমিৰ হুছেইন, মিন মোস্তাক ৰহমান, প্ৰিন্স কুমাৰ সিং, হীৰকজ্যোতি নাথ) পৰাণ কুমাৰ দাস (বহি, বাওঁফালে ) আৰু ৰাকেশ পোদ্দাৰ (বহি, সোঁফালে)

# বিভিন্ন শিতানৰ তত্ত্বাৱধায়ক সকল



শৈলেনজিৎ শৰ্মা
সাংস্কৃতিক বিভাগ



হাছনা বেগম বৰভূঞা
ৰেঞ্জাৰ লীডাৰ, ভাৰত স্কাউট এণ্ড গাইড



ড° জয়ন্ত কুমাৰ ব্ৰহ্ম
তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ



জ্যোৎস্না দাস
ছাত্ৰী জিৰণি কোঠা



ড° ধৰ্মেশ্বৰ বৰ্মন
ক্ৰীড়া বিভাগ



ড° জহিৰুল হক
সাংস্কৃতিক বিভাগ



ড° আনজাম হুছেইন বৰভূঞা
ক্ৰীড়া বিভাগ



ড° যুগব্ৰত দাস
এন.এছ.এছ



ড° ধীৰাজ কুমাৰ বৰা
ছাত্ৰ জিৰণি কোঠা



তৃষ্ণা বৰ্মন
আলোচনী বিভাগ



মিজিং গৰা বসুমতাৰী
এন. চি. চি.



অখিল ভাৰতীয় ট্ৰেকিং স্পষ্টীকৰণ শিবিৰত
মহাবিদ্যালয়ৰ এন চি চি গোটৰ ক্যাডেটসকল



মহাবিদ্যালয়ৰ এন চি চি গোট



মধ্যপ্ৰদেশত মহাবিদ্যালয়ৰ এন চি চি ক্যাডেটসকল



এন চি চি ক্যাডেট সকলৰ দ্বাৰা ক'ভিড সজাগতা প্ৰয়াস



এন চি চি ক্যাডেট সকলৰ দ্বাৰা ড্ৰিল অভ্যাস



ব্ৰহ্মপুত্ৰৰ পাৰত 'পুনীত সাগৰ অভিযান'ৰ
এটি মুহূৰ্তত এন চি চি ক্যাডেট সকল



**30 Assam Battalion**ৰ সংযুক্ত
বাৰ্ষিক প্ৰশিক্ষণ শিবিৰত এন চি চি ক্যাডেটসকল



নাৰেঙ্গী ফায়াৰিং গ্ৰাউণ্ডত
মহাবিদ্যালয়ৰ এন চি চি ক্যাডেটসকল



বিশ্ব জৈৱ বৈচিত্ৰ্যতা দিৱস উপলক্ষে আয়োজন কৰা
ফ'টোগ্ৰাফী প্ৰতিযোগিতাৰ অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকল




গোৱালপাৰা মহাবিদ্যালয়ৰ মহিলা কোষৰ উদ্যোগত কুৰুৱাভাষাত
আয়োজন কৰা স্বাস্থ্য আৰু শিক্ষা বিষয়ক সজাগতা সভাৰ এটি দৃশ্য



মহাবিদ্যালয়ৰ মহিলা কোষ আৰু স্কাউট এণ্ড গাইড গোটৰ
দ্বাৰা আয়োজিত টাইকোৱাণ্ডো প্ৰশিক্ষণ শিবিৰৰ এটি দৃশ্য



কুৰুৱাভাষাত মহাবিদ্যালয়ৰ মহিলা কোষৰ দ্বাৰা
আয়োজিত মহিলা স্বাস্থ্য সচেতনতা শিবিৰৰ এটি মুহূৰ্ত



মহাবিদ্যালয়ৰ এন এছ এছ গোটৰ দ্বাৰা চাফাই অভিযান



মহাবিদ্যালয়ৰ এন এছ এছ গোটৰ দ্বাৰা কাগজৰ মোনা প্ৰস্তুতকৰণ



কুৰুৱাভাষাত পথ নিৰ্মাণত ব্যস্ত এন এছ এছ গোটৰ
তত্ত্বাৱধায়ক প্ৰমুখ্যে স্বেচ্ছাসেৱকবৃন্দ



২০২২ বৰ্ষৰ গণৰাজ্য দিৱস উদ্‌যাপনৰ এটি মুহূৰ্ত



নাগালেণ্ডৰ কহিমাত মহাবিদ্যালয়ৰ ৰেঞ্জাৰসকল



আৰ্থ-সামাজিক জৰীপত অংশগ্ৰহণ কৰাৰ মুহূৰ্তত গোৱালপাৰাৰ হাড়িমূড়া গাঁওত ৰেঞ্জাৰ লীডাৰ হাছনা বেগম বৰভূঞা



মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ উদ্যোগত আয়োজিত পদ্মশ্ৰী বীৰুবালা ৰাভাৰ সম্বৰ্ধনা অনুষ্ঠানত পদ্মশ্ৰী গৰাকীৰ সৈতে মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰমুখ্যে বিভাগৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকল




সমাজতত্ত্ব বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা বাটৰ নাট প্ৰদৰ্শন




প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতি শিবিৰত ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি ভাষণৰত অৱস্থাত গোৱালপাৰা জিলাৰ মাননীয় উপায়ুক্ত বৰ্ণালী দাস




প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতি শিবিৰত উপস্থিত এ.ডি.জি.পি (এছ.বি) অসম, গুৱাহাটী হীৰেন চন্দ্ৰ নাথ




প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতি শিবিৰত ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি ভাষণৰত অৱস্থাত সুশান্ত সিং, আই. পি. এছ.



ক'ভিডৰ সময়ছোৱাত মহাবিদ্যালয়ৰ উদ্যোগত চেনিটাইজাৰ প্ৰস্তুতকৰণ আৰু বিতৰণ



মহাবিদ্যালয়ৰ অধ্যক্ষৰ দ্বাৰা জিলা
উপায়ুক্ত বৰ্ণালী দাসক চেনিটাইজাৰ প্ৰদান




মহাবিদ্যালয়ৰ পোষ্য গাঁও কুৰুৱাভাষাত উদ্ভিদ বিজ্ঞান আৰু
ভূগোল বিজ্ঞান বিভাগৰ উদ্যোগত কেঁচুসাৰ উৎপাদনৰ প্ৰশিক্ষণ




কুৰুৱাভাষাত অনুষ্ঠিত গ্ৰাম্য বিজ্ঞান মেলাৰ মুকলি সভাত
উপস্থিত ৰাইজক সম্বোধি মাননীয় অধ্যক্ষ ড° সুভাষ বৰ্মন



গ্ৰাম্য বিজ্ঞান মেলাত মহাবিদ্যালয়ৰ
ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা বিজ্ঞানৰ মডেল প্ৰদৰ্শন



অধ্যক্ষ ড° সুভাষ বৰ্মনদেৱৰ দ্বাৰা
মহাবিদ্যালয়ৰ কাঠফুলা উৎপাদন কেন্দ্ৰৰ নিৰীক্ষণ



কাঠফুলা উৎপাদনত জড়িত উদ্ভিদ বিজ্ঞান
বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ এটা ব্যস্ত মুহূৰ্ত




মহাবিদ্যালয় গ্ৰন্থাগাৰ



মহাবিদ্যালয় গ্ৰন্থাগাৰ




মহাবিদ্যালয় গ্ৰন্থাগাৰ



মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসৰ গ্ৰন্থাগাৰ আৰু অধ্যয়নৰত কিছু ছাত্ৰী



মহাবিদ্যালয় চৌহদৰ ভ্ৰাম্যমান গ্ৰন্থ ভঁৰাল



মহাবিদ্যালয় সপ্তাহৰ ভেশচন প্ৰতিযোগিতাৰ মুহূৰ্ত



একাঙ্কিকা নাটৰ এটি দৃশ্য



মহাবিদ্যালয় সপ্তাহৰ ভেশচন প্ৰতিযোগিতাৰ মুহূৰ্ত




মহাবিদ্যালয় পশুকল্যাণ গোটৰ দ্বাৰা আয়োজিত সজাগতা সভাত অধ্যক্ষ ড° সুভাষ বৰ্মন তথা সহযোগী অধ্যাপক ড° সন্তোষ কুমাৰ মিশ্ৰ




মহাবিদ্যালয়ৰ এন এচ এচ গোটৰ দ্বাৰা বান সাহায্য বিতৰণৰ দৃশ্য



দুমহীয়া নাট কৰ্মশালাৰ সমাপ্তি অনুষ্ঠানত বিশিষ্ট অভিনয় শিল্পী আদিল হুছেইন



মহাবিদ্যালয় চৌদহত বৃক্ষৰোপনৰ মুহূৰ্তত অধ্যক্ষ ড° সুভাষ বৰ্মন প্ৰমুখ্যে অধ্যাপক-অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰীসকল



প্ৰাচীৰ পত্ৰিকা উন্মোচনৰ এটি মুহূৰ্ত




সাম্প্ৰতিক সমাজ আৰু সংস্কৃতি বিষয়ক অন্তৰঙ্গ আলাপত উপস্থিত গণশিল্পী লোকনাথ গোস্বামী, অধ্যাপক ড° অৱনী কুমাৰ ভাগৱতী, মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মন তথা বিশিষ্ট বুদ্ধিজীৱী ড° অখিল ৰঞ্জন দত্ত (বাওঁফালৰ পৰা ক্ৰমে)




ইতিহাস বিভাগৰ উদ্যোগত শ্ৰীসূৰ্য পাহাৰলৈ চাইক্ল'থন





মহাবিদ্যালয় ব্যায়ামাগাৰ




কুৰুৱাভাষাত ফুটবল প্ৰতিযোগিতাৰ বিজয়ীক বঁটা প্ৰদানৰ মুহূৰ্তত



বাস্কেটবল কোৰ্ট




দৰ্শন বিভাগৰ দ্বাৰা আয়োজিত আমন্ত্ৰিত বক্তৃতানুষ্ঠানৰ অতিথি
মাননীয় দিগন্ত বিশ্ব শৰ্মা ( সোঁমাজত)



মহাবিদ্যালয়ৰ উন্নয়নমূলক উদ্দেশ্যৰে গোৱালপাৰা জিলাৰ
অভিভাৱক মন্ত্ৰী মাননীয় অশোক সিংঘালক সাক্ষাৎ কৰা মুহূৰ্তত
অধ্যক্ষ প্ৰমুখ্যে আন অধ্যাপক সকল



অসম চৰকাৰৰ দ্বাৰা মেধাবী ছাত্ৰীসকলক স্কুটি প্ৰদান




মহাবিদ্যালয়ৰ বাণিজ্য বিভাগৰ স্থায়ী ভৱনৰ আধাৰশিলা স্থাপন অনুষ্ঠানত গোৱালপাৰা জিলাৰ সন্মানীয় আৰক্ষী অধীক্ষক শ্ৰীযুত সুশান্ত বিশ্ব শৰ্মা



গল্পকথাৰ অতিথি অতনু ভট্টাচাৰ্য আৰু মিতালী দে




উদ্ভিদ বিজ্ঞান বিভাগৰ সতীৰ্থ সন্মিলনত স্মৰণিকা (প্ৰকৃতিকা) উন্মোচন

## বিভিন্ন বিভাগৰ প্ৰাচীৰ পত্ৰিকা সমূহ



















